सत्यमेव जयते

# ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষা প্ৰতিবেদন

## 2021 চনৰ 31 মাৰ্চত সমাপ্ত বৰ্ষটোৰ বাবে

लोकहितार्थ सत्यनिष्ठा
Dedicated to Truth in Public Interest

## অসম চৰকাৰ

*(2022 বৰ্ষৰ প্ৰতিবেদন নং 1)*

# ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ
# ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষা প্ৰতিবেদন

## 2021 চনৰ 31 মাৰ্চত সমাপ্ত বৰ্ষটোৰ বাবে

## অসম চৰকাৰ

*(2022 বৰ্ষৰ প্ৰতিবেদন নং 1)*

## সূচীপত্ৰ


| বিৱৰণ | দফা নং | পৃষ্ঠা নং |
|---|---|---|
| পাতনি | -- | iii |
| কাৰ্যকৰী সাৰাংশ | -- | v |
| **অধ্যায় 1: ৰাজ্যিক বিত্তৰ দৃষ্টিপাত** | | |
| ৰাজ্যখনৰ চমু বিৱৰণ | 1.1 | 1 |
| ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ভিত্তি আৰু তাৰ ওপৰত পৰ্যালোচনা | 1.2 | 4 |
| প্ৰতিবেদনখনৰ গঠন | 1.3 | 5 |
| চৰকাৰী হিচাপৰ গাঁথনি আৰু বাজেট প্ৰক্ৰিয়াৰ দৃষ্টিপাত | 1.4 | 6 |
| বিত্তীয় ভাৰসাম্য: ঘাটি আৰু মুঠ ঋণৰ লক্ষ্য প্ৰাপ্তি | 1.5 | 10 |
| হিচাপ পৰীক্ষাৰ পিছত ঘাটি আৰু মুঠ ঋণ | 1.6 | 16 |
| সামৰণি | 1.7 | 18 |
| পৰামৰ্শসমূহ | 1.8 | 19 |
| **অধ্যায় 2: ৰাজ্যখনৰ বিত্তসমূহ** | | |
| সূচনা | 2.1 | 21 |
| 2019-20 বৰ্ষৰ বিপৰীতে 2020-21 ত প্ৰধান বিত্তীয় সমাহাৰ সমূহৰ ক্ষেত্ৰত হোৱা মুখ্য পৰিবৰ্তনসমূহ | 2.2 | 21 |
| পুঁজিসমূহৰ উৎস আৰু ব্যৱহাৰ | 2.3 | 22 |
| ৰাজ্যৰ সম্পদসমুহ | 2.4 | 22 |
| সম্পদৰ ব্যৱহাৰ | 2.5 | 37 |
| আকস্মিক নিধি | 2.6 | 55 |
| ৰাজহুৱা হিচাপ | 2.7 | 56 |
| ঋণ ব্যৱস্থাপনা | 2.8 | 59 |
| ঋণ বহনক্ষমতা বিশ্লেষণ (ডি এচ এ) | 2.9 | 67 |
| সামৰণি | 2.10 | 77 |
| পৰামৰ্শসমূহ | 2.11 | 79 |
| **অধ্যায় 3: বাজেট ব্যৱস্থাপনা** | | |
| বাজেট প্ৰক্ৰিয়া | 3.1 | 81 |
| বিনিয়োজনৰ হিচাপ | 3.2 | 84 |
| বাজেট আৰু হিচাপ প্ৰক্ৰিয়াৰ অখণ্ডতাৰ সম্পৰ্কত মন্তব্য | 3.3 | 85 |
| বাজেট আৰু হিচাপ প্ৰক্ৰিয়াৰ কাৰ্যকাৰিতাৰ ওপৰত মন্তব্য | 3.4 | 98 |
| নিৰ্বাচিত অনুদানৰ পৰ্যালোচনা | 3.5 | 104 |
| সামৰণি | 3.6 | 119 |
| পৰামৰ্শসমূহ | 3.7 | 120 |
| **অধ্যায় 4: হিচাপৰ মানদণ্ড আৰু বিত্তীয় প্ৰতিবেদনৰ পদ্ধতি** | | |
| সুত বহন কৰা জমা ৰাশিৰ বাবদ সুদৰ দায়বদ্ধতা পালন নকৰা | 4.1 | 121 |
| ৰাজ্যিক ৰূপায়ন অভিকৰণ সমূহলৈ পুঁজিৰ পোনপটীয়া হস্তান্তৰ | 4.2 | 121 |
| ব্যৱহাৰিক প্ৰমাণ পত্ৰ দাখিলত বিলম্ব | 4.3 | 122 |
| সংক্ষিপ্ত সাম্ভাব্য বিল | 4.4 | 124 |
| ব্যক্তিগত জমা হিচাপ | 4.5 | 125 |
| গৌণ শিতান 800 ৰ অবিবেচক ব্যৱহাৰ | 4.6 | 126 |
| কেন্দ্ৰীয় পথ পুঁজি (চি আৰ এফ) | 4.7 | 128 |
| মূখ্য শিতানৰ অনিশ্চয়তা আৰু ডি ডি আৰ অধীনৰ বকেয়া উদ্বৃত্ত | 4.8 | 128 |
| বিভাগীয় পৰিমাণ সমূহৰ সমিলমিল নকৰা | 4.9 | 130 |
| নগদ উদ্বৃত্তৰ সমিলমিলকৰণ | 4.10 | 131 |

| সূচীপত্ৰ | | |
|---|---|---|
| বিৱৰণ | দফা নং | পৃষ্ঠা নং |
| হিচাপৰক্ষণৰ মানদণ্ডৰ অনুপালন | **4.11** | 134 |
| স্বায়ত্ব শাসিত পৰিষদ/ নিকায়ৰ হিচাপ দাখিল | **4.12** | 134 |
| বিভাগীয় বাণিজ্যিক প্ৰতিষ্ঠান/ নিগম/ কোম্পানীসমূহ | **4.13** | 136 |
| হিচাপৰ সময়ানুৱৰ্তিতা আৰু মানদণ্ড | **4.14** | 137 |
| আত্মসাৎ, ক্ষতি, চুৰি ইত্যাদি | **4.15** | 138 |
| শ্ৰমিক কল্যাণ পৰিষদলৈ শ্ৰমিক উপকৰৰ চমু হস্তান্তৰ | **4.16** | 139 |
| ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ উপৰত পৰৱৰ্তী কাৰ্যব্যৱস্থা | **4.17** | 139 |
| সামৰণি | **4.18** | 140 |
| পৰামৰ্শসমূহ | **4.19** | 141 |
| পৰিশিষ্ট | | 143-188 |

# পাতনি

1. এই প্ৰতিবেদনখন সংবিধানৰ অনুচ্ছেদ 151 ৰ অধীনত ৰাজ্যপাললৈ দাখিল কৰিবৰ বাবে প্ৰস্তুত কৰা হৈছে।

2. প্ৰতিবেদনখনৰ অধ্যায় I ত ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ভিত্তি আৰু পৰ্য্যালোচনা, প্ৰতিবেদনখনৰ গঠন, চৰকাৰী হিচাপৰ গঠন, বাজেট সম্বন্ধীয় প্ৰক্ৰিয়া, ৰাজহ ৰাহি/ঘাটি, বিত্তীয় ৰাহি/ঘাটি, ইত্যাদি গুৰুত্বপূৰ্ণ বিত্তীয় মাপকাঠীৰ ধাৰা আৰু বিত্তীয় সংশোধনৰ কাৰ্যপন্থা সন্নিবিষ্ট আছে।

3. অধ্যায় II ত ৰাজ্যখনৰ বিত্ত হিচাপৰ ভিত্তিত ৰাজ্যৰ বিত্তীয় ব্যৱস্থাৰ এক বিস্তৃত ৰূপৰেখা, পূৰ্বৰ বছৰৰ মূখ্য বিত্তীয় সমাহাৰ সমূহৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পৰিবৰ্তন সমূহৰ বিশ্লেষণ, বিগত পাঁচ বছৰৰ সময়ছোৱাত সামগ্ৰীক ধাৰাসমূহ, ৰাজ্যখনৰ ঋণৰ বিৱৰণ আৰু প্ৰধান ৰাজহুৱা হিচাপৰ লেন-দেন সমূহ যুগুত কৰা হৈছে।

4. অধ্যায় III ত ৰাজ্যখনৰ বিনিয়োজন হিচাপৰ ভিত্তিত আৰু ৰাজ্যখনৰ বিনিয়োজন আৰু আৱণ্টনত অগ্ৰাধিকাৰ ওপৰত সমীক্ষা কৰিছে আৰু বাজেট সম্বন্ধীয় ব্যৱস্থাপনাৰ লগত জড়িত সাংবিধানিক ব্যৱস্থাৰ পৰা বিচ্যুতিৰ ওপৰত প্ৰতিবেদন দিছে।

5. অধ্যায় IV ত 'হিচাপসমূহৰ বৈশিষ্ট আৰু বিত্তীয় প্ৰতিবেদনৰ ব্যৱহাৰ'ৰ ওপৰত চলিত বৰ্ষত বিভিন্ন বিত্তীয় আইন, প্ৰক্ৰিয়া আৰু নিৰ্দেশাৱলীৰ সৈতে ৰাজ্য চৰকাৰৰ অনুপালনৰ এটা দৃষ্টিপাত আৰু স্থিতি আগবঢ়োৱা হৈছে।

6. বিভিন্ন চৰকাৰী বিভাগত কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু অনুপালন হিচাপ পৰীক্ষাৰ ফলাফল, বিধিবদ্ধ নিগম, বোৰ্ড আৰু চৰকাৰী কোম্পানীৰ হিচাপ পৰীক্ষাৰ পৰা উদ্ভৱ হোৱা পৰ্যবেক্ষণ আৰু ৰাজহ প্ৰাপ্তিৰ ওপৰত পৰ্যবেক্ষণ থকা প্ৰতিবেদন ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ প্ৰতিবেদন পৃথকে উপস্থাপন কৰা হৈছে।

মূল ইংৰাজী প্ৰতিবেদন "State Finances Audit Report of the Comptroller and Auditor General of India for the year ended 31 March 2021 - Government of Assam" ৰ অসমীয়ালৈ ভাষান্তৰ কৰি এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে।

অনুদিত সংস্কৰণত কোনো সন্দেহ থাকিলে ইংৰাজী সংস্কৰণটোৱে প্ৰামাণিক বুলি বিবেচিত হ'ব।

# কাৰ্য্যকৰী সাৰাংশ

# কাৰ্য্যকৰী সাৰাংশ

## 1 প্ৰতিবেদনখন

31 মাৰ্চ 2021 ত সমাপ্ত বৰ্ষটোৰ অসম চৰকাৰৰ পৰীক্ষিত হিচাপৰ ওপৰত ভিত্তি কৰি এই প্ৰতিবেদনখনে ৰাজ্য চৰকাৰৰ বিত্তৰ এটা বাখ্যামূলক পৰ্য্যালোচনা আগবঢ়াইছে। এই প্ৰতিবেদনখন চাৰিটা অধ্যায়ত গঠন হৈছে।

**অধ্যায় 1 - ৰাজ্যিক বিত্তৰ দৃষ্টিপাত:** এই অধ্যায়ে প্ৰতিবেদনখন আৰু ভিত্তিস্বৰূপ তথ্যৰ নিৰ্দেশ দাঙি ধৰিছে, চৰকাৰী হিচাপৰ গঠনৰ ওপৰত দৃষ্টিপাত, বাজেট প্ৰক্ৰিয়াসমূহ, গুৰুত্বপূৰ্ণ সূচক সমূহৰ বিশাল বিত্তীয় বিশ্লেষণ আৰু ঘাটি/ ৰাহি অন্তৰ্ভূক্ত কৰি ৰাজ্যৰ বিত্তীয় অৱস্থা দেখুওৱাইছে।

**অধ্যায় 2 - ৰাজ্যখনৰ বিত্তসমূহ:** এই অধ্যায়ত ৰাজ্যখনৰ বিত্ত হিচাপৰ ওপৰত ভিত্তি কৰি ৰাজ্যখনৰ বিত্তৰ ওপৰত এখন বহল প্ৰেক্ষাপত, পূৰ্বৱৰ্ত্তী বৰ্ষৰ তুলনাত মুখ্য বিত্তীয় অৱস্থাৰ মুঠ পৰিমাণৰ জটিল পৰিবৰ্তনৰ বিশ্লেষণ, পূৰ্বৱৰ্তী পাঁচ বছৰৰ সামগ্ৰিক প্ৰৱণতা, ৰাজ্যখনৰ ঋণৰ পাৰ্শ্বচিত্ৰ আৰু মুখ্য ৰাজহুৱা হিচাপৰ লেনদেন দেখুওৱা হৈছে।

**অধ্যায় 3 - বাজেট ব্যৱস্থাপনা:** এই অধ্যায়টো ৰাজ্যখনৰ বিনিয়োজন হিচাপৰ ওপৰত ভিত্তি কৰা আৰু ইয়াত ৰাজ্যখনৰ বিনিয়োজন আৰু আবন্টনৰ অগ্ৰাধিকাৰৰ ওপৰত পুনৰীক্ষণ আৰু বাজেট ব্যৱস্থাপনা সম্পৰ্কত থকা সাংবিধানিক ব্যৱস্থাৰ পৰা বিচ্যুতিৰ প্ৰতিবেদন দিয়া হৈছে।

**অধ্যায় 4 - হিচাপৰ মানদণ্ড আৰু বিত্তীয় প্ৰতিবেদনৰ পদ্ধতি:** এই অধ্যায়ত ৰাজ্য চৰকাৰৰ বিভিন্ন কৰ্তৃপক্ষৰ পৰা দাখিল কৰা হিচাপৰ বৈশিষ্ট্য আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগীয় বিষয়াৰ দ্বাৰা নিৰ্ধাৰিত নিয়ম আৰু অধিনিয়মৰ অনুপালন নকৰাৰ বিষয়সমূহৰ ওপৰত মন্তব্য দিয়া হৈছে।

এই প্ৰতিবেদনটোত 15 টা পৰিশিষ্ট আছে য'ত অডিট পৰ্যবেক্ষণৰ সমৰ্থনত কেইবাটাও উৎসৰ পৰা সংগ্ৰহ কৰা অতিৰিক্ত তথ্য আছে।

## হিচাপ পৰীক্ষাৰ উদঘাটনসমূহ

## অধ্যায় 1 - ৰাজ্যিক বিত্তৰ দৃষ্টিপাত

- অসমৰ জি এছ ডি পি 2016-17 বৰ্ষত 2,54,478 কোটি টকাৰ পৰা 2020-21 বৰ্ষত 3,48,277 কোটি টকা বৃদ্ধি পাইছে আৰু 6.43 শতাংশৰ ৰাষ্ট্ৰীয় চি এ জি আৰৰ বিপৰীতে 8.16 শতাংশ চক্ৰবৃদ্ধি বাৰ্ষিক বৃদ্ধিৰ হাৰ (চি এ জি আৰ) বৃদ্ধি পাইছে। অৱশ্যে ক'ভিড - 19

মহামাৰীৰ কাৰণে 2016-17 বৰ্ষত বিকাশৰ হাৰ 11.63 শতাংশৰ পৰা 2020-21 বৰ্ষত 3.89 শতাংশলৈ হ্ৰাস পাইছে।

- ৰাজ্যখনে 2016-17 বৰ্ষৰ পৰা 2020-21 বৰ্ষলৈ পাঁচবছৰৰ ভিতৰত কেৱল দুটা বছৰতহে অতিৰিক্ত ৰাজহৰ ৰাহি উপনিত হৈছিল। 2019-20 বৰ্ষত 2,171.60 কোটি টকাৰ ৰাজহৰ ঘাটিৰ বিপৰীতে 2020-21 বৰ্ষত ৰাজ্যখনে 382.60 কোটি টকা ৰাজহ ৰাহিৰ সৈতে সমাপ্ত হৈছিল।
- ৰাজ্যখনে বিগত পাঁচ বছৰৰ ভিতৰত তিনিবছৰত এ এফ আৰ বি এম আইনৰ অধীনত নিৰ্ধাৰিত লক্ষ্যৰ তলত বিত্তীয় ঘাটি নিয়ন্ত্ৰণ কৰাত সফল হৈছিল। চলিত বৰ্ষত অৰ্থাৎ 2020-21 বৰ্ষত ৰাজ্যখনৰ বিত্তীয় ঘাটি জি এছ ডি পি ৰ 3.47 শতাংশ আছিল, যিটো এ এফ আৰু বি এম আইন 2020 ৰ  অধীনত নিৰ্ধাৰিত 5.50 শতাংশৰ  ঋণৰ সীমাৰ তলত আছিল। 2019-20 বৰ্ষৰ  14,915.80 কোটি টকাৰ বিত্তীয় ঘাটিৰ তুলনাত এই ঘাটি 2020-21 বৰ্ষত 2,813.77 কোটি টকা (18.86 শতাংশ)  হ্ৰাস পাই 2020-21 বৰ্ষত 12,102.03 কোটি টকা হৈছিল।
- 2016-21 ৰ পাঁচবছৰীয়া সময়ছোৱাত ৰাজ্যখনৰ বকেয়া ঋণ ধাৰাবাহিকভাৱে জি এছ ডি পিৰ 28.50 শতাংশৰ তলত অৰ্থাৎ এ এফ আৰ বি এম আইন 2011 ত নিৰ্ধাৰিত নিয়মৰ ভিতৰত আছিল। অৱশ্যে 2020-21 বৰ্ষত বকেয়া ঋণ (87,407.79 কোটি টকা), 2019-20  বৰ্ষৰ 72,256.52 কোটি টকাৰ পৰা 15,151.27 কোটি টকা (20.97 শতাংশ) বৃদ্ধি পাইছে।
- বছৰটোত 6,951.01 কোটি টকাৰ ৰাজহ ৰাহিৰ অতিৰিক্ত মুল্যায়ন কৰা হৈছিল। ব্যয়ৰ ভুল শ্ৰেণীবিভাজন আৰু প্ৰতিবেদন দাখিল নকৰা তথ্যবোৰ বিবেচনা কৰিলে বিত্তীয় হিচাপত প্ৰতিবেদন কৰা অনুসৰি 382.60 কোটি টকা ৰাজহ ৰাহিৰ বিপৰীতে 6,568.41 কোটি টকাৰ ৰাজহ ঘাটিত সমাপ্ত হ'লহেতেন।
- 2020-21 বৰ্ষত 1,614.29 কোটি টকাৰ বিত্তীয় ঘাটিৰ অৱমূল্যায়ন কৰা হৈছিল। এই তথ্য বিবেচনা কৰিলে প্ৰকৃত বিত্তীয় ঘাটি 12,102.03 কোটি টকাৰ বিপৰীতে 13,716.32 কোটি টকা হ'লহেতেন। তাৰোপৰি জি এচ ডি পি ৰ অনুপাতে বিত্তীয় ঘাটি 3.47 শতাংশৰ বিপৰীতে 3.94 শতাংশ হ'লহেতেন।

## পৰামৰ্শসমূহ

- *ৰাজ্য চৰকাৰে  বিত্তীয় ঘাটি হ্ৰাস কৰিবলৈ ৰাজহৰ নিজা উৎস বিশেষকৈ কৰ বিহীন ৰাজহ বৃদ্ধি কৰিবলৈ দৃঢ় প্ৰচেষ্টা গ্ৰহণ কৰিব পাৰে।*
- *ৰাজ্যৰ বৰ্দ্ধিত বকেয়া ঋণৰ কথা বিবেচনা কৰি, চৰকাৰে প্ৰতিশ্ৰুতিবদ্ধ ৰাজহ ব্যয় যুক্তিসঙ্গত কৰাৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব পাৰে।*

- *ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সঠিক বিত্তীয় স্থিতি উপস্থাপন কৰিবলৈ সহায়ক অনুদানসমূহ ৰাজহ ব্যয় হিচাপে লিপিবদ্ধ কৰিব পাৰে। একেদৰে সময়মতে সুতৰ দায়বদ্ধতা পালন কৰাৰ কথা বিবেচনা কৰিব পাৰে আৰু ৰাজ্যখনৰ পেঞ্চন পৰিশোধৰ সন্দৰ্ভত ভাৰতীয় ৰিজাৰ্ভ বেংক /বেংক সমূহৰ সৈতে হিচাপৰ বিসংগতিসমূহ মিলাব পাৰে।*

## অধ্যায় 2 - ৰাজ্যখনৰ বিত্তসমূহ

- ৰাজ্যখনৰ বিত্তীয় স্থিতি ৰাজহ ঘাটি / ৰাহি, বিত্তীয় ঘাটি / ৰাহি আৰু প্ৰাথমিক ঘাটি / ৰাহিক গুৰুত্বপূৰ্ণ বিত্তীয় মাপকাঠিৰ হিচাপত চোৱা হয়। 2020-21 ত, ৰাজ্যখনৰ 382.60 কোটি টকাৰ ৰাজহ ৰাহি আছিল যিটো বছৰটোৰ জি এচ ডি পি ৰ 0.11 শতাংশ আছিল। 2020-21 ত বিত্তীয় ঘাটি আছিল 12,102.03 কোটি টকা যিটো জি এচ ডি পি ৰ 3.47 শতাংশ আছিল আৰু প্ৰাথমিক ঘাটি আছিল 6,902.85 কোটি টকা (জি এচ ডি পি ৰ 1.98 শতাংশ)।
- 2020-21 বৰ্ষত ৰাজহ প্ৰাপ্তি আছিল 64,902.19 কোটি টকা যিটো 2019-20 বৰ্ষৰ তুলনাত (64,495.08 কোটি টকা) বছৰটোত 407.11 কোটি টকা (0.63 শতাংশ) বৃদ্ধি হৈছিল। বিগত বছৰৰ তুলনাত (16,528.69 কোটি টকা) ৰাজ্যৰ নিজৰ কৰ ৰাজহ 604.92 কোটি টকা বৃদ্ধি হৈছিল (3.66 শতাংশ), আনহাতে 2019-20 বৰ্ষৰ (5,539.34 কোটি টকা) তুলনাত বছৰটোত 2,639.73 কোটি টকা (47.65 শতাংশ) অনাকৰ ৰাজহ হ্ৰাস হৈছিল। পূৰ্বৰ বছৰৰ তুলনাত (20,705.61 কোটি টকা) ভাৰত চৰকাৰৰ পৰা সাহাৰ্য্য অনুদান 5,534.04 কোটি টকা (26.73 শতাংশ) বৃদ্ধি হৈছিল আৰু 2020-21 ত কেন্দ্ৰীয় কৰৰ ৰাজ্যৰ অংশ আৰু শুল্কত বিগত বছৰৰ তুলনাত (21,721.44 কোটি টকা) 3,092.12 কোটি টকা (14.24 শতাংশ) হ্ৰাস পাইছিল। 2020-21 ত ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰৰ অধীনত সংগ্ৰহ কৰা ৰাজহ 2019-20 ত 8,755.30 কোটি টকাৰ পৰা 2020-21 ত 8,549.02 কোটি টকালৈ সামান্য ভাৱে মুঠ 206.28 কোটি টকা (2.36 শতাংশ) ৰ হ্ৰাস হৈছিল।
- 2020-21 বৰ্ষত ৰাজহ ব্যয় আছিল 64,519.59 কোটি টকা যিটো মুঠ ব্যয় 77,006.78 কোটি টকাৰ 83.78 শতাংশ আছিল ।ৰাজ্য চৰকাৰে বিভিন্ন কেন্দ্ৰীয় আঁচনিৰ অধীনত স্থানীয় নিকায় বা ব্যক্তিগত প্ৰতিষ্ঠান সমূহক প্ৰদান কৰা 5,640.47 কোটি টকাৰ সহায়ক অনুদানৰ ভুল শ্ৰেণী বিভাজন কৰা হৈছিল, যি ৰাজহ ব্যয়ৰ পৰিবৰ্তে মূলধন হিচাপে আছিল, যাৰ ফলত মূলধন ব্যয় অতিৰিক্ত মূল্যায়ন কৰা হৈছিল আৰু সেই পৰিমানে ৰাজহ ব্যয়ত অৱমূল্যায়ন কৰা হৈছিল।
- দৰমহা ও মজুৰি, পেঞ্চন, সুদ প্ৰদানৰ দৰে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধ ব্যয় বিগত 2016-21 লৈ পাঁচ বছৰৰ সময়ছোৱাত ক্ৰমান্বয়ে বৃদ্ধি পাইছিল। 2020-21 বৰ্ষত ই 1,269.50 কোটি টকা বৃদ্ধি পাইছিল। 2020-21 ত প্ৰতিশ্ৰুতিবদ্ধ ব্যয় আছিল 42,755.28 কোটি টকা

(64,902.19 কোটি টকাৰ মুঠ ৰাজহ প্ৰাপ্তিৰ 65.88 শতাংশ আৰু 64,519.59 কোটি টকাৰ মুঠ ৰাজহ ব্যয়ৰ 66.27 শতাংশ)।

- আঁচনিখনৰ আৰম্ভণিৰ পৰা ৰাজ্য চৰকাৰৰ দ্বাৰা ৰাষ্ট্ৰীয় পেঞ্চন পদ্ধতিলৈ 332.12 কোটি টকাৰ কম বৰঙণিয়ে চৰকাৰলৈ ভৱিষ্যতৰ পৰিহাৰযোগ্য দায়বদ্ধতা সৃষ্টি কৰিছে। 2020 ৰ 31 মাৰ্চলৈকে 341.82 কোটি টকা ৰাজহুৱা হিচাপত ৰৈছিল, যাৰ ওপৰত 2020-21 ত 27.35 কোটি টকাৰ সুদ পৰিশোধ কৰিব লগা হৈছিল।
- মূলধন ব্যয় হৈছে পথ, গৃহ ইত্যাদিৰ দৰে স্থিৰ আন্তঃ গাঠনিৰ সম্পদ সৃষ্টি কৰাৰ বাবে কৰা ব্যয়। দেখা গৈছিল 2019-20 ত 13,468.55 কোটি টকাৰ পৰা 2020-21 ত 12,399.39 কোটি টকালৈ হ্ৰাস হৈ বছৰটোৰ ভিতৰত ৰাজ্যৰ মূলধন ব্যয় 1,069.16 কোটি টকা (7.94 শতাংশ) হ্ৰাস হৈছিল। অৱশ্যে, এই বৃদ্ধি 5,640.47 কোটি টকাৰ সহায়ক অনুদান ৰাজহৰ পৰিবৰ্তে মূলধন শাখাৰ অধীনত লিপিবদ্ধ কৰা পৰিপ্ৰেক্ষিতত চাব লাগিব, ফলত সেই পৰিমাণৰ ৰাজহ ৰাহি অতিৰিক্ত মূল্যায়ন কৰা হৈছিল।
- 2020-21 বৰ্ষৰ সময়ছোৱাত, ৰাজ্য চৰকাৰে সমবায় সমিতি সমূহত 3.32 কোটি টকা বিনিয়োগ কৰিছিল। 31 মাৰ্চ 2021 লৈকে ৰাজ্য চৰকাৰৰ সেই কোম্পানী / নিগমসমূহত আৰু সমবায় সমিতি সমূহত বিনিয়োগৰ পৰিমান হৈছিল 2,923.57 কোটি টকা। বছৰছোৱাত লাভ্যাংশ হিচাপে 481.89 কোটি টকাৰ পৰিমান লাভ কৰিছিল।
- 2020 ৰ 01 এপ্ৰিল পৰ্যন্ত ৰাজ্যত দুৰ্য্যোগ সঁহাৰি পুঁজিত 725.23 কোটি টকাৰ উদ্ধৃত্ত পৰি ৰৈছিল। অসম চৰকাৰে নীতি নিৰ্দেশনাত নিৰ্দ্ধাৰিত কোনো সঁজুলিত এচ ডি আৰ এফ ৰ উদ্ধৃত্ত সমূহ বিনিয়োগ কৰা নাছিল, বা এচ ডি আৰ এফক নীতি নিৰ্দেশনা উলংঘা কৰি পুঁজিত বাকী থকা উদ্বৃত্তৰ ওপৰত কোনো অৰ্ধবাৰ্ষিক সুদ পৰিশোধ কৰা নাছিল। অসম চৰকাৰে 43.51 কোটি টকাৰ সুদ পৰিশোধ নকৰাৰ ফলত ৰাজহ ৰাহিত সেই পৰিমাণৰ (2020-21 ৰ সময়ছোৱাত) অতিৰিক্ত মূল্যায়ন কৰা হৈছিল আৰু ভৱিষ্যতৰ বাবে পুঞ্জিভুত দায়বদ্ধতাৰ সৃষ্টি হৈছিল।
- ৰাজ্যখনৰ বকেয়া ঋণ 2016-17 ত 43,980.56 কোটি টকাৰ পৰা 2020-21 ত 87,407.79 কোটি টকালৈ দ্ৰুত গতিত বৃদ্ধি পাইছিল। বৰ্দ্ধিত বকেয়াৰ হাৰ 2016-17 ত 12.62 শতাংশৰ পৰা 2020-21 ত 20.97 শতাংশলৈ বৃদ্ধি পাইছিল। বজাৰৰ পৰা অধিক ধাৰ লোৱাৰ বাবে ঋণ / জি এচ ডি পি ৰ হাৰ 2016-17 ত 17.28 শতাংশৰ পৰা 2020-21 ত 25.10 শতাংশলৈ বৃদ্ধি হৈছিল। ৰাজ্যখনে 2016-21 বৰ্ষৰ এই পাঁচ বছৰৰ সময়ছোৱাত 6.51 শতাংশৰ পৰা 7.14 শতাংশৰ ভিতৰত গড় সুদৰ হাৰত বকেয়া ৰাজহুৱা ঋণৰ ওপৰত সুদ পৰিশোধৰ বাবে ইয়াৰ ৰাজহ প্ৰাপ্তিৰ প্ৰায় ছয়ৰ পৰা আঠ শতাংশ ব্যৱহাৰ কৰিছিল।

- 31 মাৰ্চ 2021 তাৰিখলৈ ৰাজহুৱা ঋণৰ বকেয়া মজুতৰ ম্যাদ পুৰ্তিৰ পাশ্বচিত্ৰই সূচাইছে যে ৰাজহুৱা ঋণৰ 54.79 শতাংশ (37,641.22 কোটি টকা) পৰৱৰ্তী সাত বছৰৰ ভিতৰত পৰিশোধ কৰিব লাগিব আনহাতে 45.21 শতাংশ (31,057.53 কোটি টকা) সাত বছৰতকৈও অধিক ম্যাদপুৰ্তিৰ বন্ধনীত আছে।
- 2020-21 ৰ সমাপ্তিত মুঠ ঋণৰ 79 শতাংশৰে ৰাজহুৱা ঋণ গঠন হৈছে । এই সময়ছোৱাত ইয়াৰ বিকাশ হৈছিল 27.45 শতাংশৰ হাৰত, অৰ্থাৎ বিগত পাঁচবছৰৰ সময়ছোৱাত সৰ্বাধিক। বছৰটোৰ সময়ছোৱাত ৰাজহুৱা ঋণৰ হাৰ আছিল 27.45 শতাংশ যি জি এচ ডি পিৰ (3.89 শতাংশ) বৃদ্ধিৰ হাৰকো অতিক্ৰম কৰিছিল। এই সকলোবোৰে ইংগিত কৰে যে আগন্তুক বছৰ সমূহত ৰাজহুৱা ঋণৰ ওপৰত সুদ পৰিশোধৰ বাবে বিত্তীয় চাপ বৃদ্ধি হ'ব।
- ৰাজহুৱা ঋণ প্ৰাপ্তি বিগত পাঁচ বছৰৰ সময়ছোৱাত 2016-17 ত 3,901.71 কোটি টকাৰ পৰা 2020-21 ত 17,940.18 কোটি টকালৈ মুঠ 359.80 শতাংশ বৃদ্ধি পাইছিল। 2020-21 ত 17,940.18 কোটি টকাৰ ৰাজহুৱা ঋণ প্ৰাপ্তিৰ ভিতৰত ৰাজ্য চৰকাৰে পূৰ্বৰ ঋণ পৰিশোধৰ বাবে 11.97 শতাংশ (2,147.98 কোটি টকা) ব্যৱহাৰ কৰিছিল আৰু 69.12 শতাংশ (12,399.39 কোটি টকা) মূলধন ব্যয়ৰ ওপৰত খৰচ কৰিছিল, যি বিগত পাঁচ বছৰৰ সময়ছোৱাত সবাটোকৈ কম।

## পৰামৰ্শসমূহ

i. *ৰাজ্য চৰকাৰে বিত্তীয় ঘাটি কমাবলৈ আৰু এ এফ আৰ বি এম আইন 2011 ৰ অধীনৰ লক্ষ্যসমূহত উপনীত হ'বলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰে।*

ii. *ৰাজ্য চৰকাৰে এন পি এচৰ চমু অৰদান আৰু সুতৰ দায়বদ্ধতাৰ লগতে এন পি এচৰ দায়বদ্ধতা পূৰণ কৰাৰ বাবে এক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত আৰু উদ্ধৃত্ব পুঁজিপেঞ্চন কতৃপক্ষ, এন এচ ডি এললৈ হস্তান্তৰ কৰিব লাগে যাতে এন পি এচ কৰ্মচাৰী সকল ৰিটাৰ্নৰ পৰা বঞ্চিত নহয়। ভৱিষ্যতৰ দায়বদ্ধতা পৰিহাৰ কৰিবলৈ এন পি এচ সম্পৰ্কীয় লেন দেনৰ হিচাপ ব্যৱস্থাৰ বাবে নিৰ্দ্ধাৰিত প্ৰক্ৰিয়া নিষ্ঠাৰে পালন কৰিব লাগে।*

iii. *ৰাজ্য চৰকাৰে বিনিয়োগ আৰু সেই বিনিয়োগৰ ওপৰত নগণ্য লাভৰ কথা বিবেচনা কৰি ৰাজ্যখনৰ লোকচান হোৱা ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ কাৰ্য্যকলাপ সমীক্ষা কৰা উচিত।*

iv. *ৰাজ্য চৰকাৰে নিৰ্দেশনাত দিয়া ধৰণেৰে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিত থকা উদ্ধৃত্ত সমূহক বিনিয়োগ কৰিব পাৰে।*

v. *ৰাজ্য চৰকাৰে ৰাজহুৱা ঋণৰ বৃদ্ধিৰ হাৰৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰৰ নিজা ৰাজহ বৃদ্ধিৰ চেষ্টা কৰিব পাৰে আৰু ৰাজহ ব্যয় কমাব পাৰে যাতে আগন্তুক বৰ্ষসমূহত ৰাজহুৱা ঋণ পৰিশোধৰ হেঁচা আৰু ৰাজহুৱা ঋণৰ সুদৰ দায়বদ্ধতা পৰিহাৰ কৰিব পাৰে।*

*vi. ৰাজ্য চৰকাৰে বজাৰ ঋণ সংগ্ৰহ কৰাৰ সময়ত নগদ উদ্ধৃত্তৰ স্থিতি মনত ৰাখিব লাগে।*

## অধ্যায় 3 - বাজেট ব্যৱস্থাপনা

- যিহেতু, 1,22,341.66 কোটি টকাৰ 81 টা অনুদান আৰু বিনিয়োজনৰ বিপৰীতে ৰাজ্য চৰকাৰে 82,888.63 কোটি টকা ব্যয় কৰিছিল আৰু ফলত পূৰ্বৰ বছৰৰ 35,552.08 কোটি টকাৰ ৰাহিৰ বিপৰীতে সামগ্ৰীকভাৱে 39,453.03 কোটি টকা ৰাহি হৈছিল। অসম চৰকাৰ (জি অ' এ) ৰ বাজেট সমন্ধীয় ধাৰণাসমূহ 2020-21 ৰ সময়ছোৱাত অবাস্তৱ আছিল আৰু বেছিকৈ ধৰি কৰা হিচাপ অব্যাহত আছিল। এই ৰাহি বছৰটোৰ মুঠ অনুদান আৰু বিনিয়োজনৰ 32 শতাংশ আছিল। ৰাহিসমূহ বছৰটোৰ পৰিপূৰক বাজেট পৰিসৰৰ 2.1 গুণ আছিল।
- এই ৰাহিসমূহ 2020-21 ত ৰাজ্য চৰকাৰৰ দ্বাৰা 1,07,314.47 কোটি টকাৰ প্ৰাপ্তিৰ অত্যাধিক আকলন আৰু 1,22,341.66 কোটি টকাৰ ব্যয়ৰ ওপৰত আকলনৰ পৰিপ্ৰেক্ষিতত চাব লাগিব। অনুমানিকৰ বিপৰীতে 82,844.93 কোটি টকাৰ প্ৰকৃত প্ৰাপ্তি হৈছিল ফলত বছৰটোত মুঠ ব্যয় 82,888.63 কোটি টকাৰ ভিতৰত সীমিত ৰাখিব লগীয়া হৈছিল। ইয়াৰ অৰ্থ হৈছে ৰাহিবোৰ ধাৰণামূলক আছিল কিয়নো পুঁজিবোৰ ব্যয়ৰ বাবে উপলব্ধ নাছিল।
- বছৰটোত ৰাহি বাজেটৰ প্ৰায় এক তৃতীয়াংশ আছিল; কিন্তু নিয়ন্ত্ৰণকাৰী বিষয়া সকলে পুঁজিসমূহ সমৰ্পন কৰা নাছিল, নাইবা প্ৰধান মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) ক আৱন্টন সমূহৰ বিপৰীতে ব্যয়ৰ তাৰতম্যৰ সন্দৰ্ভত ব্যাখ্যা প্ৰদান কৰা নাছিল।
- ৰাজ্যিক আইন সভাৰ দ্বাৰা 18,580.03 কোটি টকাৰ পৰিপুৰক অনুদানৰ অনুমোদনে অত্যাধিক অনুমান আৰু দুৰ্বল বিত্তীয় ব্যৱস্থাপনাক সূচায় কিয়নো মুঠ ব্যয় (82,888.63 কোটি টকা) মূল ব্যৱস্থাতকৈ (1,03,761.63 কোটি টকা) কম আছিল।
- বিভাগ সমূহে (অনুদান নং 23-পেঞ্চন , অনুদান নং 76-কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ, অনুদান নং 77-উত্তৰ কাছাৰ পাহাৰ স্বায়ত্ত্ব শাসিত পৰিষদ আৰু অনুদান নং 78-বড়োলেণ্ড আঞ্চলিক পৰিষদ) 2020-21 ৰ সময়ছোৱাত অনুমোদনৰ উপৰিও 731.25 কোটি টকা পৰিমানৰ অতিৰিক্ত ব্যয় কৰিছিল। ইয়াৰ উপৰিও বাজেট ব্যৱস্থাৰ অবিহনে 19 টা উপ-শিতানৰ চাৰিটা অনুদানত (প্ৰত্যেকটোতে 15 লাখ টকা আৰু অধিক) অতিৰিক্ত 23.00 কোটি টকা ব্যয় কৰিছিল।
- বাচনিকৃত অনুদানৰ পৰ্যালোচনাত দেখা গৈছিল যে 2016-21 ৰ সময়ছোৱাত সমাজ কল্যাণ বিভাগৰ অনুদান নং 39 ৰ অধীনত 20.00 শতাংশৰ পৰা 48.78 শতাংশ পৰিসৰৰ ভিতৰত ধাৰাবাহিকভাৱে ৰাহি হৈছিল। এই বছৰটোতএই ৰাহি মুঠ বাজেটৰ 31.43 শতাংশ আছিল ।

## পৰামৰ্শসমূহ

i. *ৰাজ্য চৰকাৰে সাম্ভাব্য সম্পদ সংগ্ৰহৰ নিৰ্ভৰযোগ্য ধাৰণা, বিভাগ সমূহৰ প্ৰয়োজনীয়তা আৰু আৱন্টিত সম্পদ সমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত চৰকাৰৰ সামৰ্থৰ ওপৰত ভিত্তি কৰি এক বাস্তৱিক বাজেট প্ৰস্তুত কৰিব পাৰে যাতে প্ৰকৃত সম্পদ অবিহনে বৰ্ধিত বাজেট পৰিহাৰ কৰিব পাৰে;*

ii. *অনুদান /বিনিয়োজনৰ ভিতৰত বৃহৎ ৰাহি সমূহৰ নিয়ন্ত্ৰণ আৰু নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰত্যাশিত ৰাহি সমূহ চিনাক্ত আৰু সমৰ্পন কৰাটো নিশ্চিত কৰিবলৈ বাজেটৰ সঠিক ৰূপায়ন আৰু নিৰীক্ষণ কৰাৰ বাবে চৰকাৰৰ দ্বাৰা এক উপযুক্ত নিয়ন্ত্ৰণ প্ৰণালী আৰম্ভ কৰিব পাৰে;*

iii. *বিচক্ষণ বাজেট আৱন্টন আৰু ব্যয়ৰ নিৰীক্ষণৰ বাবে বিত্ত বিভাগে ধাৰাবাহিকভাৱে ৰাহি হোৱা বিভাগ সমূহক গুৰুত্ব সহকাৰে পৰ্যালোচনা কৰাটো দৰকাৰ;*

iv. *নিয়ন্ত্ৰনকাৰী বিষয়া সকলে বাজেটৰ সঠিক বিশ্লেষণ আৰু অৰ্থপূৰ্ণ বিনিয়োজনৰ হিচাপ প্ৰস্তুত কৰাৰ সুবিধাৰ বাবে সময়মতে আৱন্টন আৰু ব্যয়ৰ তাৰতম্য ব্যাখ্যা কৰাটো প্ৰয়োজন।*

## অধ্যায় 4 - হিচাপৰ মানদণ্ড আৰু বিত্তীয় প্ৰতিবেদনৰ পদ্ধতি

- 2001-02 ৰ পৰা 2019-20 লৈ ৰাজ্য চৰকাৰৰ 55 বিভাগলৈ আগবঢ়োৱা মুঠ 39,629.49 কোটি টকাৰ অনুদান সন্দৰ্ভত (11,717 খন ইউ চি) ব্যৱহাৰিক প্ৰমাণপত্ৰ দাখিল কৰা নাছিল। ব্যৱহাৰিক প্ৰমাণপত্ৰসমূহ নথকাৰ বাবে অনুদান যি উদ্দেশ্যত দিয়া হৈছিল প্ৰাপকে সেই উদ্দেশ্যত ব্যৱহাৰ কৰিছিল নে নাই আৰু লক্ষ্য নিৰ্দ্ধাৰিত সম্পদ সৃষ্টি কৰিব পাৰিছিল নে নাই তাক নিশ্চিত কৰিব পৰা নগ'ল।
- 2021 চনৰ 31 মাৰ্চ পৰ্যন্ত 39 টা ৰাজ্যিক বিভাগে 1,648 খন এ চি বিলৰ বিপৰীতে 1,050.84 কোটি টকাৰ ডি চি চি বিল দাখিল কৰা নাছিল। দীৰ্ঘ সময়ৰ বাবে অগ্ৰিমসমূহ অমীমাংসীত থাকিলে আত্মসাতৰ আকাংক্ষা থাকে আৰু সেয়েহে ডি চি চি বিলসমূহ দাখিল কৰা নিশ্চিত কৰিবলৈ সংশ্লিষ্ট ডি ডি অ' ৰ দ্বাৰা সূক্ষ্ম নিৰীক্ষণৰ প্ৰয়োজন।
- 2020-21 বৰ্ষত সময়ছোৱাত, ৰাজ্য চৰকাৰে 71 ৰাজহ আৰু মুলধনী হিচাপৰ মুখ্য শিতানৰ অধীনত 15,335.15 কোটি টকাৰ পৰিমাণৰ ব্যয় গৌণ শিতান 800 ৰ অধীনত নথিভুক্ত কৰিছিল, যিটো 76,918.98 কোটি টকাৰ মুঠ ৰাজহ আৰু মুলধনী ব্যয়ৰ 19.94 শতাংশ আছিল। একেধৰণেৰে ৰাজ্য চৰকাৰে 48 মুখ্য শিতানৰ সৈতে সম্পৰ্কিত, 1,046.12 কোটি টকাৰ (ৰাজহ প্ৰাপ্তিৰ 1.61 শতাংশ) প্ৰাপ্তি গৌণ শিতান '800- অন্যান্য প্ৰাপ্তিৰ' অধীনত শ্ৰেণীভূক্ত কৰিছে। তাৰোপৰি সৰ্বশিক্ষা অভিযান মধ্যাহ্ন ভোজন আঁচনিৰ 2,731.37 কোটি টকা (মুঠ ব্যয়ৰ 17.81 শতাংশ গৌণ শিতান-800ত নথিভুক্ত কৰা হৈছিল) উপযুক্ত গৌণ শিতান থকা স্বত্তেও গৌণ শিতান 800ত নথিভুক্ত কৰা হৈছিল।
- বছৰটোৰ সময়ছোৱাত 56,045.00 কোটি টকা (79,155 কোটি টকা মুঠ ব্যয়ৰ 71 শতাংশ) ব্যয় আৰু 69,547.00 কোটি টকা (82,845 কোটি টকাৰ মুঠ প্ৰাপ্তিৰ 84 শতাংশ) ৰ সমিলমিল

কৰা হৈছিল। কাৰ্য্যকৰী নিৰ্দেশনাসমূহ ব্যৱহৃতকৰণ / অনুপালনৰ বিফলতাই হিচাপৰ প্ৰাপ্তি আৰু ব্যয়ৰ ভুল শ্ৰেণী বিভাজন আৰু নথিভূক্তকৰণৰ প্ৰভাৱ পেলাইছিল।

- অভিকৰণ বেংক সমূহৰ দ্বাৰা পেঞ্চন প্ৰদানৰ তথ্য ৰাজ্য চৰকাৰ / কোষাগাৰক দাখিল নকৰাৰ বাবে বছৰটোত প্ৰদান কৰা পেঞ্চনৰ 1,209.08 কোটি টকা ৰাজ্যৰ হিচাপত হিচাপভূক্ত হোৱা নাছিল। তাৰ ফলত ৰাজহ ব্যয় আৰু বিত্তীয় ঘাটিত কম উল্লেখ হৈছিল।
- অসম চৰকাৰৰ অশুদ্ধ বাজেট প্ৰক্ৰিয়া আৰু পেঞ্চন হিচাপৰ বাবে পেঞ্চনৰ ব্যয়ৰ পৰিমাণ হিচাপৰ বাহিৰত ৰৈ গ'ল যাৰ ফলত হিচাপত কম ব্যয় নথিভূক্ত হৈছিল আৰু ৰাজ্য চৰকাৰে কম বাজেটৰ ব্যৱস্থা কৰাৰ বাবে বিত্তীয় বিভাগৰ পৰা কম ৰাজহ ঘাটি অনুদান প্ৰাপ্ত কৰিছিল ।
- 2021 ৰ 31 মাৰ্চত 107 খন স্বায়ত্ত শাসিত পৰিষদ, উন্নয়ন পৰিষদ আৰু চৰকাৰী নিকায়ৰ 649 টা বাৰ্ষিক হিচাপ আৰু 40 টা ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ 378 টা বাৰ্ষিক হিচাপ (2020-21ত বকেয়া) চি এ জি ক হিচাপ পৰীক্ষাৰ বাবে দাখিল কৰিবলৈ বাকী আছিল। হিচাপ প্ৰদান কৰিব লগা গোট / কৰ্তৃপক্ষৰ দ্বাৰা হিচাপ সমূহৰ দাখিলত পলম কৰাৰ বাবে ৰাজ্যৰ মাহেকীয়া লেন দেনৰ প্ৰকৃত বিৱৰণত বিকৃতি ঘটায় আৰু ফলপ্ৰসূ বাজেট ব্যৱস্থাপনাত প্ৰভাৱ পেলায় আৰু এই নিকায় সমূহৰ দায়বদ্ধতা হ্ৰাস কৰে।
- 2008-09 ৰ পৰা 2020-21 ৰ সময়ছোৱাত গৃহ নিৰ্মাণ আৰু অন্যান্য নিৰ্মাণ কৰ্মীৰ কল্যাণ আইন 1996 ৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা সংগ্ৰহ কৰা মুঠ 1,553.08 কোটি টকাৰ উপকৰৰ ভিতৰত 1,535.04 কোটি টকা অন্যান্য নিৰ্মাণ কৰ্মীৰ কল্যাণ পৰিষদলৈ হস্তান্তৰ কৰিছিল ফলত 18.04 কোটি টকা পৰিষদলৈ কমকৈ হস্তান্তৰ কৰা হৈছিল।

## পৰামৰ্শসমূহ

i. *ইউ চি, ডি চি চি বিল আৰু হিচাপ পৰীক্ষাৰ বাবে দিব লগা হিচাপ সমূহ দাখিলৰ সংক্ৰান্তত বিভাগসমূহে নিৰ্দেশিত নিয়ম আৰু প্ৰক্ৰিয়াসমূহ পালনত নিশ্চিত কৰিবৰ বাবে ৰাজ্য চৰকাৰে এক কঠোৰ নিৰীক্ষণ ব্যৱস্থা সংস্থাপন কৰা প্ৰয়োজন।*

ii. *ৰাজ্য চৰকাৰে বহু উদ্দেশ্যৰ গৌণ শিতান 800 ব্যৱহাৰত উৎসাহ নিদিয়া উচিত আৰু প্ৰধান মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য)ৰ সৈতে পৰামৰ্শ কৰি হিচাপৰ বহীত লেনদেন সমূহ সঠিক ভাৱে শ্ৰেণীভূক্ত কৰিবৰ বাবে উপযুক্ত হিচাপৰ শিতান চিনাক্ত কৰিবলৈ নিৰ্দিষ্ট সময়সীমা প্ৰস্তুত কৰা উচিত।*

iii. *ৰাজ্য চৰকাৰে ৰাজ্যৰ নগদ ধনৰ উদ্বৃত্ত বিসংগতি আৰু পেঞ্চন ব্যয়ৰ অশুদ্ধ প্ৰতিবেদন সমাধানৰ বাবে অতি সোনকালে আৰ বি আই আৰু প্ৰধান মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য)ৰ সৈতে পৰামৰ্শ কৰি চৰকাৰী হিচাপত সংযোগ বিহীন শাখাৰ দ্বাৰা বিতৰণ কৰা পেঞ্চনৰ হিচাপ অন্তৰ্ভূক্তি নোহোৱা সমস্যাটো সমাধান কৰা উচিত।*

*iv.* *চৰকাৰী লেনদেনৰ হিচাপত স্বচ্ছতা আৰু শুদ্ধতা প্ৰদান কৰিবলৈ আভ্যন্তৰীণ নিয়ন্ত্ৰণ প্ৰণালী শক্তিশালী কৰা প্ৰয়োজন আৰু চৰকাৰে নিশ্চিত হোৱা দৰকাৰ যাতে নিয়ন্ত্ৰণকাৰী বিষয়া সকলে নিৰ্দ্ধাৰিত সময়ৰ ব্যৱধানত মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য)ৰ হিচাপৰ সৈতে তেওঁলোকৰ প্ৰাপ্তি আৰু ব্যয়ৰ পৰিমাণ সমূহ সমিলমিল কৰা হয়।*

*v.* *ৰাজ্য চৰকাৰে হিচাপ দাখিলত নিৰন্তৰ বিলম্বন / অক্ষম হোৱা স্বায়ত্ত শাসিত জিলা পৰিষদ (এ ডি চি) আৰু অন্যান্য চৰকাৰী নিকায় সমূহৰ হিচাপত বকেয়া নিস্পত্তি কৰাৰ বাবে এক দৃঢ় পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে। হিচাপৰ চূড়ান্তকৰণত উন্নয়ন সংযোগ কৰাৰ বাবে এ ডি চি / স্বায়ত্বশাসিত নিকায় সমূহলৈ বিত্তীয় সাহাৰ্য্য আগবঢ়াব পাৰে।*

# অধ্যায় 1
# ৰাজ্যিক  বিত্তৰ দৃষ্টিপাত

## 1.1 ৰাজ্যখনৰ চমু বিৱৰণ

অসম উত্তৰ-পূব ভাৰতৰ দ্বিতীয় বৃহৎ ৰাজ্য আৰু আচলতে এই অঞ্চলৰ প্ৰৱেশ পথ। এই ৰাজ্যখনৰ ভৌগোলিক এলেকা 78,438 বৰ্গকিলোমিটাৰ (গোটেই দেশখনৰ ভৌগোলিক এলেকাৰ 2.4 শতাংশ) আৰু 2011 ৰ লোকপিয়ল অনুসৰি 3.12 কোটি জনসংখ্যাৰ (গোটেই দেশখনৰ জনসংখ্যাৰ 2.6 শতাংশ) আৱাসভূমি। দশকটোত (2001-2011) জনসংখ্যা বৃদ্ধিৰ হাৰ সৰ্বভাৰতীয় জনসংখ্যা বৃদ্ধিৰ হাৰ 17.64 শতাংশৰ বিপৰীতে 16.93 শতাংশ আছিল। 2020-21 ত ৰাজ্যখনৰ জনসংখ্য আছিল 3.52 কোটি। দশকটোত (2011-2021) ৰাজ্যখনৰ জনসংখ্যা বৃদ্ধিৰ হাৰ 12.10 শতাংশ আছিল যিটো সৰ্বভাৰতীয় জনসংখ্যা বৃদ্ধিৰ হাৰ 12.30 শতাংশতকৈ সামান্য ভাৱে কম আছিল ।

ৰাজ্যখনত 34 খন জিলা আৰু তিনিখন স্বায়ত্বশাসিত জিলা পৰিষদ (এ. ডি. চি.) যেনে (i) কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ (ii) উত্তৰ কাছাৰ পাহাৰ স্বায়ত্ব শাসিত পৰিষদ আৰু (iii) বড়োলেণ্ড প্ৰাদেশিক পৰিষদ আছে। গেডগিলৰ সূত্ৰ অনুসৰি 1969 ত এই ৰাজ্যখনক বিশেষ শ্ৰেণীৰ ৰাজ্য (এচ চি এচ) হিচাপে মনোনীত কৰা হৈছিল যিটোৱে নিশ্চিত কৰিছিল যে কেন্দ্ৰীয়ভাৱে পৃষ্ঠপোষকতা কৰা আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা 90 শতাংশ পুঁজি অনুদান হিচাপে লাভ কৰিব। 2020-21 ত চলিত মূল্যত ৰাজ্যখনৰ জনমুৰি মুঠ উপাৰ্জন 99,006 টকা আছিল যিটো সৰ্বভাৰতীয় গড় আয় 1,28,829 টকাতকৈ যথেষ্ট কম আছিল ।

ৰাজ্যখনৰ সাধাৰণ আৰু বিত্তীয় তথ্য **পৰিশিষ্ট 1.1** আৰু **পৰিশিষ্ট 1.2** দিয়া হৈছে।

### 1.1.1 অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন

মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জি.এচ.ডি.পি) হ'ল এক নিৰ্দিষ্ট সময় সীমাত ৰাজ্যৰ পৰিসীমাৰ ভিতৰত উৎপন্ন হোৱা সকলো সামগ্ৰী আৰু সেৱা সমূহৰ উৎপাদনৰ মূল্য। মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন বৃদ্ধি ৰাজ্যখনৰ অৰ্থনৈতিক দিশত সম্ভেদ দিয়া এক গুৰুত্বপূৰ্ণ সূচক কিয়নো ই ৰাজ্যৰ এটা নিৰ্দিষ্ট সময়সীমাত অৰ্থনৈতিক উন্নয়ণৰ মানদণ্ডৰ পৰিৱৰ্তনৰ বিস্তৃতি বুজায়।

দেশখনৰ মুঠ ঘৰুৱা উৎপাদনৰ (জি.ডি.পি) বিপৰীতে অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বাৰ্ষিক বিকাশৰ ধাৰা তলৰ **সাৰণী 1.1** ত দেখুওৱা হ'ল।

**সাৰণী 1.1: চলিত মূল্যত জি ডি পি আৰু জি এচ ডি পিৰ বৃদ্ধিৰ ধাৰা**

**(কোটি টকাত)**

| বছৰ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 | চি এ জি আৰ |
|---|---|---|---|---|---|---|
| **ৰাষ্ট্ৰীয় জি ডি পি (2011-12 শৃংখলাত)** | **1,53,91,669** | **1,70,90,042** | **1,88,86,957** | **2,03,51,013** | **1,97,45,670** | — |
| জি ডি পি বৃদ্ধিৰ হাৰ (শতাংশত) | 11.76 | 11.03 | 10.51 | 7.75 | -2.97 | 6.43 |
| **ৰাজ্যৰ জি এচ ডি পি (2011-12 শৃংখলাত)** | **2,54,478** | **2,83,165** | **3,09,336** | **3,35,238 (পি ই)** | **3,48,277 (কিউ ই)** | — |
| জি এচ ডি পি বৃদ্ধিৰ হাৰ (শতাংশত) | 11.63 | 11.27 | 9.24 | 8.37 | 3.89 | 8.16 |

*তথ্যৰ উৎস ঃ ভাৰত চৰকাৰ অৰ্থনৈতিক সমীক্ষা (2020-21) আৰু অৰ্থনৈতিক আৰু পৰিসংখ্যা সঞ্চালকালয় অসম*

ওপৰৰ সাৰণীৰ পৰা দেখা যায়, 2016-17 বৰ্ষৰ পৰা 2020-21 বৰ্ষলৈ বিগত পাঁচ বছৰৰ সময়ছোৱাৰ তিনি বছৰত 6.43 শতাংশ ৰাষ্ট্ৰীয় চি এ জি আৰৰ বিপৰীতে 8.16 শতাংশ চক্ৰবৃদ্ধি বাৰ্ষিক বিকাশৰ হাৰ (চি এ জি আৰ)ৰ সৈতে জি ডি পিৰ ৰাষ্ট্ৰীয় বিকাশৰ হাৰৰ তুলনাত অসমৰ জি এচ ডি পি উচ্চ হাৰত বৃদ্ধি পাইছিল। অৱশ্যে পাঁচ বছৰৰ সময়ছোৱাত জি এচ ডি পি বৃদ্ধিৰ হাৰ 2016-17 বৰ্ষত 11.63 শতাংশৰ পৰা 2020-21 বৰ্ষত 3.89 শতাংশলৈ কমি আহিছিল। ওপৰৰ তালিকাখনৰ পৰা এইটোও দেখা যায় যে 2020-21 বৰ্ষত ক'ভিড-19 ৰ প্ৰভাৱৰ বাবে ৰাষ্ট্ৰীয় জি ডি পি হ্ৰাস পাইছিল আৰু আনহাতে ৰাজ্যৰ জি এচ ডি পি য়ে সামান্য ইতিবাচক বিকাশ প্ৰদৰ্শন কৰিছিল।

এখন ৰাজ্যৰ অৰ্থনৈতিক কাৰ্যকলাপসমূহ সাধাৰণতে প্ৰাথমিক, মাধ্যমিক আৰু তৃতীয় খণ্ডত বিভক্ত কৰা হয় যিয়ে ক্ৰমে কৃষি আৰু সহযোগী সেৱাখণ্ড, উদ্যোগখণ্ড আৰু সেৱাখণ্ডক সূচায়। জি এছ ডি পি ত খণ্ডগত অৱদানৰ পৰিৱৰ্তনে অৰ্থনীতিৰ পৰিৱৰ্তনশীল গাঁথনিৰ ইঙ্গিত দিয়ে। বিগত পাঁচ বছৰত ক্ষেত্ৰ অনুযায়ী বিকাশ **চিত্ৰ তালিকা 1.1** ত দিয়া হৈছে, আনহাতে 2016-17 বৰ্ষৰ তুলনাত 2020-21 ত জি এচ ডি পিলৈ খণ্ড অনুযায়ী বৰঙণিৰ পৰিৱৰ্তন **চিত্ৰ তালিকা 1.2** ত বৰ্ণনা কৰা হৈছে।

**চিত্ৰ তালিকা 1.1: খণ্ড অনুযায়ী জি এচ ডি পিত বিকাশ**




| | 2016-17 | 2017-18 | 2018-19 | 2019-20 (পি. ই) | 2020-21 (কিউ. ই) |
|---|---|---|---|---|---|
| কৃষি আৰু সহযোগী সেৱাসমূহ | 4.63 | 3.92 | 5.88 | 6.16 | 5.41 |
| উদ্যোগ খণ্ড | 13.80 | 9.80 | 9.14 | -2.29 | 4.67 |
| সেৱা খণ্ড | 10.27 | 14.18 | 6.68 | 14.83 | 1.73 |
| দ্ৰব্যৰ ওপৰত কৰ - দ্ৰব্যৰ ওপৰত ৰাজসাহাৰ্য্য | 33.50 | 19.88 | 32.89 | 20.73 | 9.01 |

**চিত্ৰ তালিকা 1.2: জি এচ ডি পি লৈ খণ্ড অনুযায়ী বৰঙণিৰ পৰিৱৰ্তন (2016-17 ৰ পৰা 2020-21 লৈ)**



**চিত্ৰ তালিকা 1.1** ত দেখা যায় যে আগৰ বছৰৰ তুলনাত 2020-21 বৰ্ষত জি এচ ডি পি ৰ অৱদানত উদ্যোগখণ্ডৰ বাহিৰে বাকী সকলো খণ্ডৰ বিকাশ হ্ৰাস পাইছে। ইয়াৰ ভিতৰত, সেৱা খণ্ডত বিকাশৰ হাৰ সৰ্বাধিক হ্ৰাস পাইছে। তাৰোপৰি **চিত্ৰ তালিকা 1.2** ত দেখা যায় যে 2016-17 ৰপৰা 2020-21 লৈ পাঁচ বছৰৰ সময়ছোৱাত সেৱাখণ্ডত সামান্য বৃদ্ধি পোৱাৰ বিপৰীতে জি এচ ডি পিত কৃষি খণ্ড আৰু উদ্যোগ খণ্ডৰ অংশ হ্ৰাস পাইছিল।

2020-21ৰ সময়ছোৱাত ৰাজ্যখনৰ জি এচ ডি পি লৈ খণ্ড অনুযায়ী বৰঙণি **চিত্ৰ তালিকা 1.3** ত দিয়া হৈছে আৰু তাৰোপৰি সেই সময়ছোৱাত জি এচ ডি পি লৈ উপখণ্ড অনুযায়ী বৰঙণিৰ বিৱৰণ **চিত্ৰ তালিকা 1.4** ত দিয়া হৈছে।

**চিত্ৰ তালিকা 1.3: 2020-21 ত জি এছ ডি পিলৈ খণ্ড অনুযায়ী বৰঙণি**



**চিত্ৰ তালিকা 1.4: 2020-21 ত জি এছ ডি পিলৈ উপখণ্ড অনুযায়ী বৰঙণি**

**(অংশ শতাংশত)**




*তথ্যৰ উৎস: অৰ্থনৈতিক আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম*

## 1.2 ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ভিত্তি আৰু তাৰ ওপৰত পৰ্য্যালোচনা

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ 151 (2) অনুসৰি ৰাজ্যৰ বিধান মণ্ডলত উপস্থাপন কৰিবৰ বাবে ৰাজ্যখনৰ হিচাপৰ ওপৰত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক (চি এ জি) ৰ প্ৰতিবেদন ৰাজ্যখনৰ ৰাজ্যপাললৈ প্ৰেৰণ কৰিব লাগে। ভাৰতৰ সংবিধানৰ অনুচ্ছেদ 151 (2) ৰ অধীনত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ 31 মাৰ্চ 2021 ত সমাপ্ত ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষা প্ৰতিবেদন (এচ এফ এ আৰ) অসমৰ ৰাজ্যপাললৈ দাখিলকৰণৰ বাবে প্ৰস্তুত কৰা হৈছে।

ৰাজ্য চৰকাৰৰ অধীনৰ হিচাপ ৰক্ষণৰ দায়িত্বত থকা কোষাগাৰ, কাৰ্যালয় আৰু বিভাগসমূহে দাখিল কৰা ভাওচাৰ, চালান আৰু প্ৰাৰম্ভিক আৰু পৰিপূৰক হিচাপ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা প্ৰাপ্ত প্ৰবিৱৰণৰ পৰা মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) য়ে ৰাজ্যখনৰ বাৰ্ষিক বিত্তীয় হিচাপ আৰু বিনিয়োজনৰ হিচাপ প্ৰস্তুত কৰে। এই হিচাপসমূহ প্ৰধান মহাগাণনিক (হিচাপ পৰীক্ষা) ৰ দ্বাৰা স্বাধীনভাৱে হিচাপ পৰীক্ষা কৰা হয় আৰু চি এ জি ৰ দ্বাৰা প্ৰমাণিত কৰা হয়।

এই প্ৰতিবেদনৰ মূল তথ্য হৈছে ৰাজ্যখনৰ 2020-21 বৰ্ষৰ বাবে বিত্তীয় হিচাপ আৰু বিনিয়োজনৰ হিচাপ। আন উৎস সমূহ তলত উল্লেখ কৰা হৈছে ঃ

- 2020-21 বৰ্ষৰ বাবে ৰাজ্যৰ বাজেটখন বিত্তীয় মাপকাঠী আৰু আৱন্টনত অগ্ৰাধিকাৰৰ নিৰ্ধাৰণৰ বিপৰীতে প্ৰক্ষেপন আৰু লগতে ইয়াৰ ৰূপায়নৰ প্ৰভাৱৰ মূল্যায়ন আৰু প্ৰাসঙ্গিক নীতি আৰু নিৰ্ধাৰিত ব্যৱস্থাৰ অনুপালন দুয়োটাৰে বাবে এক গুৰুত্বপূৰ্ণ তথ্যৰ উৎস;
- বছৰটোৰ সময়ছোৱাত অসমৰ প্ৰধান মহাগাণনিক (হিচাপ পৰীক্ষা)ৰ কাৰ্য্যালয়ৰ দ্বাৰা সম্পন্ন কৰা ৰাজ্যিক সচিবালয় আৰু ক্ষেত্ৰ পৰ্য্যায়ৰ হিচাপ পৰীক্ষাৰ ফলাফল;
- বিভাগীয় কৰ্তৃপক্ষ আৰু কোষাগাৰৰ আন তথ্য (হিচাপ ৰক্ষণ আৰু এম. আই. এচ);
- জি এচ ডি পিৰ তথ্য আৰু ৰাজ্য সম্বন্ধীয় আন পৰিসংখ্যাসমূহ; আৰু
- 2016-21 বৰ্ষৰ সময়ছোৱাত চি এ জি ৰ বিভিন্ন হিচাপ পৰীক্ষা প্ৰতিবেদনো যথোপযুক্ত হিচাপে এইখন বিশ্লেষণ / ধাৰাভাস্য প্ৰস্তুত কৰাৰ সময়ত ব্যৱহৃত হৈছে।

এই বিশ্লেষণ বিত্ত আয়োগ (এফ চি) ৰ পৰামৰ্শসমূহ, অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা (এ এফ আৰ বি এম) আইন, ভাৰত চৰকাৰৰ শ্ৰেষ্ঠ ৰীতি আৰু নিৰ্দেশাৱলীৰ পৰিপ্ৰেক্ষিতত সম্পন্ন কৰা হৈছে। অসম চৰকাৰৰ বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিৱৰ লগত 11 অক্টোবৰ 2021 ত আৰম্ভণি বৈঠক অনুস্থিত কৰা হৈছিল, য'ত হিচাপ পৰীক্ষা পৰ্য্যালোচনাৰ বিষয়ে বুজাই দিয়া হৈছিল আৰু এই খচৰা প্ৰতিবেদনখন 02 ডিচেম্বৰ 2021ত মন্তব্যৰ হেতু ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰা হৈছিল। পৰৱৰ্তী সময়ত 20 ডিচেম্বৰ 2021ত অসম চৰকাৰৰ বিত্ত বিভাগৰ প্ৰধান সচিবৰ সৈতে প্ৰতিবেদনখনৰ এক প্ৰস্থান বৈঠক অনুস্থিত হৈছিল। চৰকাৰৰ পৰা প্ৰাপ্ত মন্তব্য সমূহ এই প্ৰতিবেদনত উপযুক্ত স্থানত অন্তভুৰ্ক্ত কৰা হৈছে।

## 1.3 প্ৰতিবেদনখনৰ গঠন

এই এচ এফ এ আৰ খন তলত দিয়াৰ দৰে চাৰিটা অধ্যায়ত গঠন হৈছেঃ

| | |
|---|---|
| **অধ্যায় - 1** | **ৰাজ্যিক বিত্তৰ দৃষ্টিপাত**<br>এই অধ্যায়ত প্ৰতিবেদনখনৰ ভিত্তি আৰু পৰ্যালোচনা আৰু বুনিয়াদী তথ্যৰ বাবে নিৰ্দেশ, চৰকাৰী হিচাপসমূহ, বাজেট প্ৰক্ৰিয়া, গুৰুত্বপূৰ্ণ সূচকসমূহৰ বিশাল বিত্তীয় বিশ্লেষণ, ঘাটি/ৰাহি অৰ্ন্তভূক্তিৰে ৰাজ্যখনৰ বিত্তীয় অৱস্থানৰ গঠনৰ ওপৰত এটা দৃষ্টিপাত বৰ্ণনা কৰা হৈছে। |
| **অধ্যায় - 2** | **ৰাজ্যখনৰ বিত্তসমূহ**<br>এই অধ্যায়ত ৰাজ্যখনৰ বিত্ত হিচাপৰ ওপৰত ভিত্তি কৰি ৰাজ্যখনৰ বিত্তৰ ওপৰত এখন বহল প্ৰেক্ষাপত, পূৰ্বৱতী বৰ্ষৰ তুলনাত মুখ্য বিত্তীয় অৱস্থাৰ মুঠ পৰিমানৰ জটিল পৰিবৰ্তনৰ বিশ্লেষণ, 2016-17 ৰ পৰা 2020-21 লৈ সময়ছোৱাত সামগ্ৰিক প্ৰৱণতা, ৰাজ্যখনৰ ঋণৰ পাৰ্শ্বচিত্ৰ আৰু মুখ্য ৰাজহুৱা হিচাপৰ লেনদেনসমূহ দেখুওৱা হৈছে। |
| **অধ্যায় - 3** | **বাজেট ব্যৱস্থাপনা**<br>এই অধ্যায়টো ৰাজ্যখনৰ বিনিয়োজন হিচাপৰ ওপৰত ভিত্তি কৰা আৰু ইয়াত ৰাজ্যখনৰ বিনিয়োজন আৰু আবন্টনৰ অগ্ৰাধিকাৰৰ ওপৰত পুনৰীক্ষণ আৰু বাজেট ব্যৱস্থাপনা সম্পৰ্কত থকা সাংবিধানিক ব্যৱস্থাৰ পৰা বিচ্যুতিৰ প্ৰতিবেদন দিয়া হৈছে। |
| **অধ্যায় - 4** | **হিচাপৰ মানদণ্ড আৰু বিত্তীয় প্ৰতিবেদনৰ পদ্ধতি**<br>এই অধ্যায়ত ৰাজ্য চৰকাৰৰ বিভিন্ন কৰ্তৃপক্ষৰ পৰা দাখিল কৰা হিচাপৰ বৈশিষ্ট আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগীয় বিষয়াৰ দ্বাৰা নিৰ্ধাৰিত নিয়ম আৰু অধিনিয়মৰ অনুপালন নকৰাৰ বিষয় সমূহৰ ওপৰত মন্তব্য দিয়া হৈছে। |

## 1.4 চৰকাৰী হিচাপৰ গাঁথনি আৰু বাজেট প্ৰক্ৰিয়াৰ দৃষ্টিপাত

ৰাজ্য চৰকাৰৰ হিচাপ তিনিটা ভাগত ৰখা হৈছেঃ

### 1. ৰাজ্যৰ একত্ৰিত পুঁজি {ভাৰতৰ সংবিধানৰ অনুচ্ছেদ 266 (1) }

এই পুঁজিত ৰাজ্য চৰকাৰে লাভ কৰা সকলো ৰাজহ, ৰাজ্য চৰকাৰে সংগ্ৰহ কৰা সকলো ঋণ (বজাৰ ঋণ, বণ্ড, কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ, বিত্তীয় প্ৰতিস্থানৰ পৰা ঋণ, ৰাষ্ট্ৰীয় ক্ষুদ্ৰ সঞ্চয় পুঁজিলৈ জাৰি কৰা বিশেষ নিৰাপত্তা ইত্যাদি), ভাৰতীয় ৰিজাৰ্ভ বেংকে আগবঢ়োৱা অৰ্থোপায় অগ্ৰিম আৰু ঋণ প্ৰত্যৰ্পনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে লাভ কৰা সকলো ধন অৰ্ন্তভূক্ত থাকে। আইন অনুসৰি আৰু ভাৰতীয় সংবিধানে ব্যৱস্থা কৰাৰ উদ্দেশ্যৰ বাবে সংবিধানত উল্লেখ কৰা ধৰণে ব্যৱহাৰ কৰাৰ বাহিৰে এই পুঁজিৰ পৰা কোনো ধন ব্যৱহাৰ কৰিব নোৱাৰি। কিছুমান শ্ৰেণীৰ ব্যয় (যেনে সাংবিধানিক কৰ্তৃপক্ষৰ দৰমহা, ঋণ পৰিশোধ ইত্যাদি) ৰাজ্যৰ একত্ৰিত পুঁজিৰ অধিনষ্ঠ ক্ষেত্ৰ (ধাৰ্য্য ব্যয়) গঠন কৰে আৰু বিধান মণ্ডলৰদ্বাৰা গৃহীত নহয়। আন সকলো ব্যয় (গৃহীত ব্যয়) বিধান মণ্ডলৰদ্বাৰা গৃহীত কৰা হয়।

### 2. ৰাজ্যৰ আকস্মিক পুঁজি { ভাৰতৰ সংবিধানৰ অনুচ্ছেদ 267 (2) }

এইটো এটা অগ্ৰদায় প্ৰকৃতিৰ পুঁজি যিটো বিধানমণ্ডলত আইনৰ দ্বাৰা গঠন কৰা হৈছিল আৰু ৰাজ্যিক বিধান মণ্ডলৰ দ্বাৰা অনুমতি বকেয়া ৰাখি আকস্মিক ব্যয়ৰ বাবে খৰচ কৰিবলৈ অগ্ৰিম দিয়াত সমৰ্থবান কৰি ৰাজ্যপালৰ হাতত ৰখা হয়। ৰাজ্যখনৰ একত্ৰিত পুঁজিৰ সৈতে সম্পৰ্কিত সংশ্লিষ্ট কাৰ্যকৰী মুখ্য শিতানৰ ব্যয়ত লিপিবদ্ধ কৰি পুঁজিটো পুনৰুদ্ধাৰ কৰা হয়।

### 3. ৰাজ্যৰ ৰাজহুৱা হিচাপ { সংবিধানৰ অনুচ্ছেদ 266 (2) }

ওপৰত উল্লেখ কৰাৰ বাহিৰেও, চৰকাৰৰ দ্বাৰা বা চৰকাৰৰ হৈ লাভ কৰা সকলো ৰাজহুৱা ধন য'ত চৰকাৰে বেংকাৰ বা ট্ৰাষ্টী হিচাপে কাম কৰে, ৰাজহুৱা হিচাপত জমা কৰা হয়। ৰাজহুৱা হিচাপত ক্ষুদ্ৰ সঞ্চয় আৰু ভৱিষ্যত নিধি, জমা (সুত বহন কৰা আৰু সুত বহন নকৰা), অগ্ৰিম, সংৰক্ষিত পুঁজি (সুত বহন কৰা আৰু সুত বহন নকৰা), প্ৰেৰণ আৰু স্থগিত শিতান (চুড়ান্ত ভাৱে নথিভূক্ত কৰিবলৈ বাকী থকা পৰিৱৰ্তনশীল শিতান) অৰ্ন্তভূক্ত থাকে। চৰকাৰৰ ওচৰত উপলব্ধ মুঠ নগদ উদ্বৃত্ব ৰাজহুৱা হিচাপৰ অধীনত অন্তৰ্ভূক্ত কৰা হৈছে। ৰাজহুৱা হিচাপ বিধানমণ্ডলত গৃহীত হ'ব লগা নহয়।

ভাৰতত প্ৰতিটো বিত্তীয় বৰ্ষৰ ক্ষেত্ৰত চৰকাৰৰ আনুমানিক প্ৰাপ্তি আৰু ব্যয়ৰ এটা বিৱৰণ ৰাজ্যৰ বিধানমণ্ডলৰ সদন বা সদনসমূহত উপস্থাপন কৰাৰ এক সাংবিধানিক প্ৰয়োজনীয়তা আছে (অনুচ্ছেদ 202)। এই "বাৰ্ষিক বিত্তীয় প্ৰবিৱৰণ"য়ে মুখ্য বাজেট দস্তাবেজ গঠন কৰে। তাৰোপৰি, বাজেটে ৰাজহ হিচাপৰ ব্যয়ক অন্যান্য ব্যয়ৰ পৰা পৃথক কৰিব লাগে।

**ৰাজহ প্ৰাপ্তিত** কৰ ৰাজহ, কৰবৰ্হিভূত ৰাজহ, কেন্দ্ৰীয় কৰ/শুল্কৰ অংশ আৰু ভাৰত চৰকাৰৰ পৰা অনুদান অৰ্ন্তভূক্ত থাকে।

**ৰাজহ ব্যয়** চৰকাৰৰ সেই সকলো ব্যয়ৰে গঠিত যাৰ ফলত বাস্তৱিক বা বিত্তীয় সম্পদ সৃষ্টি নহয়। ই চৰকাৰী বিভাগ আৰু বিভিন্ন সেৱাৰ স্বাভাবিক কাৰ্যকলাপৰ বাবে হোৱা ব্যয়, চৰকাৰে বহন কৰা ঋণৰ ওপৰত সুত পৰিশোধ, আৰু বিভিন্ন প্ৰতিষ্ঠানক প্ৰদান কৰা অনুদানৰ সৈতে সম্পৰ্কিত (যদিও কিছুমান অনুদান সম্পত্তি সৃষ্টিৰ বাবে হ'ব পাৰে)।

**মুলধন প্ৰাপ্তিত** অন্তৰ্ভূক্ত থাকেঃ

**(i)** **ঋণ প্ৰাপ্তি ঃ** বজাৰ ঋণ, বণ্ড, বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ, অৰ্থোপায় অগ্ৰীমৰ অধীনত মুঠ লেনদেন, কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ আৰু অগ্ৰিম ইত্যাদি;

**(ii)** **ঋণবিহীন প্ৰাপ্তি ঃ** নিৰ্বিনিয়োগৰ প্ৰাপ্ত ধন, ঋণ আৰু অগ্ৰিম পুণৰুদ্ধাৰ;

**মূলধনী ব্যয়ৰ** ভিতৰত আছে ভূমি অধিগ্ৰহণ, ভৱন, যন্ত্ৰপাতি, সঁজুলি, শ্বেয়াৰত বিনিয়োগ আৰু পি এছ ইউ আৰু আন্যান্য পক্ষলৈ চৰকাৰৰ দ্বাৰা ঋণ আৰু অগ্ৰিমৰ ব্যয় সমূহ।
বৰ্তমান চৰকাৰৰ এক হিচাপ ৰক্ষণ শ্ৰেণীবিভাজন প্ৰণালী আছে যি কাৰ্যকৰী ও অৰ্থনৈতিক।

| লেনদেনৰ বৈশিষ্ট |  | অসম চৰকাৰৰ হিচাপত অনুসৰণ কৰা শ্ৰেণীবিভাজন |
|---|---|---|
| চি জি এ ৰ দ্বাৰা মুখ্য আৰু গৌণ শিতানৰ তালিকাত মানকৰণ কৰা হৈছে। | কাৰ্যকলাপ - শিক্ষা, স্বাস্থ্য *ইত্যাদি/* বিভাগ | অনুদানৰ অধীনত মুখ্য শিতান (4- সংখ্যা) |
|  | উপ কাৰ্যকলাপ | উপমুখ্য শিতান (2- সংখ্যা) |
|  | কাৰ্যসূচী | গৌণ শিতান (3- সংখ্যা) |
| ৰাজ্যসমূহৰ বাবে বাকী ৰখা নমনীয়তা | আঁচনি | উপ শিতান (4- সংখ্যা) |
|  | উপ আঁচনি | উপ উপ শিতান (3- সংখ্যা) |
|  | অৰ্থনৈতিক প্ৰকৃতি/ কাৰ্যকলাপ | বিতং শিতান (2- সংখ্যা);<br>উপ বিতং শিতান (2- সংখ্যা) |

কাৰ্যকৰী শ্ৰেণীবিভাজনে আমাক বিভাগ, কাৰ্যকলাপ, আঁচনি বা কাৰ্যসূচী আৰু ব্যয়ৰ উদ্দেশ্য জানিব দিয়ে। অৰ্থনৈতিক শ্ৰেণীবিভাজনে এই পৰিশোধবোৰ ৰাজহ, মূলধন, ঋণ আদি হিচাপে সংগঠিত কৰাত সহায় কৰে। 4 টা সংখ্যাৰ মুখ্য শিতানৰ প্ৰথম সংখ্যাত অন্তৰ্ভূক্ত নম্বৰৰ দ্বাৰা অৰ্থনৈতিক শ্ৰেণী বিভাজন প্ৰাপ্ত কৰা হয়। উদাহৰণ স্বৰূপে 0 আৰু 1 হৈছে ৰাজহ প্ৰাপ্তিৰ বাবে, 2 আৰু 3 ৰাজহ ব্যয়ৰ বাবে, ইত্যাদি। কিছুমান বিষয়বস্তু শিতানত অৰ্ন্তনিহিত সংজ্ঞা আৰু বিতৰণৰ দ্বাৰাও অৰ্থনৈতিক শ্ৰেণীবিভাজন লাভ কৰিব পাৰি। উদাহৰণ স্বৰূপে, সাধাৰণতে 'দৰমহা" বিষয়বস্তু হৈছে ৰাজহ ব্যয়, "নিৰ্মাণ" শিতান হৈছে মূলধনী ব্যয়। বিষয়বস্তু শিতান হৈছে বাজেট নথিপত্ৰত বিনিয়োজনৰ প্ৰাথমিক একক।

**চিত্ৰ তালিকা 1.5** ত চৰকাৰী হিচাপৰ গাঁথনি এটা চিত্ৰৰ দ্বাৰা বৰ্ণনা দিয়া হৈছে।

### চিত্ৰ তালিকা 1.5 ঃ চৰকাৰী হিচাপৰ গাঁথনি




## বাজেট প্ৰক্ৰিয়া

ভাৰতৰ সংবিধানৰ অনুচ্ছেদ 202 অনুসৰি, 2020-21 বৰ্ষৰ বাবে আনুমানিক প্ৰপ্তি আৰু ব্যয়ৰ এটা প্ৰবিৱৰণ, **বাৰ্ষিক বিত্তীয় প্ৰবিৱৰণ** (বাজেট হিচাপে উল্লেখিত) ৰ আকাৰত অসমৰ ৰাজ্যপালে ৰাজ্যৰ বিধানমণ্ডলত উপস্থাপন কৰিব লাগে আৰু তলত দিয়া বিভাজনৰ ভিত্তিত ব্যয়ৰ অকলন দিব লাগে:

- ৰাজ্যখনৰ একত্ৰিত পুঁজিৰ ওপৰত ধাৰ্য্য কৰা ব্যয়;
- ৰাজ্যৰ একত্ৰিত পুঁজিৰ পৰা আন ব্যয়ৰ বাবে প্ৰস্তাৱিত পৰিমাণ; আৰু অন্যান্য ব্যয়ৰ পৰা ৰাজহ হিচাপৰ ব্যয় পৃথক কৰাৰ সৈতে।

অনুচ্ছেদ 203 অনুসৰি, উপৰোক্তবোৰ 81 টা অনুদান/বিনিয়োজন দাবীৰ আকাৰত ৰাজ্যিক বিধান মণ্ডলত দাখিল হৈছিল আৰু সেইবোৰৰ অনুমোদনৰ পাছত অনুচ্ছেদ 204 ৰ অধীনত প্ৰয়োজনীয় বিনিয়োজন একত্ৰিত পুঁজিৰ পৰা কৰিবলৈ বিধান মণ্ডলে বিলখন গৃহীত কৰিছিল।

দফা 1.2 ত উল্লেখ কৰাৰ দৰে এচ এফ এ আৰ প্ৰস্তুতিৰ বাবে বিত্ত হিচাপ আৰু বিনিয়োজন হিচাপে প্ৰধান তথ্য হিচাপে পৰিবেষ্টিত কৰে। 2020-21 সময়ছোৱাত ভাৰতীয় ৰিজাৰ্ভ বেংক (আৰ বি আই)ৰ দ্বাৰা সমাধান কৰা বিভিন্ন আন্তঃচৰকাৰী আৰু আন সমাযোজনৰ অৰ্ন্তভুক্তিৰে ৰাজ্যখনৰ প্ৰকৃত প্ৰাপ্তি আৰু ব্যয়ৰ ওপৰত এই হিচাপ সমূহ প্ৰতিষ্ঠিত। বাজেটত এই প্ৰাপ্তি আৰু ব্যয়সমূহ অনুমান কৰা হয় আৰু ব্যয়সমূহ ৰাজ্যিক বিধান মণ্ডলৰদ্বাৰা অনুমোদিত হোৱাৰ পাছত এই কথা বিবেচনা কৰি 2020-21 ৰ ৰাজ্যৰ বাজেট ভালদৰে অধ্যয়ন কৰাৰ দৰকাৰ আৰু বাজেটত পুৰ্বানুমান কৰাৰ লগত সংগতি ৰাখি বছৰটোত প্ৰকৃত প্ৰাপ্তি আৰু ব্যয়ৰ বিশ্লেষণ কৰাৰ দৰকাৰ।

অসম বাজেট নিয়মাৱলীয়ে বাজেট নিৰূপন প্ৰক্ৰিয়াৰ বৰ্ণনা কৰে আৰু ৰাজ্য চৰকাৰৰ বাজেট প্ৰাক্কলন প্ৰস্তুত কৰাত আৰু ব্যয়ৰ ক্ৰিয়া কলাপ সমূহ অৱলোকন কৰিবলৈ পথ প্ৰদৰ্শন কৰে। বাজেটৰ হিচাপ পৰীক্ষাৰ ফলাফল আৰু ৰাজ্য চৰকাৰে আগভাগ লোৱা আন বাজেট সম্বন্ধীয় বিষয় সমূহৰ ৰূপায়নৰ বিৱৰণ এই প্ৰতিবেদনৰ **অধ্যায় 3** ত বিস্তৃত ভাৱে দিয়া হৈছে।

## 1.4.1 ৰাজ্যিক বিত্তৰ সংক্ষিপ্ত স্থিতি

**সাৰণী 1.2** য়ে 2020-21 বৰ্ষৰ বাজেট প্ৰাক্কলন আৰু 2019-20 বৰ্ষৰ প্ৰকৃতৰ তুলনাত 2020-21 বৰ্ষৰ প্ৰকৃত হিচাপ পৰীক্ষাকৃত বিত্তীয় ফলাফলৰ বিৱৰণ প্ৰদান কৰে।

**সাৰণী 1.2: বাজেটৰ প্ৰাক্কলন আৰু প্ৰকৃতৰ সৈতে তুলনা**

**(কোটি টকাত)**

| ক্র. নং | উপাদানসমূহ | 2019-20* (প্ৰকৃত) | 2020-21 (বাজেটৰ প্ৰাক্কলন) | 2020-21 (প্ৰকৃত) | প্ৰকৃতৰ শতাংশৰ অনুপাতে | |
|---|---|---|---|---|---|---|
| | | | | | বি. ই. | জি এচ ডি পি |
| 1 | নিজস্ব কৰ ৰাজহ | 16,528.69 | 23,209.74 | 17,133.61 | **73.82** | **4.92** |
| 2 | কৰ বৰ্হিভূত ৰাজহ | 5,539.34 | 7,303.79 | 2,899.61 | **39.70** | **0.83** |
| 3 | কেন্দ্ৰীয় কৰ / শুল্কৰ অংশ | 21,721.44 | 26,775.56 | 18,629.32 | **69.58** | **5.35** |
| 4 | সহায়ক অনুদান আৰু অৱদান | 20,705.61 | 34,641.72 | 26,239.65 | **75.75** | **7.53** |
| 5 | **ৰাজহ প্ৰাপ্তি (1+2+3+4)** | **64,495.08** | **91,930.81** | **64,902.19** | **70.60** | **18.64** |
| 6 | ঋণ আৰু অগ্ৰিমৰ পুনৰুদ্ধাৰ | 1,140.51 | 300.29 | 2.56 | **0.85** | **0.00** |
| 7 | অন্যান্য প্ৰাপ্তি | 0.00 | 0.00 | 0.00 | **0.00** | **0.00** |
| 8 | ধাৰ আৰু অন্যান্য দায়বদ্ধতা (এ) | 19,707.82 | 9,382.69 | 8448.01 | **90.04** | **2.43** |
| 9 | **মূলধনী প্ৰাপ্তি (6+7+8)** | **20,848.33** | **9,682.98** | **8,450.57** | **87.27** | **2.43** |
| 10 | **মুঠ প্ৰাপ্তি (5+9)** | **85,343.41** | **1,01,613.79** | **73,352.76** | **72.19** | **21.06** |
| 11 | **ৰাজহ ব্যয়** | **66,666.68** | **82,776.98** | **64,519.59** | **77.94** | **18.53** |
| 12 | সুত পৰিশোধ | 4,438.87 | 5,801.84 | 5,199.18 | **89.61** | **1.49** |
| 13 | **মূলধনী ব্যয়** | **13,468.55** | **18,520.53** | **12,399.39** | **66.95** | **3.56** |
| 14 | **ঋণ আৰু অগ্ৰিম** | **316.16** | **316.28** | 87.80 | **27.76** | **0.03** |
| 15 | **আকস্মিক পুঁজিলৈ বিনিয়োজন** | **100.00** | - | - | - | - |
| 16 | **মুঠ ব্যয় (11+13+14+15)** | **80,551.39** | **1,01,613.79** | **77,006.78** | **75.78** | **22.11** |
| 17 | **ৰাজহ ঘাটি(-) / ৰাহি (+) (5-11)** | **-2,171.60** | **9,153.83** | **382.60** | **4.18** | **0.11** |
| 18 | **বিত্তীয় ঘাটি (-) / ৰাহি (+) {(5+6+7)-16}** | **-14,915.80** | **-9,382.69** | **-12,102.03** | **128.98** | **3.47** |

*(a) ধাৰ আৰু অন্যান্য দায়বদ্ধতা ঃ ৰাজহুৱা ঋণৰ মুঠ (প্ৰাপ্তি - বিতৰণ) + আকস্মিকতা পুঁজি মুঠ + ৰাজহুৱা হিচাপৰ মুঠ (প্ৰাপ্তি-বিতৰণ) + আৰম্ভণি আৰু সামৰণি নগদ উদ্বৃত্তৰ মুঠ।*

*ইয়াত ঋণ আৰু অগ্ৰিম পুনৰুদ্ধাৰৰ হিচাপ পৰীক্ষা কৰা পৰিসংখ্যা, ৰাজহ ব্যয়, মুলধন ব্যয়, মুঠ ব্যয় আৰু 2019- 20 বৰ্ষত উদয় লেনদেনৰ 1,132.53 কোটি টকাৰ ঘাটি (সহায়ক অনুদান: 849.40 কোটিটকা আৰু ইকুইটি: 283.13 কোটি টকা) অন্তৰ্ভুক্ত কৰা হৈছে।

## 1.4.2 চৰকাৰৰ সম্পদ আৰু দায়বদ্ধতাৰ আলোকচিত্ৰ

চৰকাৰী হিচাপসমূহে ব্যয়ৰ পৰা সৃষ্টি হোৱা চৰকাৰৰ বিত্তীয় দায়বদ্ধতা আৰু সম্পত্তিবোৰ বিবেচনা কৰে। মুখ্যতঃ দায়বদ্ধতাবোৰ হৈছে ভাৰত চৰকাৰৰ পৰা পোৱা আভ্যন্তৰীণ ঋণ, ঋণ আৰু অগ্ৰিম, ৰাজহুৱা হিচাপ আৰু সংৰক্ষিত পুঁজিৰ পৰা পোৱা প্ৰাপ্তি সমূহ আৰু সম্পদবোৰ হৈছে প্ৰধানকৈ মূলধনী ব্যয় আৰু ৰাজ্য চৰকাৰে প্ৰদান কৰা ঋণ আৰু অগ্ৰিম আৰু নগদ থকা উদ্বৃত্ত।

**সাৰণী 1.3** এ 2019-20 আৰু 2020-21 বৰ্ষত ৰাজ্যখনৰ সম্পদ আৰু দায়বদ্ধতাৰ এক সংক্ষিপ্ত স্থিতি আগবঢ়াইছে।

**সাৰণী 1.3: সম্পদ আৰু দায়বদ্ধতাৰ সংক্ষিপ্ত স্থিতি**

(কোটি টকাত)

| দায়বদ্ধতাসমূহ | | | | সম্পদ | | | |
|---|---|---|---|---|---|---|---|
| উপাদান সমূহ | 31 মাৰ্চ 2020 পৰ্যন্ত | 31 মাৰ্চ 2021 পৰ্যন্ত | বৃদ্ধি (+)/ হ্ৰাস (-) (%) | উপাদান সমূহ | 31 মাৰ্চ 2020 পৰ্যন্ত | 31 মাৰ্চ 2021 পৰ্যন্ত | বৃদ্ধি (+)/ হ্ৰাস (-) (%) |
| **একত্ৰিত পুঁজি** | | | | | | | |
| আভ্যন্তৰীণ ঋণ | 52,630.27 | 67,014.07 | 27.33 | মুঠ মূলধন ব্যয় | 72,918.30 | 85,317.70 | 17.00 |
| ভাৰত চৰকাৰৰ পৰা পোৱা ঋণ আৰু অগ্ৰিম | 1,270.29 | 2,678.68 | 110.87 | ঋণ আৰু অগ্ৰিম বিতৰণ | 6,056.99 | 6,142.23 | 1.41 |
| **আকস্মিক পুঁজি** | | | | | | | |
| আকস্মিক পুঁজি | 200.00 | 200.00 | - | - | - | - | - |
| **ৰাজহুৱা হিচাপ** | | | | | | | |
| ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্যত নিধি, ইত্যাদি | 13,156.52 | 14,045.37 | 6.76 | অসামৰিক অগ্ৰিম | 3,288.64 | 2,939.39 | -10.62 |
| জমা | 3,898.94 | 3,319.97 | -14.85 | প্ৰেৰণ | 742.45 | 788.84 | 6.25 |
| সংৰক্ষিত পুঁজি | 5,655.32 | 5,382.46 | -4.82 | চাচপেন্স আৰু বিবিধ | 681.54 | 1,141.00 | 67.41 |
| প্ৰেৰণ সমূহ | - | - | - | - | - | - | - |
| চৰকাৰী হিচাপত ৰাহি | 17,156.16 | 18,338.77 | 6.89 | নগদ উদ্বৃত্ত (নিৰ্ধাৰিত পুঁজিত বিনিয়োগসহ) | 10,279.58 | 14,650.16 | 42.52 |
| **মুঠ** | **93,967.50** | **1,10,979.32** | **18.10** | **মুঠ** | **93,967.50** | **1,10,979.32** | **18.10** |

## 1.5 বিত্তীয় ভাৰসাম্য ঃ ঘাটি আৰু মুঠ ঋণৰ লক্ষ্য প্ৰাপ্তি

যেতিয়া চৰকাৰে ৰাজহৰ দ্বাৰা সংগ্ৰহতকৈ অধিক ব্যয় কৰে, ই এক ঘাটি বহন কৰে। চৰকাৰী ঘাটি ধৰিবলৈ বিভিন্ন ব্যৱস্থা আছে।

| | |
|---|---|
| **ৰাজহ ঘাটি / ৰাহিসমূহ**<br>(ৰাজহ ব্যয় - ৰাজহ প্ৰাপ্তি) | *ৰাজহ ব্যয় আৰু ৰাজহ প্ৰাপ্তিৰ মাজৰ পাৰ্থক্য বুজাই*<br>● যেতিয়া চৰকাৰে ৰাজহ ঘাটি বহন কৰে, ই বুজাই যে চৰকাৰে অৰ্থনীতিৰ অন্যান্য খণ্ডৰ সঞ্চয়ৰ ব্যৱহাৰ ব্যয়ৰ এটা অংশক বিত্তীয় যোগান ধৰিবলৈ ব্যৱহাৰ কৰি আছে আৰু অসংৰক্ষণ কৰি আছে।<br>● ৰাজহ ঘাটিৰ অস্তিত্ব চিন্তাৰ কাৰণ কিয়নো ৰাজহ প্ৰাপ্তিসমূহে আনকি ৰাজহ ব্যয় পুৰণ কৰিবলৈও সক্ষম হোৱা নাছিল। ইয়াৰোপৰি, ৰাজহ ব্যয় পূৰণ কৰাৰ বাবে মূলধন প্ৰাপ্তিৰ কিছু অংশ ব্যৱহাৰ কৰা হৈছিল, যাৰ বাবে মূলধন সম্পদ সৃষ্টিৰ বাবে মূলধন সম্পদৰ উপলব্ধতা সেই পৰিমাণলৈ হ্ৰাস হৈছিল।<br>● এই পৰিস্থিতিৰ অৰ্থ হৈছে যে চৰকাৰে কেৱল ইয়াৰ বিনিয়োগৰ বাবেই নহয় ইয়াৰ |

| | |
|---|---|
| | ব্যৱহাৰৰ প্ৰয়োজনীয়তাৰ বাবেও ঋণ লব লাগিব। ইয়াৰ ফলত ঋণ আৰু সূতৰ দায়বদ্ধতাৰ ভাণ্ডাৰ গঢ়ি উঠে আৰু চৰকাৰক অৱশেষত ব্যয় হ্ৰাস কৰিবলৈ বাধ্য কৰে।<br>যদি ৰাজহ ব্যয়ৰ মুখ্য অংশ প্ৰতিশ্ৰুতিবদ্ধ ব্যয় (সূতৰ দায়বদ্ধতা, দৰমহা, পেঞ্চন) হয়, চৰকাৰে উৎপাদনশীল ব্যয় বা কল্যাণমূলক ব্যয় হ্ৰাস কৰে। ইয়াৰ অৰ্থ হ'ব নিম্ন বিকাশ আৰু প্ৰতিকূল কল্যাণৰ প্ৰভাৱ। |
| **বিত্তীয় ঘাটি/ৰাহি সমূহ**<br>(মুঠ ব্যয় - (ৰাজহ প্ৰাপ্তি +ঋণ বিহীন মূলধন প্ৰাপ্তি সৃষ্টি কৰা)) | *এইয়া হৈছে ৰাজহ প্ৰাপ্তি আৰু ঋণ বিহীন মূলধন প্ৰাপ্তিৰ (এন. ডি. চি. আৰ) আৰু মুঠ ব্যয়ৰ মাজৰ পাৰ্থক্য। বিত্তীয় ঘাটি (এফ. ডি) হৈছে চৰকাৰৰ প্ৰয়োজনীয় মুঠ ঋণৰ প্ৰতিফলন।*<br>● বিত্তীয় ঘাটি হৈছে চৰকাৰৰ মুঠ ব্যয় আৰু ঋণৰ বাহিৰে ইয়াৰ মুঠ প্ৰাপ্তিৰ মাজৰ পাৰ্থক্য।<br>● ঋণ বিহীন মূলধন প্ৰাপ্তিসমূহ হৈছে সেইবোৰ প্ৰাপ্তি যিবোৰ ধাৰ নহয় আৰু সেয়েহে ঋণৰ জন্ম নিদিয়ে। উদাহৰণ সমূহ হৈছে লোণ পুনৰুদ্ধাৰ আৰু পি এছ ইউ বিক্ৰীৰ পৰা প্ৰাপ্ত ধন।<br>● বিত্তীয় ঘাটি ঋণৰ জৰিয়তে পূৰণ কৰিব লাগিব। সেয়েহে ই সকলো উৎসৰ পৰা চৰকাৰৰ মুঠ ঋণৰ প্ৰয়োজনীয়তা সূচায়।<br>চৰকাৰে সাধাৰণতে বিত্তীয় ঘাটি বজাই ৰাখে আৰু মূলধন যসম্পত্তি গঠন বা অৰ্থনৈতিক আৰু সামাজিক আন্তঃগাঠনি সৃষ্টিৰ বাবে পুঁজি ধাৰ লয়; যাতে ঋণৰ জৰিয়তে সৃষ্টি কৰা সম্পত্তিবোৰে এক উপাৰ্জনৰ প্ৰৱাহ সৃষ্টি কৰি নিজেই পৰিশোধ কৰিব পাৰে। সেয়েহে মূলধন সম্পত্তি সৃষ্টিৰ বাবে ধাৰ লোৱা পুঁজি সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰা আৰু মূলধন আৰু সূত পৰিশোধৰ বাবে ৰাজহ প্ৰাপ্তি ব্যৱহাৰ কৰাটো বাঞ্চনীয়। |
| **প্ৰাথমিক ঘাটি/ৰাহি** (মুঠ বিত্তীয় ঘাটি - মুঠ সূতৰ দায়বদ্ধতা) | *বিত্তীয় ঘাটি বিয়োগ সুত পৰিশোধ বুজায়।*<br>● মুঠ সূতৰ দায়বদ্ধতাবোৰত সূত পৰিশোধ বিয়োগ মুঠ ঘৰুৱা ঋণৰ ওপৰত চৰকাৰৰ দ্বাৰা সূত প্ৰাপ্তি থাকে।<br>চৰকাৰৰ ঋণ লোৱাৰ প্ৰয়োজনীয়তাত জমা হোৱা ঋণৰ ওপৰত সূতৰ বাধ্যবাধকতা অন্তৰ্ভূক্ত আছে। বৰ্তমানৰ ৰাজহ অতিক্ৰম কৰা ব্যয়ৰ বাবে ঋণ লোৱাৰ আকলন প্ৰাপ্ত কৰিবলৈ আমি প্ৰাথমিক ঘাটি গণনা কৰিব লাগিব। |

ঘাটি সমূহ ধাৰ লৈ পূৰণ কৰিবলগীয়া হয় আৰু ই চৰকাৰী ঋণৰ সৃষ্টি কৰে। ঘাটি আৰু ঋণৰ ধাৰণাবোৰ ওতঃপ্ৰোতভাৱে সম্পৰ্কিত। ঘাটিবোৰক ঋণৰ বোজা বৃদ্ধি কৰাৰ এটা ধাৰা হিচাপে ভাবিব পাৰি। যদি চৰকাৰে বছৰে বছৰে ধাৰ লোৱা অব্যাহত ৰাখে, ইয়াৰ ফলত ঋণ জমা হয় আৰু চৰকাৰে সূত হিচাপে অধিকৰ পৰা অধিক পৰিশোধ কৰিব লগা হয়। এই সুত পৰিশোধবোৰো ঋণৰ সন্নিবিষ্ট হৈ পৰে।

ধাৰৰ দ্বাৰা চৰকাৰে ভৱিষ্যত প্ৰজন্মৰ ওপৰত কম ভোগ কৰাৰ বোজা হস্তান্তৰ কৰে। ইয়াৰ কাৰণ হৈছে ই বৰ্তমানৰ প্ৰজন্মৰ লগত চুক্তি কৰি ধাৰ লয় কিন্তু প্ৰায় বিশ বছৰ পিছত কৰ বৃদ্ধি কৰি বা ব্যয় হ্ৰাস কৰি চুক্তিৰ ঋণ পৰিশোধ কৰাৰ সিদ্ধান্ত লব পাৰে। লগতে ব্যক্তিৰ পৰা চৰকাৰী ঋণ লোৱাটোৱে ব্যক্তিগত খণ্ডৰ বাবে উপলব্ধ সঞ্চয় হ্ৰাস কৰে। ই মূলধন গঠন আৰু বিকাশ হ্ৰাস কৰাৰ অনুপাতে ভৱিষ্যত প্ৰজন্মৰ ওপৰত ঋণৰ এটা 'বোজা' হিচাপে কাম কৰে।

অৱশ্যে, যদি চৰকাৰী ঘাটিবোৰে উৎপাদন বৃদ্ধিৰ লক্ষ্যত সফল হয়, তেতিয়া হ'লে অধিক উপাৰ্জন হ'ব আৰু তেনেদৰে অধিক সঞ্চয় হ'ব। এই ক্ষেত্ৰত চৰকাৰ আৰু উদ্যোগ উভয়ে অধিক ধাৰ ল'ব পাৰে। লগতে যদি চৰকাৰে আন্তঃগাঁঠনিত বিনিয়োগ কৰে, ভৱিষ্যত প্ৰজন্ম উন্নত হ'ব পাৰে, যদিহে এনে বিনিয়োগৰ লাভ সূতৰ হাৰতকৈ অধিক হয়। উৎপাদন বৃদ্ধিৰ দ্বাৰা প্ৰকৃত ঋণ পৰিশোধ কৰিব পাৰি। ঋণ তেতিয়া বোজা বুলি গণ্য কৰা উচিত নহয়। ঋণৰ বৃদ্ধি সামগ্ৰিক ভাৱে অৰ্থনীতিৰ (ৰাজ্যিক জি ডি পি) বিকাশৰ দ্বাৰা বিচাৰ কৰিব লাগিব।

কৰ বৃদ্ধি বা ব্যয় হ্ৰাসৰ দ্বাৰা চৰকাৰী ঘাটি হ্ৰাস কৰিব পাৰি। ই চৰকাৰী ব্যয় হ্ৰাসকৰণৰ ওপৰত প্ৰধানকৈ নিৰ্ভৰ কৰিব পাৰি। কাৰ্যসূচীৰ উন্নত পৰিকল্পনা আৰু উন্নত প্ৰশাসনৰ জৰিয়তে চৰকাৰী কাৰ্যকলাপ অধিক দক্ষ কৰি

এইয়া লাভ কৰিব পাৰি।

### 1.5.1 গুৰুত্বপূৰ্ণ বিত্তীয় মাপকাঠীসমূহৰ ওপৰত এ এফ আৰ বি এমৰ লক্ষ্য আৰু তাৰ ওপৰত সফলতা

ৰাজ্য চৰকাৰে ৰাজহ ঘাটি দূৰ কৰি, বিত্তীয় ঘাটি হ্রাস কৰি আৰু সামগ্রিক বকেয়া ঋণ গ্ৰহণযোগ্য স্তৰলৈ হ্রাস কৰি উন্নত ঋণ ব্যৱস্থাপনা স্থাপন কৰি আৰু এটা মধ্যম্যাদী গাঁথনিত স্বচ্ছতা উন্নত কৰি বিত্তীয় ব্যৱস্থাপনাত বিচক্ষণতা নিশ্চিত কৰাৰ উদ্দেশ্যৰে 2005 চনত অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা আইন (এ এফ আৰ বি এম) অনুমোদন কৰিছিল। এই সন্দৰ্ভত আইনখনে ঘাটিৰ ব্যৱস্থা আৰু ঋণৰ পৰ্য্যায়ত ৰাজ্যখনৰ দ্বাৰা পালন কৰিবলগা পৰিমাণগত লক্ষ্যৰ ব্যৱস্থা কৰে। পৰৱৰ্তী সময়ত আইনখন অক্টোবৰ 2020 ত কৰা শেহতীয়া সংশোধনৰ সৈতে ছয়বাৰ সংশোধন কৰা হৈছিল।

এ এফ আৰ বি এম আইন[1] অনুসৰি ৰাজ্য চৰকাৰে 2011-12 ৰ ভিতৰত ৰাজহ ঘাটি দূৰ কৰিব লগা আছিল আৰু তাৰ পাছত ৰাজহৰ ৰাহি অব্যাহত ৰাখিব লগা আছিল; 2010-11 ৰ ভিতৰত বিত্তীয় ঘাটি নিৰূপিত জি এচ ডি পিৰ তিনি শতাংশলৈ হ্রাস কৰিব লগা আছিল আৰু সেই স্থিতি অব্যাহত ৰাখিব লগা আছিল। তাৰোপৰি এই আইনখনত আশা কৰা হৈছিল যে ৰাজ্য চৰকাৰে জি এচ ডি পিৰ অনুপাতে মুঠ বাকী থকা ঋণ 2012-13 ৰ ভিতৰত 28.40 শতাংশলৈ সীমিত কৰিব আৰু সেইটো 2013-14 লৈ বৰ্তি থাকিব। 2014-15 ৰ পৰা এই অনুপাতটো জি এচ ডি পিৰ 28.50 শতাংশ হ'ব।

এপ্ৰিল 2017 ৰ এ এফ আৰ বি এমৰ সংশোধনী আইনত ৰাজ্যসমূহৰ বাবে অনুমোদিত বিত্তীয় ঘাটিৰ সীমা সম্পৰ্কত XIV তম বিত্ত আয়োগে নিৰ্ণয় কৰা সময়সীমা (2015-16ৰ পৰা 2019-20) ৰ বাবে দিয়া পৰামৰ্শসমূহত সন্নিবিষ্ট কৰা হৈছিল। এই আইনখনে যিকোনো বিত্তীয় বৰ্ষত বিত্তীয় ঘাটি জি এচ ডি পিৰ তিনি শতাংশলৈ সীমিত কৰাত সহায় কৰাৰ লগতে কিছুমান চৰ্তত বাৰ্ষিক বিত্তীয় ঘাটিৰ লক্ষ্যৰ পৰা 3.50 শতাংশলৈকে আঁতৰি অহাৰ সুযোগ দিয়ে। ইয়াৰ উপৰিও ক'ভিড- 19 মহামাৰীৰ ফলত অত্যাধিক চাপযুক্ত বিত্তীয় পৰিস্থিতিৰ পৰিপ্রেক্ষিতত চৰকাৰে সংশোধিত এ এফ আৰ বি এম আইন 2020 ৰ জৰিয়তে তিনি শতাংশ বিত্তীয় ঘাটিৰ বাৰ্ষিক সীমাৰ বিপৰীতে 2020-21 বৰ্ষত জি এচ ডি পি ৰ 2.50 শতাংশৰ অতিৰিক্ত ঋণ লোৱাৰ বাবে যোগ্য হয়।

লগতে XV তম বিত্তীয় আয়োগে এই পৰামৰ্শও দিয়ে যে চৰকাৰে এফ আৰ বি এম আইনত অন্তৰ্ভুক্ত ঋণ একত্ৰীকৰণৰ পৰামৰ্শৰ পথ পালন কৰাৰ লগতে ঋণ আৰু বিত্তীয় ঘাটি, এই দুয়োটা সংজ্ঞা মানি চলিব লাগিব।

বিগত 2016-17 ৰ পৰা 2020-21 লৈ পাঁচ বছৰৰ সময়ছোৱাত সংশোধিত এ এফ আৰ বি এম আইনত গুৰুত্বপূৰ্ণ বিত্তীয় মাপকাঠী সম্পৰ্কত পৰিকল্পনা কৰা সংশোধিত লক্ষ আৰু সেই সমূহৰ সফলতা তলৰ **সাৰণী 1.4** ত দিয়া হৈছে।

[1] 2011 চনত সংশোধন কৰা অনুসৰি

**সাৰণী 1.4: এ এফ আৰ বি এম আইনৰ ব্যৱস্থাপনাসমূহৰ অনুপালন**

| বিত্তীয় স্থিতিমাপ সমূহ | আইনত স্থিৰ কৰা বিত্তীয় লক্ষ্য | সফলতা (কোটি টকাত) | | | | |
|---|---|---|---|---|---|---|
| | | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
| ৰাজহ ঘাটি (-) / ৰাহি (+) (কোটি টকাত) | ৰাজহ ৰাহি | -143 | -1,350 | 6,580 | -2,172 | 383 |
| | | ✗ | ✗ | ✓ | ✗ | ✓ |
| বিত্তীয় ঘাটি (-)/ ৰাহি (+) (জি এচ ডি পিৰ শতাংশ হিচাপে) | তিনি* শতাংশ | -6,125 (-2.41) | -9,342 (-3.30) | -4,779 (-1.54) | -14,916 (-4.45) | -12,102 (-3.47) |
| | | ✓ | ✗ | ✓ | ✗ | ✓ |
| জি এচ ডি পি অনুপাতে মুঠ বাকী থকা ঋণৰ অনুপাত (শতাংশত) | 28.50 শতাংশ | 17.28 | 17.40 | 19.21 | 21.55 | 25.10** |
| | | ✓ | ✓ | ✓ | ✓ | ✓ |

* এ এফ আৰ বি এম আইন 2011 অনুসৰি 3 শতাংশ, এ এফ আৰ বি এম আইন 2017 অনুসৰি 3.5 শতাংশ আৰু সংশোধিত এ এফ আৰ বি এম 2020 অনুসৰি 5.5 শতাংশ লক্ষ্য।

** জি এচ টি ক্ষতিপূৰণৰ বাবে ভাৰত চৰকাৰৰ পত্ৰ ক্ৰমাংক এফ. নং 40(1) পি এফ-এচ/2021-22, 10 ডিচেম্বৰ 2021 তাৰিখে ভাৰত চৰকাৰৰ দ্বাৰা বেক টু বেক লোন হিচাপে দিয়া 994.00 কোটি টকা বকেয়া ঋণত অন্তৰ্ভুক্ত কৰা হোৱা নাই।

2016-17 ৰ পৰা 2020-21 লৈ পাঁচবছৰৰ সময়ছোৱাৰ ভিতৰত মাত্ৰ দুবছৰতহে ৰাজ্যখনে ৰাজহৰ ৰাহিত উপনীত হ'ব পাৰিছিল। 2020-21 বৰ্ষতো ৰাজ্যখনৰ 382.60 কোটি টকাৰ ৰাজহ ৰাহিৰ সৈতে সমাপ্ত হৈছিল। অৱশ্যে এই ৰাহি অতিৰিক্তভাৱে দেখুওৱা হৈছিল আৰু ইয়াক ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰয়োজনীয় কাৰণৰ যোগান নধৰা, মূলধন শ্ৰেণীৰ অধীনত ৰাজহ বিষয়ৰ ভুল শ্ৰেণীবিভাজন আৰু পেঞ্চন পৰিশোধৰ প্ৰতিবেদন নিদিয়া সম্পৰ্কীয় বিংসগতিৰ পৰিপ্ৰেক্ষিতত পৰৱৰ্তী দফা 1.6 ৰ অধীনত দিয়া **সাৰণী 1.6** ত দেখুওৱাৰ দৰে পৰ্যবেক্ষণ কৰিব লাগিব।

বিগত পাঁচ বছৰৰ ভিতৰত তিনি বছৰত ৰাজ্যখনে বিত্তীয় ঘাটি এ এফ আৰ বি এম আইনৰ দ্বাৰা নিৰ্ধাৰিত সীমাতকৈ তলত ৰাখিবলৈ সক্ষম হৈছিল। চলিত বৰ্ষত অৰ্থাৎ 2020-21 বৰ্ষত, ৰাজ্যখনৰ বিত্তীয় ঘাটি জি এচ ডি পিৰ 3.47 শতাংশ আছিল, যি এ এফ আৰ বি এম আইন 2020 ৰ অধীনত নিৰ্ধাৰিত 5.50 শতাংশৰ ঋণৰ সীমাৰেখাৰ তলত আছিল।

2016-17 ৰ পৰা 2020-21 লৈ পাচঁবছৰৰ সময়ছোৱাত ৰাজ্যখনৰ বাকী থকা ঋণ ধাৰাবাহিকভাৱে জি এচ ডি পিৰ 28.50 শতাংশৰ তলত আছিল যিটো এ এফ আৰ বি এম আইন 2011 ৰ দ্বাৰা নিৰ্ধাৰণ কৰা মানৰ ভিতৰত আছিল। 31 মাৰ্চ 2021 পৰ্যন্ত ৰাজ্যখনৰ বকেয়া ঋণ আছিল 87,407.79 কোটি টকা।

## 1.5.2 মধ্যম্যাদী বিত্তীয় পৰিকল্পনা

এ এফ আৰ বি এম আইন অনুসৰি, ৰাজ্য চৰকাৰে বাৰ্ষিক বাজেটৰ সৈতে এক পঞ্চবাৰ্ষিক বিত্তীয় পৰিকল্পনা ৰাজ্যৰ বিধান মণ্ডলত উপস্থাপন কৰিব লাগে। মধ্যম্যাদী বিত্তীয় পৰিকল্পনাই (এম টি এফ পি) নিৰ্ধাৰিত বিত্তীয় সূচকৰ বাবে পাঁচ বছৰৰ চলিত লক্ষ্য নিৰ্ধাৰণ কৰিব লাগিব।

**সাৰণী 1.5** এ 2020-21 বৰ্ষৰ বাৰ্ষিক বাজেট আৰু বছৰটোৰ প্ৰকৃতৰ সৈতে ৰাজ্যৰ বিধান মণ্ডলত উপস্থাপন কৰা এম টি এফ পিত 2020-21 বৰ্ষৰ বাবে কৰা অনুমানৰ মাজৰ তাৰতম্য সূচায়।

**সাৰণী 1.5: 2020-21 বৰ্ষৰ বাবে এম টি এফ পি ত প্ৰক্ষেপণৰ বিপৰীতে প্ৰকৃত তথ্য**

(কোটি টকাত)

| ক্ৰ. নং | বিত্তীয় চলকসমূহ | এম টি এফ পি অনুযায়ী প্ৰক্ষেপণ | প্ৰকৃত (2020-21) | তাৰতম্য (শতাংশত) |
|---|---|---|---|---|
| 1 | নিজস্ব কৰ ৰাজহ | 23,209.74 | 17,133.61 | -26.18 |
| 2 | কৰ বৰ্হিভূত ৰাজহ | 7,303.79 | 2,899.61 | -60.30 |
| 3 | কেন্দ্ৰীয় কৰৰ অংশ | 26,775.56 | 18,629.32 | -30.42 |
| 4 | ভাৰত চৰকাৰৰ পৰা সহায়ক অনুদান | 34,641.71 | 26,239.65 | -24.25 |
| 5 | ৰাজহ প্ৰাপ্তি(1+2+3+4) | 91,930.80 | 64,902.19 | -29.40 |
| 6 | ৰাজহ ব্যয় | 82,776.98 | 64,519.59 | -22.06 |
| 7 | ৰাজহ ঘাটি (-)/ৰাহি (+) (5-6) | 9,153.82 | 382.60 | -95.82 |
| 8 | বিত্তীয় ঘাটি(-)/ৰাহি (+) | -9,382.71 | -12,102.03 | 28.98 |
| 9 | ঋণ-জি এছ ডি পি অনুপাত (শতাংশত) | 19.50 | 25.10 | 28.72 |
| 10 | চলিত মূল্যত জি এছ ডি পি বৃদ্ধিৰ হাৰ (শতাংশত) | 15.00 | 3.89 | -74.07 |

ওপৰৰ সাৰণীৰ পৰা দেখা যায় যে এম.টি.এফ.পি. ত কৰা প্ৰক্ষেপণৰ বিপৰীতে 2020-21 সময়ছোৱাত দুটা গুৰুত্বপূৰ্ণ বিত্তীয় মাপাংক, অৰ্থাৎ ৰাজহ ৰাহি আৰু বিত্তীয় ঘাটিয়ে প্ৰক্ষেপণৰ তুলনাত যথাক্ৰমে 96 শতাংশ আৰু 29 শতাংশ হিচাপে উল্লেখযোগ্য বিচ্যুতি দেখুওৱাইছিল। যাহওঁক, বছৰৰ শেষত জি. এচ. ডি. পি অনুপাতে উচ্চ হাৰৰ ঋণ আৰু জি. এচ. ডি. পি বৃদ্ধিৰ নিম্নহাৰৰ বিকাশৰ সৈতে ঋণ- জি. এচ. ডি. পি অনুপাত আৰু জি. এচ. ডি. পি বৃদ্ধিৰ হাৰ সম্পৰ্কত এম টি এফ পিত কৰা প্ৰক্ষেপণ পূৰ্ণ হোৱা নাছিল।

### 1.5.3 ঘাটি / ৰাহিৰ ধাৰা

2016-17 ৰ পৰা 2020-21 লৈকে বিগত পাঁচ বছৰৰ মুখ্য ৰাহি আৰু ঘাটিৰ ধাৰা **চিত্ৰ তালিকা 1.6** ত দেখুওৱা হৈছে আৰু জি এচ ডি পি সম্পৰ্কত ৰাহি বা ঘাটিৰ ধাৰা **চিত্ৰ তালিকা 1.7** ত দেখুওৱা হৈছে।

**চিত্ৰ তালিকা 1.6 ৰাহি / ঘাটিৰ ধাৰা**

(কোটি টকা)




**চিত্ৰ তালিকা 1.7 জি এছ ডি পি ৰ সম্পৰ্কত ৰাহি / ঘাটিৰ ধাৰা**




যোৱা বছৰৰ 2,171.60 কোটি টকাৰ[2] ৰাজহ ঘাটিৰ বিপৰীতে এই বছৰত 382.60 কোটি টকাৰ[3] ৰাজহ ৰাহি কৰিবলৈ সক্ষম হৈছে। বিগত বছৰৰ 14,916 কোটি টকাৰ বিত্তীয় ঘাটি যি মুঠ ব্যয়ৰ 16 শতাংশ আছিল, ইয়াৰ তুলনাত 2020-21 বৰ্ষত বিত্তীয় ঘাটি অলপ পৰিমাণে হ্ৰাস হৈ 12,102.03 কোটি টকা হৈছিল যিটো মুঠ জি এচ ডি পিৰ 3.47 শতাংশ আছিল। 2019-20 বৰ্ষৰ 10,477 কোটি টকাৰ প্ৰাথমিক ঘাটিৰ তুলনাত 2020-21 বৰ্ষত সেই ঘাটি 6,903 কোটি টকা হৈছিল যিটো জি এচ ডি পি ৰ 1.98 শতাংশ আছিল।

[2] ইয়াত উদয় আঁচনিৰ অন্তৰ্গত হিচাপ নকৰা 849.40 কোটি টকাৰ ৰাজসাহাৰ্য্য অনুদান অন্তৰ্ভুক্ত হৈ আছে।

[3] দফা 1.6 ত বিৱৰণ কৰা অনুসৰি অডিটৰ পিছত ঘাটিৰ সৈতে পঢ়িব লাগিব।

### 1.5.4 জি. এছ. ডি পি ৰ অনুপাতে বিত্তীয় দায়বদ্ধতাৰ ধাৰা

বিগত পাঁচ বছৰত অৰ্থাৎ 2016-21 বৰ্ষত ৰাজ্যখনৰ বিত্তীয় দায়বদ্ধতা, ইয়াৰ উপাদান আৰু জি এছ. ডি পিৰ সৈতে ইয়াৰ অনুপাতৰ ধাৰা **চিত্ৰ তালিকা 1.8** ত দিয়া হৈছে।

**চিত্ৰ তালিকা 1.8: জি এছ ডি পি ৰ অনুপাতে বিত্তীয় দায়বদ্ধতাৰ ধাৰা**




**চিত্ৰ তালিকা 1.8** ৰ পৰা দেখা যায় যে পাঁচ বছৰৰ ভিতৰত, ৰাজ্যখনৰ বিত্তীয় দায়বদ্ধতা 2016-17 বৰ্ষত 43,981কোটি টকাৰ পৰা 98.74 শতাংশ বৃদ্ধি হৈ 2020-21 বৰ্ষত 87,408 কোটি টকা হৈছে। অৱশ্যে এই সময়ছোৱাত জি এছ ড পি ৰ সন্দৰ্ভত বিত্তীয় দায়ৱদ্ধতাৰ অনুপাত 28.50 শতাংশ অৰ্থাৎ এ. এফ আৰ বি.এম আইন 2011 ৰ অধীনত নিৰ্ধাৰিত সীমাতকৈ কম আছিল।

## 1.6 হিচাপ পৰীক্ষাৰ পিছত ঘাটি আৰু মুঠ ঋণ

ৰাজ্যিক বিত্তৰ উন্নত ছবি উপস্থাপন কৰাৰ বাবে, ৰাজহ ব্যয়ক মূলধনী ব্যয় হিচাপে শ্ৰেণীবদ্ধ কৰা আৰু বাজেটত নথকা বিত্তীয় কাৰ্যকলাপ কৰাৰ প্ৰৱণতা আছে।

### 1.6.1 হিচাপৰ পিছত ঘাটি

ৰাজহ ব্যয়ক মূলধন ব্যয় হিচাপে ভুল শ্ৰেণীবিভাজন আৰু বাজেটৰ বাহিৰৰ বিত্তীয় কাৰ্যকলাপে ঘাটিৰ পৰিমাণক প্ৰভাৱিত কৰে। ইয়াৰ উপৰিও, স্পষ্ট কৰ্তন দায়বদ্ধতা স্থগিত কৰা, ৰাষ্ট্ৰীয় পেঞ্চন পদ্ধতি (এন পি এছ) আৰু বিমোচন আৰু নিক্ষেপ নিধি আদিত কম বৰঙণিৰ ফলত ৰাজহ আৰু বিত্তীয় ঘাটিৰ পৰিমান প্ৰভাৱিত হয়।

ভুল শ্ৰেণীবিভাজন, নিৰ্ধাৰিত পুঁজিত কম বৰঙণি আৰু 2020-21 বৰ্ষত সূতৰ দায়বদ্ধতা পালন নকৰাৰ ফলত ৰাজহ ৰাহি আৰু বিত্তীয় ঘাটিৰ ওপৰত প্ৰভাৱ **সাৰণী 1.6** ত দেখুওৱা হৈছে।

**সাৰণী 1.6: হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষাৰ পিছত ৰাজহ আৰু বিত্তীয় ঘাটি**

| ক্ৰমিক নং | বিৱৰণ | ৰাজহ ৰাহিৰ ওপৰত প্ৰভাৱ (কমকৈ দেখুওৱা (-)/বেছিকৈ দেখুওৱা (+)) (কোটি টকা) | বিত্তীয় ঘাটিৰ ওপৰত প্ৰভাৱ (কমকৈ দেখুওৱা (+)) (কোটি টকা) |
|---|---|---|---|
| 1 | মূলধনৰ পৰিবৰ্তে ৰাজহ শাখাৰ অধীনত বাজেট / বুক কৰা মুখ্য কামবোৰ | -386.56 | 0 |
| 2 | ৰাজহৰ পৰিবৰ্তে মূলধন শাখাৰ অধীনত বাজেট / বুক কৰা সৰু কামবোৰ | 80.75 | 0 |
| 3 | ৰাজহৰ পৰিবৰ্তে মূলধন হিচাপে শ্ৰেণীবদ্ধ কৰা ব্যয়ৰ তত্বাৱধান | 2.06 | 0 |
| 4 | ৰাজহৰ পৰিবৰ্তে মূলধন শাখাৰ অধীনত সহায়ক অনুদান বুক কৰা | 5,640.47 | 0 |
| 5 | এছ ডি আৰ এফ, এন পি এছ আদিৰ ওপৰত সূতৰ দায়বদ্ধতা নিস্কাষণ নকৰা[4] | 102.79 | 102.79 |
| 6 | এছ ডি আৰ এফ লৈ পুঁজিৰ চমু হস্তান্তৰ | 258.64 | 258.64 |
| 7 | চি আৰ এফ ৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুদান কেন্দ্ৰীয় পথ পুঁজিলৈ হস্তান্তৰ নকৰা | 43.78 | 43.78 |
| 8 | পেঞ্চন পৰিশোধৰ প্ৰতিবেদন নিদিয়া | 1,209.08 | 1,209.08 |
| | **মুঠ (প্ৰকৃত) প্ৰভাৱ** | **6,951.01** | **1,614.29** |

*উৎসঃ বিত্ত হিচাপ*

আই জি এ এছ -2 অনুসৰি অনুদান দাতাই অনুদান প্ৰাপকলৈ বিতৰণ কৰা সহায়ক অনুদান যি সমূহ বিষয়ত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ পৰামৰ্শৰ আধাৰত ৰাষ্ট্ৰপতি বিশেষ ভাৱে কতৃত্ব সম্পন্ন, সেই বিষয় সমূহৰ বাদে সহায়ক অনুদান হিচাপে বিতৰণ কৰ পুঁজিসমূহ অনুদান প্ৰাপকে যি উদ্দেশ্যতে খৰচ নকৰক কিয় ৰাজহ ব্যয় হিচাপে শ্ৰেণীভুক্ত আৰু বিবেচনা কৰিব লাগিব। এইটো দেখা গৈছিল যে আই জি এ এছ - 2 উলংঘা কৰি 5,640.47 কোটি টকাৰ সহায়ক অনুদান ৰাজহ শাখাৰ পৰিবৰ্তে মূলধন শাখাৰ অধীনত ভুলকৈ বুক কৰা হৈছিল।

ওপৰৰ সাৰণীৰ পৰা দেখা যায় যে এই বছৰটোত ৰাজহ ৰাহিত 6,951.01 কোটি টকাৰ অতিৰিক্ত মূল্যায়ন কৰা হৈছিল। ওপৰৰ সাৰণীত দেখুওৱাৰ দৰে সামগ্ৰীবোৰৰ ব্যয়ৰ ভুল শ্ৰেণীবিভাজন / ব্যয়ৰ প্ৰতিবেদন উপস্থাপন নকৰা বিষয়বোৰ যদি বিবেচনা কৰা হয় তেতিয়া 2020-21 বৰ্ষতো 6,568.41 কোটি টকাৰ ৰাজহ ঘাটিৰে সমাপ্ত হ'লহেতেন।

তাৰোপৰি 2020-21 বৰ্ষত ৰাজ্যখনৰ বিত্তীয় ঘাটিত 1,614.29 কোটি টকাৰ অৱমূল্যায়ন কৰা হৈছিল। যদি ইয়াক বিবেচনা কৰা হয় 2020-21 বৰ্ষৰ বিত্ত হিচাপত প্ৰকাশিত অনুসৰি প্ৰকৃত বিত্তীয় ঘাটি 12,102.03 কোটি টকাৰ পৰিৱৰ্তে 13,716.32 কোটি টকা হ'লহেতেন। তাৰোপৰি বছৰটোৰ বিত্ত হিচাপত জনোৱা অনুসৰি জি এচ ডি পি ৰ অনুপাতে বিত্তীয় ঘাটি 3.47 শতাংশৰ পৰিৱৰ্তে 3.94 শতাংশ হ'লহেতেন।

সামৰণি বৈঠকত (ডিচেম্বৰ 2021), বিত্ত আয়োগৰ আয়ুক্ত আৰু সচিবে, হিচাপ পৰীক্ষাৰ দেখুওৱাত দৰে ব্যয়ৰ সঠিক শ্ৰেণীবিভাজন আৰু সময়মতে প্ৰতিবেদন দিবলৈ প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ আশ্বাস দিছে।

[4] এচ ডি আৰ এফ- 43.51 কোটি টকা; এচ চি এ এফ ৰ ওপৰত সুত বহন কৰা সংৰক্ষিত পুঁজি-30.84 কোটি টকা; এন পি এচ ইত্যাদি ৰ ওপৰত সুত বহন কৰা জমা-28.44 কোটি টকা আদিৰ ওপৰত সুত নিষ্কাষণ নকৰা।

### 1.6.2 মুঠ বকেয়া দায়বদ্ধতা

31 মাৰ্চ 2021 পৰ্যন্ত ৰাজ্যখনৰ মুঠ বকেয়া দায়বদ্ধতা 87,407.79 কোটি টকা আছিল। বকেয়া দায়বদ্ধতাৰ উপাদান আৰু উপ উপাদানসমূহৰ বিতং বিৱৰণী তলৰ **সাৰণী 1.7** ত দিয়াৰ দৰে আছিল।

**সাৰণী 1.7: বকেয়া দায়বদ্ধতাৰ উপাদানসমূহ**

| | |
|---|---|
| **একত্ৰিত পুঁজিৰ ওপৰত দায়বদ্ধতা (ৰাজহুৱা ঋণ)** | **আভ্যন্তৰীণ ঋণ: 67,014.07 কোটি টকা**<br>➢ সূত বহন কৰা বজাৰ ঋণ: 55,781.00 কোটি টকা<br>➢ সূত বহন নকৰা বজাৰ ঋণ: 0.01 কোটি টকা<br>➢ অন্যান্য প্ৰতিষ্ঠানৰ পৰা ঋণ, ইত্যাদি: 4,788.41 কোটি টকা<br>➢ কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় ক্ষুদ্ৰ সঞ্চয় পুঁজিলৈ বিশেষ নিৰাপত্তা: 6,444.65 কোটি টকা |
| | **কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ আৰু অগ্ৰিম: 1,684.68 কোটি টকা**<br>➢ অ-পৰিকল্পিত ঋণ : 87.38 কোটি টকা<br>➢ কেন্দ্ৰীয় পৰিকল্পিত আঁচনিৰ বাবে ঋণ : 0.08 কোটি টকা<br>➢ বিশেষ আঁচনিৰ বাবে ঋণ: 61.57 কোটি টকা<br>➢ 1984-85 ৰ পূৰ্বৰ ঋণ: 0.24 কোটি টকা<br>➢ আইনী আঁচনিৰ সৈতে ৰাজ্য /কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে অন্যান্য ঋণ: 1,535.41 কোটি টকা* |
| **ৰাজহুৱা হিচাপৰ ওপৰত দায়বদ্ধতা** | **ৰাজহুৱা হিচাপৰ ওপৰত দায়বদ্ধতা: 18,709.04 কোটি টকা**<br>➢ ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্যত নিধি, ইত্যাদি: 14,045.37 কোটি টকা<br>➢ জমা সমূহ: 3,319.97 কোটি টকা<br>➢ সংৰক্ষিত পুঁজি: 1,343.70 কোটি টকা |
| **ৰাজ্যিক ৰাজহুৱা খণ্ডৰ কোম্পানী, নিগম আৰু অন্যান্য নিকায়ৰ দ্বাৰা লোৱা ধাৰ** | নাই |
| **এছ পি ভি আৰু অন্যান্য সমতুল্য প্ৰণালীৰে লোৱা ধাৰ** | |

*2020-21 বৰ্ষত ভাৰত চৰকাৰে দিয়া 994.00 কোটি টকাৰ বেক টু বেক ঋণ অন্তৰ্ভুক্ত কৰা হোৱা নাই।

## 1.7 সামৰণি

- 6.43 শতাংশৰ ৰাষ্ট্ৰীয় চি এ জি আৰৰ বিপৰীতে 8.16 শতাংশ চক্ৰবৃদ্ধি বাৰ্ষিক বৃদ্ধিৰ হাৰৰ (চি এ জি আৰ) সৈতে অসমৰ জি এছ ডি পি 2016-17 বৰ্ষত 2,54,478 কোটি টকাৰ পৰা 2020-21 বৰ্ষত 3,48,277 কোটি টকালৈ বৃদ্ধি পাইছে। অৱশ্যে ক'ভিড-19 মহামাৰীৰ প্ৰভাৱৰ বাবে 2016-17 বৰ্ষত বিকাশৰ হাৰ 11.63 শতাংশৰ পৰা 2020-21 বৰ্ষত 3.89 শতাংশলৈ হ্ৰাস পাইছে।

- ৰাজ্যখনে 2016-17 বৰ্ষৰ পৰা 2020-21 বৰ্ষলৈ পাঁচবছৰৰ ভিতৰত কেৱল দুটা বছৰতহে অতিৰিক্ত ৰাজহৰ ৰাহিত উপনিত হৈছিল। 2019-20 বৰ্ষত 2,171.60 কোটি টকাৰ ৰাজহ ঘাটিৰ বিপৰীতে 2020-21 বৰ্ষত ৰাজ্যখনে 382.60 কোটি টকাৰ ৰাজহ ৰাহি প্ৰাপ্ত কৰিছে।
- ৰাজ্যখনে বিগত পাঁচ বছৰৰ ভিতৰত তিনিবছৰত এ এফ আৰ বি এম আইনে নিৰ্ধাৰণ কৰা সীমাৰ তলত বিত্তীয় ঘাটি নিয়ন্ত্ৰণ কৰাত সফল হৈছিল। 2020-21 বৰ্ষত ৰাজ্যখনৰ বিত্তীয় ঘাটি জি এচ ডি পি ৰ 3.47 শতাংশ আছিল যি এ এফ আৰ বি এম আইন 2020 ৰ অধীনত নিৰ্ধাৰিত ঋণৰ সীমা 5.50 শতাংশৰ তলত আছিল। 2019-20 বৰ্ষৰ বিত্তীয় ঘাটি 14,915.80 কোটি টকাৰ পৰা 2,813.77 কোটি টকা (18.86 শতাংশ) হ্ৰাস পাই 2020-21 বৰ্ষত 12,102.03 কোটি টকা হৈছিল।
- 2016-21 লৈ পাঁচ বছৰৰ সময়ছোৱাত ৰাজ্যখনৰ বকেয়া ঋণ ধাৰাবাহিকভাৱে জি এছ ডি পিৰ 28.50 শতাংশৰ তলত অৰ্থাৎ এ এফ আৰ বি এম আইন 2011 ত নিৰ্ধাৰিত নিয়মৰ ভিতৰত আছিল। অৱশ্যে 2020-21 বৰ্ষত বকেয়া ঋণ (87,407.79 কোটি টকা), 2019-20 ৰ বৰ্ষৰ 72,256.52 কোটি টকাৰ তুলনাত অতিৰিক্ত 15,151.27 কোটি টকা (20.97 শতাংশ) বৃদ্ধি পাইছে।
- হিচাপ পৰীক্ষাত কৰা পৰ্য্যবেক্ষণ অনুসৰি বছৰটোত ৰাজহ ৰাহিত 6,951.01 কোটি টকাৰ অতিৰিক্ত মূল্যায়ন কৰা হৈছিল। ভুল শ্ৰেণীবিভাজন আৰু ব্যয়ৰ প্ৰতিবেদন উপস্থাপন নকৰা তথ্যবোৰ বিবেচনা কৰিলে বছৰটো 382.60 কোটি টকাৰ ৰাজহ ৰাহিৰ বিপৰীতে 6,568.41 কোটি টকাৰ ৰাজহ ঘাটিৰ সৈতে সমাপ্ত হ'লহেতেন।
- ইয়াৰোপৰি 2020-21 বৰ্ষত বিত্তীয় ঘাটিত 1,614.29 কোটি টকা অবমূল্যায়ন কৰা হৈছিল। যদি এইটো বিবেচনা কৰা হয়, 2020-21 বৰ্ষৰ প্ৰকৃত বিত্তীয় ঘাটি 12,102.03 কোটি টকাৰ পৰিৱৰ্তে 13,716.32 কোটি টকা হ'লহেতেন। তাৰোপৰি জি এচ ডি পি ৰ অনুপাতে বিত্তীয় ঘাটি 3.47 শতাংশৰ পৰিৱৰ্তে 3.94 শতাংশ হ'লহেতেন।

## 1.8 পৰামৰ্শসমূহ

i. *ৰাজ্য চৰকাৰে বিত্তীয় ঘাটি হ্ৰাস কৰিবলৈ, ৰাজহৰ নিজা উৎস বিশেষকৈ কৰ বিহীন ৰাজহ বৃদ্ধি কৰিবলৈ দৃঢ় প্ৰচেষ্টা গ্ৰহণ কৰিব পাৰে।*

ii. *ৰাজ্যৰ বৰ্দ্ধিত বকেয়া ঋণৰ কথা বিবেচনা কৰি, চৰকাৰে প্ৰতিশ্ৰুতিবদ্ধ ৰাজহ ব্যয় যুক্তিসঙ্গত কৰাৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব পাৰে।*

iii. *ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সঠিক বিত্তীয় স্থিতি উপস্থাপন কৰিবলৈ সহায়ক অনুদানসমূহ ৰাজহ ব্যয় হিচাপে লিপিবদ্ধ কৰিব পাৰে। একেদৰে সময়মতে সুতৰ দায়বদ্ধতা পালন কৰাৰ কথা বিবেচনা কৰিব পাৰে আৰু ৰাজ্যখনৰ পেঞ্চন পৰিশোধৰ সন্দৰ্ভত ভাৰতীয় ৰিজাৰ্ভ বেংক /বেংক সমূহৰ সৈতে হিচাপৰ বিসংগতিসমূহ মিলাব পাৰে।*

# অধ্যায় 2
# ৰাজ্যখনৰ বিত্তসমূহ

## 2.1 সূচনা

ৰাজ্যখনৰ বিত্ত হিচাপৰ ভিত্তিত, এই অধ্যায়ত ৰাজ্যৰ বিত্তীয় ব্যৱস্থাৰ এক বিস্তৃত ৰূপৰেখা, পূৰ্বৰ বছৰৰ মুখ্য বিত্তীয় সমাহাৰ সমূহৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পৰিবৰ্তনসমূহৰ বিশ্লেষণ, 2016-17 ৰ পৰা 2020-21 লৈ পাঁচ বছৰৰ সময়ছোৱাৰ সামগ্ৰীক ধাৰাসমূহ, ৰাজ্যখনৰ ঋণৰ বহন ক্ষমতা আৰু প্ৰধান ৰাজহুৱা হিচাপৰ লেনদেন সমূহ যুগুত কৰা হৈছে। প্ৰয়োজনীয় ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ পৰাও তথ্য প্ৰাপ্ত কৰা হৈছিল।

## 2.2 2019-20 বৰ্ষৰ বিপৰীতে 2020-21 ত প্ৰধান বিত্তীয় সমাহাৰ সমূহৰ ক্ষেত্ৰত হোৱা মুখ্য পৰিবৰ্তনসমূহ

তলৰ **সাৰণী 2.1** ত পূৰ্বৰ বছৰৰ তুলনাত বিত্তীয় বৰ্ষটোত ৰাজ্য খনৰ প্ৰধান বিত্তীয় সমাহাৰ সমূহৰ এক বিহঙ্গম দৃষ্টিভংগী দাঙি ধৰা হৈছে।

পৰৱৰ্তী দফা সমূহত প্ৰত্যেকটো সূচকৰে বিশ্লেষণ আগবঢ়োৱা হৈছে।

**সাৰণী 2.1: 2019-20** ৰ তুলনাত **2020-21** ত মুখ্য বিত্তীয় সমাহাৰৰ পৰিবৰ্তন সমূহ

| | |
|---|---|
| ৰাজহ প্ৰাপ্তি | ➢ ৰাজ্যখনৰ ৰাজহ প্ৰাপ্তিৰ সীমিত বৃদ্ধি 0.63 শতাংশ<br>➢ ৰাজ্যখনৰ নিজা কৰ প্ৰাপ্তিৰ বৃদ্ধি 3.66 শতাংশ<br>➢ নিজা অনা-কৰ প্ৰাপ্তিৰ হ্ৰাস 47.65 শতাংশ<br>➢ কেন্দ্ৰীয় কৰ আৰু শুল্কৰ ৰাজ্যিক অংশৰ হ্ৰাস 14.24 শতাংশ<br>➢ ভাৰত চৰকাৰৰ সহায়ক অনুদানৰ বৃদ্ধি 26.73 শতাংশ |
| ৰাজহ ব্যয় | ➢ ৰাজহ ব্যয় হ্ৰাস 3.22 শতাংশ<br>➢ সাধাৰণ সেৱাসমূহৰ ৰাজহ ব্যয় বৃদ্ধি 2.42 শতাংশ<br>➢ সামাজিক সেৱাসমূহৰ ৰাজহৰ ব্যয় সীমিত হ্ৰাস 0.16 শতাংশ<br>➢ অৰ্থনৈতিক সেৱাসমূহৰ ৰাজহ ব্যয় হ্ৰাস 17.82 শতাংশ<br>➢ স্থানীয় নিকায়লৈ দিয়া সহায়ক অনুদান ব্যয় বৃদ্ধি 2.93 শতাংশ |
| মূলধনী ব্যয় | ➢ মূলধনী ব্যয় হ্ৰাস 7.94 শতাংশ<br>➢ সাধাৰণ সেৱাসমূহৰ মূলধনী ব্যয় বৃদ্ধি 2.31 শতাংশ<br>➢ সামাজিক সেৱাসমূহৰ মূলধনী ব্যয় বৃদ্ধি 39.84 শতাংশ<br>➢ অৰ্থনৈতিক সেৱাসমূহৰ মূলধনী ব্যয় হ্ৰাস 15.53 শতাংশ |
| ঋণ আৰু অগ্ৰিম | ➢ ঋণ আৰু অগ্ৰিম সমূহৰ বিতৰণ হ্ৰাস 72.23 শতাংশ<br>➢ ঋণ আৰু অগ্ৰিম সমূহৰ পুনৰুদ্ধাৰ উল্লেখযোগ্যভাৱে হ্ৰাস 99.78 শতাংশ |
| ৰাজহুৱা ঋণ | ➢ ৰাজহুৱা ঋণ প্ৰাপ্তিৰ বৃদ্ধি 25.90 শতাংশ<br>➢ ৰাজহুৱা ঋণ পৰিশোধ হ্ৰাস 32.22 শতাংশ |
| ৰাজহুৱা হিচাপ | ➢ ৰাজহুৱা হিচাপৰ প্ৰাপ্তিৰ হ্ৰাস 14.77 শতাংশ<br>➢ ৰাজহুৱা হিচাপৰ বিতৰণ হ্ৰাস 9.30 শতাংশ |
| নগদ উদ্বৃত্ত | ➢ নগদ উদ্বৃত্তবৃদ্ধি 4,370.58 কোটি টকা (42.52 শতাংশ) |

ওপৰত উল্লেখিত প্ৰত্যেকটো সূচকৰে বিশ্লেষণ পৰৱৰ্তী দফাসমূহত কৰা হৈছে।

## 2.3 পুঁজিসমূহৰ উৎস আৰু ব্যৱহাৰ

এই খণ্ডটোত পূৰ্বৰ বিত্তীয় বছৰৰ তুলনাত ৰাজ্যখনৰ পুঁজিসমূহৰ উৎসৰ উপাদান সমূহৰ আৰু ব্যৱহাৰৰ তুলনা কৰা হৈছে।

**সাৰণী 2.2: 2019-20 আৰু 2020-21 ৰ সময়ছোৱাৰ পুঁজিৰ উৎস আৰু ব্যৱহাৰৰ বিৱৰণ**

(কোটি টকা)

| | বিৱৰণ | 2019-20 | 2020-21 | বৃদ্ধি (+) / হ্ৰাস (-) |
|---|---|---|---|---|
| উৎস | আৰ বি আই ত থকা প্ৰাৰম্ভিক নগদ উদ্বৃত্ত | -563.08 | 2,980.20 | 3,543.28 |
| | ৰাজহ প্ৰাপ্তি | 64,495.08 | 64,902.19 | 407.11 |
| | ঋণ আৰু অগ্ৰিম পুনৰুদ্ধাৰ | 1,140.51 | 2.56 | -1,137.95 |
| | ৰাজহুৱা ঋণ প্ৰাপ্তি ( প্ৰকৃত) | 11,080.37 | 15,792.20 | 4,711.83 |
| | আকস্মিক নিধি প্ৰাপ্তি | 100.00 | 0.00 | -100.00 |
| | ৰাজহুৱা হিচাপ প্ৰাপ্তি ( প্ৰকৃত) | 7,278.71 | -2,973.61 | -10,252.32 |
| | **মুঠ** | **83,531.59** | **80,703.54** | **-2,828.05** |
| ব্যৱহাৰ | ৰাজহ ব্যয় | 66,666.68 | 64,519.59 | -2,147.09 |
| | মূলধনী ব্যয় | 13,468.55 | 12,399.39 | -1,069.16 |
| | ঋণ আৰু অগ্ৰিমৰ বিতৰণ | 316.16 | 87.80 | -228.36 |
| | আকস্মিক নিধিত বিনিয়োজন | 100.00 | 0.00 | -100.00 |
| | আৰ বি আই ত থকা সামৰণি নগদ উদ্বৃত্ত | 2,980.20 | 3,696.76 | 716.56 |
| | **মুঠ** | **83,531.59** | **80,703.54** | **-2,828.05** |

চিত্ৰ তালিকা 2.1 : সম্পদসমূহৰ গঠন (শতাংশ)




চিত্ৰ তালিকা 2.2: সম্পদসমূহৰ ব্যৱহাৰ (শতাংশ)




## 2.4 ৰাজ্যৰ সম্পদসমূহ

**ৰাজ্যৰ সম্পদসমূহ তলত আলোচনা কৰা হ'লঃ**

1. **ৰাজহ প্ৰাপ্তি সমূহৰ** ভিতৰত আছিল কৰ ৰাজহ, কৰ বৰ্হিভূত ৰাজহ, কেন্দ্ৰীয় কৰ আৰু শুল্কৰ ৰাজ্যিক অংশ আৰু ভাৰত চৰকাৰ (জি অ আই) ৰ সহায়ক অনুদান।
2. **মূলধনী প্ৰাপ্তিসমূহৰ** ভিতৰত নিৰ্বিনিয়োজনৰ পৰা আয়, ঋণ আৰু অগ্ৰিমৰ পুনৰুদ্ধাৰ, আভ্যন্তৰীণ

উৎসসমূহৰ পৰা ঋণ (বজাৰ ঋণ, বিত্তীয় প্ৰতিষ্ঠান / বাণিজ্যিক বেংক সমূহৰ পৰা ধাৰ) আৰু জি অ আই ৰ পৰা ঋণ আৰু অগ্ৰিম আদিৰ দৰে বিবিধ মূলধনী প্ৰাপ্তি সমূহ আছিল। ৰাজহ আৰু মূলধনী প্ৰাপ্তি উভয়েই ৰাজ্যখনৰ একত্ৰিত নিধিৰ একোটা অংশ।

3. **প্ৰকৃত ৰাজহুৱা হিচাপৰ প্ৰাপ্তি সমূহ:** ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্যৎ নিধি, সংৰক্ষিত পুঁজি জমা, অমীমাংসীত, প্ৰেৰণ আদিৰ দৰে কিছুমান লেন-দেন সম্পৰ্কীয় প্ৰাপ্তি আৰু বিতৰণ একত্ৰিত নিধিৰ অংশ নহয়। এইসমূহ সংবিধানৰ 266 (2) অনুচ্ছেদৰ অধীনত গঠিত ৰাজহুৱা হিচাপত ৰখা হয় আৰু ৰাজ্যিক বিধান মণ্ডলৰ দ্বাৰা গৃহীত কৰিব নালাগে। এই ক্ষেত্ৰত চৰকাৰে বেংকৰ ভূমিকা গ্ৰহণ কৰে। বিতৰণৰ পিছত উদ্বৃত্ত হ'ল চৰকাৰৰ হাতত থকা ব্যৱহাৰ কৰিব লগা পুঁজি।

## 2.4.1 ৰাজ্যখনৰ প্ৰাপ্তিসমূহ

এই দফাটোত সামগ্ৰীক প্ৰাপ্তি সমূহৰ গঠন দেখুওৱা হৈছে। মূলধনী আৰু ৰাজহ প্ৰাপ্তিৰ উপৰিও, ৰাজহুৱা হিচাপত (ইয়াৰ পৰা কৰা মুঠ বিতৰণ) থকা পুঁজিসমূহ চৰকাৰে ঘাটিৰ জোৰা মাৰিবলৈ ব্যৱহাৰ কৰে।

2020-21 ৰ সময়ছোৱাত ৰাজ্যখনৰ প্ৰাপ্তিৰ গঠন **চিত্ৰ তালিকা 2.3** ত দিয়া হৈছে ।

**চিত্ৰ তালিকা 2.3: 2020-21 বৰ্ষৰ ৰাজ্যখনৰ প্ৰাপ্তিৰ গঠন**



## 2.4.2 ৰাজ্যখনৰ ৰাজহ প্ৰাপ্তি সমূহ

এই দফাটোত মুঠ ৰাজহ প্ৰাপ্তিৰ ধাৰা আৰু ইয়াৰ উপাদান সমূহ দেখুওৱা হৈছে। ইয়াৰ পিছত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যৰ নিজা প্ৰাপ্তি সমূহৰ পৰা প্ৰাপ্তিৰ বিভাজন কৰা ধাৰা সমূহ দেখুওৱা হৈছে। প্ৰয়োজন অনুযায়ী উপ-দফা সন্নিৱিষ্ট কৰা হৈছে।

### 2.4.2.1 ৰাজহ প্ৰাপ্তিৰ ধাৰা আৰু বৃদ্ধি

**সাৰণী 2.3** য়ে 2016-21 পাঁচ বছৰ সময়ছোৱাত জি এচ ডি পি ৰ সন্দৰ্ভত ৰাজহ প্ৰাপ্তিৰ প্ৰৱণতা আৰু বৃদ্ধিৰ লগতে ধাৰা দেখুৱায়। তদুপৰি জি এচ ডি পি ৰ তুলনাত ৰাজহ প্ৰাপ্তিৰ ধাৰা আৰু প্ৰাপ্তিৰ গঠন ক্ৰমান্বয়ে **চিত্ৰ তালিকা 2.4** আৰু **2.5** ত দিয়া হৈছে ।

**সাৰণী 2.3: ৰাজহ প্ৰাপ্তিৰ ধাৰা**

| স্থিতিমাপ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| **ৰাজহ প্ৰাপ্তি (আৰ আৰ) (কোটি টকাত)** | **49,219.81** | **54,130.94** | **63,479.16** | **64,495.08** | **64,902.19** |
| **আৰ আৰ ৰ বৃদ্ধিৰ হাৰ (শতাংশ)** | 15.93 | 9.98 | 17.27 | 1.60 | 0.63 |
| **নিজা কৰ ৰাজহ (কোটি টকাত)** | **12,079.56** | **13,215.52** | **15,924.85** | **16,528.69** | **17,133.61** |
| **কৰ বৰ্হিভূত ৰাজহ (কোটি টকা)** | **4,353.13** | **4,071.97** | **8,221.29** | **5,539.34** | **2,899.61** |
| **নিজা ৰাজহৰ বৃদ্ধিৰ হাৰ (নিজা কৰ আৰু কৰ বৰ্হিভূত ৰাজহ) (শতাংশ)** | 27.90 | 5.20 | 39.67 | -8.61 | -9.22 |
| **মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (কোটি টকাত) (2011-12 শৃংখলা)** | **2,54,478.25** | **2,83,164.90** | **3,09,336.32** | **3,35,238.11 (পি.ই.)** | **3,48,277.17 (কিউ.ই.)** |
| **জি এচ ডি পি ৰ বৃদ্ধিৰ হাৰ (শতাংশ)** | 11.63 | 11.27 | 9.24 | 8.37 | 3.89 |
| **আৰ আৰ / জি এচ ডি পি (শতাংশ)** | 19.34 | 19.12 | 20.52 | 19.24 | 18.64 |
| **উচ্চলতাৰ অনুপাত[5]** | | | | | |
| **জি এচ ডি পি ৰ সাপেক্ষে ৰাজহ উচ্চলতা** | 1.37 | 0.89 | 1.87 | 0.19 | 0.16 |
| **জি এচ ডি পি ৰ সাপেক্ষে ৰাজ্যৰ নিজা ৰাজহ উচ্চলতা** | 2.40 | 0.46 | 4.29 | -1.03 | -2.37 |

*জি এচ ডি পি সংখ্যাৰ উৎস ঃ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম;*

*পি ই - সাময়িক প্ৰাক্কলন, কিউ ই - দ্ৰুত প্ৰাক্কলন*

[5] উচ্চলতাৰ অনুপাতে আধাৰ পৰিবৰ্তনশীলতাৰ এক প্ৰদত্ত পৰিবৰ্তনৰ সন্দৰ্ভত বিত্তীয় চলকৰ স্থিতিস্থাপকতা বা সহাঁৰিৰ পৰিমাণক সূচায়। উদাহৰণ স্বৰূপে 0.16 ত জি এচ ডি পি ৰ সন্দৰ্ভত ৰাজহ বৃদ্ধিয়ে বুজায় যে যদি জি এচ ডি পি এক শতাংশ বৃদ্ধি হয় তেন্তে ৰাজহ প্ৰাপ্তি 0.16 শতংশ পইন্ট বৃদ্ধি হোৱাৰ প্ৰৱণতা আছে।

চিত্ৰ তালিকা 2.4: ৰাজহ প্ৰাপ্তিৰ ধাৰা




চিত্ৰ তালিকা 2.5: ৰাজহ প্ৰাপ্তিৰ উপাদান সমূহৰ ধাৰা




**ৰাজ্যখনৰ ৰাজহ প্ৰাপ্তি সম্পৰ্কীয় সাধাৰণ ধাৰা সমূহ তলত দিয়া ধৰণৰ ঃ**

- ৰাজহ প্ৰাপ্তি 2016-17 ত 49,219.81 কোটি টকাৰ পৰা 2020-21 ত 64,902.19 কোটি টকালৈ বছৰি 6.37 শতাংশ গড় বৃদ্ধিৰ হাৰেৰে 31.86 শতাংশ বৃদ্ধি হৈছিল। 2020-21 ৰ সময়ছোৱাত ৰাজহ প্ৰাপ্তি পূৰ্বৰ বছৰৰ তুলনাত 407.11 কোটি টকাৰ (0.63 শতাংশ) সামান্য বৃদ্ধি পাইছিল। জি এচ ডি পি ৰ শতাংশৰ হিচাপত, ৰাজহ প্ৰাপ্তি প্ৰকৃততে 2019-20 ত 19.24 শতাংশৰ পৰা 2020-21 ত 18.64

শতাংশলৈ হ্ৰাস পাইছিল, মূলত নিজা কৰ বৰ্হিভূত প্ৰাপ্তি আৰু কেন্দ্ৰীয় কৰ আৰু শুল্কৰ ৰাজ্যিক অংশৰ তীব্ৰ হ্ৰাস হোৱাৰ কাৰণে।

- 2020-21 ৰ সময়ছোৱাত, ৰাজ্যৰ নিজা ৰাজহ, ৰাজহ প্ৰাপ্তিৰ 30.87 শতাংশৰে গঠিত আছিল আৰু বাকী 69.13 শতাংশ কেন্দ্ৰীয় কৰ হস্তান্তৰ আৰু সহায়ক অনুদান হিচাপে ভাৰত চৰকাৰৰ পৰা আহিছিল। ভাৰত চৰকাৰৰ পৰা সহায়ক অনুদান 2019-20 ৰ 20,705.61 কোটি টকাৰ পৰা 26.73 শতাংশ (5,534.04 কোটি টকা) বৃদ্ধি হৈ 2020-21 ত 26,239.65 কোটি টকা হৈছিল।
- পূৰ্বৰ বছৰৰ তুলনাত ৰাজহ প্ৰাপ্তিত 0.63 শতাংশ (407.11 কোটি টকা) ৰ সামান্য বৃদ্ধি আৰু ৰাজহ ব্যয়ত 3.22 শতাংশ (2,147.09 কোটি টকা) হ্ৰাস হৈছিল।

### 2.4.2.2 ৰাজ্যৰ নিজা সম্পদ

কেন্দ্ৰীয় কৰৰ ৰাজ্যিক অংশ বিত্ত আয়োগৰ অনুমোদনৰ ভিত্তিত নিৰূপিত হয়; সহায়ক অনুদানৰ অংশ কেন্দ্ৰীয় কৰ প্ৰাপ্তিৰ সংগ্ৰহ আৰু প্ৰকল্পৰ বাবে প্ৰত্যাশিত কেন্দ্ৰীয় সাহাৰ্য্য আদিৰ পৰিমানৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। ৰাজ্যৰ নিজা উৎসৰ কৰ আৰু কৰ বৰ্হিভূত ৰাজহৰ লগত সম্পৰ্কিত অতিৰিক্ত সম্পদ আহৰণৰ আধাৰত ৰাজ্যৰ কাৰ্যসম্পাদন মূল্যায়ন কৰাটো উচিত।

### নিজা কৰ ৰাজহ

ৰাজ্যখনৰ নিজা কৰ ৰাজহ হৈছে ৰাজ্যিক জি এচ টি, ৰাজ্যিক আৱকাৰী, বাহনৰ কৰ, মোহৰ শুল্ক আৰু পঞ্জীয়ন মাচুল, ভূমি ৰাজহ, সামগ্ৰী আৰু যাত্ৰী কৰ ইত্যাদি।

পাঁচ বছৰৰ অৰ্থাৎ 2016-21 ৰ সময়ছোৱাত ৰাজ্যখনৰ নিজা কৰ ৰাজহৰ মুঠ সংগ্ৰহ আৰু জি এচ ডি পি ৰ সৈতে ইয়াৰ অনুপাত **চিত্ৰ তালিকা 2.6** ত দিয়া হৈছে।

**চিত্ৰ তালিকা 2.6: 2016-21 ৰ সময়ছোৱাত নিজা কৰ ৰাজহৰ বৃদ্ধি**



2016-21 বছৰ সমূহত সংগ্ৰহীত নিজা কৰ ৰাজহৰ উপাদান ভিত্তিত বিৱৰণ তলত দিয়া ধৰণৰ ঃ

**সাৰণী 2.4: 2016-21 ৰ সময়ছোৱাত ৰাজ্যৰ নিজা কৰ ৰাজহৰ উপাদানসমূহ**

**(কোটি টকাত)**

| শিতান | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 | |
|---|---|---|---|---|---|---|
| | | | | | বাজেট প্ৰাক্কলন | প্ৰকৃত |
| ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ | 0.00 | 4,077.67 | 8,393.04 | 8,755.30 | 13,935.11 | 8,549.02 |
| বিক্ৰী, ব্যৱয়ায় আদিৰ কৰ | 8,751.63 | 6,373.00 | 4,698.74 | 4,480.96 | 5,340.73 | 5,070.97 |
| ৰাজ্যিক আৱকাৰী | 963.81 | 1,095.16 | 1,399.84 | 1,650.03 | 1,750.00 | 2,039.94 |
| বাহনৰ কৰ | 521.59 | 646.96 | 765.01 | 815.82 | 1,077.97 | 723.98 |
| মোহৰ আৰু পঞ্জীয়ন মাচুল | 226.78 | 239.17 | 240.72 | 292.65 | 400.18 | 280.75 |
| ভূমি ৰাজহ | 210.02 | 219.39 | 163.22 | 94.16 | 276.19 | 116.81 |
| অন্যান্য কৰ[6] | 1,405.73 | 564.17 | 264.28 | 439.77 | 429.56 | 352.14 |
| **মুঠ** | **12,079.56** | **13,215.52** | **15,924.85** | **16,528.69** | **23,209.74** | **17,133.61** |

*উৎসঃ বিত্তীয় হিচাপ*

ৰাজ্যৰ নিজা কৰ ৰাজহ 2016-17 ত 12,079.56 কোটি টকাৰ পৰা 2020-21 ত 17,133.61 কোটি টকালৈ বছৰি 8.37 শতাংশ গড় হাৰেৰে 5,054.05 কোটি টকা বৃদ্ধি হৈছিল। চলিত বৰ্ষত, কৰ ৰাজহৰ মুখ্য অৱদানকাৰী আছিল ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ (49.90 শতাংশ), বিক্ৰী, বাণিজ্য আদিৰ কৰ (29.60 শতাংশ) আৰু ৰাজ্যিক আৱকাৰী (11.91 শতাংশ)।

2020-21 ৰ সময়ছোৱাত ৰাজ্যৰ নিজা কৰ ৰাজহ 17,133.61 কোটি টকা, যি জি এচ ডি পি ৰ 4.92 শতাংশ আছিল আৰু ই মেঘালয় (6.20 শতাংশ). আৰু অৰুণাচল প্ৰদেশ (4.98 শতাংশ) তকৈ কম আছিল কিন্তু **চিত্ৰ তালিকা 2.7** ত দেখুওৱাৰ দৰে অন্য এন ই আৰ ৰাজ্য সমূহতকৈ অধিক আছিল।

**চিত্ৰ তালিকা 2.7: 2020-21 ৰ সময়ছোৱাত এন ই আৰ ৰাজ্য সমূহৰ জি এচ ডি পি লৈ নিজা কৰ ৰাজহৰ শতাংশ**




[6] অন্যান্য কৰৰ ভিতৰত আছে কৃষি আয়কৰ, সামগ্ৰী আৰু যাত্ৰীৰ কৰ, বিদ্যুতৰ কৰ আৰু সেৱা সমূহৰ ওপৰত অন্যান্য কৰ আৰু মাচুল ইত্যাদি।

## ৰাজ্যিক সামগ্ৰী আৰু সেৱাৰ কৰ

কেন্দ্ৰীয় চৰকাৰে 01 জুলাই, 2017 তাৰিখে সামগ্ৰী আৰু সেৱা কৰ (জি এচ টি) আৰম্ভ কৰে। অসম সামগ্ৰী আৰু সেৱাকৰ (এ জি এচ টি) আইন, 2017 অসম বিধান সভাত জুন 2017 ত গৃহীত হয় আৰু ই 01 জুলাই 2017 ৰ পৰা কাৰ্যকৰী হয়।

জি এচ টি (ৰাজ্য সমূহক ক্ষতিপূৰণ) আইন, 2017 অনুসৰি ৰাজ্য সমূহক আধাৰ বৰ্ষ 2015-16 ৰ পৰা পাঁচ বছৰৰ বাবে বাৰ্ষিক 14 শতাংশ বৃদ্ধিৰ কথা বিবেচনা কৰি সামগ্ৰী আৰু সেৱাকৰ ৰূপায়নৰ ফলত উদ্ভৱ হোৱা ৰাজহ হ্ৰাসৰ বাবে ক্ষতিপূৰণ দিয়া হ'ব। কেন্দ্ৰই সামগ্ৰী আৰু সেৱাৰ আন্তঃৰাজ্যিক যোগানৰ ওপৰত একত্ৰিত জি এচ টি ( আই জি এচ টি) আদায় কৰে আৰু সামগ্ৰী বা সেৱাৰ ব্যৱহাৰ কৰা ৰাজ্যখনক কৰৰ অংশ প্ৰদান কৰে।

2017-18 ৰ পৰা 2020-21 লৈ ৰাজ্যিক সামগ্ৰী আৰু সেৱাকৰ (এচ জি এচ টি) ৰ অধীনত ৰাজহৰ প্ৰকৃত সংগ্ৰহ **সাৰণী 2.5** ত দিয়া হৈছে।

**সাৰণী 2.5: অসম চৰকাৰৰ এচ জি এচ টি ৰ প্ৰাপ্তিসমূহ**

**(কোটি টকাত)**

| ৰাজ্যিক সামগ্ৰী আৰু সেৱাকৰ (এচ জি এচ টি) | 2017-18 | 2018-19 | 2019-20 | 2020-21 | পূৰ্বৰ বছৰৰ তুলনাত বৃদ্ধি / হ্ৰাস |
|---|---|---|---|---|---|
| **কৰ** (গৌণ শিতান : 101,105) | 3,613.48 | 7,094.96 | 8,248.97 | 7,063.66 | (-) 1,185.31 |
| **আই জি এচ টি ৰ ভাগ** (গৌণ শিতান : 106,110) | 453.39 | 1,235.73 | 332.16 | 993.87 | (+) 661.71 |
| **অন্যান্য** (গৌণ শিতান : 102,103,104, 500,800) | 10.80 | 62.35 | 174.17 | 491.49 | (+) 317.32 |
| **এচ জি এচ টি সংগ্ৰহ** | **4,077.67** | **8,393.04** | **8,755.30** | **8,549.02** | **(-) 206.28** |

***উৎসঃ বিত্তীয় হিচাপ***

2020-21 ৰ সময়ছোৱাত ৰাজ্যখনৰ এচ জি এচ টি সংগ্ৰহ পূৰ্বৰ বছৰ তুলনাত সামান্য পৰিমাণে 2.36 শতাংশ (206.28 কোটি টকা) হ্ৰাস পাইছিল।

তদুপৰি, জি এচ টি (ৰাজ্যলৈ ক্ষতিপূৰণ) আইন, 2017 ৰ ধাৰা 6 অনুসৰি, 2015-16 ক আধাৰ বৰ্ষ হিচাপে ধৰি ৰাজহ সংগ্ৰহ (5,985.50 কোটি টকা) বিৱেচনা কৰি 2020-21 বৰ্ষৰ বাবে ৰাজ্যখনৰ সুৰক্ষিত ৰাজহ 14 শতাংশ বাৰ্ষিক বৃদ্ধিৰ সৈতে 11,524.57 কোটি টকা স্থিৰ কৰা হৈছিল। যিহেতু 2020-21 বৰ্ষত এচ জি এচ টি প্ৰাপ্তি সুৰক্ষিত ৰাজহতকৈ কম আছিল, জি এচ টি (ৰাজ্যলৈ ক্ষতিপূৰণ) আইনৰ লগত সামঞ্জস্য ৰাখি জি এচ টি ৰূপায়নৰ ফলত উদ্ভৱ হোৱা ৰাজহ লোকচানৰ বাবদ ৰাজ্য চৰকাৰে 2,363.60 কোটি টকা ক্ষতিপূৰণ লাভ কৰিছিল। জি এচ টি ক্ষতিপূৰণ পুঁজিত অপৰ্যাপ্ত উদ্বৃত্তৰ বাবে ঋণ প্ৰাপ্তিৰ অধীনত কোনো দায়বদ্ধতা নথকাকৈ ৰাজ্য চৰকাৰে জি এচ টি ক্ষতিপূৰণৰ বাবদ 2,363.60 কোটি টকাৰ ক্ষতিপুৰণৰ ভিতৰত 994.00 কোটি টকা বেক টু বেক লোন হিচাপে পাইছিল।

## ৰাজহ বকেয়া আৰু মূল্যায়নৰ বকেয়াৰ বিশ্লেষণ

ৰাজহৰ বকেয়াই চৰকাৰৰ বাবে ৰাজহ বিলম্বিত হোৱাৰ ইংগিত দিয়ে। একেদৰে, মূল্যায়নৰ বকেয়াই সাম্ভাব্য ৰাজহক সূচায় যিসমূহ বিলম্বিত মূল্যায়নৰ বাবে অৱৰুদ্ধ হৈ আছিল। দুয়োটাই ৰাজ্যখনক সাম্ভাব্য ৰাজহ প্ৰাপ্তিৰ পৰা বঞ্চিত কৰে আৰু অৱশেষত ৰাজহৰ অৱস্থাৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়।

## ৰাজহ বকেয়া সমূহৰ বিশ্লেষণ

বিত্ত (কৰ আৰোপন), আৰকাৰী, পৰিবহন, খনি আৰু খনিজ বিভাগৰ সন্দৰ্ভত 31 মাৰ্চ 2021 তাৰিখলৈ ৰাজহৰ বকেয়াৰ পৰিমান আছিল 4,486.80 কোটি টকা যাৰ ভিতৰত **সাৰণী 2.6** ত উল্লেখ কৰা অনুসৰি 3,749.40 কোটি টকা পাঁচ বছৰতকৈয়ো অধিক সময়ৰ পৰা বকেয়া হৈ আছিল।

**সাৰণী 2.6: ৰাজহৰ বকেয়া**

**(কোটি টকাত)**

| ক্ৰমিক নং | ৰাজহৰ শিতান | বিভাগৰ নাম | 31 মাৰ্চ 2021 পৰ্যন্ত বকেয়াৰ পৰিমাণ | | বিভাগৰ উত্তৰ সমূহ |
|---|---|---|---|---|---|
| | | | মুঠ | পাঁচ বছৰতকৈ অধিক সময়ৰ বাবে বকেয়া | |
| 1 | 0022-কৃষি আয়কৰ | বিত্ত (কৰ আৰোপন) | 68.50 | 49.54 | অমীমাংসীত বকেয়াৰ কাৰণসমূহ নিম্নলিখিত ধৰণৰ:<br>নিৰ্ধাৰিত তাৰিখত ব্যৱসায়ী সকলে আদায় নিদিয়া বাবে কিছুমান পৰিমান বকেয়া হৈ থাকে। মূল্যায়নকাৰী বিষয়াই ঋণ খিলাপী সকললৈ জাননী জাৰি কৰে আৰু পৰিমাণটো আদায় কৰাৰ বাবে যথা সম্ভৱ চেষ্টা কৰে। এনে বকেয়া সংশ্লিষ্ট ব্যৱসায়ী সকলে সুদৰসৈতে পৰিশোধ কৰে। বৰ্তমানৰ বকেয়া ওপৰত উল্লেখ কৰা পৰিমানত অন্তৰ্ভুক্ত হৈ আছে।<br>সকলো প্ৰচেষ্টা স্বত্তেও মূল্যায়নকাৰী বিষয়াসকলে আদায় কৰিব নোৱাৰা পৰিমান সমূহৰ বাবে মূল্যায়নকাৰী বিষয়াসকলে পৰিমানটো আদায় কৰাৰ বাবে বাকীজাই (ৰাজহ) বিষয়া সকলক বকেয়াৰ প্ৰমাণ পত্ৰ জাৰি কৰে আৰু এই পৰিমান সমূহ উক্ত বকেয়া পৰিমান আদায় নোহোৱালৈকে কৰ অধীক্ষকৰ (পুনৰুদ্ধাৰ) ওচৰত বকেয়া হৈ থাকে।<br>উচ্চ ন্যায়ালয় / উচ্চতম ন্যায়ালয় / ৰাজহ বোৰ্ড আৰু আপীল / পুনৰীক্ষণ কৰ্তৃপক্ষৰ ওচৰত ৰাজহৰ বকেয়া অন্তৰ্ভুক্ত থকা গোচৰ সমূহ অমীমাংসীত হৈ আছে।<br>প্ৰাপ্য আদায়ৰ সময়ত ব্যৱসায়ী সকলক বিচাৰি নোপোৱা। |
| 2 | 0028-আয় আৰু ব্যয়ৰ ওপৰত অন্যান্য কৰ সমূহ | | 3.01 | 2.28 | |
| 3 | 0029-ভূমি ৰাজহ | | 2525.82 | 2031.87 | |
| 4 | 0040-ব্যৱসায়, বাণিজ্য আদিৰ কৰ | | 1670.78 | 1486.06 | |
| 5 | 0042-সামগ্ৰী আৰু যাত্ৰীৰ কৰ | | 80.05 | 50.12 | |
| 6 | 0043-বিদ্যুৎৰ কৰ আৰু মাচুল | | 32.55 | 27.28 | |
| 7 | 0045-সামগ্ৰী আৰু সেৱাৰ ওপৰত অন্যান্য কৰ আৰু শুল্ক | | 5.30 | 3.68 | |
| 8 | 0039-ৰাজ্যিক আৰকাৰী | আৰকাৰী | 69.54 | 69.54 | সঠিক সময়ত পাইকাৰী পণ্যাগাৰ সমূহৰ দ্বাৰা শুল্ক পৰিশোধ নকৰাৰ বাবে। |
| 9 | 0041-বাহনৰ কৰ | পৰিবহন | 31.17 | 28.95 | চলিত কোভিড- 19 মহামাৰীৰ বাবে বলবৎকাৰী বিষয়া / কৰ্মচাৰীৰ অভাৱ আৰু বলবৎ অভিযানৰ ক্ষেত্ৰত অ-পৰ্যাপ্ত আন্তঃগাঠনি |
| 10 | 0853-অ-লৌহ খনন আৰু ধাতু উদ্যোগ | খনি আৰু খনিজাত | 0.08 | 0.08 | 2005-06, 2006-07 আৰু 2011-12 বৰ্ষৰ বাবে এন ই চি ই এম চিমেণ্ট লিমিটেডৰ দ্বাৰা চুণশিলৰ ৰয়েল্টি পৰিশোধ নকৰা (8,15,789 টকা) |
| | **মুঠ** | | **4,486.80** | **3,749.40** | |

তেনেধৰণৰ পৰিমান সমূহৰ বকেয়া নিস্পত্তিৰ বাবে সংশ্লিষ্ট সকলো বিভাগৰ দ্বাৰা কেন্দ্ৰীভূত প্ৰচেষ্টা আৰু পুনৰুদ্ধাৰ প্ৰক্ৰিয়াত জড়িত বেংক, আৰক্ষী বিভাগ আৰু অৰ্ধ-ন্যায়িক / ন্যায়িক সংস্থাৰ দৰে অন্যান্য বিভাগৰ সৈতে সমন্বয়ৰ বাবে জোৰ দিয়াটো প্ৰয়োজন।

## মূল্যায়নৰ বকেয়া

বছৰটোৰ আৰম্ভণিতে স্থগিত মূল্যায়নত বকেয়াৰ বিৱৰণ, বছৰটোৰ মূল্যায়ন কৰিবলগীয়া বিষয়, বছৰটোত নিস্পত্তি কৰা বিষয় আৰু বিভিন্ন কৰ আইনৰ সন্দৰ্ভত বিত্ত (কৰ আৰোপন) বিভাগে দাখিল কৰা অনুসৰি বছৰটোৰ শেষত মূল্যায়নৰ বাবে স্থগিত ৰখা বিষয়ৰ সংখ্যা **সাৰণী 2.7** ত দিয়া হৈছে।

**সাৰণী 2.7: মূল্যায়নত বকেয়া**

| আইনৰ নামাকৰণ | 31 মাৰ্চ 2020 তাৰিখলৈ মূল্যায়নৰ বকেয়া | 2020-21 বৰ্ষত মূল্যায়ন কৰিব লগা নতুন বিষয় | মূল্যায়ন কৰিবলৈ বাকী থকাৰ মুঠ | 2020-21 বৰ্ষত নিস্পত্তি কৰা বিষয়সমূহ | 2020-21 বছৰটোৰ শেষত বাকী থকা | নিস্পত্তিৰ শতাংশ (স্তম্ভ 4 ৰ সন্দৰ্ভত 5) |
|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 (2+3) | 5 | 6 (4-5) | 7 |
| বিক্ৰী কৰ (ভেট / চি এচ টি আইন) | 20,501 | 3,223 | 23,724 | 8,050 | 15,674 | 33.93 |
| প্ৰৱেশ কৰ আইন | 2,500 | 85 | 2,585 | 304 | 2,281 | 11.76 |
| পেচাদাৰী ব্যৱসায়ী, কলিং আৰু নিযুক্তি কৰ আইন | 508 | 4,806 | 5,314 | 753 | 4561 | 14.17 |
| কৰ (নিৰ্দিষ্ট ভূমিৰ ওপৰত) আইন | 46,551 | 76 | 46,627 | 1,120 | 45,507 | 2.40 |
| কৃষি আয়কৰ আইন | 2,769 | 87 | 2,856 | 147 | 2,709 | 5.15 |
| মনোৰঞ্জন আৰু বাজীমৰা কৰ আৰোপন আইন | 220 | 0 | 220 | 28 | 192 | 12.73 |
| বিলাসিতা (হোটেল আৰু লজিং) আইন | 266 | 0 | 266 | 39 | 227 | 14.66 |
| বিদ্যুৎ শুল্ক আইন | 1,975 | 16 | 1,991 | 589 | 1,402 | 29.58 |
| **মুঠ** | **75,290** | **8,293** | **83,583** | **11,030** | **72,553** | **13.20** |

ওপৰৰ সাৰণীয়ে সূচায় যে যোৱা বছৰৰ তুলনাত এই বছৰটোৰ শেষত মূল্যায়ন কৰিবলৈ বাকী থকা এটা ৰাজহৰ ক্ষেত্ৰৰ (পেচাদাৰী ব্যৱসায়ী, কলিং আৰু  নিযুক্তি কৰ আইন) বিষয়বোৰ বৃদ্ধি পাইছিল। সামগ্ৰীক ভাৱে বছৰটোত মূল্যায়নৰ বাবে বকেয়া বিষয়ৰ নিস্পত্তিৰ হাৰ হৈছে 13.20 শতাংশ। কৰ আৰোপন আইন (নিৰ্দিষ্ট ভূমিৰ ওপৰত) আৰু কৃষি আয়কৰ আইনৰ ক্ষেত্ৰৰ নিস্পত্তিৰ বিষয়ৰ শতাংশ ক্ৰমান্বয়ে 2.40 শতাংশ আৰু 5.15 শতাংশ আছিল, যি অতি পুতৌজনক। মূল্যায়নৰ বিলম্বৰ ফলত চৰকাৰী ৰাজহ আদায় নহ'ব / কমকৈ আদায় হ'ব পাৰে আৰু ৰাজহৰ বকেয়া অধিক জমা হ'ব পাৰে।

## বিভাগৰ দ্বাৰা ধৰা পেলোৱা কৰ ফাঁকি

কৰ বিভাগৰ দ্বাৰা ধৰা পেলোৱা কৰ ফাঁকিৰ ঘটনা, চূড়ান্ত কৰা বিষয় আৰু বৃদ্ধি কৰা অতিৰিক্ত কৰৰ দাবী হৈছে ৰাজ্য চৰকাৰৰ ৰাজহ সংগ্ৰহ  প্ৰচেষ্টাৰ গুৰুত্বপূৰ্ণ সূচক। ধন ঘূৰাই দিয়াৰ ক্ষেত্ৰত তৎপৰতা বিভাগটোৰ

কাৰ্যদক্ষতাৰ এক গুৰুত্বপূৰ্ণ সূচক। আৱকাৰী আৰু কৰ বিভাগৰ দ্বাৰা ধৰা পেলোৱা কৰ ফাঁকিৰ ঘটনা আৰু চূড়ান্ত কৰা বিষয় আৰু অতিৰিক্ত কৰৰ দাবী উত্থাপন **সাৰণী 2.8** ত দিয়া হৈছে।

**সাৰণী 2.8: ধৰা পেলোৱা কৰ ফাঁকি**

| ক্রমিক নং | ৰাজহৰ শিতান | 31 মাৰ্চ 2020 পৰ্যন্ত বাকী থকা বিষয় | 2020-21 ৰ সময়ছোৱাত ধৰা পেলোৱা বিষয় | মুঠ | জৰিমনা আদিৰ সৈতে অতিৰিক্ত দাবী উত্থাপন কৰা ঘটনাসমূহ | | 31 মাৰ্চ 2021 পৰ্যন্ত চূড়ান্ত কৰণৰ বাবে বাকী থকা ঘটনাৰ সংখ্যা |
|---|---|---|---|---|---|---|---|
| | | | | | সংখ্যা | পৰিমাণ (কোটি টকাত) | |
| **1.** | জি এচ টি | 0 | 306 | 306 | 306 | 11.70 | 0 |
| **2.** | ৰাজ্যিক আৱকাৰী | 4 | 0 | 4 | 4 | 43.94 | 4 |
| | **মুঠ** | **4** | **306** | **310** | **310** | **55.64** | **4** |

***উৎসঃ অসম চৰকাৰে দাখিল কৰা তথ্য***

এনেদৰে, অসম চৰকাৰে 31 মাৰ্চ 2021 তাৰিখলৈকে কৰ ফাঁকি দিয়াৰ 310 টা বিষয় সম্পৰ্কত 55.64 কোটি টকাৰ দাবী উত্থাপন কৰিছিল।

## কৰ বৰ্হিভূত ৰাজহ

কৰ বৰ্হিভূত ৰাজহ প্ৰাপ্ত সুদ, লাভাংশ আৰু লাভ, খনিজ প্ৰাপ্তি, বিভাগীয় প্ৰাপ্তি আদিৰে গঠিত হয়। 2016-21 বৰ্ষৰ সময়ছোৱাত সংগ্ৰহীত কৰ বৰ্হিভূত ৰাজহৰ উপাদান অনুযায়ী সবিশেষ সমূহ **সাৰণী 2.9** ত দয়া হ'ল।

**সাৰণী 2.9: 2016-21 সময়ছোৱাত উপাদান অনুযায়ী কৰ বৰ্হিভূত ৰাজহ**

**(কোটি টকাত)**

| শিতানসমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 | |
|---|---|---|---|---|---|---|
| | | | | | বাজেট প্ৰাক্কলন | প্ৰকৃত |
| **প্ৰাপ্ত সুদ** | 475.40 | 305.39 | 588.09 | 666.86 | 950.94 | 235.87 |
| **লাভাংশ আৰু লাভ** | 124.44 | 225.55 | 153.24 | 30.64 | 195.68 | 481.89 |
| **পেট্ৰ'লিয়াম** | 3,101.96 | 2,533.20 | 5,642.66 | 3,805.34 | 3,198.90 | 1,468.55 |
| **বন আৰু বন্যপ্ৰাণী** | 215.85 | 250.74 | 364.27 | 416.06 | 465.13 | 352.89 |
| **অন্যান্য প্ৰশাসনীয় সেৱাসমূহ** | 210.46 | 75.74 | 211.90 | 103.17 | 320.57 | 95.72 |
| **অন্যান্য** | 225.02 | 681.35 | 1,261.13 | 517.27 | 2,172.57 | 264.69 |
| **মুঠ** | **4,353.13** | **4,071.97** | **8,221.29** | **5,539.34** | **7,303.79** | **2,899.61** |

***উৎস ঃ*** *বিত্তীয় হিচাপ*

কৰ-বৰ্হিভূত ৰাজহ যিটো 2016-17 ৰ পৰা 2020-21 লৈ পাঁচ বছৰত ৰাজ্যখনৰ মুঠ ৰাজহ প্ৰাপ্তি 13 শতাংশ (2018-19) আৰু চাৰি শতাংশ (2020-21) ৰ ভিতৰত আছিল আৰু পূৰ্বৰ বৰ্ষতকৈ 2020-21 বৰ্ষত উল্লেখযোগ্যভাৱে 2,639.73 কোটি টকা (47.65 শতাংশ) হ্ৰাস পাইছিল। 2020-21 ৰ সময়ছোৱাত কৰ বৰ্হিভূত ৰাজহ পেট্ৰ'লিয়াম (1,468.55 কোটি টকা), তাৰপিছতে লাভাংশ আৰু লাভ (481.89 কোটি টকা) আৰু বন আৰু বন্য প্ৰাণীয়ে (352.89 কোটি টকা) মুখ্য অৰিহণা আগবঢ়াইছিল।

### 2.4.2.3 কেন্দ্ৰৰ পৰা হস্তান্তৰ সমূহ

2011-12 ৰ পৰা 2020-21 লৈ বিগত 10 বছৰত কেন্দ্ৰীয় চৰকাৰে তিনিখন বিত্ত আয়োগ গঠন কৰিছিল (XIII এফ চি, XIV এফ চি আৰু XV এফ চি)। এই এফ চি সমূহৰ পৰামৰ্শ অনুসৰি ৰাজ্য চৰকাৰে ইয়াৰ হস্তান্তাৰিত কৰৰ অংশসমূহৰ লগতে কিছুমান অনুদানো লাভ কৰিছিল। ইয়াৰ উপৰিও, ৰাজ্যখনত বিভিন্ন আঁচনি ৰূপায়নৰ কাৰণে ৰাজ্যখনে কেন্দ্ৰীয় চৰকাৰৰ পৰা যথেষ্ট পৰিমানৰ অনুদানো লাভ কৰিছিল।

2010-15 ৰ সময়ছোৱাত XIII এফ চি য়ে ৰাজ্যখনক কেন্দ্ৰীয় কৰৰ 32 শতাংশ প্ৰদানৰ পৰামৰ্শ দিছিল। অৱশ্যে, XIV এফ চি য়ে 2015-20 ৰ সময়ছোৱাত এফ চি অনুদান প্ৰদানৰ সময়ত কেন্দ্ৰীয় কৰৰ ৰাজ্যৰ অংশ 42 শতাংশলৈ বৃদ্ধি কৰিছিল। ৰাজ্যৰ অংশৰ এনে উল্লেখযোগ্য বৃদ্ধিয়ে পূৰ্বতে কৰা বিবেচনামূলক হস্তান্তৰৰ পৰা বিধিগত হস্তান্তৰৰ সপক্ষে কেন্দ্ৰীয় হস্তান্তৰ গাথনি সলনি কৰিছিল। ইয়াৰ ফলত ৰাজ্যখনলৈ স্থানান্তৰিত পুঁজি সমূহৰ পৰিমাণ সম্পৰ্কেও পূৰ্বাভাষ আৰু নিশ্চয়তাৰ পথো প্ৰশস্ত হৈছিল। ফলত XIV এফ চি ৰ অনুদান প্ৰদানৰ সময়ছেৱাত ৰাজ্যৰ কেন্দীয় কৰৰ অংশৰ হস্তান্তৰ যথেষ্ট বৃদ্ধি পাইছিল। নতুনকৈ গঠিত কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু আৰু কাশ্মীৰ আৰু লাডাখৰ প্ৰয়োজন পূৰণ কৰিবৰ বাবে XV এফ চি য়ে কেন্দ্ৰীয় কৰৰ ৰাজ্যিক অংশ এক শতাংশ কমাই 2020-21 ৰ পৰা 2025-26 বৰ্ষৰ সময়ছোৱাত 41 শতাংশ স্থিৰ কৰিছে।

XIII এফ চি সময়ছোৱাৰ (2010-15) তুলনাত XIV এফ চি সময়ছোৱাত (2015-20) ভাৰত চৰকাৰে মোকলাই দিয়া সহায়ক অনুদানসমূহৰ পৰিমানো উল্লেখযোগ্য ভাৱে বৃদ্ধি পাইছিল। এই ধাৰা 2020-21 ৰ সময়ছোৱাতো অব্যাহত আছিল। বিগত দহবছৰৰ সময়ছোৱাত কেন্দ্ৰীয় হস্তান্তৰৰ ধাৰা আৰু গঠন **চিত্ৰ তালিকা 2.8** ত দেখুওৱা হৈছে।

**চিত্ৰ তালিকা 2.8: বিগত দহ বছৰত কেন্দ্ৰৰ পৰা হস্তান্তৰৰ ধাৰা**




| | 2011-12 | 2012-13 | 2013-14 | 2014-15 | 2015-16 | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|---|---|---|---|
| কেন্দ্ৰৰ পৰা হস্তান্তৰৰ ধাৰা | 16,950.40 | 19,967.18 | 20,512.83 | 26,318.79 | 29,609.63 | 32,787.12 | 36,843.45 | 39,333.02 | 42,427.05 | 44,868.97 |
| কেন্দ্ৰীয় কৰৰ অংশ | 9,283.53 | 10,601.26 | 11,574.52 | 12,283.71 | 16,784.88 | 20,188.64 | 22,301.54 | 25,215.85 | 21,721.44 | 18,629.32 |
| কেন্দ্ৰৰ অনুদান | 7,666.87 | 9,365.92 | 8,938.31 | 14,035.08 | 12,824.75 | 12,598.48 | 14,541.91 | 14,117.17 | 20,705.61 | 26,239.65 |

কেন্দ্ৰৰ পৰা হস্তান্তৰৰ ধাৰা — কেন্দ্ৰীয় কৰৰ অংশ — কেন্দ্ৰৰ অনুদান

### কেন্দ্ৰীয় কৰ হস্তান্তৰ

বিত্ত আয়োগৰ অনুমানৰ তুলনাত ৰাজ্যলৈ কেন্দ্ৰীয় কৰৰ প্ৰকৃত হস্তান্তৰ **সাৰণী 2.10** ত দিয়া হৈছে।

**সাৰণী 2.10: কেন্দ্ৰীয় কৰ আৰু শুল্কত ৰাজ্যৰ অংশ ঃ বিত্ত আয়োগৰ অনুমানৰ তুলনাত প্ৰকৃত হস্তান্তৰ**

**(কোটি টকাত)**

| এফ চি | বছৰ | বিত্ত আয়োগৰ অনুমান | এফ চি আৰ ত অনুমান | প্ৰকৃত কৰ হস্তান্তৰ | হস্তান্তৰৰ হ্ৰাস (শতাংশ) |
|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 (4-5) |
| এফ চি XIII | 2010-11 | সেৱা কৰ বাদ দি ভাগ কৰিবলগীয়া কৰৰ শুদ্ধ উপাৰ্জনৰ 3.628 শতাংশ আৰু ভাগ কৰিবলগীয়া সেৱাকৰৰ শুদ্ধ উপাৰ্জনৰ 3.685 শতাংশ | 7,397 | 7,968.61 | (-)572 (*-7.7*) |
| | 2011-12 | | 8,677 | 9,283.53 | (-)606 (*-7.0*) |
| | 2012-13 | | 10,234 | 10,601.26 | (-)367 (*-3.6*) |
| | 2013-14 | | 12,072 | 11,574.52 | 497 (*4.1*) |
| | 2014-15 | | 14,240 | 12,283.71 | 1,957 (*13.7*) |
| **XIII এফ চি ৰ কাৰণে মুঠ** | | | **52,620** | **51,711** | **909 (*1.7*)** |
| এফ চি XIV | 2015-16 | সেৱাকৰ বাদ দি ভাগ কৰিবলগীয়া কৰৰ শুদ্ধ উপাৰ্জনৰ 3.311 শতাংশ আৰু ভাগ কৰিবলগীয়া সেৱা কৰৰ শুদ্ধ উপাৰ্জনৰ 3.371 শতাংশ | 19,244 | 16,784.88 | 2,459(*12.8*) |
| | 2016-17 | | 22,208 | 20,188.64 | 2,019 (*9.1*) |
| | 2017-18 | | 25,661 | 22,301.54 | 3,360 (*13.1*) |
| | 2018-19 | | 29,687 | 25,215.85 | 4,471 (*15.1*) |
| | 2019-20 | | 34,386 | 21,721.44 | 12,665 (*36.8*) |
| **XIV এফ চি ৰ কাৰণে মুঠ** | | | **1,31,186** | **1,06,212.35** | **24,974 (*19*)** |
| এফ চি -XV | 2020-21 | ভাগ কৰিবলগীয়া কৰৰ শুদ্ধ উপাৰ্জনৰ 3.131 শতাংশ | 26,776 | 18,629.32 | 8,146.68 (*30*) |

*উৎসঃ বিত্তীয় আয়োগ আৰু বিত্তীয় হিচাপৰ প্ৰতিবেদন*

ওপৰৰ **সাৰণী 2.10** ৰ পৰা দেখা যায় যে প্ৰকৃত কৰ হস্তান্তৰ বিত্ত আয়োগে কৰা অনুমানতকৈ কম হৈছে । যদিও XIII এফ চি সময়ছোৱাত আনুমানিক হস্তান্তৰৰ ঘাটি 1.7 শতাংশ আছিল, XIV এফ চিৰ সময়ত এই ঘাটি 19 শতাংশৰ সমান হোৱাৰ লগতে 2019-20 ত এই ঘাটি 36.8 শতাংশলৈ বৃদ্ধি হৈছিল। এই ত্ৰুটি 2020-21 ৰ XV এফ চিলৈকে অব্যাহত আছিল, যত প্ৰকৃত কৰ হস্তান্তৰ আনুমানিক হস্তান্তৰতকৈ 30 শতাংশ কম আছিল ।

এফ চি প্ৰক্ষেপনৰ তুলনাত কেন্দ্ৰীয় কৰ ৰাজহ প্ৰাপ্ত হ্ৰাসে ৰাজ্য সমূহলৈ হস্তান্তৰ হ্ৰাস কৰি অসমৰ দৰে ৰাজ্যৰ ওপৰত অধিক প্ৰভাৱ পেলায়, যিয়ে ঐতিহাসিক ভাবে এফ চিৰ পৰা ৰাজহ ঘাটি (আৰ ডি) অনুদান প্ৰাপ্ত কৰি আহিছে, এফ চি XV কে ধৰি বিগত পাঁচটা এফ চিৰ চাৰিটাই অসমক আৰ ডি অনুদানৰ পৰামৰ্শ দিছে।

## কেন্দ্ৰীয় কৰ হস্তান্তৰৰ বিৰৰণ

2016-21 ৰ সময়ছোৱাত ৰাজ্যখনলৈ কেন্দ্ৰীয় কৰ হস্তান্তৰৰ বিৰৰণ **সাৰণী 2.11** ত দিয়া হ'ল

**সাৰণী 2.11: কেন্দ্ৰীয় কৰ হস্তান্তৰৰ**

**(কোটি টকাত)**

| শিতান | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 | |
|---|---|---|---|---|---|---|
| | | | | | বাজেট প্ৰাক্কলন | প্ৰকৃত |
| কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱাকৰ | 0.00 | 315.80 | 6,223.49 | 6,163.89 | 7,349.19 | 5,497.76 |
| সমন্বিত সামগ্ৰী আৰু সেৱা কৰ | 0.00 | 2,251.40 | 496.70 | 0.00 | 0.00 | 0.00 |
| নিগম কৰ | 6,470.99 | 6,829.45 | 8,768.87 | 7,406.13 | 7,545.17 | 5,648.64 |
| নিগম কৰৰ বাহিৰে অন্য উপাৰ্জনৰ কৰ | 4,497.36 | 5,767.00 | 6,457.89 | 5,803.21 | 6,859.25 | 5,794.53 |

| | | | | | | |
|---|---|---|---|---|---|---|
| শুল্ক | 2,783.57 | 2,250.70 | 1,787.36 | 1,376.85 | 1,837.30 | 964.41 |
| কেন্দ্ৰীয় আৱকাৰী শুল্ক | 3,178.60 | 2,352.60 | 1,187.80 | 957.27 | 3,111.16 | 622.41 |
| সেৱা কৰ | 3,154.60 | 2,534.80 | 231.85 | 0.00 | 73.49 | 86.82 |
| অন্যান্য কৰ | 103.52 | -0.21 | 61.89 | 14.09 | 1.09 | 14.75 |
| **কেন্দ্ৰীয় কৰ হস্তান্তৰ** | **20,188.64** | **22,301.54** | **25,215.85** | **21,721.44** | **26,776.65** | **18,629.32** |
| পূৰ্বৰ বছৰৰ তুলনাত পৰিৱৰ্তনৰ শতাংশ | 20.28 | 10.47 | 13.07 | -13.86 | -- | -14.24 |
| ৰাজহ প্ৰাপ্তিত কেন্দ্ৰীয় কৰ হস্তান্তৰৰ শতাংশ | 41.02 | 41.20 | 39.72 | 33.68 | -- | 28.70 |

2016-21 বৰ্ষৰ পাঁচ বছৰৰ ভিতৰত, কেন্দ্ৰীয় কৰ হস্তান্তৰ 2016-17 বৰ্ষৰ 20,188.64 কোটি টকাৰ পৰা 2020-21 বৰ্ষত 18,629.32 কোটি টকালৈ 7.72 শতাংশ হ্ৰাস পাইছে, যি এফ চি XV ৰ দ্বাৰা কৰা বৃদ্ধিৰ অনুমানতকৈ যথেষ্ট কম। চলিত বৰ্ষত, কেন্দ্ৰীয় কৰ হস্তান্তৰ 2019-20 বৰ্ষৰ 21,721.44 কোটি টকাৰ পৰা 2020-21 বৰ্ষত 18,629.32 কোটি টকালৈ উল্লেখযোগ্যভাৱে 3,092.12 কোটি টকা (14.24 শতাংশ) হ্ৰাস পাইছে।

## ভাৰত চৰকাৰৰ পৰা লাভ কৰা সহায়ক অনুদান

2016-21 ৰ সময়ছোৱাত ভাৰত চৰকাৰৰ পৰা ৰাজ্য চৰকাৰে লাভ কৰা সহায়ক অনুদান (জি আই এ) **সাৰণী 2.12** ত বিতংভাৱে উল্লেখ কৰা হৈছে।

**সাৰণী 2.12: ভাৰত চৰকাৰৰ পৰা লাভ কৰা সহায়ক অনুদান**

**(কোটি টকাত)**

<table>
<tr><th colspan="2" rowspan="2">শিতান</th><th rowspan="2">2016-17</th><th rowspan="2">2017-18*</th><th rowspan="2">2018-19*</th><th rowspan="2">2019-20*</th><th colspan="2">2020-21*</th></tr>
<tr><th>বাজেট প্ৰাক্কলন</th><th>প্ৰকৃত</th></tr>
<tr><td colspan="2">পৰিকল্পনা বৰ্হিভূত অনুদান</td><td>966.41</td><td>0.00</td><td>0.00</td><td>0.00</td><td>0.00</td><td>0.00</td></tr>
<tr><td colspan="2">ৰাজ্যিক পৰিকল্পনা আঁচনিৰ বাবে অনুদান</td><td>9,111.10</td><td>0.00</td><td>0.00</td><td>0.00</td><td>0.00</td><td>0.00</td></tr>
<tr><td colspan="2">কেন্দ্ৰীয় পৰিকল্পনা আঁচনিৰ বাবে অনুদান</td><td>979.01</td><td>0.00</td><td>0.00</td><td>0.00</td><td>0.00</td><td>0.00</td></tr>
<tr><td colspan="2">কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ বাবে অনুদান (চি এচ এচ)</td><td>207.23</td><td>0.00</td><td>0.00</td><td>0.00</td><td>0.00</td><td>0.00</td></tr>
<tr><td colspan="2">বিশেষ পৰিকল্পনা আঁচনিৰ বাবে অনুদান</td><td>146.73</td><td>0.00</td><td>0.00</td><td>0.00</td><td>0.00</td><td>0.00</td></tr>
<tr><td colspan="2">চি এচ এচ ৰ বাবে অনুদান</td><td>0.00</td><td>11,600.11</td><td>11,849.26</td><td>14,389.53</td><td rowspan="4">39,598.95</td><td>13,832.87</td></tr>
<tr><td rowspan="2">বিত্ত আয়োগৰ অনুদান</td><td>ৰাজহ ঘাটিৰ বাহিৰে</td><td>0.00</td><td>1,283.06</td><td>932.20</td><td>4,604.07</td><td>2,955.00</td></tr>
<tr><td>ৰাজহ ঘাটি অনুদান</td><td>1,188</td><td>0.00</td><td>0.00</td><td>0.00</td><td>7,578.90</td></tr>
<tr><td colspan="2">বিধান মণ্ডলৰ সৈতে ৰাজ্য / কেন্দ্ৰীয় শাসিত অঞ্চললৈ অন্যান্য হস্তান্তৰ / অনুদান</td><td>0.00</td><td>1,658.74</td><td>1,335.71</td><td>1,712.01</td><td>1,872.88</td></tr>
<tr><td colspan="2">মুঠ</td><td>12,598.48</td><td>14,541.91</td><td>14,117.17</td><td>20,705.61</td><td>39,598.95</td><td>26,239.65</td></tr>
<tr><td colspan="2">পূৰ্বৰ বছৰৰ তুলনাত পৰিৱৰ্তনৰ শতাংশ</td><td>(-)1.76</td><td>15.43</td><td>(-)2.92</td><td>46.67</td><td>--</td><td>26.73</td></tr>
<tr><td colspan="2">ৰাজহ প্ৰাপ্তিৰ তুলনাত অনুদানৰ শতাংশ</td><td>25.60</td><td>26.86</td><td>22.24</td><td>32.10</td><td>--</td><td>40.43</td></tr>
</table>

*উৎসঃ বিত্তীয় হিচাপ*

**2017-18 বৰ্ষৰ পৰা পৰিকল্পনা আৰু পৰিকল্পনা বৰ্হিভূত অনুদান সমূহৰ নামাকৰণ বাদ দিয়া হৈছে আৰু ৰাজ্যসমূহলৈ চি এচ এচ ৰ অনুদান, বিত্ত আয়োগৰ অনুদান আৰু অন্য অনুদানেৰে সলনি কৰা হেতুকে কিছুমান শাৰীত কোনো সংখ্যা নাছিল।*

পূৰ্বৰ বছৰৰ তুলনাত বছৰটোত ভাৰত চৰকাৰৰ পৰা লাভ কৰা অনুদান 5,534.04 কোটি টকা (26.73 শতাংশ) বৃদ্ধি পাইছিল, মূখ্যত এফ চি XV ৰ পৰামৰ্শৰ ওপৰত ভিত্তি কৰি বছৰটোত 7,578.90 কোটি টকাৰ পূৰ্বৰ হস্তান্তৰ ৰাজহ ঘাটি সাহাৰ্য্যৰ বাবে লাভ কৰিছিল। আৰ ডি অনুদানৰ উপৰিও, ৰাজ্যখনক স্থানীয় সংস্থাক (2,183.00 কোটি টকা) আৰু ৰাজ্যিক দূৰ্যোগ সঁহাৰি পুঁজি (772.00 কোটি টকা) প্ৰদান কৰা হৈছিল আৰু বছৰটোত একেলগে মুঠ অনুদানৰ 40 শতাংশ (10,533.90 কোটি টকা) গঠন কৰিছিল।

2020-21 ৰ সময়ছোৱাত সহায়ক অনুদানে ৰাজহ প্ৰাপ্তিৰ 40 শতাংশ গঠন কৰিছিল। ৰাজ্যক কেন্দ্ৰীয় পৃষ্ঠপোষকতা থকা আঁচনি সমূহৰ ক্ষেত্ৰত দিয়া সাহাৰ্য্য বছৰটোত মুঠ সাহাৰ্য্যৰ 53 শতাংশ (13,832.87 কোটি টকা) আছিল।

বছৰটোত ৰাজ্যখনে লাভ কৰা অন্যান্য অনুদান সমূহ আছিল (i) জি এচ টি (1,369.60 কোটি টকা) ৰূপায়নৰ ফলত ৰাজহ লোকচানৰ বাবে ক্ষতিপূৰণ (ii) কেন্দ্ৰীয় পথ পুঁজিৰ বাবে অনুদান (220.81কোটি টকা) ইত্যাদি।

## চতুৰ্দশ আৰু পঞ্চদশ বিত্ত আয়োগৰ অনুদান

পূৰ্বৰ দফাত উল্লেখ কৰা অনুসৰি ৰাজ্যসমূহলৈ XIV আৰু XV এফ চি ৰ দ্বাৰা অনুদান সমূহ স্থানীয় নিকায় আৰু এচ ডি আৰ এফ ৰ বাবে আগবঢ়োৱা হৈছিল। XIV আৰু XV এফ চি ৰ দ্বাৰা অনুমোদিত অনুদান আৰু 2015-21 বৰ্ষত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ দ্বাৰা প্ৰকৃত মুকলিৰ বিৱৰণ **সাৰণী 2.13** ত দিয়া হৈছে।

**সাৰণী 2.13: অনুমোদিত পৰিমান, প্ৰকৃত মুকলি আৰু সহায়ক অনুদানৰ হস্তান্তৰ**

**(কোটি টকাত)**

| বিৱৰণ | XIV আৰু XV এফ চি ৰ অনুমোদন | | | ভাৰত চৰকাৰৰ দ্বাৰা প্ৰকৃত মুকলি | | | ৰাজ্য চৰকাৰৰ পৰা মুকলি | | |
|---|---|---|---|---|---|---|---|---|---|
| | 2015-20 | 2020-21 | মুঠ | 2015-20 | 2020-21 | মুঠ | 2015-20 | 2020-21 | মুঠ |
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 | 10 |
| **স্থানীয় নিকায়** | **6,387.12** | **2,376.00** | **8,763.12** | **5,782.69** | **2,183.00** | **7,965.69** | **5,549.77** | **1,015.48** | **6,565.25** |
| **(i) পি আৰ আই লৈ অনুদান** | **5,416.58** | **1,604.00** | **7,020.58** | **5,101.34** | **1,604.00** | **6,705.34** | **5,101.34** | **802.00** | **5,903.34** |
| *(a) সাধাৰণ মৌলিক অনুদান* | *4,874.92* | *-* | *4,874.92* | *4,874.92* | *-* | *4,874.92* | *4,874.92* | *-* | *4,874.92* |
| *(b) মৌলিক অনুদান (একত্ৰিত)* | *-* | *802.00* | *802.00* | *-* | *802.00* | *802.00* | *-* | *401.00* | *401.00* |
| *(c) সাধাৰণ প্ৰদৰ্শন অনুদান* | *541.66* | *-* | *541.66* | *226.42* | *-* | *226.42* | *226.42* | *-* | *226.42* |
| *(d) টাইড অনুদান* | *-* | *802.00* | *802.00* | *--* | *802.00* | *802.00* | | *401.00* | *401.00* |
| **(ii) ইউ এল বি সমূহলৈ অনুদান** | **970.54** | **772.00** | **1,742.54** | **681.35** | **579.00** | **1,260.35** | **448.43** | **213.48** | **661.91** |
| *(a) সাধাৰণ মৌলিক অনুদান* | *776.43* | *-* | *776.43* | *681.35* | *-* | *681.35* | *448.43* | *-* | *448.43* |
| *(b) মৌলিক অনুদান (একত্ৰিত)* | *-* | *386.00* | *386.00* | *-* | *386.00* | *386.00* | *-* | *193.00* | *193.00* |
| *(c) সাধাৰণ প্ৰদৰ্শন অনুদান* | *194.11* | *-* | *194.11* | *-* | *-* | *-* | *-* | *-* | *-* |
| *(d) টাইড অনুদান* | *-* | *386.00* | *386.00* | *-* | *193.00* | *193.00* | *-* | *20.48* | *20.48* |
| **ৰাজ্যিক দুৰ্য্যোগ সঁহাৰি পুঁজি** | **2,287.00** | **772.00** | **3,059.00** | **2,286.90** | **772.00** | **3,058.90** | **2,286.90** | **579.00** | **2,865.90** |
| **সৰ্বমুঠ** | **8,674.12** | **3,148.00** | **11,822.12** | **8,069.59** | **2,955.00** | **11,024.59** | **7,836.67** | **1,594.48** | **9,431.15** |

***উৎস ঃ*** *সঞ্চালক -বিত্ত (অৰ্থনৈতিক পৰিক্ৰমা) বিভাগ আৰু বিত্তীয় হিচাপ*

ওপৰৰ সাৰণীৰ পৰা দেখা যায় যে XIV এফ চি য়ে 2015-16 ৰ পৰা 2019-20 ৰ সময়ছোৱাত স্থানীয় নিকায় দুৰ্যোগ সঁহাৰি পুঁজি সমূহলৈ 8,674.12 কোটি টকা মোকলাই দিবলৈ পৰামৰ্শ দিছিল। তাৰ ভিতৰত ভাৰত চৰকাৰে এই সময়ছোৱাত মাত্ৰ 8,069.59 কোটি টকাহে মোকলাই দিছিল। ইয়াৰ উপৰিও XV এফ চি য়ে 2020-21 বৰ্ষত উল্লেখিত বিভাগসমূহলৈ 3,148.00 কোটি টকা মোকলাই দিবলৈ পৰামৰ্শ দিছিল। তাৰ ভিতৰত ভাৰত চৰকাৰে বছৰটোত 2,955.00 কোটি টকাহে মোকলাই দিছিল।

## 2.4.3 মূলধনী প্ৰাপ্তি

মূলধন প্ৰাপ্তি সমূহৰ ভিতৰত নিৰ্বিনিয়োজনৰ পৰা লাভ কৰা আয়, ঋণ আৰু অগ্ৰিমসমূহৰ পুনৰুদ্ধাৰ, আভ্যন্তৰীণ উৎস সমূহৰ পৰা ঋণ প্ৰাপ্তি (বজাৰ ঋণ, বিত্তীয় প্ৰতিষ্ঠান / বাণিজ্যিক বেংক সমূহৰ পৰা লাভ কৰা ঋণ) আৰু ভাৰত চৰকাৰৰ পৰা লাভ কৰা ঋণ আৰু অগ্ৰিমসমূহ।

তলৰ সাৰণীয়ে মূলধনী প্ৰাপ্তিৰ বিকাশ আৰু গঠনৰ ধাৰা দেখুৱায়।

**সাৰণী 2.14: মূলধনী প্ৰাপ্তিৰ বিকাশ আৰু গঠনৰ ধাৰা**

(কোটি টকাত)

| ক্ৰমিক নং | ৰাজ্যৰ মূলধনী প্ৰাপ্তিৰ উৎসসমূহ* | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| 1 | **মূলধনী প্ৰাপ্তি** | **3,920.31** | **8,451.78** | **11,757.58** | **15,390.14** | **17,942.74** |
| (a) | বিবিধ মূলধন প্ৰাপ্তি | *0.00* | *0.00* | *0.00* | *0.00* | *0.00* |
| (b) | ঋণ আৰু অগ্ৰিমৰ পুনৰুদ্ধাৰ | *18.60* | *4.71* | *2.93* | *1,140.51* | *2.56* |
| (c) | ৰাজহুৱা ঋণ প্ৰাপ্তি | ***3,901.71*** | ***8,447.07*** | ***11,754.65*** | ***14,249.63*** | ***17,940.18*** |
| *(i)* | আভ্যন্তৰীণ ঋণ (অৰ্থোপায় অগ্ৰিম আৰু অভাৰড্ৰাফ্টৰ বাদে) | *3,844.36* | *8,377.50* | *11,665.49* | *14,143.29* | *16,382.36* |
| | বিকাশৰ হাৰ (শতাংশত) | *-29.43* | *117.92* | *39.25* | *21.24* | *15.83* |
| *(ii)* | ভাৰত চৰকাৰৰ পৰা লাভ কৰা ঋণ আৰু অগ্ৰিম | *57.35* | *69.57* | *89.16* | *106.34* | *1,557.82* |
| | বিকাশৰ হাৰ (শতাংশত) | *13.59* | *21.31* | *28.16* | *19.27* | *1,364.94* |
| 2 | **ঋণ মূলধনী প্ৰাপ্তিৰ বিকাশৰ হাৰ (শতাংশত)** | **-29.03** | **116.50** | **39.15** | **21.23** | **25.90** |
| 3 | **ঋণ বহিৰ্ভূত মূলধনী প্ৰাপ্তিৰ বিকাশৰ হাৰ (শতাংশত)** | **-96.35** | **-74.68** | **-37.79** | **38,825.26** | **-99.78** |
| 4 | **জি এচ ডি পি ৰ বিকাশৰ হাৰ (শতাংশত)** | **11.63** | **11.27** | **9.24** | **8.37** | **3.89** |
| 5 | **মূলধনী প্ৰাপ্তি বিকাশৰ হাৰ (শতাংশত)** | **-34.75** | **115.59** | **39.11** | **30.90** | **16.59** |

***উৎস ঃ** বিত্তীয় হিচাপ আৰু জি এচ ডি পি ৰ উৎসৰ বাবে ঃ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম*

**একত্ৰিত নিধিৰ অধীনত কেৱল প্ৰাপ্তিসমূহ অন্তৰ্ভুক্ত হৈ আছে।*

মূলধনী প্ৰাপ্তি 2016-17 ত 3,920.31 কোটি টকাৰ পৰা 2020-21 ত 17,942.74 কোটি টকালৈ 357.69 শতাংশ বৃদ্ধি হৈছিল। ৰাজহুৱা ঋণ প্ৰাপ্তিয়ে ভৱিষ্যতে পৰিশোধৰ বাধ্যবাধকতা সৃষ্টি কৰে আৰু এইসমূহৰ বজাৰ, বিত্তীয় প্ৰতিষ্ঠান আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা হয়। চলিত বৰ্ষত, ই 2019-20 বৰ্ষৰ 14,249.63 কোটি টকাৰ পৰা 2020-21 বৰ্ষত 17,940.18 কোটি টকালৈ 25.90 শতাংশ বৃদ্ধি পাইছে।

## 2.4.4 সম্পদ সংগ্ৰহৰ ক্ষেত্ৰত ৰাজ্যৰ কাৰ্যসম্পাদন

সম্পদ সংগ্ৰহৰ ক্ষেত্ৰত ৰাজ্যৰ কাৰ্যসম্পাদন নিজা কৰ আৰু কৰ বহিৰ্ভূত উৎসৰ সৈতে ৰাজ্যখনৰ নিজা সম্পদৰ হিচাপত মূল্যায়ন কৰা হয়।

2016-21 বৰ্ষত মূখ্য কৰ আৰু কৰ বৰ্হিভূত ৰাজহৰ সন্দৰ্ভত মুঠ সংগ্ৰহ আৰু জি এচ ডি পি ত সেইসমূহৰ আপেক্ষিক অংশ **পৰিশিষ্ট 1.2** ত দিয়া হৈছে। তদুপৰি, **সাৰণী 2.15** য়ে নিজা কৰ আৰু কৰ বৰ্হিভূত উৎসৰ সৈতে ইয়াৰ নিজা সম্পদৰ ক্ষেত্ৰত মূল্যায়ন কৰা সম্পদ সংগ্ৰহৰ ক্ষেত্ৰত ৰাজ্যখনৰ কাৰ্যসম্পাদন দেখুৱায়।

**সাৰণী 2.15: অনুমানৰ তুলনাত কৰ আৰু কৰ বৰ্হিভূত প্ৰাপ্তিসমূহ**

**(কোটি টকাত)**

| | এফ চি ৰ অনুমান | বাজেট প্ৰাক্কলন | প্ৰকৃত | তলৰ সন্দৰ্ভত প্ৰকৃতৰ তাৰতম্যৰ শতাংশ | |
|---|---|---|---|---|---|
| | | | | এফ চি ৰ অনুমান | বাজেট প্ৰাক্কলন |
| নিজা কৰ ৰাজহ | 21,190.00 | 23,209.74 | 17,133.61 | (-) 19.14 | (-) 26.18 |
| কৰ বৰ্হিভূত ৰাজহ | 5,499.00 | 7,303.79 | 2,899.61 | (-) 47.27 | (-) 60.30 |

ওপৰৰ সাৰণীৰ পৰা দেখা যায় যে ৰাজ্যৰ নিজা কৰ আৰু কৰ বৰ্হিভূত ৰাজহ XV এফ চি ৰ অনুমানতকৈ যথাক্ৰমে 19.14 আৰু 47.27 শতাংশ কম আছিল অন্যহাতে 2020-21 বৰ্ষৰ বাজেটৰ প্ৰাক্কলনতকৈ যথাক্ৰমে 26.18 আৰু 60.30 শতাংশ কম আছিল।

## 2.5 সম্পদৰ ব্যৱহাৰ

ৰাজ্য চৰকাৰক বিত্তীয় দায়বদ্ধতা আইনৰ পৰিকাঠামোৰ ভিতৰত ব্যয় বহন কৰাৰ দায়িত্ব দিয়া হৈছে, আনহাতে একে সময়তে নিশ্চিত কৰা হৈছে যে ৰাজ্যখনৰ চলিত বিত্তীয় সংশোধন আৰু একত্ৰীকৰণ প্ৰক্ৰিয়া মূলধন আন্ত:গাথনি আৰু সামাজিক খণ্ডৰ বিকাশৰ দিশত নিৰ্দেশিত ব্যয়ৰ মূল্যত নহয়। উপ দফা সমূহৰ সৈতে এই দফাটোৱে ৰাজ্যখনৰ ব্যয়ৰ আৱণ্টনৰ বিশ্লেষণ প্ৰদান কৰে।

### 2.5.1 মুঠ ব্যয়ৰ বিকাশ আৰু গঠন

ৰাজ্যখনৰ ব্যয়ক তিনিটা শ্ৰেণীৰ অধীনত বহুলভাৱে শ্ৰেণীবদ্ধ কৰা হৈছে, যেনে- ৰাজহ ব্যয়, মূলধনী ব্যয় আৰু ঋণ তথা অগ্ৰিম। এই তিনিটাক একেলগে ৰাজ্যখনৰ মুঠ ব্যয়[7] বুলি কোৱা হয়।

**ৰাজহ ব্যয়:** তত্বাৱধান, মেৰামতি, ৰক্ষণাবেক্ষন আৰু কামৰ ব্যয়ৰ ওপৰত মাচুল, যিসমূহ চলিত অৱস্থাত সম্পত্তিসমূহৰ ৰক্ষণাবেক্ষণ কৰাৰ বাবে প্ৰয়োজন আৰু লগতে প্ৰতিষ্ঠানটোৰ দৈনন্দিন ভাৱে চলাবলৈ কৰা আন সকলো ব্যয়, প্ৰতিষ্ঠান আৰু প্ৰশাসনিক ব্যয়কে ধৰি ৰাজহ ব্যয় হিচাপে শ্ৰেণীবদ্ধ কৰা হ'ব।

**মূলধনী ব্যয়:** এটা প্ৰকল্পৰ প্ৰথম নিৰ্মাণৰ সকলো ব্যয়ৰ লগতে সেৱাৰ বাবে আৰম্ভ নকৰা অৱস্থাত কামটোৰ মাজৰ সময়ছোৱাৰ তত্বাৱধানৰ মাচুল আৰু লগতে কতৃত্বশীল কৰ্তৃপক্ষৰ দ্বাৰা প্ৰস্তুত কৰা নিয়মৰ অধীনত অনুমোদিত যিকোনো ধৰণৰ অধিক সংযোজন আৰু উন্নতিৰ বাবে হোৱা ব্যয় হিচাপে শ্ৰেণীবদ্ধ কৰা হ'ব।

**ঋণ আৰু অগ্ৰিমৰ বিতৰণ:** ৰাজ্য চৰকাৰৰ বিভিন্ন সংস্থাক ৰাজ্যৰ দ্বাৰা প্ৰদান কৰা সকলো ঋণ আৰু অগ্ৰিম এই শ্ৰেণীৰ অন্তৰ্গত।

2016-17 ৰ পৰা 2020-21 বৰ্ষলৈ মুঠ ব্যয়, ইয়াৰ গঠন আৰু জি এচ ডি পি ত তুলনামূলক অংশ **সাৰণী 2.16** ত উপস্থাপন কৰা হৈছে।

[7] পুঁজিৰ কৰ্পছ বৃদ্ধিৰ বাবে আকস্মিক পুঁজিলৈ কৰা যিকোনো বিনিয়োজন মুঠ ব্যয়ৰ অংশ হয়।

### সাৰণী 2.16: মুঠ ব্যয় আৰু ইয়াৰ গঠন

(কোটি টকা)

| মাপকাঠীসমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| মুঠ ব্যয় (টি ই) | **55,364.18** | **63,477.85** | **68,261.15** | **80,551.39** | **77,006.78** |
| ৰাজহ ব্যয় (আৰ ই) | 49,362.72 | 55,480.94 | 56,899.00 | 66,666.68 | 64,519.59 |
| মূলধনী ব্যয় (চি ই) | 5,502.08 | 7,692.84 | 11,034.08 | 13,468.55 | 12,399.39 |
| ঋণ আৰু অগ্ৰিম | 499.38 | 254.07 | 328.07 | 316.16 | 87.80 |
| আকস্মিক নিধিত বিনিয়োজন | 0.00 | 50.00 | 0.00 | 100.00 | 0.00 |
| জি এচ ডি পি ৰ শতাংশ হিচাপে | | | | | |
| টি ই / জি এচ ডি পি | 21.76 | 22.42 | 22.07 | 24.03 | 22.11 |
| আৰ ই / জি এচ ডি পি | 19.40 | 19.59 | 18.39 | 19.89 | 18.53 |
| চি ই / জি এচ ডি পি | 2.16 | 2.72 | 3.57 | 4.02 | 3.56 |
| ঋণ আৰু অগ্ৰিম / জি এচ ডি পি | 0.20 | 0.09 | 0.11 | 0.09 | 0.03 |
| আকস্মিক নিধিত বিনিয়োজন/ জি এচ ডি পি | 0.00 | 0.02 | 0.00 | 0.03 | 0.00 |

ওপৰৰ সাৰণীখনে দেখুৱাইছে যে ৰাজ্যখনৰ মুঠ ব্যয় 2016-17 ত 55,364.18 কোটি টকাৰ পৰা 2020-21 ত 77,006.78 কোটি টকালৈ প্ৰায় 1.5 গুণ বৃদ্ধি হৈছে। বছৰটোত ই আগৰ বছৰ তুলনাত 4.40 শতাংশ হ্ৰাস হৈছে। জি এচ ডি পি ৰ শতাংশ হিচাপে 2016-21 বৰ্ষত মুঠ ব্যয় 21.76 শতাংশৰ পৰা 24.03 শতাংশৰ ভিতৰত আছিল।

**চিত্ৰ তালিকা 2.9** ত 2016-21 ৰ সময়ছোৱাত মুঠ ব্যয়ৰ উপাদানসমূহৰ অংশ আৰু সেইসমূহৰ ধাৰা দেখুওৱা হৈছে। তলৰ চিত্ৰ তালিকাৰ পৰা এইটো স্পষ্ট হয় যে মুঠ ব্যয়ত ৰাজহ ব্যয়ৰ অংশ লেহেমীয়াভাৱে 2016-17 ত 89.16 শতাংশৰ পৰা 2020-21 ত 83.78 শতাংশলৈ হ্ৰাস পাইছে আনহাতে মুঠ ব্যয়ত মূলধনী ব্যয়ৰ অংশ সমভাৱে বৃদ্ধি দেখুৱাইছে আৰু 2016-17 ত 9.94 শতাংশৰ পৰা 2020-21 ত 16.10 শতাংশলৈ বৃদ্ধি হৈছিল।

**চিত্ৰ তালিকা 2.9: মুঠ ব্যয়ত উপাদানসমূহৰ অংশৰ ধাৰা**



কাৰ্যকলাপৰ ক্ষেত্ৰত মুঠ ব্যয় অন্যান্য সাধাৰণ সেৱা, সুদ পৰিশোধ, সামাজিক সেৱা, অৰ্থনৈতিক সেৱা আৰু অন্যান্য সেৱাৰ ব্যয়ৰ দ্বাৰা গঠিত। 2016-21 বৰ্ষত মুঠ ব্যয়ত এই উপাদান সমূহৰ আপেক্ষিক অংশ (**পৰিশিষ্ট 1.2** ত চাওক) **সাৰণী 2.17** আৰু **চিত্ৰ তালিকা 2.10** ত দিয়া হৈছে। চলিত বৰ্ষত অৰ্থাৎ 2020-21 বৰ্ষত মুঠ ব্যয়ৰ গঠনো **চিত্ৰ তালিকা 2.11** ত দিয়া হৈছে।

**সাৰণী 2.17: ব্যয়ৰ বিভিন্ন খণ্ডৰ আপেক্ষিক অংশ**

(শতাংশত)

| মাপকাঠীসমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| **সাধাৰণ সেৱা** | 31.29 | 35.30 | 31.53 | 28.38 | 30.40 |
| **সামাজিক সেৱা** | 43.74 | 38.15 | 40.28 | 38.17 | 40.73 |
| **অৰ্থনৈতিক সেৱা** | 22.89 | 25.87 | 27.30 | 32.49 | 28.26 |
| **অন্যান্য (স্থানীয় নিকায় সমূহক অনুদান, ঋণ আৰু অগ্ৰিম আৰু আকস্মিক পুঁজিলৈ বিনিয়োজন)** | 2.08 | 0.68 | 0.88 | 0.97 | 0.60 |

**চিত্ৰ তালিকা 2.10: কাৰ্যকলাপসমূহৰ মুঠ ব্যয়ৰ অংশৰ ধাৰা**



**চিত্ৰ তালিকা 2.11: 2020-21 ৰ সময়ছোৱাত ব্যয়ৰ গঠন (শতাংশ)**




ব্যয়ৰ উপৰোক্ত উপাদানসমূহৰ আপেক্ষিক অংশই সূচায় যে 2020-21 বৰ্ষত মুঠ ব্যয়ত অৰ্থনৈতিক সেৱা আৰু অন্যান্যৰ অংশ পূৰ্বৰ বছৰৰ তুলনাত ক্ৰমান্বয়ে 4.23 শতাংশ আৰু 0.37 শতাংশ হ্ৰাস হৈছে। অৱশ্যে, এই হ্ৰাস সমূহ সাধাৰণ সেৱা আৰু সামাজিক সেৱাৰ সংশ্লিষ্ট অংশ বৃদ্ধিৰ দ্বাৰা পূৰণ কৰা হৈছে।

### 2.5.2 ৰাজহ ব্যয়

ৰাজহ ব্যয় বৰ্তমানৰ সেৱা প্ৰদানৰ স্তৰ আৰু অতীতৰ বাধ্যবাধকতা বজায় ৰখাৰ বাবে ব্যয় কৰা হয়। সেয়েহে ইয়াৰ ফলত ৰাজ্যৰ আন্তঃ গাথনি আৰু সেৱা প্ৰদানৰ নেটৱৰ্কৰ কোনো সংযোজন নহয়।

**সাৰণী 2.18** য়ে সামগ্ৰীক ৰাজহ ব্যয়, ইয়াৰ বিকাশৰ হাৰ, জি এচ ডি পি ৰ তুলনাত মুঠ ব্যয় আৰু উচ্ছলতাৰ অনুপাত আৰু পাঁচ বছৰৰ সময়ছোৱাত (2016-21) ৰাজহ প্ৰাপ্তিক সূচায়। সাৰণীৰ পৰা এইটো স্পষ্ট হয় যে 2016-21 ৰ সময়ছোৱাত ৰাজহ ব্যয়, মুঠ ব্যয়ৰ গড়ে 85 শতাংশ (2019-20 ত 82.76 শতাংশৰ পৰা 2016-17 ত 89.16 শতাংশলৈ) ৰে গঠিত হৈছিল। ৰাজহ ব্যয় বৃদ্ধিৰ হাৰে পাঁচ বছৰৰ সময়ছোৱাত ব্যাপক পৰিবৰ্তন প্ৰদৰ্শন কৰিছে।

পাঁচ বছৰৰ (2016-21) সময়ছোৱাত ৰাজহ ব্যয়ৰ ধাৰা **চিত্ৰ তালিকা 2.12** ত দিয়া হৈছে আনহাতে 2020-21 ৰ ৰাজহ ব্যয়ৰ খণ্ড অনুযায়ী বিতৰণ **চিত্ৰ তালিকা 2.13** ত দিয়া হৈছে। ।

**সাৰণী 2.18: ৰাজহ ব্যয় - মৌলিক মাপকাঠী সমূহ**

(কোটি টকাত)

| মাপকাঠীসমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| মুঠ ব্যয় (টি ই) | **55,364.18** | **63,477.85** | **68,261.15** | **80,551.39** | **77,006.78** |
| ৰাজহ ব্যয় (আৰ ই) | **49,362.72** | **55,480.94** | **56,899.00** | **66,666.68** | **64,519.59** |
| আৰ ই ৰ বিকাশৰ হাৰ (শতাংশ) | 33.37 | 12.39 | 2.56 | 17.17 | -3.22 |

| | | | | | |
|---|---|---|---|---|---|
| টি ই ৰ শতাংশ হিচাপত ৰাজহ ব্যয় | 89.16 | 87.40 | 83.35 | 82.76 | 83.78 |
| আৰ ই / জি এচ ডি পি (শতাংশ) | 19.40 | 19.59 | 18.39 | 19.89 | 18.53 |
| আৰ আৰ ৰ শতাংশ হিচাপে আৰ ই | 100.29 | 102.49 | 89.63 | 103.37 | 99.41 |
| ৰাজহ ব্যয়ৰ সৈতে উচ্ছলতা | | | | | |
| জি এচ ডি পি (অনুপাত) | 2.87 | 1.10 | 0.28 | 2.05 | -0.83 |
| ৰাজহ প্ৰাপ্তি (অনুপাত) | 2.10 | 1.24 | 0.15 | 10.73 | -5.10 |

চিত্ৰ তালিকা **2.12: 2016-21** ৰ সময়ছোৱাত ৰাজহ ব্যয়ৰ ধাৰা




চিত্ৰ তালিকা **2.13: 2020-21** বৰ্ষত ৰাজহ ব্যয়ৰ খণ্ড অনুযায়ী বিতৰণ (শতাংশ)



ৰাজহ ব্যয় 2019-20 ত 66,666.68 কোটি টকাৰ পৰা 2020-21 ত 64,519.59 কোটি টকালৈ 2,147.09 কোটি টকা (3.22 শতাংশ) হ্রাস পাইছিল। জি এচ ডি পি ৰ শতাংশ হিচাপেও ৰাজহ ব্যয় বছৰটোত সামান্য হ্রাস পাইছিল। অৱশ্যে, মধ্যৱৰ্তী বিত্তীয় পৰিকল্পনা (এম টি এফ পি) ত কৰা অনুমান (82,776.98 কোটি টকা) ৰ তুলনাত বছৰটোত ৰাজহ ব্যয় 18,257.39 কোটি টকা হ্রাস হৈছিল।

### 2.5.2.1 ৰাজহ ব্যয়ৰ মুখ্য পৰিবৰ্তনসমূহ

**সাৰণী 2.19** ত চলিত বৰ্ষ আৰু পূৰ্বৰ বছৰত ৰাজ্যখনৰ ৰাজহ ব্যয় সন্দৰ্ভত বিভিন্ন হিচাপৰ শিতানৰ অধীনত গুৰুত্বপূৰ্ণ পৰিবৰ্তনসমূহৰ বিৱৰণ দিয়া হৈছে।

**সাৰণী 2.19: 2019-20 বৰ্ষৰ তুলনাত 2020-21 বৰ্ষত ৰাজহ ব্যয়ৰ পৰিবৰ্তন**

**(কোটি টকাত)**

| হিচাপৰ মুখ্য শিতান | 2019-20 | 2020-21 | বৃদ্ধি / হ্রাস (-) | বৃদ্ধি / হ্রাস (শতাংশত) |
|---|---|---|---|---|
| 2515- অন্যান্য গ্রামোন্নয়ন কাৰ্যসূচী | 4,138.43 | 1,757.96 | (-) 2,380.47 | (-) 57.52 |
| 2225- অনুসূচীত জাতি, অনুসূচীত জনজাতি, অন্যান্য পিছপৰা জাতি আৰু সংখ্যালঘু সকলৰ উন্নয়ন | 2,076.98 | 622.45 | (-) 1,454.53 | (-)70.03 |
| 2052- সচিবালয়ৰ সাধাৰণ সেৱা | 512.18 | 1,341.46 | 829.28 | 161.91 |
| 2505- গ্ৰাম্য নিয়োগ | 179.80 | 690.62 | 510.82 | 284.10 |
| 3451- সচিবালয় - অৰ্থনৈতিক সেৱা | 420.87 | 709.23 | 288.36 | 68.52 |

ওপৰৰ সাৰণীয়ে সূচায় যে অন্যান্য গ্ৰাম্য উন্নয়ন আচঁনি সমূহে বছৰটোৰ সময়ছোৱাত সৰ্বাধিক হ্রাস হোৱাৰ তথ্য দেখুৱাইছে আৰু ইয়াৰ কাৰণ হৈছে (i) ৰাষ্ট্ৰীয় গ্ৰাম্য স্বৰাজ অভিযান (আৰ জি এচ এ) আৰু (ii) গ্ৰাম পঞ্চায়তলৈ সাহাৰ্য্য ইত্যাদি হ্রাস কৰাৰ বাবে। তাৰোপৰি সচিবালয় সাধাৰণ সেৱাই বছৰৰ সময়ছোৱাত এন আৰ এল, নবৌদিতা অসম, চাহ বাগিছা আঁচনি ইত্যাদিত বিশুদ্ধ ব্যয়ত বৰ্ধিত অংশীদাৰীৰ বাবে আটাইতকৈ বেছি বৃদ্ধিৰ অভিলেখ কৰিছে ।

### 2.5.2.2 প্রতিশ্রুতিবদ্ধ ব্যয়

ৰাজহ হিচাপত প্ৰতিশ্ৰুতিবদ্ধ ব্যয়ৰ ভিতৰত আছিল ঘাইকৈ বেতন আৰু মজুৰি, সুদ আদায় আৰু পেঞ্চন ব্যয়। ৰাজ্যৰ এফ আৰ বি এম আইনত নিৰ্দ্ধাৰণ কৰা অনুসৰি ৰাজহৰ ৰাহি হোৱাটো প্ৰয়োজন যদিও ইয়াত উপনীত হোৱাটো প্ৰত্যাহ্বানমূলক যিহেতু ৰাজহ ব্যয়ৰ এক বৃহৎ অংশ বেতন আৰু মজুৰি, সুদ আদায় আৰু পেঞ্চনৰ দৰে প্ৰতিশ্ৰুতিবদ্ধ শিতান সমূহতে যায়।

**সাৰণী 2.20** এ 2016-21 ৰ সময়ছোৱাৰ প্ৰতিশ্ৰুতিবদ্ধ ব্যয়ৰ উপাদান সমূহৰ ধাৰাক উপস্থাপন কৰে। 2016-21 ৰ সময়ছোৱাত ৰাজহ ব্যয়ত প্ৰতিশ্ৰুতিবদ্ধ আৰু অ-প্ৰতিশ্ৰুতিবদ্ধ ব্যয়ৰ অংশ **চিত্ৰ তালিকা 2.14** ত দিয়া হৈছে।

**সাৰণী 2.20: প্ৰতিশ্ৰুতিবদ্ধ ব্যয়ৰ উপাদান সমূহ**

**(কোটি টকাত)**

| প্ৰতিশ্ৰুতিবদ্ধ ব্যয়ৰ উপাদানসমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| **বেতন আৰু মজুৰি** | 19,497.61 | 26,068.00 | 26,617.37 | 27,437.89 | 27,227.09 |
| **পেঞ্চন ব্যয়** | 6,564.64 | 8,287.34 | 8,112.26 | 9,609.02 | 10,329.01 |
| **সুদ আদায়** | 2,963.75 | 3,205.32 | 3,844.37 | 4,438.87 | 5,199.18 |
| **মুঠ** | **29,026.00** | **37,560.66** | **38,574.00** | **41,485.78** | **42,755.28** |
| **ৰাজহ প্ৰাপ্তি ( আৰ আৰ) ৰ শতাংশ হিচাপে** | | | | | |

| | | | | | |
|---|---|---|---|---|---|
| বেতন আৰু মজুৰি | 39.61 | 48.16 | 41.93 | 42.54 | 41.95 |
| পেঞ্চন ব্যয় | 13.34 | 15.31 | 12.78 | 14.90 | 15.91 |
| সুদ আদায় | 6.02 | 5.92 | 6.06 | 6.88 | 8.01 |
| **মুঠ** | **58.97** | **69.39** | **60.77** | **64.32** | **65.88** |
| **ৰাজহ ব্যয় ( আৰ ই) ৰ শতাংশ হিচাপে** | | | | | |
| বেতন আৰু মজুৰি | 39.50 | 46.99 | 46.78 | 41.16 | 42.20 |
| পেঞ্চন ব্যয় | 13.30 | 14.94 | 14.26 | 14.41 | 16.01 |
| সুদ আদায় | 6.00 | 5.78 | 6.76 | 6.66 | 8.06 |
| **মুঠ** | **58.80** | **67.70** | **67.79** | **62.23** | **66.27** |

**চিত্ৰ তালিকা 2.14: মুঠ ৰাজহ ব্যয়ত প্ৰতিশ্ৰুতিবদ্ধ ব্যয়ৰ অংশ**




ওপৰৰ সাৰণীভুক্ত বিৱৰণৰ পৰা দেখা যায় যে, প্ৰতিশ্ৰুতিবদ্ধ ব্যয় 2016-21 বৰ্ষৰ পাঁচ বছৰৰ সময়ছোৱাত ৰাজহ প্ৰাপ্তি আৰু ৰাজহ ব্যয় উভয়ৰে 60 শতাংশ বা ততোধিক আছিল (2016-17 বৰ্ষৰ বাহিৰে, য'ত প্ৰতিশ্ৰুতিবদ্ধ ব্যয়, ৰাজহ প্ৰাপ্তি আৰু ৰাজহ ব্যয় দুয়োটাৰেই 60 শতাংশৰ তললৈ হ্ৰাস পাইছিল)।

## বেতন আৰু মজুৰি

2020-21 বৰ্ষত বেতন আৰু মজুৰিৰ ব্যয় ৰাজহ ব্যয়ৰ 42.20 শতাংশ আছিল। 2016-21 বৰ্ষৰ পাঁচ বছৰৰ গোটেই সময়ছোৱাত ই 2016-17 বৰ্ষত 19,497.61 কোটি টকাৰ পৰা 2020-21 বৰ্ষত 27,227.09 কোটি টকালৈ 7,729.48 কোটি টকা (39.64 শতাংশ) বৃদ্ধি পাইছে। এম টি এফ পি ত কৰা 29,450.00 কোটি টকাৰ অনুমানৰ তুলনাত 2020-21ৰ সময়ছোৱাত কৰা বেতন ব্যয় (26,803.09 কোটি টকা) 2,646.91 কোটি টকা কম আছিল।

## সুদ আদায়

সুদ আদায়ৰ পৰিমাণ 2019-20 ত 4,438.37 কোটি টকাৰ পৰা 2020-21 ত 5,199.18 কোটি টকালৈ 760.31 কোটি টকা (17.13 শতাংশ) বৃদ্ধি হোৱাৰ মূলতে হ'ল বজাৰ ঋণৰ বাবদ সুদ প্ৰদানৰ পৰিমাণ 797.39 কোটি টকা বৃদ্ধি হোৱাটো। চলিত বৰ্ষত আভ্যন্তৰীণ ঋণ (4,233.17 কোটি টকা), ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্যৎ নিধি ইত্যাদি (875.33 কোটি টকা) আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঋণ আৰু অগ্ৰিমত (90.68 কোটি টকা) সুদ আদায় দিয়া হয়।

XV এফ চি য়ে মূল্যায়ন কৰা অনুসাৰে সুদ আদায় আৰু ৰাজ্য চৰকাৰে ইয়াৰ বাজেট আৰু এম টি ফ পি ত কৰা অনুমান সমূহ তলৰ **সাৰণী 2.21** ত দিয়া হ'ল।

**সাৰণী 2.21: XV এফ চি আৰু ৰাজ্যৰ অনুমানৰ মূল্যায়নৰ তুলনাত সুদ আদায়**

**(কোটি টকাত)**

| বছৰ | XV এফ চিয়ে কৰা মূল্যায়ন | ৰাজ্য চৰকাৰে কৰা মূল্যায়ন | | প্ৰকৃত |
|---|---|---|---|---|
| | | বাজেটত | এম টি এফ পিত | |
| **2020-21** | 5,272.00 | 5,801.84 | 5,801.84 | 5,199.18 |

ওপৰৰ সাৰণীত দেখুওৱা হৈছে যে ৰাজ্য চৰকাৰে আদায় দিয়া সুদৰ পৰিমান XV এফ চি আৰু এম টি এফ পি আৰু 2020-21 ৰ বাজেটত কৰা ইয়াৰ নিজা অনুমানৰ ভিতৰতে আছিল।

### পেঞ্চন পৰিশোধ

30 জানুৱাৰী 2005 ৰ পূৰ্বে নিযুক্তি প্ৰাপ্ত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলৰ "পেঞ্চন আৰু অৱসৰকালীন অন্যান্য সুবিধাসমূহৰ" ক্ষেত্ৰত বছৰটোত ব্যয়ৰ পৰিমাণ আছিল 9,268.67 কোটি টকা (ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিৰ খৰচৰ বাহিৰে)। সংযোগ বিহীন শাখাৰ অভিকৰণ বেংক সমূহৰ দ্বাৰা কোষাগাৰ সমূহলৈ পেঞ্চন আদায় দিয়াৰ তথ্য দাখিল নকৰাৰ বাবে অৱসৰৰ সুবিধাৰ বাবে দেখুওৱা খৰছৰ হিচাপত 1,209.08 কোটি টকা প্ৰকৃত খৰচতকৈ কমকৈ দেখুওৱা হৈছে।

## 2.5.2.3 ৰাষ্ট্ৰীয় পেঞ্চন পদ্ধতিৰ অধীনত দায়বদ্ধতা পালন নকৰা

অসম চৰকাৰে 1 ফেব্ৰুৱাৰী 2005 বা তাৰ পিছত খালি মঞ্জুৰীকৃত পদ (পদসমূহ)ৰ বিপৰীতে নিয়মীয়া ভিত্তিত ৰাজ্য চৰকাৰৰ চাকৰিত যোগদান কৰা সকলো নতুনকৈ প্ৰৱেশকাৰীৰ বাবে প্ৰযোজ্য 'ৰাষ্ট্ৰীয় পেন্সন পদ্ধতি' (এন পি এচ) সূচনা কৰিছিল (জানুৱাৰী 2010)।

এই পদ্ধতিৰ অধীনত কৰ্মচাৰীসকলে মূল দৰমহা আৰু মৰগীয়া ভাট্টাৰ 10 শতাংশ বৰঙণি যোগায়, যাক ৰাজ্য চৰকাৰে এন পি এচৰ আৰম্ভণিৰ পৰাই মিলাই আহিছে। ৰাজ্য চৰকাৰে 1 এপ্ৰিল 2019 ৰ পৰা কাৰ্যকৰিতাৰে কৰ্মচাৰী সকলৰ অৱদান 14 শতাংশ বৃদ্ধি কৰিছে। জমা ৰাখি অৰ্থাৎ কৰ্মচাৰী আৰু নিয়োগকৰ্তাৰ অৱদান দুয়োটাকে প্ৰথমতে ৰাজহুৱা হিচাপলৈ হস্তান্তৰ কৰা হয় (মুখ্য শিতান 8342-117- অৱদানকৰী পেঞ্চন আঁচনি নামেৰে)। এন পি এছ ৰ নিৰ্দেশনা অনুসৰি অধিক বিনিয়োগৰ বাবে কৰ্মচাৰী আৰু বিনিয়োগ কৰ্তা দুয়োটা অংশ নিৰ্ধাৰিত কৰ্তৃপক্ষ অৰ্থাৎ ৰাষ্ট্ৰীয় সুৰক্ষা জমা লিমিটেড ( এন এছ ডি এল)/ ট্ৰাষ্টী বেংকত জমা কৰাৰ দায়িত্ব ৰাজ্য চৰকাৰৰ আছে। আঁচনি খনৰ নীতি নিৰ্দেশনা অনুসৰি অসম চৰকাৰে এন এছ ডি এল লৈ হস্তান্তৰ নকৰা পুঁজিৰ ওপৰত সুত পৰিশোধ কৰাৰ বাবে দায়বদ্ধ। চৰকাৰৰ পৰা প্ৰয়োজনীয় তথ্য/ নথিসমূহ গ্ৰহণ কৰি এই ব্যৱস্থাৰ অধীনত নথিভুক্ত কৰা প্ৰত্যেকজন কৰ্মচাৰীক এটা পাৰ্মানেন্ট ৰিটায়াৰমেন্ট একাউন্ট নম্বৰ ( পি আৰ এ এন) আৱণ্টন কৰা হয়।

31 মাৰ্চ 2021 পৰ্যন্ত কৰ্মচাৰী সকললৈ 1,96,017 টা পি আৰ এ এন আৱন্টন কৰিছিল আৰু 8,614 টা পি আৰ এ এন আৱণ্টন দিবলৈ এতিয়াও বাকী আছে।

ৰাজ্য চৰকাৰে এন এচ ডি এল লৈ হস্তান্তৰৰ পূৰ্বে পুঁজি ৰখাৰ বাবে ভাৰতীয় ষ্টেট বেংকত এটা কাৰেন্ট একাউন্ট খুলিছিল। অসমত এন পি এচ আৰম্ভ হোৱাৰ পৰা প্ৰাপ্ত বৰঙণি আৰু কাৰেন্ট একাউন্টৰ সৈতে জড়িত লেন দেনৰ বিৱৰণ **সাৰণী 2.22** ত দিয়া হৈছে।

## সাৰণী 2.22: ৰাষ্ট্ৰীয় পেন্সন পদ্ধতিৰ অধীনত লেন-দেনৰ সৰিশেষ

(কোটি টকাত)

| বছৰ | বৰঙণিৰ সৰিশেষ | | | | হস্তান্তৰিত কৰা/ পৰিশোধ কৰা পুঁজিৰ সৰিশেষ | | | |
|---|---|---|---|---|---|---|---|---|
| | কৰ্মচাৰী | চৰকাৰ | ঘাটি (1-2) | মুঠ (1+2) | এন এচ ডি এল | হিতাধিকাৰী | ঘূৰাই দিয়াৰ প্ৰকৃত পৰিমান (+) আৰু পুনৰ জমা (-) | কম হস্তান্তৰ {(4+7) - (5+6)} |
| | 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 |
| 2009-10 | 3.21 | *76.72 | (-) 73.51 | 79.93 | নাই | -- | -- | 79.93 |
| 2010-11 | 53.11 | *1.32 | 51.79 | 54.43 | 3.54 | -- | -- | 50.89 |
| 2011-12 | 83.55 | *57.34 | 26.21 | 140.89 | 94.05 | -- | -- | 46.84 |
| 2012-13 | 108.39 | **101.42 | 6.97 | 209.81 | 201.49 | -- | -- | 8.32 |
| 2013-14 | 201.16 | ***98.80 | 102.36 | 299.96 | 180.11 | -- | -- | 119.85 |
| 2014-15 | 288.52 | 250.00 | 38.52 | 538.52 | 599.86 | -- | -- | (-) 61.34 |
| 2015-16 | 334.80 | 352.50 | (-)17.69 | 687.30 | 704.98 | 0.01 | 0.19 | (-) 17.50 |
| 2016-17 | 396.69 | 308.12 | 88.57 | 704.81 | 616.11 | 0.16 | 0.01 | 88.55 |
| 2017-18 | 529.01 | 565.88 | (-) 36.87 | 1,094.89 | 1,131.40 | 0.38 | 0.26 | (-) 36.63 |
| 2018-19 | 590.14 | 445.25 | 144.89 | 1,035.39 | 890.06 | 0.44 | (-) 0.14 | 144.75 |
| 2019-20 | 682.96 | 749.32 | 206.82@ | 1,432.28 | 1,498.30 | 0.38 | (-) 0.03 | (-) 66.43 |
| 2020-21 | 735.43 | 1,060.34 | (-) 30.74$ | 1,795.77 | 1,820.25 | 0.60 | (-) 0.03 | (-) 25.11 |
| **মুঠ** | **4,006.97** | **4,067.01** | **507.32** | **8,073.98** | **7,740.15** | **1.97** | **0.26#** | **332.12&** |

*জি এচ এচিয়ান ডেভেলপমেন্ট বেংক (এ ডি বি) পুঁজিৰ পৰা কাৰেন্ট একাউন্টত জমা হয়।

**এচিয়ান ডেভেলপমেন্ট বেংক (এ ডি বি) পুঁজিৰ পৰা 1.88 কোটি টকা আৰু এম এইচ ঃ 2701 ৰপৰা পোনপটীয়াকৈ 99.54 কোটি টকা কাৰেন্ট একাউন্টত জমা হৈছিল।

*** এম এইচ ঃ 2701 ৰ পৰা পোনপটীয়াকৈ 93.42 কোটি টকা কাৰেন্ট একাউন্টত জমা হৈছিল।

# ভুল প্ৰতিবেদন আৰু পুনৰ দাখিলৰ বাবে এন এচ ডি এল ৰ দ্বাৰা ধন ঘূৰাই দিয়াকে আদি কৰি।

@ এপ্ৰিল 2019 ৰ পৰা 14 শতাংশ জি এচ বৃদ্ধি হোৱা হিচাপে (অৰদানৰ বাবে দিব থকা 956.14 কোটি টকা বিয়োগ প্ৰকৃততে দিয়া 749.32 কোটি টকা) সংখ্যা উন্নত কৰা হয়।

$ দিব লগা বৰঙণি আছিল 1029.60 কোটি টকা বিয়োগ প্ৰকৃত বৰঙণি 1060.34 কোটি টকা

&বাদ দিয়া হস্তান্তৰ (এম এইচ-8342-117 ৰ অধীনত 316.74 কোটি টকা যোগ কাৰেন্ট বেংক হিচাপৰ 15.38 কোটি টকা) ।

এই ক্ষেত্ৰত হিচাপ পৰীক্ষকৰ পৰ্যবেক্ষণ সমূহ তলত উল্লেখ কৰা ধৰণৰ ঃ

আঁচনিৰ প্ৰৱৰ্তন হোৱাৰ পৰা 31 মাৰ্চ 2021 লৈকে অসম চৰকাৰে কৰ্মচাৰী সকলৰ পৰা এন পি এচ ৰ বৰঙণি হিচাপে 4,006.97 কোটি টকা সংগ্ৰহ কৰিছে আৰু চৰকাৰী অংশ হিচাপে বকেয়া 4,574.33 কোটি টকাৰ বিপৰীতে 4,067.01 কোটি টকাহে বৰঙণি আগবঢ়াইছে ফলত 507.32 কোটি টকাৰ চমু অৰদান হয়। মুঠ সংগ্ৰহীত 8,073.98 কোটি টকাৰ (কৰ্মচাৰীৰ অংশ 4,006.97 কোটি টকা আৰু চৰকাৰী অংশ 4,067.01 কোটি টকা) পুঁজিৰ বিপৰীতে চৰকাৰে এই প্ৰকল্পৰ ব্যৱস্থা অনুসৰি পৰৱৰ্তী বিনিয়োগৰ বাবে মনোনীত কৰ্তৃপক্ষ (এন এচ ডি এল) ক 7,740.15 কোটি টকাহে মাত্ৰ হস্তান্তৰ কৰিছিলে। 31 মাৰ্চ 2021 পৰ্যন্ত 332.12 কোটি টকাৰ লগতে ইয়াৰ সুদ ৰাজহুৱা পুঁজিৰ পৰা এন এচ ডি এল ক হস্তান্তৰ কৰিবলৈ বাকী আছিল। 332.12 কোটি টকাৰ ভিতৰত 316.74 কোটি টকা ৰাজহুৱা হিচাপত পৰি আছিল আৰু অৱশিষ্ট 15.38 কোটি টকা 31 মাৰ্চ 2021 পৰ্যন্ত কাৰেন্ট একাউন্টত পৰি আছিল।

31 মাৰ্চ 2020 লৈকে মূখ্য শিতান-8342-117 ৰ অধীনত ৰাজহুৱা হিচাপত 341.82 কোটি টকা ৰৈ গৈছিল যাৰ বাবে 2020-21 বৰ্ষত আদায় দিবলগীয়া সুদ 27.35 কোটি টকা (আঠ শতাংশ হাৰে) অনুমান কৰা হৈছিল। জমা হোৱা সূদৰ সৈতে, সংগ্ৰহ নকৰা, সমিলমিল নকৰা আৰু হস্তান্তৰ নকৰা পৰিমাণ সমূহে আঁচনি খনৰ অধীনত বাকী

থকা দেনাৰ কথাকে সূচায়। 27.35 কোটি টকাৰ সুদ পৰিশোধ নকৰাৰৰ ফলত ৰাজহ ৰাহিৰ অতিৰিক্ত মূল্যায়ন আৰু বিত্তীয় ঘাটিৰ কম অৱমূল্যায়ন হৈছিল।

ৰাজ্য চৰকাৰে এনেদৰে এন পি এচ নিয়ন্ত্ৰণ কৰাৰ নিয়মসমূহ পালন কৰা নাই আৰু এন এচ ডি এল লৈ হস্তান্তৰ নকৰা পৰিমাণৰ ওপৰত সুদৰ দায়বদ্ধতাও সৃষ্টি কৰিছিল।

সামৰণী বৈঠক (ডিচেম্বৰ 2021) ৰ সময়ত বিত্ত বিভাগৰ সচিবে জনাইছিল যে ৰাজ্য চৰকাৰে জমা থকা পৰিমাণত সুদ পৰিশোধ কৰাৰ নিৰ্ণয় লৈছে আৰু এই বিষয়ে অতিশীঘ্ৰে অধিসূচনা জাৰি কৰিব আৰু আশ্বাস দিছিল যে হিচাপ পৰীক্ষাই আঙুলিয়াই দিয়া বিষয়বোৰ নিস্পত্তি কৰা হ'ব।

### 2.5.2.4 ৰাজসাহাৰ্য্য

**সাৰণী 2.23** য়ে সূচায় যে পাঁচ বছৰৰ সময়ছোৱাৰ শেষৰ তিনিটা বছৰত ৰাজসাহাৰ্যৰ ওপৰত ব্যয় যথেষ্ঠ বৃদ্ধি হৈছে। ৰাজহ প্ৰাপ্তি আৰু ৰাজহ ব্যয়ৰ শতাংশ হিচাপে ৰাজসাহাৰ্য চলিত বৰ্ষত যথাক্ৰমে 3.03 শতাংশ আৰু 3.05 শতাংশ আছিল।

**সাৰণী 2.23: 2016-21 ৰ সময়ছোৱাত ৰাজসাহাৰ্য্যত ব্যয়**

| বিৱৰণ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| **ৰাজসাহাৰ্য্য (কোটি টকাত)** | 226.74 | 703.84 | 1,464.93 | 1,473.23 | 1,966.15 |
| **ৰাজহ প্ৰাপ্তিৰ শতাংশ হিচাপত ৰাজসাহাৰ্য্য** | 0.46 | 1.30 | 2.31 | 2.28 | 3.03 |
| **ৰাজহ ব্যয়ৰ শতাংশ হিচাপত ৰাজসাহাৰ্য্য** | 0.46 | 1.27 | 2.57 | 2.21 | 3.05 |

***উৎস ঃ** সংশ্লিষ্ট বছৰৰ ভি এল চি ৰ তথ্য আৰু বিত্ত হিচাপ*

2020-21 বৰ্ষত মুখ্যতঃ এ পি ডি চি এল (603.34 কোটি টকা), ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনি (598.37 কোটি টকা), বিদ্যুৎ ক্ৰয় ৰাজ সাহাৰ্য্য (300.00 কোটি টকা) আৰু সকলোৰে বাবে গৃহ (প্ৰধানমন্ত্ৰী আৱাস যোজনা) (432.70 কোটি টকা) ৰ অধীনত ৰাজসাহাৰ্য প্ৰদান কৰা হৈছিল। ৰাজ্য চৰকাৰে 2020-21 বৰ্ষত ইয়াৰ এম টি এফ পিত ৰাজসাহাৰ্য্যৰ বাবে কোনো প্ৰক্ষেপণ কৰা নাছিল।

### 2.5.2.5 ৰাজ্য চৰকাৰৰ দ্বাৰা স্থানীয় নিকায় আৰু অন্যান্য প্ৰতিষ্ঠানসমূহলৈ বিত্তীয় সাহাৰ্য্য

ৰাজ্য চৰকাৰে অনুদান আৰু ঋণৰ দ্বাৰা স্থানীয় নিকায় আৰু অন্যান্য প্ৰতিষ্ঠানক বিত্তীয় সাহাৰ্য প্ৰদান কৰে। তাৰোপৰি, বহু কেন্দ্ৰীয় পৃষ্ঠপোষক আঁচনিৰ পুঁজি সহায়ক অনুদান হিচাপে কাৰ্যকৰী এজেন্সী সমূহলৈ হস্তান্তৰ কৰা হৈছিল। নিম্নলিখিত সাৰণীত যোৱা পাঁচ বছৰত অৰ্থাৎ 2016-21 বৰ্ষত স্থানীয় নিকায় আৰু অন্যান্য প্ৰতিষ্ঠানসমূহক ৰাজ্যই প্ৰদান কৰা অনুদানৰ পৰিমানৰ বিৱৰণ দিয়া হৈছে।

**সাৰণী 2.24: স্থানীয় নিকায় আৰু অন্যান্য প্ৰতিষ্ঠান সমূহলৈ সহায়ক অনুদান**

**(কোটি টকাত)**

| প্ৰতিষ্ঠান সমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| পি আৰ আই সমূহ | 144.59 | 818.42 | 569.49 | 3,642.78 | 682.48 |
| ইউ এল বি সমূহ | 151.27 | 306.73 | 456.98 | 578.33 | 354.96 |
| পি এচ ইউ সমূহ | 8.62 | 22.78 | 10.18 | 886.81 | 57.58 |
| স্বায়ত্বশাসিত পৰিষদসমূহ | 382.60 | 476.61 | 839.91 | 1,252.07 | 193.58 |
| অন্যান্য* | 12,968.07 | 17,392.69 | 15,687.58 | 19,259.65 | 22,447.14 |
| **মুঠ[8]** | **13,655.15** | **19,017.23** | **17,564.14** | **25,619.64** | **23,735.74** |
| **ৰাজহ ব্যয়** | **49,362.72** | **55,480.94** | **56,899.00** | **66,666.68** | **64,519.59** |
| **ৰাজহ ব্যয়ৰ শতাংশৰ হিচাপত সাহাৰ্য** | 27.66 | 34.28 | 30.87 | 38.43 | 36.79 |

*উৎস ঃ বিত্তীয় হিচাপ (প্ৰবিৱৰণ 10 আৰু পৰিশিষ্ট III)*

**মুখ্যত: এন আৰ এইচ এম, পি এম জি এচ ৱাই, এচ এন পিৰ দৰে কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনি সমূহৰ কাৰ্য্যকৰী কৰা এজেন্সী সমূহলৈ*

ওপৰৰ সাৰণীৰ পৰা দেখা যায় যে ৰাজহ ব্যয়ৰ শতাংশৰ হিচাপত স্থানীয় নিকায় আৰু অন্যান্য প্ৰতিষ্ঠান সমূহলৈ আগবঢ়োৱা সহায়ক অনুদান 2016-17 বৰ্ষত 27.66 শতাংশৰ পৰা 2020-21 বৰ্ষত 36.79 শতাংশলৈ বৃদ্ধি হৈছিল। বছৰটোত ৰাজ্যখনে প্ৰদান কৰা মুঠ সহায়ক অনুদান সমূহৰ ভিতৰত 94.57 শতাংশ কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনি, শৈক্ষিক, স্বাস্থ্য প্ৰতিষ্ঠান আদি কাৰ্য্যকৰী কৰা এজেন্সী সমূহলৈ গৈছিল, তাৰ পিছত 2.88 শতাংশ পি আৰ আই সমূহলৈ আৰু 1.50 শতাংশ ইউ এল বি সমূহলৈ গৈছিল।

## 2.5.3 মূলধনী ব্যয়

মূলধনী ব্যয় (কেপেক্স) হৈছে মুখ্যতঃ স্থায়ী আন্তঃগাঁথনিমূলক সম্পদ সৃষ্টিৰ বাবে ব্যয়, যেনে - ভৱন, পথ, দলং ইত্যাদি।

ৰাজ্যখনৰ মূলধনী ব্যয়ে প্ৰথম চাৰি বছৰৰ সময়ছোৱাত অৰ্থাৎ 2016-17 পৰা 2019-20 লৈ বৰ্দ্ধিত ধাৰা দেখুৱাইছে। কিন্তু ই 2019-20 চনত 13,468.55 কোটি টকাৰ পৰা 2020-21 চনত 12,399.39 কোটি টকালৈ মুঠ 1,069.16 কোটি টকা হ্ৰাস হৈছিল, যাক **চিত্ৰ তালিকা 2.15** ত বিতং ভাৱে দেখুওৱা হৈছে।

[8] মূলধনী মুখ্য শিতানৰ অধীনত লিপিবদ্ধ কৰা সহায়ক অনুদানসহ

চিত্ৰ তালিকা 2.15 : মূলধনী ব্যয়ৰ ধাৰা




এই চিত্ৰ তালিকাৰ পৰা এইটো স্পষ্ট, বিগত কেইটামান বছৰত মূলধনী ব্যয় যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে, জি এছ ডি পিৰ শতাংশ হিচাপে ইয়াৰ অংশ 2016-21 বৰ্ষৰ সময়ছোৱাত 2.16 শতাংশ ৰ পৰা 4.02 শতাংশৰ পৰিসৰৰ ভিতৰত আছিল। অৱশ্যে, অধ্যায় 3 ৰ দফা 3.3.7 ৰ অধীনত আলোচনা কৰাৰ ধৰণে মূলধন ব্যয়ৰ শতাংশ এই কথাৰ পৰিপ্ৰেক্ষিতত চাব লাগিব যে সহায়ক অনুদান সমূহ ৰাজহৰ পৰিবৰ্তে মূলধনৰ অধীনত বুক কৰা হৈছিল যাৰ ফলত ৰাজহ ব্যয় আৰু ৰাজহ ঘাটিত সেই পৰিমাণৰ লঘুক্তি হৈছিল।

অৱশ্যে, ৰাজ্যখনে 2016-21 বঁষৰ পাঁচ বছৰৰ সময়ছোৱাত কোনো এটা বছৰতে সম্পদ সৃষ্টিৰ বাবে বাজেট আৱন্টন সম্পূৰ্ণৰূপে ব্যয় কৰিব নোৱাৰিলে। যদিও 2016-17 বৰ্ষৰ পৰা মূলধন ব্যয়ৰ বাবে বাজেটৰ ব্যৱহাৰৰ পৰিমাণ বৃদ্ধি হৈ আহিছে আৰু ই 2019-20 বৰ্ষত 88 শতাংশৰ স্তৰত উপনীত হৈছে, ই 2020-21 ত 67 শতাংশলৈ হ্ৰাস হৈছে। 2016-21 বৰ্ষৰ পাঁচ বছৰৰ সময়ছোৱাত বাজেটতৰ তুলনাত মূলধন ব্যয়ৰ বিৱৰণ **চিত্ৰ তালিকা 2.16** ত দিয়া হৈছে।

চিত্ৰ তালিকা 2.16: 2016-17 ৰ পৰা 2020-21 লৈ পাঁচ বছৰৰ সময়ছোৱাত মূলধনী ব্যয়ৰ ধাৰা



### 2.5.3.1 মূলধনী ব্যয়ৰ মুখ্য পৰিবৰ্তনসমূহ

চলিত বছৰ আৰু পূৰ্বৰ বছৰত ৰাজ্যখনৰ মূলধন ব্যয়ৰ সন্দৰ্ভত বিভিন্ন হিচাপৰ শিতানৰ অধীনত গুৰুত্বপূৰ্ণ পৰিবৰ্তনসমূহ **সাৰণী 2.25** ত দেখুওৱা হৈছে।

**সাৰণী 2.25: 2019-20 বৰ্ষৰ তুলনাত 2020-21 ৰ সময়ছোৱাত মূলধনী ব্যয়**

**(কোটি টকাত)**

| হিচাপৰ মুখ্য শিতান সমূহ | 2019-20 | 2020-21 | বৃদ্ধি/হ্ৰাস (-) | বৃদ্ধি/ হ্ৰাস(-) (শতাংশত) |
|---|---|---|---|---|
| 4217- নগৰ উন্নয়নত মূলধনী ব্যয় | 293.44 | 143.39 | (-) 150.05 | (-) 51.13 |
| 4552- উত্তৰ-পূৰ্ব অঞ্চলত মূলধনী ব্যয় | 420.18 | 216.76 | (-) 203.42 | (-) 48.41 |
| 4711- বান নিয়ন্ত্ৰণ প্ৰকল্পৰ মূলধনী ব্যয় | 732.94 | 411.34 | (-) 321.60 | (-) 43.88 |
| 4215 - পানী যোগান আৰু অনাময়ত মূলধনী ব্যয় | 635.55 | 1,545.62 | 910.07 | 143.19 |
| 4401 - শস্য পালনত মূলধনী ব্যয় | 48.91 | 180.68 | 131.77 | 269.41 |

ওপৰৰ সাৰণীয়ে প্ৰকাশ কৰিছে যে বছৰটোত বিভিন্ন বান নিয়ন্ত্ৰন আঁচনি সমূহত ব্যয় কমি যোৱাৰ বাবে বান নিয়ন্ত্ৰন আঁচনিত 321.60 কোটি টকাৰ মূলধন ব্যয়ৰ পৰিমাণ আটাইতকৈ কমি যোৱাৰ অভিলেখ কৰে, ইয়াৰ বিপৰীতে ৰাষ্ট্ৰীয় গ্ৰামীন খোৱাপানী আঁচনি, ৰাষ্ট্ৰীয় জল মানদণ্ড উপ অভিযান ইত্যাদিত ব্যয় বৃদ্ধি হোৱাৰ বাবে পানীযোগান আৰু অনাময় মূলধনী ব্যয়ৰ পৰিমাণ আটাইতকৈ বেছি 910.07 কোটি টকা বৃদ্ধি হোৱাৰ অভিলেখ কৰে।

### 2.5.3.2 মূলধনী ব্যয়ৰ মানদণ্ড

এই শাখাটোৱে চলিত বৰ্ষত চৰকাৰে গ্ৰহণ কৰা বিনিয়োগ আৰু অন্যান্য মূলধনী ব্যয়ৰ বিশ্লেষণ উপস্থাপনা কৰে।

#### (i) কোম্পানী, নিগম আৰু অন্যান্য নিকায় সমূহত বিনিয়োগৰ মানদণ্ড

লোকচানৰ সন্মুখীন হোৱা বা মূলধন সম্পূৰ্ণৰূপে নাশ হোৱা কোম্পানী, নিগম আৰু অন্যান্য নিকায় সমূহত কৰা মূলধনী ব্যয় বহনক্ষম নহয়। কোম্পানী, নিগম, যিসমূহৰ লোকচান হয়, আৰু য'ত মুঠ মূল্য সম্পূৰ্ণৰূপে হ্ৰাস হয়, সেই সমূহত কৰা বিনিয়োগ আৰু ঋণে মূলধনী ব্যয়ৰ মানদণ্ডক প্ৰভাৱিত কৰে। পি এচ ইউ সমূহত কৰা শ্বেয়াৰ মূলধনত বিনিয়োগৰ লাভ আৰু বিভিন্ন সংস্থাক প্ৰদান কৰা ঋণ পৰিশোধৰ ইতিহাস হৈছে মূলধনী ব্যয়ৰ মানদণ্ডৰ গুৰুত্বপূৰ্ণ নিৰ্দ্ধাৰক।

বিত্তীয় হিচাপ 2020-21 অনুসৰি, 31 মাৰ্চ 2021 পৰ্যন্ত অসম চৰকাৰে চাৰিটা বিধিবদ্ধ নিগম, 24 টা চৰকাৰী কোম্পানী (সক্ৰিয় ঃ 21 টা, নিস্ক্ৰিয় ঃ 3 টা), 17 টা জইন্ট ষ্টক কোম্পানী, দুটা গ্ৰাম্য বেংক আৰু 19 টা সমবায়ত 2,923.57 কোটি টকা বিনিয়োগ কৰিছিল। ৰাজ্য চৰকাৰে 2020-21 ৰ সময়ছোৱাত এই বিনিয়োগ সমূহৰ পৰা 481.89 কোটি টকাৰ লাভ উপাৰ্জন কৰিছিল। 2016-17 ৰ পৰা 2020-21 বৰ্ষলৈ পাঁচ বছৰৰ সময়ছোৱাত বিনিয়োগৰ ওপৰত লাভৰ গড় হাৰ আছিল 7.46 শতাংশ, আনহাতে, এই সময়ছোৱাত ৰাজ্য চৰকাৰে পৰিশোধ কৰা সুদৰ গড় হাৰ আছিল 6.99 শতাংশ।

2016-17 ৰপৰা 2020-21 লৈ সময়ছোৱাত অসম চৰকাৰৰ বিনিয়োগ আৰু বিনিয়োগৰ ওপৰত আয়ৰ বিৱৰণ নিম্নলিখিত ধৰণৰ আছিল ঃ

**সাৰণী 2.26: বিগত পাঁচ বছৰৰ বিনিয়োগ আৰু বিনিয়োগৰ ওপৰত আয়ৰ বিস্তৃত বিৱৰণ**

(কোটি টকাত)

| প্ৰতিষ্ঠান সমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| বিধিবদ্ধ নিগম[9] (প্ৰতিষ্ঠানৰ সংখ্যা) | 2,136.13 (4) | 2,136.13 (4) | 2,151.90 (4) | 2,442.71* (4) | 2,442.71* (4) |
| চৰকাৰী কোম্পানী (প্ৰতিষ্ঠানৰ সংখ্যা) | 176.92 (24) | 176.92 (24) | 176.92 (24) | 176.92 (24) | 176.91 (24) |
| জইন্ট ষ্টক কোম্পানী (প্ৰতিষ্ঠানৰ সংখ্যা) | 65.81 (17) | 80.49 (17) | 149.03 (17) | 169.03 (17) | 169.03 (17) |
| বেংক[10] (প্ৰতিষ্ঠানৰ সংখ্যা) | 21.26 (2) | 21.76 (2) | 21.76 (2) | 21.76 (2) | 21.76 (2) |
| সমবায় (প্ৰতিষ্ঠানৰ সংখ্যা) | 109.83 (18) | 109.83 (18) | 109.83 (18) | 109.83 (18) | 113.16 (19) |
| মুঠ বিনিয়োগ | **2,509.95** | **2,525.13** | **2,609.44** | **2,920.25** | **2,923.57** |
| বিনিয়োগৰ লাভ (কোটি টকাত) | 124.44 | 225.55 | 153.24 | 30.64 | 481.89 |
| বিনিয়োগৰ লাভ (শতাংশ) | 4.96 | 8.93 | 5.87 | 1.05 | 16.48 |
| চৰকাৰী ঋণৰ গড় সূতৰ হাৰ (শতাংশ) | 7.14 | 6.87 | 7.07 | 6.74 | 6.51 |
| সূতৰ হাৰ আৰু লাভৰ পাৰ্থক্য (শতাংশ) | 2.18 | -2.06 | 1.20 | 5.69 | -9.97 |
| চৰকাৰী ঋণৰ সূত আৰু বিনিয়োগৰ লাভৰ মাজৰ পাৰ্থক্য (কোটি টকাত) | 2,839.31 | 2,979.77 | 3,691.13 | 4,408.23 | 4,717.29 |

**উৎস**ঃ *বিত্তীয় হিচাপ* **283.13 কোটি টকা উদয় লেনদেনত অৰ্ন্তভুক্ত কৰি*

বিগত পাঁচ বছৰত, অৰ্থাৎ 2016-21 ৰ সময়ছোৱাত ৰাজ্য চৰকাৰৰ বিনিয়োগ 2016-17 ত 2,509.95 কোটি টকাৰ পৰা 2020-21 ত 2,923.57 কোটি টকালৈ সামান্য ভাবে 413.62 কোটি টকা বৃদ্ধি পাইছিল। চলিত বৰ্ষত চৰকাৰে সমবায়ত 3.32 কোটি টকা বিনিয়োগ কৰিছে।

চাৰিটা বিধিবদ্ধ নিগমৰ ভিতৰত তিনিটাই লোকচানৰ সন্মুখীন হৈছিল আৰু সেইসমূহৰ পুঞ্জিভূত লোকচানৰ পৰিমাণ আছিল 113.59 কোটি টকা[11]। একেদৰে, ৰাজ্যখনত 24 টা চৰকাৰী কোম্পানীৰ ভিতৰত, 16 টা কোম্পনীয়ে লোকচানৰ সন্মুখীন হৈছিল আৰু সেইসমূহৰ পুঞ্জিভূত লোকচানৰ পৰিমাণ আছিল 636.57 কোটি টকা।

বৃহৎ লোকচানৰ সন্মুখীন হোৱা পাঁচটা চৰকাৰী কোম্পানী আছিল অসম চাহ নিগম লিমিটেড, গুৱাহাটী (বিনিয়োগ: 8.07 কোটি টকা; পুঞ্জিভূত লোকচান: 323.75 কোটি টকা), অসম উদ্যোগিক উন্নয়ন নিগম লিমিটেড (বিনিয়োগ: 29.71 কোটি টকা; পুঞ্জিভূত লোকচান: 95.05 কোটি টকা) অসম ভৈয়াম জনজাতি উন্নয়ন নিগম (বিনিয়োগ: 0.46 কোটি টকা, পুঞ্জিভূত লোকচান: 41.71 কোটি টকা), অসম ৰাজ্যিক বস্ত্ৰ নিগম লিমিটেড (বিনিয়োগ: 4.78 কোটি টকা, পুঞ্জিভূত লোকচান: 36.79 কোটি টকা) আৰু অনুসূচিত জাতি নিগম লিমিটেডৰ বাবে অসম ৰাজ্যিক উন্নয়ন নিগম (বিনিয়োগ: 4.88 কোটি টকা; পুঞ্জিভূত লোকচান: 32.40 কোটি টকা)।

[9] চাৰিটাৰ ভিতৰত এটা বিধিবদ্ধ নিগম অৰ্থাৎ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ (এ. এচ. ই. বি.) মাৰ্চ 2013 ত তিনিটা ভাগত পুনৰ গঠন কৰা হয় - অৰ্থাৎ (i) অসম ৰাজ্যিক শক্তি বিতৰণ কোম্পানী লিমিটেড (এ.পি.ডি.চি.এল.), (ii) অসম বিদ্যুৎ গ্ৰীড কৰ্পোৰেচন লিঃ (এ.ই.জি.চি.এল.) (iii) অসম শক্তি উৎপাদন নিগম লিমিটেড (এ.পি.জি.চি.এল.)। বিনিয়োজনৰ বৰ্তমান স্থিতি ইতিমধ্যে এ এছ. ই. বি. আৰু তিনিটা নিগমৰ স্থিতি চৰকাৰৰ পৰা পাবলৈ বাকী।

[10] ইয়াৰ ভিতৰত গ্ৰামীণ বেংক আৰু নগৰ আৰু ঔদ্যোগিক সমবায় বেংকো অন্তৰ্ভুক্ত আছে।

[11] অসম ৰাজ্যিক পণ্যাগাৰ নিগম ঃ 9.06 কোটি টকা (31-03-2017 পৰ্যন্ত); অসম ৰাজ্যিক পৰিবহন নিগম ঃ 94.80 কোটি টকা (31-03-2017পৰ্যন্ত); অসম বিত্তীয় নিগম, গুৱাহাটী ঃ 9.73 কোটি টকা (31-03-2019পৰ্যন্ত)।

তদুপৰি উল্লেখ কৰিব পাৰি যে **সাৰণী 2.26** ত বিৱৰণ দিয়া অনুসৰি বিত্ত হিচাপৰ (45) লিপিবদ্ধ কৰা ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ (এচ পি এচ ইউ) সংখ্যা আৰু এচ পি এচ ইউ ৰ পৰীক্ষা প্ৰতিবেদনৰ (51) পাৰ্থক্য আছে। মহাগাণনিক ( হিচাপ আৰু প্ৰাপ্য) ৰ কাৰ্যালয়ত প্ৰাপ্ত ভাউচাৰ আৰু ব্যক্তিগত পি এচ ইউ সমূহৰ পৰা প্ৰাপ্তহিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ ওপৰত দিয়া বিৱৰণক আধাৰ কৰি চৰকাৰী হিচাপত সংৰক্ষণ কৰা বিনিয়োগ লেনদেনৰ বাবে এই পাৰ্থক্য দেখা গৈছে। এই এচ পি এচ ইউ সমূহৰ সংখ্যাৰ পাৰ্থক্যৰ লগত এই এচ পি এচ ইউ সমূহক ৰাজ্য চৰকাৰে কৰা বিনিয়োগৰ পৰ্থিক্যবোৰৰ সমিলমিলকৰণ চলি আছে।

পাৰ্থক্যসমূহ সমিলমিল কৰণ কৰিববৈলে ৰাজ্য চৰকাৰক কেইবাবাৰো অনুৰোধ কৰা হৈছিল আৰু এই সন্দৰ্ভত শুদ্ধ তথ্য অংকন কৰিববৈলে মহাগানণিক (হিচাপ আৰু প্ৰাপ্য) ৰ কাৰ্যালয়ক শুদ্ধ তথ্য প্ৰেৰণ কৰিববৈলে কোৱা হৈছিল।

সামৰণি বৈঠকৰ সময়ত (ডিচেম্বৰ 2021)বিত্ত বিভাগৰ সচিবে এচ পি এচ ইউ সমূহৰ মাজত থকা সংখ্যাৰ বিসংগতি সমূহ সংশোধন কৰাৰ আশ্বাস দিছিল।

### (ii) ৰাজ্য চৰকাৰৰদ্বাৰা প্ৰদান কৰা ঋণ আৰু অগ্ৰিমসমূহ

সমবায় সমিতি, নিগম আৰু কোম্পানী সমূহৰ বিনিয়োগ কৰাৰ উপৰিও ৰাজ্য চৰকাৰে বহুতো প্ৰতিষ্ঠান / সংগঠনক ঋণ আৰু অগ্ৰিমো প্ৰদান কৰি আহিছে। **সাৰণী 2.27** ত 2016-17 ৰ পৰা 2020-21 লৈ পাঁচবছৰৰ সময়ছোৱাত সুদ পৰিশোধৰ তুলনাত সুদ প্ৰাপ্তিৰ সৈতে 31 মাৰ্চ 2021 লৈকে বকেয়া ঋণ আৰু অগ্ৰিম উপস্থাপন কৰা হৈছে।

**সাৰণী 2.27: ৰাজ্য চৰকাৰৰদ্বাৰা ঋণৰ অগ্ৰিম আৰু প্ৰাপ্ত সুদৰ বিৱৰণ**

**(কোটি টকাত)**

| ঋণৰ পৰিমাণ / সুদ প্ৰাপ্তি / ঋণ লোৱাৰ ব্যয় | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| **প্ৰাৰম্ভিক উদ্বৃত্ত** | **4,693.52** | **5,174.30** | **5,423.66** | **5,748.80** | **4,924.45** |
| বছৰটোত প্ৰদান কৰা অগ্ৰিমৰ পৰিমাণ | 499.38 | 254.07 | 328.07 | 316.16 | 87.80 |
| বছৰটোত পুনৰুদ্ধাৰ হোৱা পৰিমাণ | 18.6 | 4.71 | 2.93 | 1,140.51* | 2.56 |
| **সামৰণি উদ্বৃত্ত** | **5,174.30** | **5,423.66** | **5,748.80** | **4,924.45** | **5,009.69** |
| প্ৰকৃত সংযোজন | 480.78 | 249.36 | 325.14 | -824.35 | 85.24 |
| **প্ৰাপ্ত সুদ** | **17.28** | **18.86** | **281.10** | **284.00** | **167.20** |
| **বকেয়া ঋণ আৰু অগ্ৰিমৰ শতাংশ হিচাপে সুদ প্ৰাপ্তি** | 0.33 | 0.35 | 4.89 | 5.77 | 3.34 |
| **চৰকাৰী ঋণৰ সুদৰ গড় হাৰ (শতাংশ)** | 7.14 | 6.87 | 7.07 | 6.74 | 6.51 |
| **সুদ পৰিশোধ আৰু সুদ প্ৰাপ্তিৰ মাজৰ পাৰ্থক্য (শতাংশ)** | 6.81 | 6.52 | 2.18 | 0.97 | 3.17 |

** ডিছকমলৈ সাহাৰ্য আৰু ইকুইটিৰ ঋণৰ ৰূপান্তৰৰে 1,132.53 কোটি টকা পৰিশোধৰ অৰ্ন্তভুক্ত কৰি।*

31 মাৰ্চ 2021 তাৰিখলৈকে বকেয়া ঋণ আৰু অগ্ৰিমৰ মুঠ পৰিমাণ আছিল 5,009.69 কোটি টকা। 2020-21 বৰ্ষত ৰাজ্য চৰকাৰে ঋণ গ্ৰহণকাৰী সংস্থাসমূহৰ পৰা 2.56 কোটি টকা ঋণ পুনৰুদ্ধাৰ কৰিছিল। তদুপৰি, ৰাজ্য চৰকাৰে বছৰটোত বিভিন্ন প্ৰতিষ্ঠানক 87.80 কোটি টকাৰ ঋণ বিতৰণ কৰে আৰু পূৰ্বৰ বছৰ সমূহত বিতৰণ কৰা ঋণৰ সুদ হিচাপে 167.20 কোটি টকা লাভ কৰে। বছৰটোত আগবঢ়োৱা মুঠ ঋণ অগ্ৰিমৰ পৰিমাণৰ ভিতৰত কেৱল অৰ্থনৈতিক সেৱা খণ্ডই সম্পূৰ্ণ পৰিমাণৰ ঋণ (87.80 কোটি টকা) লাভ কৰিছিল।

আই জি এ এচ-3 সম্পূৰ্ণ, সঠিক আৰু সমান হিচাপৰক্ষণ পদ্ধতি নিশ্চিত কৰাৰ বাবে চৰকাৰে ইয়াৰ বিত্তীয় প্ৰৱিবৰণত কৰা ঋণ আৰু অগ্ৰিমৰ সন্দৰ্ভত স্বীকৃতি, জোখ, মূল্যাংকন আৰু প্ৰতিবেদনৰ সৈতে সম্পৰ্কিত। যদিও

ৰাজ্য চৰকাৰে মানদণ্ডৰ দ্বাৰা নিৰ্দ্ধাৰিত বিন্যাস অনুসৰণ কৰিছিল, এই সন্দৰ্ভত তথ্য অসম্পূৰ্ণ আছিল কিয়নো অতিৰিক্ত মূলধনৰ বিৱৰণ আৰু ঋণ আৰু অগ্ৰিমৰ সন্দৰ্ভত সুদ মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য)ক প্ৰদান কৰা হোৱাই নাছিল।

তদুপৰি, সময়ে সময়ে সংশোধিত হোৱা অসম চৰকাৰৰ দ্বাৰা মাৰ্চ 2006 ত জাৰি কৰা জাননী অনুসৰি কেৱল বিত্ত বিভাগ, অসম চৰকাৰৰ পৰা বিছৰা সম্প্ৰসাৰণৰ বাহিৰে 10 বছৰৰ অধিক কালৰ বাবে কোনো ধৰণৰ ঋণ প্ৰদান কৰিব নালাগে আৰু মূল আৰু সুদ সমান বাৰ্ষিক কিস্তিত পুনৰুদ্ধাৰ কৰিব লাগে।

হিচাপ পৰীক্ষাই লক্ষ্য কৰিছিল যে 2020-21 সময়ছোৱাত তিনিটা ঋণ গ্ৰহণকাৰী সংস্থালৈ 87.80 কোটি টকাৰ শুদ্ধ ঋণ বিতৰণ কৰা হৈছিল, যাৰ পৰা পূৰ্বতে প্ৰদান কৰা 6,739.02 কোটি টকা বকেয়া আছিল। উক্ত তিনিটা বিষয়ৰ ভিতৰত অসম চাহ নিগম লিমিটেডৰ ঋণ (567.26 কোটি টকা) 2001-02 ৰ পৰা বকেয়া আছিল। এই সন্দৰ্ভত তলৰ সাৰণীত বিতংভাৱে দিয়া হ'ল।

**সাৰণী 2.28: 2020-21 ৰ সময়ছোৱাত প্ৰতিষ্ঠান সমূহক নতুনকৈ প্ৰদান কৰা ঋণসমূহ**

**(কোটি টকাত)**

| ক্ৰমিক নং | ঋণ গ্ৰহণকাৰী প্ৰতিষ্ঠানৰ নাম | চলিত বছৰত বিতৰণ কৰা ঋণ | | 31 মাৰ্চ 2020 লৈকে বকেয়াৰ পৰিমাণ | | | বকেয়া সম্পৰ্কীয় আটাইতকৈ পুৰণি সময় |
|---|---|---|---|---|---|---|---|
| | | সুদৰ হাৰ | মূলধন | মূলধন | সুদ | মুঠ | |
| 1 | অসম চাহ নিগম লিমিটেড | 11.50% | 29.40 | 435.72 | 131.54 | 567.26 | 2001-02 |
| 2 | এ পি ডি চি এল * | 10% | 35.03 | 4,777.72 | 1,342.37 | 6,120.09 | 2003-04 |
| 3 | মৰাপাট কল | --- | 23.37 | 51.66 | 0.00 | 51.66 | --- |
| | মুঠ | | **87.80** | **5,265.10** | **1,473.91** | **6,739.01** | |

* অসম শক্তি বিতৰণ আৰু উৎপাদন কোম্পানী লিমিটেড

### (iii) অসম্পূৰ্ণ প্ৰকল্পত মূলধন আৱদ্ধ হৈ থকা

লোক নিৰ্মাণ, পি এইচ ই ডি আৰু জলসিঞ্চন বিভাগ সমূহে প্ৰদান কৰা তথ্য অনুসৰি ৰাজ্যখনৰ এই বিভাগসমূহৰ 37 টা লোক নিৰ্মাণ সংমণ্ডলত 31 মাৰ্চ 2021 পৰ্যন্ত 1,057.93 কোটি টকাৰ প্ৰগতিশীল ব্যয়ৰ সৈতে 131 টা অসম্পূৰ্ণ / চলিত প্ৰকল্প আছিল। এই প্ৰকল্প সমূহৰ অনুমোদনৰ ওপৰত ভিত্তি কৰি অসম্পূৰ্ণ প্ৰকল্প সমূহৰ সময়ৰ চমু বিৱৰণ আৰু 31 মাৰ্চ 2021 ত বিভাগ ভিত্তিক চমু বিৱৰণ তলৰ সাৰণী সমূহত দেখুওৱা হৈছে।

**সাৰণী 2.29: 31 মাৰ্চ 2021 ত অসম্পূৰ্ণ প্ৰকল্প সমূহৰ অৱধিৰ চমু বিৱৰণ**

(কোটি টকা)

| প্ৰকল্পৰ অনুমোদনৰ বছৰ | অসম্পূৰ্ণ প্ৰকল্পৰ সংখ্যা | অনুমানিক ব্যয় | প্ৰগতিশীল ব্যয় (31 মাৰ্চ 2021 পৰ্যন্ত) |
|---|---|---|---|
| **2008-09** | 3 | 3.26 | 1.37 |
| **2010-11** | 3 | 274.53 | 326.79 |
| **2011-12** | 2 | 180.39 | 71.14 |
| **2013-14** | 9 | 143.97 | 81.66 |
| **2014-15** | 12 | 38.55 | 13.79 |
| **2015-16** | 4 | 151.69 | 123.05 |
| **2016-17** | 12 | 262.01 | 154.51 |
| **2017-18** | 3 | 87.49 | 43.28 |
| **2018-19** | 13 | 346.75 | 149.18 |
| **2019-20** | 55 | 120.89 | 41.64 |
| **2020-21** | 15 | 135.95 | 51.51 |
| **মুঠ** | **131** | **1,745.48** | **1,057.93** |

*উৎসঃ বিত্তীয় হিচাপ*

**সাৰণী 2.30: 31 মাৰ্চ 2021 ত অসম্পূৰ্ণ প্ৰকল্প সমূহৰ বিভাগ ভিত্তিক চমু বিৱৰণ**

(কোটি টকাত)

| বিভাগ | অসম্পূৰ্ণ প্ৰকল্পৰ সংখ্যা | অনুমানিক ব্যয় | প্ৰগতিশীল ব্যয় (31 মাৰ্চ 2021 পৰ্যন্ত) |
|---|---|---|---|
| লোক নিৰ্মাণ | 51 | 1,359.27 | 830.82 |
| পি এইচ ই ডি | 46 | 194.41 | 150.21 |
| জলসিঞ্চন | 34 | 191.80 | 76.88 |
| মুঠ | **131** | **1,745.48** | **1,057.93** |

31 মাৰ্চ 2021 পৰ্যন্ত প্ৰকল্পসমূহৰ কায়িক অগ্ৰগতি আছিল- লোক নিৰ্মাণ বিভাগে কাৰ্যকৰী কৰা প্ৰকল্পৰ ক্ষেত্ৰত 0 ৰ পৰা 99 শতাংশ, পি এইচ ই ডি বিভাগে কাৰ্যকৰী কৰা প্ৰকল্পৰ ক্ষেত্ৰত 45 ৰ পৰা 98 শতাংশ, জলসিঞ্চন বিভাগৰ ক্ষেত্ৰত 5 ৰ পৰা 98 শতাংশৰ ভিতৰত।

সময় অতিক্ৰম কৰাৰ বাবে ব্যয় অতিক্ৰম নকৰিবলৈ উপৰোক্ত প্ৰকল্প সমূহ আৰু অধিক পলম নকৰাকৈ সম্পূৰ্ণ কৰিবলৈ কাৰ্যকৰী পদক্ষেপ লোৱাটো প্ৰয়োজন।

### 2.5.3.3 ৰাজহুৱা ব্যক্তিগত অংশীদাৰীত্ব প্ৰকল্পৰ অধীনত ৰাজ্যখনৰ সম্পদৰ উপলব্ধতা

ৰাজহুৱা ব্যক্তিগত অংশীদাৰীত্ব (পি পি পি) হৈছে চৰকাৰী বা বিধিবদ্ধ সংস্থা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ মাজত এক ব্যৱস্থা, যি আন্তঃগাথনি উন্নয়নৰ বাবে জনসাধাৰণৰ বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ একেলগে কাম কৰিবলৈ সক্ষম কৰে।

2020-21 বৰ্ষত ৰাজ্যখনত কোনো পি পি পি প্ৰকল্পৰ সম্পূৰ্ণ হোৱা নাছিল। অৱশ্যে, তিনিটা প্ৰকল্প[12] চলি আছিল আৰু ভৱিষ্যতৰ বাবে কোনো প্ৰকল্প পৰিকল্পনা কৰা হোৱা নাছিল। চলি থকা প্ৰকল্প আৰু প্ৰস্তুতিৰ অধীনত থকা প্ৰকল্পসমূহৰ বিভাগ অনুযায়ী বিৱৰণ **সাৰণী 2.31** ত দিয়া হ'ল।

[12] i) ছটা পথ প্ৰকল্প (বাগুিল), ii) আদাবাৰী বাচ টাৰ্মিনাচ ভূমি, গুৱাহাটীৰ উন্নয়ন আৰু iii) গেম ভিলেজ নিৰ্মাণ (পৰ্যায়- II)

**সাৰণী 2.31: 31 মাৰ্চ 2021 ত পি পি পি প্ৰকল্পসমূহৰ স্থিতি**

(কোটি টকাত)

| ক্ৰমিক নং | খণ্ড | সম্পূৰ্ণ হোৱা | | চলিত | | ভৱিষ্যতৰ বাবে পৰিকল্পিত | |
|---|---|---|---|---|---|---|---|
| | | সংখ্যা | অনুমানিক ব্যয় | সংখ্যা | অনুমানিক ব্যয় | সংখ্যা | অনুমানিক ব্যয় |
| 1 | পি ডব্লিউ ডি (পথ)* | - | - | 1 | 1,220.00 | - | - |
| 2 | জি ডি ডি (জি এম চি)* | - | - | 1 | 291.60 | - | - |
| 3 | জি ডি ডি (জি এম ডি এ) * | - | - | 1 | 671.21 | - | - |
| 4 | শক্তি | - | - | - | - | - | - |
| | **মুঠ** | **-** | **-** | **3** | **2,182.81** | **-** | **-** |

**পি ডব্লিউ ডি-গড়কাপ্তানি বিভাগ, জি ডি ডি-গুৱাহাটী উন্নয়ন বিভাগ, জি এম চি-গুৱাহাটী পৌৰ নিগম, জি এম ডি এ-গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ*

## 2.5.4 খৰছৰ অগ্ৰাধিকাৰ

মানৱ উন্নয়নৰ স্তৰ বৃদ্ধি কৰাৰ বাবে ৰাজ্যসমূহে শিক্ষা, স্বাস্থ্য আদিৰ দৰে মুখ্য সামাজিক সেৱাৰ ওপৰত তেওঁলোকৰ ব্যয় বৃদ্ধি কৰিব লাগিব। নিম্ন বিত্তীয় অগ্ৰাধিকাৰ (এটা শ্ৰেণীৰ অধীনত ব্যয়ৰ অনুপাত আৰু মুঠ ব্যয়) এটা নিৰ্দিষ্ট খণ্ডৰ সৈতে সংলগ্ন কৰা হয়, যদি আৱণ্টন সংশ্লিষ্ট ৰাজ্য বা ৰাষ্ট্ৰীয় গড়ৰ তলত হয়। এই উপাদান সমূহৰ মুঠ ব্যয়ৰ অনুপাত যিমানে বেছি হয়, ব্যয়ৰ মানদণ্ড উন্নত বুলি গণ্য কৰা হয়।

**সাৰণী 2.32** ত 2016-17 বৰ্ষক আধাৰ বৰ্ষ হিচাপে ধৰি 2020-21 বৰ্ষত উন্নয়ন ব্যয়, সামাজিক আৰু অৰ্থনৈতিক খণ্ডৰ ব্যয় আৰু মূলধন ব্যয়ৰ ওপৰত আধাৰ কৰি উত্তৰ পূৱ আৰু হিমালয়ৰ ৰাজ্য সমূহ (এন ই এণ্ড এইচ ৰাজ্যসমূহ) ৰ সৈতে ৰাজ্য চৰকাৰৰ বিত্তীয় অগ্ৰাধিকাৰক তুলনা কৰা হৈছে ।

**সাৰণী 2.32: 2016-17 আৰু 2020-21 বৰ্ষত ৰাজ্যখনৰ বিত্তীয় অগ্ৰাধিকাৰ**

(শতাংশত)

| ৰাজ্যখনৰ বিত্তীয় অগ্ৰাধিকাৰ | এ ই/ জি এচ ডি পি | চি ই / এ ই | শিক্ষা / এ ই | স্বাস্থ্য / এ ই |
|---|---|---|---|---|
| **2016-17 বৰ্ষত গড় (অনুপাত)** | | | | |
| উত্তৰ-পূৱ আৰু হিমালয়ৰ ৰাজ্যসমূহ | 26.50 | 15.97 | 16.67 | 5.67 |
| **অসম** | 21.76 | 9.94 | 22.86 | 5.77 |
| **2020-21 বৰ্ষত গড় (অনুপাত)** | | | | |
| উত্তৰ-পূৱ আৰু হিমালয়ৰ ৰাজ্যসমূহ | 26.92 | 15.63 | 16.95 | 7.04 |
| **অসম** | 22.11 | 16.10 | 21.02 | 8.12 |

এ ই- একত্ৰিত ব্যয়, চি ই - মূলধনী ব্যয়

ওপৰোক্ত সাৰণীৰ পৰা দেখা যায় যে, ৰাজ্যখনৰ মূলধনী ব্যয় 2016-17 বৰ্ষত এন ই এণ্ড এইচ ৰাজ্যসমূহতকৈ কম আছিল। অৱশ্যে, 2020-21 বৰ্ষত ই উন্নত আছিল আৰু এন ই এণ্ড এইচ ৰাজ্যসমূহৰ গড়ক অতিক্ৰম কৰিছিল। দুয়োটা বছৰত শিক্ষাৰ লগতে স্বাস্থ্যৰ ওপৰত ৰাজ্যৰ ব্যয় এন ই এণ্ড এইচ ৰাজ্যসমূহৰ গড়তকৈ অধিক আছিল।

### 2.5.5 উদ্দেশ্যযুক্ত শিতান অনুসৰি ব্যয়

**সাৰণী 2.33** ত চলিত বৰ্ষত ৰাজ্যখনৰ উদ্দেশ্যযুক্ত শিতান অনুসৰি ব্যয় (100 কোটি টকাৰ ওপৰত) আগৰ বছৰৰ লগত তুলনা কৰা হৈছে।

**সাৰণী 2.33: উদ্দেশ্যযুক্ত শিতান অনুসৰি ব্যয়**

(কোটি টকাত)

| ক্ৰমিক নং | শিতান | ব্যয় | | বৃদ্ধি (+)/ হ্ৰাস(-) | |
|---|---|---|---|---|---|
| | | 2019-20 | 2020-21 | ৰাশি | শতাংশ |
| 1 | বেতন | 24,331.02 | 24,335.58 | 4.56 | 0.02 |
| 2 | সহায়ক অনুদান সাধাৰণ (বেতন) | 2,677.56 | 2,467.51 | -210.05 | -7.84 |
| 3 | সহায়ক অনুদান সাধাৰণ (বেতন বৰ্হিভূত) | 17,610.45 | 15,797.40 | -1,813.05 | -10.30 |
| 4 | মূলধনী সম্পদ সৃষ্টিৰ বাবে অনুদান | 8,559.48 | 7,938.34 | -621.14 | -7.26 |
| 5 | পেঞ্চন / গ্ৰেচুইটি | 9,609.02 | 10,329.01 | 719.99 | 7.49 |
| 6 | মুখ্য কামসমূহ | 6,485.04 | 7,059.84 | 574.80 | 8.86 |
| 7 | সুদ | 4,438.87 | 5,199.18 | 760.31 | 17.13 |
| 8 | অন্যান্য শুল্ক সমূহ | 1,946.78 | 1,178.25 | -768.53 | -39.48 |
| 9 | কাৰ্য্যালয় ব্যয় | 626.39 | 755.01 | 128.62 | 20.53 |
| 10 | ৰক্ষণাবেক্ষণ | 616.20 | 736.43 | 120.23 | 19.51 |
| 11 | আন্তঃহিচাপ হস্তান্তৰ | 559.00 | 643.5 | 84.50 | 15.12 |
| 12 | সামগ্ৰী আৰু যোগান | 516.99 | 468.88 | -48.11 | -9.31 |
| 13 | ৰাজ সাহাৰ্য্য | 1,473.23 | 1966.15 | 492.92 | 33.46 |
| 14 | মজুৰি | 429.31 | 424.00 | -5.31 | -1.24 |
| 15 | বৃত্তিধাৰী আৰু বিশেষ সেৱা | 345.02 | 335.86 | -9.16 | -2.65 |
| 16 | গৌণ কামসমূহ | 263.44 | 254.94 | -8.50 | -3.23 |
| 17 | ছাত্ৰ বৃত্তি আৰু পাৰিতোষিক | 192.94 | 262.19 | 69.25 | 35.89 |
| 18 | যন্ত্ৰপাতি আৰু সৰঞ্জাম / আহিলা-পাতি আৰু কাৰখানা | 185.09 | 165.26 | -19.83 | -10.71 |
| 19 | নিয়োগ | 140.06 | 156.71 | 16.65 | 11.89 |
| 20 | অন্যান্য | 2,580.82 | 2,007.16 | -573.66 | -22.23 |

ওপৰৰ সাৰণীৰ পৰা দেখা যায় যে দুটা উদ্দেশ্যযুক্ত শিতানৰ অধীনত ব্যয় বছৰটোত 30 শতাংশতকৈ অধিক বৃদ্ধি নথিভুক্ত কৰা হৈছে।

## 2.6 আকস্মিক নিধি

এই পুঁজি একধৰণৰ আগধন লেখীয়া পুঁজি, যাক বিধিগতভাৱে ৰাজ্যিক বিধান সভাই সৃষ্টি কৰে আৰু অ-প্ৰত্যাশিত ব্যয় সমূহৰ সৈতে আগতীয়াকৈ মূখা-মূখি হ'ব পৰাকৈ আৰু তেনে ব্যয় সমূহ ৰাজ্যিক বিধান সভাৰ পৰৱৰ্তী

অনুমোদন সাপেক্ষে ৰাজ্যপালৰ হাতত কৰ্তৃত্ব প্ৰদান কৰা হয়। ৰাজ্যৰ একত্ৰিত নিধি সম্পৰ্কীয় সংশ্লিষ্ট কাৰ্যকৰী মুখ্য শিতানৰ পৰা ব্যয় সমূহ বাদ দি এই পুঁজি পুনৰুদ্ধাৰ কৰা হয়।

31 মাৰ্চ 2021 লৈকে আকস্মিক নিধিৰ অধীনত উদ্বৃত্ত আছিল 200 কোটি টকা অৰু বিত্তিয় বছৰটোৰ শেষত কোনো ৰাশি ক্ষতিপূৰণৰ বাবে বাকি থকা নাছিল।

## 2.7 ৰাজহুৱা হিচাপ

কিছুমান লেন-দেনৰ প্ৰাপ্তি আৰু বিতৰণ যেনে - ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্যত নিধি, সংৰক্ষিত পুঁজি সমূহ, জমা, স্থগিত হিচাপ প্ৰেৰণ আদি, যিসমূহ একত্ৰিত নিধিৰ অংশ নহয়, সেই সমূহ সংবিধানৰ 266 (2) অনুচ্ছেদৰ অধীনত গঠিত ৰাজহুৱা হিচাপত জমা হয় আৰু সেই সমূহ ৰাজ্যৰ বিধান মণ্ডলৰ দ্বাৰা গৃহীত কৰাৰ প্ৰয়োজন নহয়। এইসমূহৰ ক্ষেত্ৰত চৰকাৰে বেংকাৰ হিচাপে কাম কৰে। বছৰটোৰ ভিতৰত বিতৰণৰ পিছৰ অৱশিষ্ট পৰিমানেই হ'ল বিভিন্ন উদ্দেশ্যত ব্যৱহাৰৰ বাবে চৰকাৰৰ হাতত উপলব্ধ পুঁজি।

### 2.7.1 ৰাজহুৱা হিচাপত লেন-দেনৰ প্ৰকৃত উদ্বৃত্ত

মাৰ্চ 2021 ৰ শেষলৈকে ৰাজ্যখনৰ ৰাজহুৱা হিচাপত লেন-দেনৰ খণ্ড অনুসৰি প্ৰকৃত উদ্বৃত্ত **সাৰণী 2.34** আৰু লগতে **চিত্ৰ তালিকা 2.17** ত দিয়া হৈছে।

**সাৰণী 2.34: ৰাজহুৱা হিচাপত লেন-দেনৰ উপাদান অনুসৰি প্ৰকৃত উদ্বৃত্ত**

(কোটি টকাত)

| খণ্ড | উপ-খণ্ড | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| **I. ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্যত নিধি ইত্যাদি** | ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্যত নিধি ইত্যাদি | 796.46 | 1,027.66 | 981.06 | 968.47 | 888.85 |
| **J. সংৰক্ষিত পুঁজি** | (a) সুদযুক্ত সংৰক্ষিত পুঁজি | 1,240.52 | -2,294.54 | 107.50 | 682.43 | 43.20 |
| | (b) সুদ বিহীন সংৰক্ষিত পুঁজি | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| **K. জমা আৰু অগ্ৰিম** | (a) সুদযুক্ত জমা | 89.38 | -36.32 | 148.06 | -62.19 | -19.83 |
| | (b) সুদবিহীন জমা | 940.54 | 109.04 | 748.82 | 161.84 | -559.15 |
| | (c) অগ্ৰিম | -684.26 | -516.33 | 254.59 | 755.06 | 349.26 |
| **L. চাচপেন্স আৰু অন্যান্য** | (a) চাচপেন্স | 234.01 | 651.55 | -48.32 | -415.06 | -459.46 |
| | (b) অন্যান্য হিচাপ* | 2,317.66 | 4,244.07 | -7,318.83 | 5,330.12 | -3,970.09 |
| | (c) চৰকাৰৰ হাতত থকা বিদেশী ৰাষ্ট্ৰৰ হিচাপ | ---- | --- | --- | --- | --- |
| | (d) বিবিধ | ---- | --- | 1,053.41 | --- | 800.00 |
| **M. প্ৰেৰণ** | (a) মানি অৰ্ডাৰ আৰু অন্যান্য প্ৰেৰণ | -54.33 | -3.73 | -39.35 | -123.90 | -54.60 |
| | (b) আন্তঃ চৰকাৰী সমাযোজন হিচাপ | -18.01 | 24.22 | -17.23 | -18.06 | 8.21 |
| | **মুঠ** | **4,861.97** | **3,205.62** | **-4,130.29** | **7,278.71** | **-2,973.61** |

*টোকা ঃ প্ৰকৃত উদ্বৃত্তই ব্যয়তকৈ অতিৰিক্ত প্ৰাপ্তিক বুজায়;*

* L. চাছপেন্স আৰু অন্যান্যৰ অধীনত অন্যান্য হিচাপ সমূহৰ ভিতৰত নগদ উদ্বৃত্ত বিনিয়োগ হিচাপ অৰ্ন্তভুক্ত।

**চিত্ৰ তালিকা 2.17: ৰাজহুৱা হিচাপৰ লেনদেনৰ প্ৰকৃত উদ্বৃত্তৰ বাৰ্ষিক পৰিৱৰ্তন**

**(কোটি টকাত)**




| | ক্ষুদ্ৰ সঞ্চয় আৰু ভৱিষ্যৎ নিধি | সংৰক্ষিত পুঁজি | জমা আৰু অগ্ৰিম | চাচপেন্স আৰু অন্যান্য | প্ৰেৰণসমূহ |
|---|---|---|---|---|---|
| 2020-21 | 888.85 | 43.20 | -229.72 | -3629.55 | -46.39 |
| 2019-20 | 968.47 | 682.43 | 854.71 | 4915.06 | -141.96 |
| 2018-19 | 981.06 | 107.50 | 1151.47 | -6313.74 | -56.58 |
| 2017-18 | 1027.66 | -2294.51 | -443.61 | 4895.62 | 20.49 |
| 2016-17 | 796.46 | 1240.52 | 345.66 | 2551.67 | -72.34 |

নিম্নলিখিত চিত্ৰতালিকা খনে 2020-21 বৰ্ষত ৰাজহুৱা হিচাপৰ উদ্বৃত্তৰ পৰিৱৰ্তনৰ বিৱৰণ দিয়ে।

**চিত্ৰ তালিকা 2.18: 2020-21 বৰ্ষত ৰাজহুৱা হিচাপৰ লেন-দেনত প্ৰকৃত উদ্ধৃত্তৰ পৰিৱৰ্তন**

**(কোটি টকাত)**




## 2.7.2 সংৰক্ষিত পুঁজি

ৰাজ্য চৰকাৰৰ ৰাজহুৱা হিচাপৰ অধীনত বিশেষ আৰু নিৰ্দিষ্ট উদ্দেশ্যত সংৰক্ষিত পুঁজি গঠন কৰা হয়। ৰাজ্য চৰকাৰৰ একত্ৰিত পুঁজিৰ বৰঙণি আৰু অনুদানৰ পৰা এই পুঁজিৰ জোৰা মৰা হয়।

31 মাৰ্চ 2021 পৰ্যন্ত ৰাজ্যখনত 15 টা সংৰক্ষিত পুঁজি আছিল। এই সমূহৰ ভিতৰত সাতটা সংৰক্ষিত পুঁজি সক্ৰিয় হৈ আছিল আৰু বাকী থকা আঠটা বহুবছৰ ধৰি নিস্ক্ৰিয় হৈ আছে। 31 মাৰ্চ 2021 পৰ্যন্ত এই পুঁজি সমূহত পঞ্জীভূত সৰ্বমুঠ উদ্বৃত্তৰ পৰিমাণ আছিল 5,382.43 কোটি টকা আছিল। সুদযুক্ত সংৰক্ষিত পুঁজিৰ অধীনত

1,329.24 কোটি টকা আছিল আৰু সুদবিহীন সংৰক্ষিত পুঁজিৰ অধীনত 4,053.21 কোটি টকা আছিল। বছৰটোত তিনিটা মুখ্য সক্ৰিয় সংৰক্ষিত পুঁজিৰ লেন-দেনৰ সৱিশেষ তলত দাঙি ধৰা হ'লঃ

### 2.7.2.1 একত্ৰিত নিক্ষেপ নিধি

ৰাজ্য চৰকাৰে বজাৰ ঋণৰ লগতে অন্যান্য ঋণ আৰু ঋণৰ দায়বদ্ধতা মোকাবিলা কৰিবলৈ XII বিত্ত আয়োগৰ অনুমোদনৰ ভিত্তিত নিক্ষেপ নিধি গঠন কৰিছে। আঁচনিৰ নিৰ্দেশনাৱলীৰ অধীনত, ৰাজ্য চৰকাৰে আগৰ বিত্তীয় বৰ্ষৰ শেষত বকেয়া দায়বদ্ধতাৰ কমেও 0.5 শতাংশ পুঁজিলৈ বাৰ্ষিক অৱদান আগবঢ়াব লাগিব। পুঁজি পৰিচালনাৰ বাবে দায়বদ্ধ আৰ বি আই ৰ নিৰ্দেশনা অনুসৰি, বকেয়া দায়বদ্ধতাক ৰাজ্য চৰকাৰৰ ৰাজহুৱা ঋণ আৰু ৰাজহুৱা হিচাপৰ দায়বদ্ধতা অন্তৰ্ভুক্ত কৰা বুলি সংজ্ঞায়িত কৰা হয়। সেই অনুসৰি, ৰাজ্য চৰকাৰৰ অনুদান হব লাগে 354.93 কোটি টকা, যি হৈছে 2020 ৰ 31 মাৰ্চ লৈকে থকা বকেয়া দায়িত্বৰ 0.5 শতাংশ (70,986.23 কোটি টকা)।

এই প্ৰয়োজনীয়তাৰ বিপৰীতে, ৰাজ্য চৰকাৰে বছৰটোত 100 কোটি টকা পুঁজিলৈ অৰিহণা আগবঢ়াইছিল ফলত 254.93 কোটি টকা অৰিহণা কম হৈছিল। 31 মাৰ্চ 2021 তাৰিখলৈ পুঁজিটোত 3,988.35 কোটি টকা পৰি আছিল (311.85 কোটি টকাৰ জমা সুতসহ), যাৰ ভিতৰত 3,981.12 কোটি টকা বিনিয়োগ কৰা হৈছিল।

### 2.7.2.2 ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি

ভাৰত চৰকাৰে (জি অ' আই) 01 এপ্ৰিল 2010 ৰ পৰা পূৰ্বৰ দুৰ্যোগ সাহাৰ্য পুঁজিৰ সলনি ৰাজ্যিক দুৰ্যোগ সহাঁৰি পুঁজি (এচ ডি আৰ এফ) গঠন কৰিছে। পুঁজি নিৰ্দেশনা অনুসৰি কেন্দ্ৰ আৰু বিশেষ শ্ৰেণীভূক্ত ৰাজ্য সমূহে পুঁজিলৈ 90:10 অনুপাতত বৰঙণি আগবঢ়াব লাগে আৰু সেই বৰঙণি মূখ্য শিতান - 8121 ৰ হিচাপলৈ স্থানান্তৰ কৰিব লাগে। বছৰটোৰ ব্যয় সমূহ মূখ্য শিতান-2245 ৰ দ্বাৰা পৰিচালনা কৰা হয়।

নীতি-নিৰ্দেশনাৱলীৰ দফা 4 অনুসৰি, আৰ বি আইৰ অধিৰিকৰ্ষ নিয়মীয়াকৰণ নিয়মাৱলীৰ অধীনত আধিৰিকৰ্ষৰ বাবে প্ৰযোজ্য হাৰত ৰাজ্য চৰকাৰে এচ ডি আৰ এফ ক সুদ দিব লাগে। সুদ অৰ্দ্ধবাৰ্ষিক ভিত্তিত জমা দিব লাগে। তদুপৰি, নিৰ্দেশনাৱলীৰ দফা 19 অনুসৰি এচ ডি আৰ এফ ৰ উদ্বৃত্ত সমূহ নিম্নলিখিত সাধন সমূহত এটা বা একাধিক বিনিয়োগ কৰিব লাগিব যেনে - কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিৰ্দ্ধাৰিত চিকিউৰিটিসমূহ, নিলামকৃত ট্ৰেজাৰী বিল, সুদ উপাৰ্জনকাৰী জমা আৰু সুচীভূক্ত বাণিজ্যিক বেংক সমূহত জমাৰ প্ৰমাণ পত্ৰ সমূহত।

2020 ৰ 1 এপ্ৰিল পৰ্য্যন্ত পুঁজিৰ উদ্বৃত্ব আছিল 725.23 কোটি টকা। 2020-21 ৰ সময়ছোৱাত, ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ অংশ হিচাপে 772.00 কোটি টকা লাভ কৰিছিল। ৰাজ্য চৰকাৰৰ অংশ হৈছে বছৰটোত 85.77 কোটি টকা। ইয়াৰ বিপৰীতে, ৰাজ্য চৰকাৰে 643.50 কোটি টকা (ভাৰত চৰকাৰৰ অংশ 579.00 কোটি টকা যোগ ৰাজ্য চৰকাৰৰ অংশ 64.50 কোটি টকা) মূখ্য শিতান 8121-122 এচ ডি আৰ এফ ৰ অধীনলৈ পুঁজি হস্তান্তৰ কৰিছিল। বছৰটোত ৰাজ্য চৰকাৰেও এন ডি আৰ এফৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা 44.37 কোটি টকা লাভ কৰিছিল।

তাৰোপৰি, লাভ কৰা মুঠ পুঁজিৰ 902.14 কোটি টকা (কেন্দ্ৰীয় অংশ প্ৰাপ্ত: 772.00 কোটি টকা যোগ বকেয়া ৰাজ্যিক অংশ: 85.77 কোটি টকা যোগ এন ডি আৰ এফ প্ৰাপ্ত: 44.37 কোটি টকা) বিপৰীতে বছৰটোত ৰাজ্য চৰকাৰে 643.50 কোটি টকা (কেন্দ্ৰীয় অংশ 579.00 কোটি টকা যোগ ৰাজ্যিক অংশ 64.50 কোটি টকা) হস্তান্তৰ কৰিছিল ফলত 258.64 কোটি টকা পুঁজিৰ হিচাপলৈ কমকৈ হস্তান্তৰ কৰিছিল। বছৰটোত প্ৰাকৃতিক

দুৰ্য্যোগৰ বাবে সমস্ত ব্যয়ৰ 600.30 কোটি টকা উদ্বৃত্ব পুঁজিৰ 1,368.73 কোটি টকাৰ সৈতে মিলাইছিল (এম এইচ 2245-901) পুঁজিৰ অধীনত পৰি থকা উদ্বৃত্ব 2021 ৰ 31 মাৰ্চ পৰ্য্যন্ত আছিল 768.43 কোটি টকা।

অসম চৰকাৰে নিৰ্দেশনাৱলীত নিৰ্দ্ধাৰিত কোনো সাধনত এচ ডি আৰ এফৰ উদ্ধৃত বিনিয়োগ কৰা নাছিল, বা এচ ডি আৰ এফ ৰ নিৰ্দেশনা উলংঘা কৰি পুঁজিৰ পৰি থকা উদ্ধৃত অৰ্ধবাৰ্ষিক সুদ পৰিশোধ কৰা নাছিল। অসম চৰকাৰৰ দ্বাৰা 43.51 কোটি টকাৰ সুদ পৰিশোধ নকৰাৰ ফলত 2020-21 বৰ্ষত ৰাজহ উদ্ধৃত সেই পৰিমাণে হ্ৰাস পাইছিল আৰু ভৱিষ্যতৰ বাবে দায়বদ্ধতাৰ পৰিমাণ বৃদ্ধি পাইছিল।

31 মাৰ্চ 2018 ত সমাপ্ত বছৰটোৰ বাবে এচ এফ এ আৰ ৰ ৰাজহুৱা হিচাপ পৰীক্ষা সমিতি (পি এ চি) ৰ বৈঠকত (নৱেম্বৰ 2019) অধ্যক্ষই চৰকাৰৰ দ্বাৰা এচ ডি আৰ এফ ৰ অধীনৰ উদ্বৃত্ত সমূহ বিনিয়োগ নকৰাৰ বিষয়টো উত্থাপন কৰিছিল। বিত্ত বিভাগৰ প্ৰধান সচিবে স্বীকাৰ কৰিছিল যে এচ ডি আৰ এফ পুঁজি সমূহ নিয়মীয়াকৈ বিনিয়োগ কৰা হোৱা নাছিল আৰু জনাইছিল যে ইয়াৰ কাৰণ আছিল ৰাজ্যখনত হোৱা দুৰ্যোগ সমূহ অ-প্ৰত্যাশিত ধৰণৰ আছিল যাৰ বাবে পুঁজি সমূহৰ ততাতৈয়াকৈ প্ৰয়োজন হৈছিল। প্ৰধান সচিবে (জানুৱাৰী 2020) অৱশ্যে, আশ্বাস দিছিল যে ভাৰত চৰকাৰৰ নীতি-নিৰ্দেশনাৱলীত নিৰ্দ্ধাৰিত নিয়ম অনুসৰি পুঁজি সমূহ বিনিয়োগৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব কিন্তু 2021 ৰ নৱেম্বৰ পৰ্য্যন্ত তেনে কোনো বিনিয়োগ কৰা নাছিল।

সামৰণি বৈঠকৰ সময়ত (ডিচেম্বৰ 2021), আয়ুক্ত আৰু সচিবে, বিত্তীয় বিভাগে এচ ডি আৰ এফৰ নীতি নিৰ্দেশনা পালন কৰাৰ নিশ্চয়তা দিছিল।

### 2.7.2.3 প্ৰত্যাভূতি বিমোচন পুঁজি

ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহ বা অন্য নিকায়ৰ দ্বাৰা হিতাধিকাৰীৰ উপযোগিতাৰ বাবে লোৱা ঋণ আৰু আন চুক্তিৰ সম্পৰ্কত চৰকাৰে দিয়া নিশ্চিতিৰ বাবে পৰিশোধ দায়বদ্ধতাৰ জোৰা মাৰিবলৈ ৰাজ্য চৰকাৰে *‘প্ৰত্যাভূতি বিমোচন পুঁজি’* গঠন কৰিছিল (চেপ্তেম্বৰ 2009)।

আঁচনিৰ নিৰ্দেশনা মতে চৰকাৰে অনাদায় পৰিমাণৰ ওপৰত হোৱা প্ৰত্যাভূতি তিনি শতাংশৰ সমান বৰঙণি হিচাপে চলিত বিত্তীয় বৰ্ষৰ আগৰ দ্বিতীয় বিত্তীয় বৰ্ষৰ শেষত প্ৰধান মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) এ তেওঁলোকৰ নথিত দেখুওৱা ধৰণে আদায় দিব। ৰাজ্য চৰকাৰে এতিয়াও এই সন্দৰ্ভত কাম কৰা নাই।

2020-21 বৰ্ষত ৰাজ্য চৰকাৰে 2.55 কোটি টকাৰ বৰঙণি যোগাৰ লগা হৈছিল, যিটো 85.02 কোটি টকাৰ তিনি শতাংশ (চলিত বৰ্ষৰ আগৰ দ্বিতীয় বিত্তীয় বৰ্ষৰ শেষত অনাদায় হৈ থকা প্ৰত্যাভূতি) আছিল। ৰাজ্য চৰকাৰৰ দ্বাৰা বছৰটোত ইয়াক কৰা নাছিল। 2021 ৰ 31 মাৰ্চ পৰ্য্যন্ত মুঠ পৰি থকা পুঁজি আছিল 57.22 কোটি টকা (2020-21 আহৰণ কৰা 4.15 কোটি টকা সুতকে ধৰি) আৰু সম্পূৰ্ণ ৰাশিটোক ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা বিনিয়োগ কৰা হৈছিল।

## 2.8 ঋণ ব্যৱস্থাপনা

ঋণ ব্যৱস্থাপনা হৈছে প্ৰয়োজনীয় পৰিমাণৰ পুঁজি সংগ্ৰহ কৰা, ইয়াৰ বিপদাশংকা আৰু ব্যয়ৰ উদ্দেশ্য প্ৰাপ্ত কৰা আৰু চৰকাৰে আইন প্ৰণয়ন বা আন যিকোনো বাৰ্ষিক বাজেট ঘোষণাৰ জৰিয়তে নিৰ্দ্ধাৰণ কৰিব পৰা আন যিকোনো সাৰ্বভৌম ঋণ ব্যৱস্থাপনাৰ লক্ষ্য পূৰণ কৰাৰ বাবে চৰকাৰৰ ঋণ পৰিচালনাৰ এক ৰণনীতি স্থাপন আৰু কাৰ্যকৰী কৰাৰ এটা প্ৰক্ৰিয়া।

2016-21 বছৰটোত জি এচ ডি পি ৰ শতাংশ হিচাপে মুঠ বকেয়াৰ ৰাজহুৱা ঋণ **চিত্ৰ তালিকা 2.19** ত দিয়া হৈছে।

**চিত্ৰ তালিকা 2.19: বকেয়া ঋণৰ ধাৰা**




## 2.8.1 ঋণৰ বিৱৰণ ঃ উপাদানসমূহ

ৰাজ্য চৰকাৰৰ মুঠ ঋণ সাধাৰণতে ৰাজ্যৰ আভ্যন্তৰীণ ঋণ (বজাৰ ঋণ, আৰ পি আইৰ পৰা অগ্ৰিম আৰু অৰ্থোপায়, ৰাষ্ট্ৰীয় ক্ষুদ্ৰ সঞ্চয় পুঁজিলৈ জাৰি কৰা বিশেষ চিকিউৰিটি আৰু বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ ইত্যাদি), কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ আৰু অগ্ৰিম আৰু ৰাজহুৱা হিচাপৰ দায়বদ্ধতাৰে গঠিত হয়। ৰাজ্যিক এফ আৰ বি এম আইন, 2005 ত নিৰ্দ্ধাৰণ কৰা হৈছে যে, 'সম্পূৰ্ণ দায়বদ্ধতা'ৰ অৰ্থ হৈছে একত্ৰিত পুঁজি আৰু ৰাজ্যৰ ৰাজহুৱা হিচাপৰ অধীনৰ দায়বদ্ধতা। ঋণ মাপকাঠীৰ অধীনত ব্যৱহৃত কিছুমান গুৰুত্ব পূৰ্ণ শব্দ তলত বৰ্ণনা কৰা হ'লঃ

| বিষয় | ইয়াৰ অৰ্থ | অসমত স্থিতি |
|---|---|---|
| অৰ্থোপায় আৰু অগ্ৰিম (ডব্লিউ এম এ সমূহ) | কেন্দ্ৰ আৰু ৰাজ্য দুয়োৰে বাবে তেওঁলোকৰ প্ৰাপ্তি আৰু ব্যয়ৰ নগদ প্ৰবাহৰ অস্থায়ী অমিল ৰক্ষা কৰাত সহায় কৰিবলৈ আৰ বি আই ৰ পৰা ধাৰ লোৱাৰ এটা সুবিধা। এনে অগ্ৰিম গ্ৰহণ কৰা তাৰিখৰ পৰা তিনিমাহৰ পূৰ্বেই পৰিশোধ কৰিব লাগে।<br><br>আৰ বি আই এ ডব্লিউ এম এৰ ওপৰত ইয়াৰ ৰিপো মূল্যৰ সমানে সুত ধাৰ্য্য কৰিছিল, যিটো হাৰত প্ৰকৃততে বেংকবোৰক হ্ৰস্বম্যাদী ধন ধাৰ দিয়ে। বৰ্তমান মূল্য হৈছে 4.0 শতাংশ। | 01 এপ্ৰিল 2020 ৰ পৰা ৰাজ্য চৰকাৰত সাধাৰন ডব্লিউ এম এৰ সীমা হৈছিল 608.49 কোটি টকা। বেংকত চৰকাৰৰ জামানত বন্ধকৰ বিপৰীতে বিশেষ অৰ্থোপায় অগ্ৰিমৰ সীমা সংশোধন কৰি থাকে। |

| বিষয় | ইয়াৰ অৰ্থ | অসমত স্থিতি |
|---|---|---|
| অভাৰড্ৰাফ্ট | চৰকাৰ সমূহক ডব্লিউ এম এ ৰ পৰিমানতকৈ অধিক পৰিমানৰ ধন উলিয়াবলৈ অনুমতি প্ৰদান পৰা হয়। কোনো ৰাজ্যই এক নিৰ্দিষ্ট সময়তকৈ অধিক সময়ৰ বাবে আৰ বি আইৰ সৈতে অভাৰড্ৰাফ্ট চলাব নোৱাৰে।<br>কোনো এখন ৰাজ্য একেৰাহে 14 ৰ পৰা 21 কৰ্ম দিন অভাৰড্ৰাফ্টত থাকিব পাৰে আৰু বছৰৰ এক চতুৰ্থাংশত একেৰাহে 36 ৰ পৰা 50 কৰ্ম দিন অভাৰড্ৰাফ্টত থাকিব পাৰে।<br>অভাৰড্ৰাফ্টৰ সুত হৈছে ৰেপো মূল্যতকৈ দুই শতাংশ পইন্ট অধিক, যি 6.00 শতাংশ কৰা হৈছে। | অসম চৰকাৰে 2020-21 ৰ সময়ছোৱাত আৰ বি আইৰ সৈতে নিম্নতম নগদ উদ্ধৃতৰ সীমা বাহাল ৰাখিছিল আৰু সময়ছোৱাত অৰ্থোপায় অগ্ৰিম বা অভাৰড্ৰাফ্ট লোৱা নাছিল। |
| চৰকাৰী জামানত | চৰকাৰী চিকিউৰিটি (জি চেক) কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ দ্বাৰা জাৰি কৰা এক ব্যৱসায়যোগ্য সাধন। এনে চিকিউৰিটি সমূহ হ্ৰাসম্যাদী (সাধাৰণতে ট্ৰেজাৰী বিল বুলি কোৱা হয়, যাৰ প্ৰকৃত ম্যাদ পূৰ্তি এক বছৰতকৈ কম) বা দীৰ্ঘম্যাদী (সাধাৰণতে চৰকাৰী বণ্ড বা এক বছৰ বা অধিক সময়ৰ প্ৰকৃত ম্যাদ পূৰ্তিৰ সৈতে তাৰিখযুক্ত চিকিউৰিটিজ বুলি কোৱা হয়)। ভাৰতত, কেন্দ্ৰীয় চৰকাৰে ট্ৰেজাৰী বিল আৰু বণ্ড বা তাৰিখযুক্ত চিকিউৰিটিজ দুয়োটা জাৰি কৰে, আনহাতে ৰাজ্য চৰকাৰে কেৱল বণ্ড বা তাৰিখ যুক্ত চিকিউৰিটি জাৰি কৰে, যাক ৰাজ্যিক উন্নয়ন ঋণ (এচ ডি এল এচ) বুলি কোৱা হয়। | দীৰ্ঘম্যাদী চিকিউৰিটি সমূহে এটা স্থিৰ বা অস্থায়ী কুপন অব্যাহত ৰাখে (সুদৰ হাৰ) যিটো লিখিত মূল্যৰ বাবে নিৰ্দ্ধাৰিত সময়ত আদায় দিব লাগে (সাধাৰণতে অৰ্ধ বাৰ্ষিক হিচাপত) |
| টি-বিল | ট্ৰেজাৰী বিল হৈছে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰি কৰা চিকিউৰিটি। সেই সমূহৰ পৰিপক্কতাৰ ম্যাদ এবছৰলৈকে হয়। এই চিকিউৰিটি সমূহ ৰেহাই হাৰত বিক্ৰী কৰা হয় আৰু লিখিত মূল্যত পৰিশোধ কৰা হয়, এনেদৰে বিনিয়োগকাৰীসকলে তেওঁলোকৰ ধন উপাৰ্জন কৰে। বৰ্তমানত, চলিত টি-বিল হৈছে 91 দিনৰ টি বিল, 182 দিনৰ টি-বিল আৰু 364 দিনৰ টি-বিল। | ধাৰকে ম্যাদপুৰ্তিৰ সময়ত লিখিত মূল্যৰ ওপৰত ৰেহাই দি ট্ৰেজাৰী বিল জাৰী কৰে। বিতৰণ কৰা মূল্য আৰু লিখিত মূল্যৰ মাজত পাৰ্থক্যই ট্ৰেজাৰী বিলৰ ওপৰত আয়। এনেদৰে ট্ৰেজাৰী বিলৰ ওপৰত আয় নিলামৰ ওপৰত নিৰ্ভৰ কৰে। |
| টি-নোট | কোষাগাৰ নোট হৈছে চৰকাৰী সুৰক্ষা যাৰ ম্যাদকোষাদাৰ বিলতকৈ দীৰ্ঘ সময়ৰ হয়। সেইসমূহৰ সম্পূৰ্ণ হোৱাৰ সময় দুই, তিনি, চাৰি, পাঁচ, সাত আৰু দহ বছৰ হব পাৰে। প্ৰত্যেক ছয় মাহৰ মূৰত সুদ আদায় দিয়া হয়। | |
| টি-বণ্ড | কোষাগাৰ বণ্ডসমূহ হৈছে 30 বছৰত সম্পূৰ্ণ হোৱা দীৰ্ঘ কালীন বিনিয়োজন। প্ৰত্যেক ছয় মাহত সুদ আদায় দিয়া হয়। | |

2016-21 ৰ পাঁচ বছৰৰ সময়ছোৱাত বাকী থকা ঋণ, মুঠ প্ৰাপ্ত ঋণ, ঘূৰাই দিয়া ঋণ, ঋণ জি এচ ডি পিৰ অনুপাত আৰু ৰাজ্যখনত উপলব্ধ ঋণৰ প্ৰকৃত পৰিমাণ **সাৰণী 2.35** ত দিয়া হৈছে। 2016-21 ৰ সময়ছোৱাৰ উপাদান অনুসৰি ঋণ আৰু সেই সমূহৰ ধাৰা **চিত্ৰ তালিকা 2.20** ত দিয়া হৈছে।

**সাৰণী 2.35: বাকী থকা ঋণৰ ধাৰা**

(কোটি টকাত)

| | | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| ***বাকী থকা সামগ্ৰীক ঋণ*** | | **43,980.56** | **49,274.88** | **59,425.61** | **72,256.52** | **87,407.79*** |
| ***ৰাজহুৱা ঋণ*** | *আভ্যন্তৰীণ ঋণ* | *26,736.65* | *33,293.73* | *41,511.12* | *52,630.27* | *67,014.07* |
| | *ভাৰত চৰকাৰৰ পৰা ঋণ* | *1,429.78* | *1,361.18* | *1,309.08* | *1,270.29* | *1,684.68* |
| ***ৰাজহুৱা হিচাপ দায়বদ্ধতা*** | | *15,814.13* | *14,619.97* | *16,605.41* | *18,355.96* | *18,709.04* |
| *(i) ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্যত নিধি ইত্যাদি* | | 10,179.33 | 11,206.99 | 12,188.05 | 13,156.52 | *14,045.37* |
| *(ii) সংৰক্ষিত নিধি* | | 2,805.10 | 510.56 | 618.07 | 1,300.50 | *1,343.70* |
| *(iii) জমা* | | 2,829.70 | 2,902.42 | 3,799.29 | 3,898.94 | *3,319.97* |
| **বাকী থকা সামগ্ৰীক ঋণৰ বৃদ্ধিৰ হাৰ *(শতাংশত)*** | | 12.62 | 12.04 | 20.60 | 21.59 | 20.97 |
| **মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন** | | 2,54,478.25 | 2,83,164.90 | 3,09,336.32 | 3,35,238.11 | 3,48,277.17 |
| **ঋণ/জি এচ ডি পি *(শতাংশ)*** | | 17.28 | 17.40 | 19.21 | 21.55 | 25.10 |
| **মুঠ ঋণ প্ৰাপ্তি** | | 13,533.76 | 18,848.19 | 25,163.98 | 25,275.04 | 27,561.92 |
| **মুঠ ঋণ পৰিশোধ** | | 8,607.78 | 13,553.88 | 15,013.26 | 12,444.13 | 11,416.65 |
| **মুঠ উপলব্ধ ঋণ** | | 4,925.98 | 5,294.31 | 10,150.72 | 12,830.91 | 16,145.27 |
| **ঋণ পৰিশোধ/ ঋণ প্ৰাপ্তি *(শতাংশ)*** | | 63.60 | 71.91 | 59.66 | 49.23 | 41.42 |

*994.00 কোটি টকাৰ ঋণ বাদ দি, যাক পত্ৰ নং. এফ. নং. 40(1) পি এফ-এচ/2021-22 তাং 10.12.2021 ৰ যোগেদি জি এচ টি ঘাটিৰ ক্ষতিপূৰণৰ বাবে ভাৰত চৰকাৰে বেক টু বেক ঋণ হিচাপে মঞ্জুৰি দিছিল।

**চিত্ৰ তালিকা 2.20: উপাদান অনুযায়ী ঋণৰ ধাৰা (কোটি টকাত)**




| | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| জমা | 2,829.70 | 2,902.41 | 3,799.29 | 3,898.94 | 3,319.97 |
| সংৰক্ষিত পুঁজি | 2,805.11 | 510.57 | 618.07 | 1,300.50 | 1,343.70 |
| ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্যৎ নিধি ইত্যাদি | 10,179.32 | 11,206.99 | 12,188.05 | 13,156.52 | 14,045.37 |
| বিত্তীয় প্ৰতিষ্ঠানৰ পৰা লোৱা ঋণ | 1,738.56 | 2,164.24 | 3,001.77 | 3,879.64 | 4,788.41 |
| এন এচ এচ এফলৈ দিয়া বিশেষ প্ৰতিভূতি | 9,329.54 | 8,664.07 | 7,954.58 | 7,199.62 | 6,444.65 |
| জি অ' আইৰ পৰা লোৱা ঋণ | 1,429.79 | 1,361.19 | 1,309.08 | 1,270.29 | 1,684.68 |
| বজাৰ ঋণ | 15,668.54 | 22,465.41 | 30,554.77 | 41,551.01 | 55,781.01 |

2020-21 ৰ সমাপ্তিত ৰাজ্যখনৰ মুঠ বাকী থকা ঋণ আছিল 87,407.79 কোটি টকা। বছৰটোৰ সময়ছোৱাত উপাদান অনুসৰি ঋণৰ শ্ৰেণী বিভাজন তলৰ **চিত্ৰ তালিকা 2.21** ত দেখুওৱা হৈছে।

**চিত্ৰ তালিকা 2.21: বিত্তীয় বৰ্ষ 2020-21 ৰ সমাপ্তিত ৰাজ্যখনৰ বাকী থকা ঋণৰ শ্ৰেণী বিভাজন (কোটি টকাত)**




আভ্যন্তৰীণ ঋণ, যিটো হৈছে মুখ্যত ঃ ৰাজ্যিক উন্নয়ন ঋণ (এচ ডি এল সমূহ) জাৰি কৰাৰ জৰিয়তে বজাৰ ঋণ, মুঠ বকেয়া ঋণৰ 77 শতাংশ। এই সময়ছোৱাত ৰাজ্যখনৰ দ্বাৰা প্ৰাপ্ত আভ্যন্তৰীণ ঋণ আৰু পৰিশোধ **চিত্ৰ তালিকা 2.22** ত দিয়া হৈছে।

### চিত্ৰ তালিকা 2.22: প্ৰত্যৰ্পনৰ বিপৰীতে আভ্যন্তৰীণ ঋণ গ্ৰহণ

(কোটি টকাত)




2016-21 ৰ সময়ছোৱাত ৰাজ্যখনৰ বিত্তীয় ঘাটি জি এচ ডি পিৰ 1.54 শতাংশ আৰু 4.45 শতাংশ পৰিসৰৰ ভিতৰত আছিল। পাঁচ বছৰৰ সময়ছোৱাত বিত্তীয় ঘাটিৰ বিত্তীয় আৰ্হি **সাৰণী 2.36** ত প্ৰতিফলিত হোৱাৰ দৰে গঠনত সলনি হৈছে। 2020-21 সময়ছোৱাত বিত্তীয় ঘাটিৰ বিত্তীয় যোগান তলত দিয়া ৰাটাৰফল **চিত্ৰ তালিকা 2.36** এখনৰ জৰিয়তে প্ৰকাশ কৰা হৈছে।

### সাৰণী 2.36: বিত্তীয় ঘাটিৰ উপাদানসমূহ আৰু সেই সমূহৰ বিত্তীয় যোগানৰ আৰ্হি

(কোটি টকাত)

| বিৱৰণ | | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| বিত্তীয় ঘাটি (-)/ৰাহি (+) | | -6,125.77 | -9,342.20 | -4,779.06 | -14,915.80 | -12,102.03 |
| এফ ডি/ জি এচ ডি পি | | -2.41 | -3.30 | -1.54 | -4.45 | -3.47 |
| বিত্তীয় ঘাটি /ৰাহিৰ গঠন | | | | | | |
| 1 | ৰাজহ ঘাটি (-) /ৰাহি(+) | -142.91 | -1,350.00 | 6,580.16 | -2,171.60 | 382.60 |
| 2 | প্ৰকৃত মূলধনী ব্যয় | -5,502.08 | -7,692.84 | -11,034.08 | -13,468.55 | -12,399.39 |
| 3 | প্ৰকৃত ঋণ আৰু অগ্ৰিম | -480.78 | -249.36 | -325.14 | 824.35 | -85.24 |
| 4 | আকস্মিক নিধিলৈ বিনিয়োজন | 0.00 | -50.00 | 0.00 | -100.00 | 0.00 |
| বিত্তীয় ঘাটিত বিত্ত যোগানৰ আৰ্হি* | | | | | | |
| 1 | বজাৰ ঋণসমূহ | 1,994.34 | 6,796.87 | 8,089.36 | 10,996.24 | 14,230.00 |
| 2 | ভাৰত চৰকাৰৰ পৰা ঋণ | -78.38 | -68.60 | -52.11 | -38.78 | 1,408.39 |
| 3 | এন এচ এচ এফ লৈ প্ৰদান কৰা বিশেষ নিৰাপত্তা | -630.19 | -665.47 | -709.49 | -754.96 | -754.97 |
| 4 | বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ | 573.31 | 425.67 | 837.53 | 877.86 | 908.77 |
| 5 | ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্যনিধি আৰু অন্যান্য | 796.45 | 1,027.66 | 981.06 | 968.47 | 888.85 |
| 6 | জমা আৰু অগ্ৰিম | 345.65 | -443.61 | 1,151.46 | 854.71 | -229.73 |
| 7 | চাচপেন্স আৰু অন্যান্য | 2,551.67 | 4,895.62 | -6,313.73 | 4,915.06 | -3,629.55 |
| 8 | প্ৰেৰণ | -72.34 | 20.50 | -56.58 | -141.96 | -46.40 |
| 9 | সংৰক্ষিত আৰু নিক্ষেপ নিধি | 1,240.52 | -2,294.54 | 107.50 | 682.44 | 43.21 |

| | | | | | | |
|---|---|---|---|---|---|---|
| **10** | আকস্মিক নিধি | 0.00 | 50.00 | 0.00 | 100.00 | 0.00 |
| **11** | **সামগ্ৰিক ঘাটি** | **6,721.03** | **9,744.10** | **4,035.00** | **18,459.08** | **12,818.59** |
| **12** | নগদ উদ্বৃত্ত বৃদ্ধি (-) / হ্ৰাস (+) | -595.26 | -401.90 | 744.06 | -3,543.28 | -716.55 |
| **13** | **মুঠ বিত্তীয় ঘাটি** | 6,125.77 | 9,342.20 | 4,779.06 | 14,915.80 | 12,102.03 |

** বছৰটোত প্ৰকৃত প্ৰাপ্তি আৰু বিতৰণ*

**চিত্ৰ তালিকা 2.23: ৰাটাৰফল চিত্ৰ তালিকাৰ জৰিয়তে বিত্তীয় ঘাটিলৈ বিত্তীয় যোগানৰ প্ৰদৰ্শন**

(কোটি টকাত)




বিত্তীয় ঘাটিত ৰাজহ ঘাটি / ৰাহি অংশই সূচায় যে বৰ্তমান ব্যৱহাৰৰ বাবে ধাৰ লোৱা পুঁজি কিমান পৰিমাণে ব্যৱহাৰ হৈছিল।

**সাৰণী 2.37: 2020-21 ৰ সময়ছোৱাত বিত্তীয় ঘাটিৰ বাবে বিত্তৰ যোগান ধৰা উপাদান সমূহৰ অধীনত প্ৰাপ্তি আৰু বিতৰণ সমূহ**

(কোটি টকাত)

| ক্ৰমিক নং | বিৱৰণ | প্ৰাপ্তি | বিতৰণ | প্ৰকৃত |
|---|---|---|---|---|
| 1 | বজাৰ ঋণসমূহ | 15,030.00 | 800.00 | 14,230.00 |
| 2 | ভাৰত চৰকাৰৰ পৰা ঋণ আৰু অগ্ৰিম | 1,557.82 | 149.43 | 1,408.39 |
| 3 | এন এচ এচ এফলৈ জাৰি কৰা বিশেষ সুৰক্ষা | 0 | 754.97 | -754.97 |
| 4 | বিত্তীয় প্ৰতিষ্ঠানসমূহৰ পৰা ঋণ | 1,352.35 | 443.58 | 908.77 |
| 5 | ক্ষুদ্ৰ সঞ্চয়, পি এফ আদি | 2,310.41 | 1,421.56 | 888.85 |
| 6 | জমা আৰু অগ্ৰিমসমূহ | 7,538.60 | 7,768.32 | -229.73 |
| 7 | চাচপেন্স আৰু বিবিধ | 1,29,610.79 | 1,33,240.33 | -3,629.54 |
| 8 | প্ৰেৰণসমূহ | 7,737.39 | 7,783.79 | -46.40 |
| 9 | সংৰক্ষিত আৰু নিক্ষেপ নিধি | 1,859.50 | 1,816.29 | 43.21 |
| **10** | **সামগ্ৰীক ঘাটি** | | | 12,818.58 |
| 11 | নগদ উদ্বৃত্তত বৃদ্ধি (-)/হ্ৰাস (+) | 2,980.20 | 3,696.79 | -716.55 |
| **12** | **সৰ্বমুঠ বিত্তীয় ঘাটি** | | | **12,102.03** |

## 2.8.2 ঋণৰ বিৱৰণ ঃ পূৰ্ণতাপ্ৰাপ্তি আৰু পৰিশোধন

ৰাজহুৱা ঋণত সন্নিৱিষ্ট হৈ আছে আভ্যন্তৰীণ আৰু ধাৰ আৰু ভাৰত চৰকাৰৰ পৰা লোৱা অগ্ৰিমসমূহ। 2020-21 বৰ্ষৰ বিত্তৰ হিচাপৰ বিৱৰণ 17 অনুসৰি **সাৰণী 2.38** আৰু **চিত্ৰ তালিকা 2.24** ত ৰাজহুৱা ঋণৰ পূৰ্ণতাপ্ৰাপ্তিৰ বিৱৰণ দিয়া হৈছে।

**সাৰণী 2.38: ৰাজহুৱা ঋণৰ পূৰ্ণতাপ্ৰাপ্তিৰ বিৱৰণ**

(কোটি টকাত)

| পূৰ্ণতাপ্ৰাপ্তিৰ বছৰ | পূৰ্ণতাপ্ৰাপ্তিৰ বিৱৰণ | পৰিমাণ | | | মুঠ ৰাজহুৱা ঋণৰ শতাংশ |
|---|---|---|---|---|---|
| | | আভ্যন্তৰীণ ঋণ | ভাৰত চৰকাৰৰ পৰা পোৱা ঋণ আৰু অগ্ৰিম | মুঠ | |
| **2021-22 লৈকে** | 0-1 বছৰ | 3,372.22 | 285.62 | 3,657.84 | **5.32** |
| **2022-23 আৰু 2023-24 ৰ ভিতৰত** | 2-3 বছৰ | 6,798.57 | 322.62 | 7,121.19 | **10.37** |
| **2024-25 আৰু 2025-26 ৰ ভিতৰত** | 4-5 বছৰ | 13,745.42 | 106.50 | 13,851.92 | **20.16** |
| **2026-27 আৰু 2027-28 ৰ ভিতৰত** | 6-7 বছৰ | 12,908.05 | 102.22 | 13,010.27 | **18.94** |
| **2028-29 ৰ পৰা** | 7 বছৰৰ ওপৰৰ | 30,189.81 | 867.72 | 31,057.53 | **45.21** |
| মুঠ | | **67,014.07** | **1,684.68** | **68,698.75** | |

**চিত্ৰ তালিকা 2.24: ৰাজহুৱা ঋণৰ পূৰ্ণতাপ্ৰাপ্তিৰ বিৰৰণ**




31 মাৰ্চ 2021 লৈকে থকা পৰিশোধ কৰিব লগা ৰাজহুৱা ঋণৰ পৰিমাণৰ পূৰ্ণতাপ্ৰাপ্তিৰ বিৰৰণে দেখুৱাইছে যে পৰিশোধ কৰিব লগা 68,698.75 কোটি টকাৰ ৰাজহুৱা ঋণৰ ভিতৰত 54.79 শতাংশ (37,641.22 কোটি টকা) অহা সাত বছৰৰ ভিতৰত পৰিশোধ কৰিব লাগিব আনহাতে বাকী থকা 45.21 শতাংশ (31,057.53 কোটি টকা) সাত বছৰতকৈয়ো অধিক পৰিপক্কতা বন্ধনীত আছে। মুঠ পৰিশোধ কৰিব লগা ঋণৰ ভিতৰত, বজাৰ ঋণ, নাবাৰ্ডৰ পৰা লোৱা ঋণ আৰু কেন্দ্ৰীয় চৰকাৰৰ এন এচ এফক দিয়া বিশেষ প্ৰতিভূত্তিৰে গঠিত 98.19 শতাংশ (67,014.07 কোটি টকা)।

বিগত তিনি বছৰত এচ এফ এ আৰ ত উল্লেখ কৰাৰ বিপৰীতে কৰা প্ৰকৃত বিতৰণৰ বিস্তৃত বিৰৰণ তলত উল্লেখ কৰা হৈছে।

**সাৰণী 2.39: ৰাজহৰা ঋণৰ পূৰ্ণতাপ্ৰাপ্তিৰ বিৰৰণ**

**(কোটি টকাত)**

| বছৰ | 31 মাৰ্চলৈকে পৰিশোধ কৰিব লগা ৰাজহুৱা ঋণ | বিত্তীয় হিচাপত দেখুওৱা পৰিশোধ | প্ৰকৃত পৰিশোধ |
|---|---|---|---|
| 2018-19 | 42,820.20 | 3,301.19 | 3,589.36 |
| 2019-20 | 53,900.56 | 2,880.50 | 3,169.27 |
| 2020-21 | 68,698.75 | 3,773.55 | 2,147.98 |
| **মুঠ** | | **9,955.24** | **8,906.61** |

এইটো দেখা যায় যে 2018-19 ৰ পৰা 2020-21 ৰ সময়ছোৱাত বিত্তীয় হিচাপ অনুসৰি ৰাজ্যখনে 9,955.24 কোটি টকাৰ বিপৰীতে 8,906.61 কোটি টকাৰ ঋণ পৰিশোধ কৰিছে। এই পাৰ্থক্য সমিলমিলকৰণৰ প্ৰক্ৰিয়াধীন হৈ আছে।

## 2.9 ঋণ বহনক্ষমতা বিশ্লেষণ (ডি এচ এ)

ঋণ বহনক্ষমতাই ৰাজ্যখনৰ বৰ্তমান আৰু ভৱিষ্যতত ইয়াৰ ঋণ সেৱাৰ সক্ষমতাক বুজাইছে। অৱশ্যে, ৰাজহুৱা ঋণৰ স্তৰ যিমান উচ্চ হয় সিমানেই বিত্তীয় নীতি আৰু ঋণ বহন ক্ষমতা অবহনযোগ্য হোৱাৰ সম্ভাৱনা থাকে কিয়নো অধিক ঋণ বহন ক্ষমতা বজায় ৰাখিবলৈ অধিক প্ৰাথমিক উদ্বৃত্তৰ প্ৰয়োজন হয়। এক উচ্চ স্তৰৰ ঋণে এক বুজন পৰিমাণৰ প্ৰত্যাহ্বান উদ্ভৱ কৰিব পাৰে ঃ

- উচ্চ স্তৰৰ ঋণ পৰিবহন কৰিবলৈ বৃহৎ প্ৰাথমিক উদ্বৃত্তৰ প্ৰয়োজন, অৰ্থনৈতিক আৰু ৰাজনৈতিক ভাৱে এনে অতিৰিক্ত পৰিমাণ বজাই ৰখা কঠিন হ'ব পাৰে।

- উচ্চ স্তৰৰ ঋণে সুদৰ হাৰ আৰু বিকাশৰ স্থিতিৰ তুলনাত এটা অৰ্থনৈতিক খৰচীয়া বৃদ্ধি কৰে।
- এক উচ্চ ঋণৰ স্তৰ সাধাৰণতে উচ্চ ঋণ গ্ৰহণৰ প্ৰয়োজনীয়তাৰ সৈতে সম্পৰ্কিত আৰু সেয়েহে বিত্তীয় সংকটৰ অধিক আশংকা থাকে (অৰ্থাৎ ব্যক্তিগত উৎসৰ পৰা ঋণ লোৱাৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ অক্ষম হোৱা বা কেৱল অতি উচ্চ হাৰত সুদৰ হাৰতহে কৰিব পৰা)।
- উচ্চ স্তৰৰ ঋণ অৰ্থনৈতিক বিকাশৰ বাবে ক্ষতিকাৰক হ'ব পাৰে; আনহাতে নিম্ন বিকাশ নিজেই এক চিন্তাৰ বিষয় ই দীৰ্ঘম্যাদী সময়ত ঋণৰ গতিশীলতা আৰু ঋণ বহনৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলায়।

ঋণৰ দুৰ্বলতাও ইয়াৰ পাৰ্শ্চৰূপৰ সৈতে সম্পৰ্কীত প্ৰকৃত ম্যাদপূৰ্ণতাৰ সময়ত হ্ৰস্বম্যাদী ঋণৰ উচ্চ অংশ, ৰোল অভাৱৰ প্ৰতি দুৰ্বলতা (পুনৰ বিত্তীয় বিপদাশংকা) আৰু সুদৰ হাৰৰ বিপদাশংকা বৃদ্ধি কৰে। ৰাজহুৱা ঋণৰ স্থিৰতাই নিশ্চিত কৰে যে ই বিস্ফোৰিত নহয় আৰু চৰকাৰক কৰ বৃদ্ধি কৰিবলৈ বা ব্যয় বৃদ্ধি কৰিবলৈ বাধ্য কৰোৱা নহয়।

**ঋণ বহনৰ সূচক সমূহঃ**

| | |
|---|---|
| জি এচ ডি পি ৰ সৈতে মুঠ বকেয়া ঋণৰ অনুপাত (শতাংশত) | জি এচ ডি পি ৰ অনুপাতৰ ঋণ হৈছে ৰাজ্য এখনৰ ৰাজহুৱা ঋণক ইয়াৰ মুঠ ঘৰুৱা উৎপাদনৰ (জি এচ ডি পি) সৈতে তুলনা কৰা একক পদ্ধতি। ৰাজ্য এখনে কি উৎপাদন কৰে তাৰ সৈতে তুলনা কৰি জি এচ ডি পি অনুপাতৰ ঋণে নিৰ্দিষ্ট ৰাজ্যৰ ইয়াৰ ঋণ পৰিশোধ কৰাৰ সামৰ্থ্য বিশ্বাসযোগ্যভাৱে সূচায়।<br>হ্ৰাস হোৱা ঋণ জি এচ ডি পি অনুপাতক স্থিৰতাৰ দিশত সৰ্বাৰ্ধিক গুৰুত্বপূৰ্ণ হিচাপে গণ্য কৰিব পাৰি। যদি ঋণ জি এচ ডি পি অনুপাত দ্ৰুত গতিত বৃদ্ধি হৈ আছে আৰু এক সীমাৰ ওপৰলৈ গৈছে আমি ক'ব পাৰো যে প্ৰাথমিক উদ্বৃত্তৰ বৰ্তমানৰ স্তৰ জি এচ ডি পি অনুপাতলৈ ঋণ স্থিৰ কৰিবলৈ পৰ্য্যাপ্ত নহয়, যি এক বিস্ফোৰক পথত আছে। ৰাজহুৱা ঋণ বহনক্ষম কৰাৰ বাবে প্ৰয়োজনীয় স্তৰলৈ বিত্তীয় ঘাটি (প্ৰাথমিক উদ্বৃত্ত) হ্ৰাস কৰি পৰ্য্যাপ্ত বিত্তীয় সমন্বয় কৰিব লাগে। |
| মুঠ বকেয়া ঋণৰ সৈতে ৰাজহ প্ৰাপ্তিৰ অনুপাত | যদি অনুপাত বৃদ্ধি হৈ আছে, চৰকাৰে অতিৰিক্ত ঋণৰ আশ্ৰয় নোলোৱাকৈ কেৱল ৰাজহ প্ৰাপ্তিক ব্যৱহাৰ কৰি ইয়াৰ ঋণ পৰিশোধ কৰাটো সহজ হ'ব। |
| মুঠ বকেয়া ঋণৰ সৈতে ৰাজ্যৰ নিজৰ সম্পদৰ অনুপাত | যদি অনুপাত বৃদ্ধি হৈ আছে, চৰকাৰৰ বাবে ইয়াৰ নিজৰ সম্পদ ব্যৱহাৰ কৰি ঋণ পৰিশোধ কৰাটো সহজ হ'ব। |
| মুঠ ৰাজহ প্ৰাপ্তিৰ সৈতে বকেয়া পত্যাভূতিৰ পৰিমাণৰ অনুপাত শতাংশত | প্ৰত্যাভূতিৰ উচ্চতৰ শতাংশই বিত্তীয় বিপদাশংকা বৃদ্ধি কৰে। ৰাজ্যসমূহে চৰকাৰী পত্যাভূতি সমূহৰ ওপৰত বিধিবদ্ধ বা প্ৰশাসনিক উৰ্দ্ধসীমা স্থাপন কৰিছে। |

| | |
|---|---|
| জি এচ ডি পি বিকাশৰ হাৰৰ বিপৰীতে বকেয়া ৰাজহুৱা ঋণৰ বিকাশৰ হাৰ | ৰাজহুৱা ঋণৰ বিকাশৰ হাৰ যদি জি এচ ডি পি বিকাশৰ হাৰতকৈ উচ্চ হয়, ইয়াৰ ফলত জি এচ ডি পি হাৰতকৈও অধিক ঋণ হ'ব। |
| বকেয়া ঋণৰ সুদৰ হাৰৰ গড় (সুদ প্ৰদান / ৰাজহুৱা ঋণৰ অ বি + ৰাজহুৱা ঋণৰ চি বি / 2) | উচ্চতৰ সুদৰ হাৰ হৈছে ঋণৰ পুনৰ গঠনৰ সুবিধা থকা। |
| ৰাজহ প্ৰাপ্তিত সুদ প্ৰদানৰ শতাংশ | সুদ প্ৰদানৰ উচ্চতৰ শতাংশই অগ্ৰাধিকাৰ এলেকাৰ বাবে কমকৈ পুঁজি ৰাখে। ই এক নিৰ্দিষ্ট সময়ত ইয়াৰ আত্ম প্ৰকাশত সুদ পৰিশোধ কৰাৰ বাবে চৰকাৰৰ সুৰক্ষাৰ ব্যৱধান ৰাখে। উদ্ভৱ হ'ব পৰা ভৱিষ্যৎ বিত্তীয় দুৰৱস্থাত বৰ্তি থকাৰ (আৰু সম্ভৱ অপ্ৰত্যাশিত) বাবে সুদ প্ৰদানৰ জোৰা মৰাৰ বাবে চৰকাৰে লগাতকৈয়ো অধিক ৰাজহ বিচাৰে।<br>যদি ঋণ লোৱা পুঁজিৰ বুজন অংশ ঋণ লোৱাৰ বাবে আৰু লগতে ইয়াৰ সুদৰ বাবে পৰিশোধ কৰা হয়, উন্নয়নৰ কাম-কাজৰ বাবে ৰাজ্যৰ সৈতে উপলব্ধ ঋণৰ অংশ কৰ্তন কৰিব লাগিব। |
| ৰাজহুৱা ঋণৰ প্ৰাপ্তিত ৰাজহুৱা ঋণৰ পৰিশোধৰ শতাংশ | অধিকতৰ শতাংশ উৎপাদনশীলতাৰ সলনি ঋণ পৰিশোধৰ বাবে ব্যৱহৃত ঋণৰ অংশ সিমানেই বেছি। |
| ৰাজ্যৰ বাবে প্ৰকৃত ঋণ উপলব্ধ | এই হৈছে ৰাজহুৱা ঋণৰ ৰাজহুৱা ঋণ পৰিশোধ আৰু সুত পৰিশোধৰ ওপৰত ৰাজহুৱা ঋণ প্ৰাপ্তিৰ অতিৰিক্ত। |
| ৰাজ্যিক ঋণ পৰিশোধৰ ঋণ পৰিপক্কতাৰ পাৰ্শ্বচিত্ৰ - খিলাপী ইতিবৃত্ত সহ যদি কিবা থাকে | প্ৰকৃত ম্যাদ পুৰ্তিৰ সময়ত হ্ৰস্ৱম্যাদী ঋণৰ উচ্চ অংশ, ৰোল অভাৱৰ প্ৰতি দুৰ্বলতা (পুনৰ বিত্তীয় বিপদাংশকা) আৰু সুদৰ বিপদাংশকা বৃদ্ধি কৰে। আগন্তুক সাত বছৰত পৰিশোধ কৰিবলগীয়া ঋণৰ অনুপাত সৈতে অনুসূচী অনুসৰি পৰিশোধৰ অতীতৰ তথ্য ঋণ পৰিশোধৰ স্থিতিৰ পৰিচায়ক। |

## 2.9.1 ঋণ বহনতাৰ বিশ্লেষণ (ডি এচ এ) – বকেয়া ঋণ

বকেয়া ঋণ গঠিত হয় ৰাজহুৱা ঋণ আৰু ৰাজহুৱা হিচাপ দায়বদ্ধতা লগলাগি। ঋণ লওঁতাক বহনক্ষম বুলি গণ্য কৰা হয় যদি ঋণ লওঁতাই, এই ক্ষেত্ৰত, বৰ্তমান আৰু ভৱিষ্যৎ ইয়াৰ ঋণ পৰিসেৱা কৰাৰ স্থিতিত থাকে। ঋণ স্থিৰতা সূচকবোৰে সেইদৰে সময়মতে সুদ পৰিশোধৰ জৰিয়তে ঋণ পৰিশোধ কৰাৰ সামৰ্থ্য পৰীক্ষা কৰি আৰু ৰাজহৰ বৰ্তমান আৰু নিয়মীয়া উৎসৰ পৰা ঋণ পৰিশোধ কৰি ঋণ লওঁতাৰ ঋণৰ যোগ্যতা আৰু তৰলতাৰ স্থিতি মূল্যাংকন কৰিব বিচাৰে।

ঋণ স্থিৰতা বিশ্লেষণৰ (ডি এচ এ) আধাৰশীলা হ'ল ঋণ ৰখাৰ অনুপাত। জি এচ ডি পি অনুপাতৰ ঋণ মুখ্যতঃ বৃদ্ধি হয় কাৰণ ঋণৰ উচ্চ স্তৰৰ ফলত মুঠ সুদব্যয় অধিক হয়, আৰু ই উচ্চ ঘাটি আৰু ঋণলৈ পৰিবৰ্তিত হয়। এক বহনক্ষম বিত্তীয় নীতি হৈছে এনে, য'ত জি এচ ডি পি অনুপাতৰ ঋণ স্থিৰ বা দীৰ্ঘম্যাদী সময়ত হ্ৰাস পাই থাকে।

এই শাখাটোৱে ঋণ / জি এচ ডি পি অনুপাত, বিত্তীয় ঘাটি, সুদ পৰিশোধৰ বোজা (সুদ পৰিশোধ আৰু ৰাজহ প্ৰাপ্তিৰ অনুপাতৰ দ্বাৰা জোখা হয়) আৰু ৰাজ্য চৰকাৰৰ ঋণৰ ম্যাদ-পুৰ্তি পাশ্চচিত্ৰৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ঋণৰ স্থিৰতা মূল্যায়ন কৰে।

**সাৰণী 2.40** য়ে 2016-17 বৰ্ষৰ পৰা আৰম্ভ হোৱা পাঁচ বছৰৰ সময়ছোৱাৰ বাবে এই সূচকসমূহ অনুসৰি ৰাজ্যৰ ঋণৰ বহনক্ষমতা প্ৰদৰ্শন কৰিছে।

**সাৰণী 2.40: ঋণৰ বহনক্ষমতাঃ সূচক আৰু প্ৰৱণতা**

(কোটি টকাত)

| ঋণৰ বহনক্ষমতাৰ সূচক | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| বকেয়া ঋণ (কোটি টকাত) | 43,980.56 | 49,274.88 | 59,425.61 | 72,256.52 | 87,407.79* |
| ৰাজহ প্ৰাপ্তিৰ বকেয়াৰ ঋণৰ শতাংশ | 89.36 | 91.03 | 93.61 | 112.03 | 134.68 |
| ঋণ / জি এচ ডি পি (শতাংশ) | 17.28 | 17.40 | 19.21 | 21.55 | **25.10** |
| বিত্তীয় ঘাটি / জি এচ ডি পিৰ (শতাংশ) | 2.41 | 3.30 | 1.54 | 4.45 | 3.47 |
| সুদ প্ৰদান / ৰাজহ প্ৰাপ্তিৰ অনুপাত | 6.02 | 5.92 | 6.06 | 6.88 | 8.01 |
| বকেয়া ঋণৰ বিকাশৰ হাৰ (শতাংশ) | 12.61 | 12.04 | 20.60 | 21.59 | 20.97 |
| জি এচ ডি পি ৰ বিকাশৰ হাৰ (শতাংশ) | 11.63 | 11.27 | 9.24 | 8.37 | 3.89 |
| আৰ আৰ ৰ বিকাশৰ হাৰ (শতাংশ) | 15.93 | 9.98 | 17.27 | 1.60 | 0.63 |
| সুদ পৰিশোধ (কোটি টকাত)ত | 2,963.75 | 3,205.32 | 3,844.37 | 4,438.87 | 5,199.18 |
| বকেয়া ঋণৰ ওপৰত সুদৰ হাৰৰ গড় (শতাংশ) | 7.14 | 6.87 | 7.07 | 6.74 | 6.51 |
| ঋণ প্ৰাপ্তিৰ শতাংশ হিচাপত উপলব্ধ ঋণ | **36.40** | **28.09** | **40.34** | **50.77** | **58.58** |

**2020-21 বৰ্ষত ভাৰত চৰকাৰে দিয়া 994.00 কোটি টকাৰ বেক টু বেক ঋণ অন্তৰ্ভুক্ত কৰা হোৱা নাই।*

XIV বিত্ত আয়োগে পৰামৰ্শ দিয়া অনুসৰি বিত্তীয় একত্ৰিকৰণ ৰোডমেপে ঋণ বহনক্ষমতা সম্পৰ্কে নিম্নলিখিত লক্ষ নিৰ্দ্ধাৰণ কৰিছিল-

- ঋণ জি এচ ডি পি ৰ 25 শতাংশতকৈ কম হোৱা উচিত; আৰু
- সুদৰ পৰিশোধ ৰাজহ প্ৰাপ্তিৰ 10 শতাংশতকৈ কম হোৱা উচিত।

তাৰোপৰি XV বিত্ত আয়োগে পৰামৰ্শ দিছিল যে ৰাজ্য চৰকাৰেও ঋণ একত্ৰিকৰণৰ অনুমোদিত পথটো পালন কৰিব লাগে আৰু এফ আৰ বি এম আইনত অন্তৰ্ভুক্ত থকা বিত্তীয় ঘাটিৰ দুয়োটা সংজ্ঞাই অনুসৰণ কৰিব লাগে। আইনখনে বিবেচনা কৰিছিল যে ৰাজ্যৰ বাকীথকা জি এচ ডি পি ৰ ঋণ 2020-21 ত জি এচ ডি পি ৰ 28.50 শতাংশলৈ সীমিত হ'ব লাগে।

**সাৰণী 2.40** ৰ পৰা দেখা যায় যে, বিগত পাঁচ বছৰত অৰ্থাৎ 2016-17 ৰ পৰা 2020-21 লৈ জি এচ ডি পিৰ ঋণৰ হাৰ এক উৰ্দ্ধধাৰাত দেখুওৱা হৈছে। বিগত দুবছৰৰ সময়ছোৱাত ই তীক্ষ্ণভাৱে বৃদ্ধি পোৱাৰ অভিলেখ কৰিছিল আৰু 2020-21 ৰ সময়ছোৱাত 25.10 শতাংশৰ পৰ্য্যায় পাইছিলগৈ। এফ আৰ বি এম আইনৰ লগতে এই হাৰ এ এফ আৰ বি এম আইন নিৰ্ধাৰণ কৰা সীমা 28.50 শতাংশৰ তলত চলিত বৰ্ষৰ সময়ছোৱাত আছিল ৰাজ্যৰ ৰাজহ প্ৰাপ্তিৰ 134.68 শতাংশ। ৰাজহ প্ৰাপ্তিৰ বৃদ্ধিৰ হাৰ বছৰটোৰ 20.97 শতাংশৰ বকেয়া ঋণৰ বিপৰীতে 0.63 শতাংশ আছিল। যদিও ৰাজহ প্ৰাপ্তিয়ে পাঁচটা বছৰৰ সময়ছোৱাত এটা বছৰতহে অৰ্থাৎ 2016-17 ত ঋণৰ বিকাশৰ হাৰক অতিক্ৰম কৰিছিল। সুত প্ৰদানৰ বোজা ৰাজহ প্ৰাপ্তিৰ 5.92 ৰ পৰা 8.01 শতাংশ পৰিসৰ পাইছিল। 2016-17 ৰ পৰা 2020-21 ৰ এই পাঁচ বছৰৰ সময়ছোৱাত, যেতিয়া জি এচ ডি পি 8.16 শতাংশৰ চি এ জি হাৰতে বৃদ্ধি পাইছিল, বকেয়া ঋণ 18.73 শতাংশৰ এক দ্ৰুত হাৰত বৃদ্ধি হয়, আৰু সেইবাবে ৰাজ্যখনে সংশোধন কাৰ্য্যৰ বাবে ঋণৰ স্থিতি পুনৰীক্ষণ কৰা প্ৰয়োজন। ৰাজ্য চৰকাৰে এক বহনক্ষম আধাৰত ঋনক ৰখাৰ বাবে এক স্থানত ৰাখিবলৈ ইয়াৰ ৰাজহ প্ৰাপ্তি অধিক বৃদ্ধি কৰাৰ প্ৰয়োজন।

সামৰণি বৈঠকৰ সময়ছোৱাত (ডিচেম্বৰ 21) হিচাপ পৰীক্ষাই জি এচ ডি পিৰ অনুপাতে ঋণৰ হাৰৰ বৃদ্ধি হোৱা প্ৰৱনতাৰ ওপৰত উদ্বেগ প্ৰকাশ কৰে।

প্ৰত্যুত্তৰত, বিত্তীয় বিভাগৰ সঞ্চালক আৰু সচিবে মন্তব্য কৰিছিল যে 2020-21 ৰ সময়ছোৱাত এ এফ আৰ বি এম আইন 2020 ৰ সংশোধনৰ জৰিয়তে ৰাজ্যখনে অতিৰিক্ত ঋণৰে অৰ্থাৎ জি এচ ডি পিৰ 2.5 শতাংশলৈকে অৱলম্বন কৰিছিল।

### 2.9.1.1 ঋণ বহনতাৰ বিশ্লেষণ (ডি এচ এ)– ৰাজহুৱা ঋণ

ৰাজহৱা ঋণ হৈছে ৰাজ্যখনৰ মুঠ ঋণৰ এটা উপাদান। ইয়াত কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা আভ্যন্তৰীণ ঋণ, ঋণ আৰু অগ্ৰিম সমূহ আছে। এই শাখাটোৱে ৰাজহুৱা ঋণ / জি এচ ডি পি অনুপাত, বিত্তীয় ঘাটি আৰু সুদ পৰিশোধৰ বোজাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ৰাজহুৱা ঋণৰ স্থিৰতা মূল্যায়ন কৰে (ৰাজহ প্ৰাপ্তিৰ সৈতে সুদ পৰিশোধৰ অনুপাতৰ দ্বাৰা জোখা হয়)।

2016-17বৰ্ষৰ পৰা আৰম্ভ হোৱা পাঁচ বছৰৰ সময়ছোৱাৰ বাবে এই সূচক অনুসৰি ৰাজ্যৰ ৰাজহুৱা ঋণ বহন ক্ষমতা **সাৰণী 2.41** আৰু লগতে **চিত্ৰ তালিকা 2.25** ত দিয়া হৈছে।

**সাৰণী 2.41 ৰাজহুৱা ঋণ বহন ক্ষমতা সূচকৰ প্ৰৱণতা**

**(কোটি টকাত)**

| ঋণ বহন ক্ষমতা সূচক | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| বকেয়া ৰাজহুৱা ঋণ* | 28,166.43 | 34,654.91 | 42,820.20 | 53,900.56 | 68,698.75** |
| বকেয়া ৰাজহুৱা ঋণৰ বিকাশৰ হাৰ (শতাংশত) | 7.07 | 23.04 | 23.56 | 25.88 | 27.45 |
| জি এচ ডি পি | 2,54,478.25 | 2,83,164.90 | 3,09,336.32 | 3,35,238.11 | 3,48,277.17 |
| জি এচ ডি পি বৃদ্ধিৰ হাৰ (শতাংশত) | 11.63 | 11.27 | 9.24 | 8.37 | 3.89 |
| ৰাজহুৱা ঋণ / জি এচ ডি পি (শতাংশত) | 11.07 | 12.24 | 13.84 | 16.08 | 19.73 |
| ৰাজ্যৰ ঋণ পৰিশোধৰ বিৱৰণ- খিলাপীৰ ইতিবৃত্ত সৈতে যদিহে আছে | 2,042.63 | 1,958.60 | 3,589.36 | 3,169.26 | 2,147.98 |
| বকেয়া ৰাজহুৱা ঋণত গড় সুদৰ হাৰ (শতাংশত) | 8.36 | 7.90 | 7.88 | 7.39 | 7.05 |
| ৰাজহ প্ৰাপ্তিৰ ৰাজহুৱা ঋণৰ ওপৰত সুদ পৰিশোধৰ শতাংশ | 4.63 | 4.58 | 4.81 | 5.54 | 6.66 |

| | | | | | |
|---|---|---|---|---|---|
| **ৰাজহুৱা ঋণ প্ৰাপ্তিলৈ ৰাজহুৱা ঋণ পৰিশোধৰ শতাংশ** | 52.35 | 23.19 | 30.54 | 22.24 | 11.97 |
| **ৰাজ্যৰ উপলব্ধ ঋণৰ পৰিমাণ#** | -418.85 | 4,007.28 | 5,113.18 | 7,507.86 | 11,468.35 |
| **ঋণ প্ৰাপ্তিৰ শতাংশ অনুসৰি উপলব্ধ ঋণৰ পৰিমাণ** | -10.74 | 47.44 | 43.51 | 52.69 | 63.93 |

*উৎস ঃ বিত্ত হিচাপ*

** বকেয়া ৰাজহুৱা ঋণ হৈছে 6003-আভ্যন্তৰীণ ঋণ আৰু 6004-কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা ঋণ আৰু অগ্ৰিম শিতানৰ অধীনত বকেয়া উদ্ধৃত্তৰ সমষ্টি।*

*** 2020-21 ৰ সময়ছোৱাত ভাৰত চৰকাৰে বেক টু বেক ঋণ হিচাপে প্ৰদান কৰা 994.00 কোটি টকাৰ ঋণ বাদ দি*

*# ৰাজ্য চৰকাৰৰ উপলব্ধ মুঠ ঋণ হৈছে ৰাজহুৱা ঋণৰ প্ৰাপ্তিৰ ওপৰত ৰাজহুৱা ঋণ আৰু ঋণৰ সুদ পৰিশোধৰ পাৰ্থক্য।*

**চিত্ৰ তালিকা 2.25: ঋণ বহন সূচকসমূহৰ প্ৰৱণতা**




ওপৰৰ তালিকাৰ পৰা স্পষ্ট হৈছে যে 2020-21 বৰ্ষৰ শেষত ৰাজহুৱা ঋণ মুঠ ঋণৰ 79 শতাংশৰে গঠিত হৈছিল। বছৰটোত ই 27.45 শতাংশৰ হাৰত বৃদ্ধি হৈছিল, অৰ্থাৎ বিগত পাঁচ বছৰৰ ভিতৰত সৰ্বাধিক। 27.45 শতাংশত ৰাজহুৱা ঋণৰ বৃদ্ধিৰ হাৰে বছৰটোৰ জি এচ ডি পি ৰ (3.89 শতাংশ) বিকাশৰ হাৰকো অতিক্ৰম কৰিছে। এই সকলোৰোৰে ইংগিত দিয়ে যে আগন্তুক বছৰবোৰত ৰাজহুৱা ঋণৰ ওপৰত সুদ পৰিশোধৰ চাপ বৃদ্ধি হ'ব।

## 2.9.2 ঋণ লোৱা পুঁজি সমূহৰ ব্যৱহাৰ

ঋণৰ পুঁজিসমূহ মূলধন সৃষ্টি আৰু উন্নয়নমূলক কাম-কাজৰ বাবে আদৰ্শগতভাৱে ব্যৱহাৰ কৰা উচিত। ধাৰ পোৱা পুঁজি উপভোগত খৰচ কৰা আৰু বকেয়া ঋণৰ সুদ পৰিশোধ কৰাৰ বাবে ব্যৱহাৰ কৰাটো বহনক্ষম নহয়।

2016-21 ৰ বিগত পাঁচ বছৰৰ সময়ছোৱাত ঋণৰ (ৰাজহুৱা ঋণ প্ৰাপ্তি) প্ৰৱণতা আৰু ব্যৱহাৰ **সাৰণী 2.42** ত দেখুওৱা হ'ল।

**সাৰণী 2.42: ধাৰ লোৱা পুঁজিৰ ব্যৱহাৰ**

**(কোটি টকাত)**

| ক্ৰমিক নং | বছৰ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| 1 | মুঠ ঋণ (ৰাজহুৱা ঋণ প্ৰাপ্তি) | 3,901.71 | 8,447.07 | 11,754.65 | 14,249.63 | 17,940.18 |
| 2 | পূৰ্বৰ ঋণ সমূহৰ পৰিশোধ (শতাংশ) | 2,042.63 (52.35) | 1,958.60 (23.19) | 3,589.36 (30.54) | 3,169.26 (22.24) | 2,147.98 (11.97) |
| 3 | মুলধনী ব্যয় (শতাংশ) | 5,502.08 (141.02) | 7,692.84 (91.07) | 11,034.08 (93.87) | 13,468.55 (94.51) | 12,399.39 (69.12) |

*উৎস ঃ বিত্ত হিচাপ*

দেখা গৈছে যে 2016-17 ত 3,901.71 কোটি টকাৰ পৰা ৰ পৰা 2020-21 ত 17,940.18 কোটি টকালৈ এই পাঁচ বছৰত মুঠ 359.80 শতাংশ ৰাজহুৱা ঋণ প্ৰাপ্তি বৃদ্ধি পাইছিল। 2020-21 ত 17,940.18 কোটি টকাৰ ৰাজহুৱা ঋণৰ পৰা ৰাজ্য চৰকাৰে পূৰ্বৰ ঋণ পৰিশোধৰ বাবে 11.97 শতাংশ (2,147.98 কোটি টকা) আৰু মুলধনী ব্যয়ৰ বাবে 69.12 শতাংশ (12,399.39 কোটি টকা) ব্যৱহাৰ কৰিছিল যি বিগত পাঁচ বছৰত আটাইতকৈ কম।

## 2.9.3 প্ৰত্যাভূতিৰ স্থিতি – আকস্মিক দায়বদ্ধতা

প্ৰত্যাভূতি সমূহ ৰাজ্যৰ একত্ৰিত পুঁজিৰ দায়বদ্ধ হ'ব যদিহে ঋণ লওঁতাই যাক প্ৰত্যাভূতি আগবঢ়াইছিল তেওঁ পৰিশোধত অক্ষম হয়। এফ আৰ বি এম আইনৰ অনুসৰি, ৰাজ্য চৰকাৰৰ প্ৰত্যাভূতি সমূহ পৰৱৰ্তী দ্বিতীয় বছৰৰ ৰাজ্যৰ কৰ আৰু কৰবহিৰ্ভূত ৰাজহৰ 50 শতাংশৰ মাজত সীমাবদ্ধ ৰাখিব লাগিব।

2016-17 ৰ পৰা 2020-21 লৈকে ৰাজ্য চৰকাৰে পাঁচ বছৰ সময়ছোৱাত সুদৰ দায়বদ্ধসহ যি সমূহ বকেয়াৰ পত্যাভূতি দিছে তাৰ বিশদ বিৱৰণ **সাৰণী 2.43** ত দেখুওৱা হৈছে।

**সাৰণী 2.43: অসম চৰকাৰৰ দ্বাৰা দিয়া পত্যাভূতিসমূহ**

**(কোটি টকাত)**

| পত্যাভূতিসমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| **সুদৰ দায়বদ্ধসহ প্ৰত্যাভূতি সমূহৰ বকেয়া পৰিমাণ** | 130.00 | 90.23 | 85.02 | 83.42 | 77.72 |
| **এ এফ আৰ বি এম আইন 2005, অনুসৰি চৰ্ত** | মহাগাণনিকে (হিচাপ আৰু প্ৰাপ্য) সংৰক্ষণ কৰা হিচাপৰ খাতাত প্ৰতিফলিত হোৱা অনুসৰি ৰাজ্যৰ নিজস্ব কৰ আৰু অনাকৰ ৰাজহক ৰাজ্য চৰকাৰৰ প্ৰত্যাভূতি সমূহে যি কোনো সময়তে 50 শতাংশলৈ সীমাবদ্ধ কৰিব। | | | | |

চৰকাৰে বিভিন্ন নিগম আৰু অন্যান্যৰ দ্বাৰা সংগ্ৰহ কৰা ঋণৰ নিশ্চয়তা দিছিল, যি 2020-21 বৰ্ষৰ শেষত 77.72 কোটি টকা আছিল। ই ৰাজ্যৰ দ্বিতীয় পূৰ্বৱৰ্তী (24,146.14 কোটি টকা) বছৰৰ নিজা কৰ আৰু কৰ বহিৰ্ভূত ৰাজহৰ 0.32 শতাংশ আছিল, অৰ্থাৎ ৰাজ্যিক এফ আৰ বি এম আইনৰ নিৰ্দ্ধাৰিত সীমাৰ ভিতৰত আছিল। মুঠ বকেয়া পত্যাভূতিৰ 6.28 কোটি টকা (আঠ শতাংশ) শক্তি খণ্ডৰ সৈতে সম্পৰ্কিত।

## 2.9.4 নগদ উদ্বৃত্ত ৰ ব্যৱস্থাপনা

ভাৰতীয় ৰিজাৰ্ভ বেংক সৈতে হোৱা এক চুক্তি অনুসৰি ৰাজ্য চৰকাৰে আৰ বি আইৰ সৈতে নিম্নতম দৈনিক নগদ উদ্বৃত্ত বজাই ৰাখিব লাগিব। যদি উদ্বৃত্ত কোনোবা দিনত নিম্নতম তললৈ নামি যায়, তেতিয়া সময়ে সময়ে অৰ্থোপায় (ডব্লিউ এম এ) / বিশেষ অৰ্থোপায় (এচ ডব্লিউ এম এ) / অভাৰড্ৰাফ্‌ট (অ'ডি) গ্ৰহণ কৰি ঘাটি পূৰণ কৰা হয়। ৰাজ্য চৰকাৰলৈ সাধাৰণ ডব্লিউ এম এ ৰ সীমা আৰ বি আই য়ে সময়ে সময়ে সংশোধন কৰে।

ৰাজ্য চৰকাৰলৈ সাধাৰণ ডব্লিউ এম এ ৰ সীমা 01 এপ্ৰিল 2020 তাৰিখৰ পৰা কাৰ্য্যকৰী হৈ 608.49 কোটি টকা হৈছিল আৰু এচ ডব্লিউ এম এ ৰ সীমা বেংকে সময়ে সময়ে সংশোধন কৰে। ৰাজ্য চৰকাৰে 2020-21 ৰ সময়ছোৱাত আৰ বি আই ৰ সৈতে নিম্নতম দৈনিক নগদ উদ্বৃত্ত বজাই ৰাখিছিল আৰু বছৰটোত কোনো ডব্লিউ এম এ / এচ ডব্লিউ এম এ / অ'ডি লাভ কৰা নাছিল।

**সাৰণী 2.44** আৰু **চিত্ৰ তালিকা 2.26** এ ৰাজ্য চৰকাৰে বছৰটোত ইয়াৰ পৰা কৰা নগদ উদ্বৃত্ত আৰু বিনিয়োগ দেখুৱাইছে।

**সাৰণী 2.44 নগদ উদ্বৃত্ত আৰু সেইসমূহৰ বিনিয়োগ**

(কোটি টকাত)

| | 01 এপ্ৰিল 2020 ত আৰম্ভণি উদ্বৃত্ত | 31মাৰ্চ 2021 ত সমাপ্তি উদ্বৃত্ত |
|---|---|---|
| **A. সাধাৰণ নগদ উদ্বৃত্ত** | | |
| কোষাগাৰৰ নগদ | 0.00 | 0.00 |
| ভাৰতীয় ৰিজাৰ্ভ বেংকত থকা জমাসমূহ[13] | 2,980.20 | 3,696.76 |
| অন্যান্য বেংকৰ জমাসমূহ | 0.00 | 0.00 |
| সঞ্চাৰনত থকা প্ৰেৰণসমূহ-স্থানীয় | 0.00 | 0.00 |
| **মুঠ** | **2,980.20** | **3,696.76** |
| নগদ উদ্বৃত্ত বিনিয়োগ হিচাপত হোৱা বিনিয়োগ সমূহ | 2,932.60 | 6,905.27 |
| **মুঠ (A)** | **5,912.80** | **10,602.03** |
| **B. অন্যান্য নগদ উদ্বৃত্ত আৰু বিনিয়োগসমূহ** | | |
| বিভাগীয় বিষয়ৰ সৈতে থকা উদ্বৃত্ত অৰ্থাৎ গড়কাপ্তানি, বন বিষয়া সকল | 11.49 | 8.91 |
| বিভাগীয় বিষয়াসকলে আকস্মিক ব্যয়ৰ বাবে লোৱা স্থায়ী অগ্ৰিম | 0.47 | 0.47 |
| আচুতীয়া পুঁজিত কৰা বিনিয়োগ | 4,354.82 | 4,038.75 |
| **মুঠ (B)** | **4,366.78** | **4,048.13** |
| **মুঠ (A + B)** | **10,279.58** | **14,650.16** |
| **সুদ আহৰণ** | **382.86** | **68.66** |

[13] হিচাপ অনুসৰি (3,696.76 কোটি টকা) আৰু আৰ বি আইৰ অনুসৰি (17.21 কোটি টকা) সামৰণি নগদ উদ্বৃত্তৰ মাজত 3,679.55 কোটি টকাৰ পাৰ্থক্য আছে।

**চিত্ৰ তালিকা 2.26: 2020-21 ৰ সময়ছোৱাৰ ৰাজ্য চৰকাৰৰ নগদ উদ্বৃত্তৰ মুখ্য উপাদানসমূহ**




চলিত বৰ্ষৰ শেষত ৰাজ্য চৰকাৰৰ নগদ উদ্বৃত্ত 2019-20 ত 10,279.58 কোটি টকাৰ পৰা 2020-21 বৰ্ষত 14,650.16 কোটি টকালৈ মুঠ 4,370.58 কোটি টকা বৃদ্ধি পাইছিল। ই প্ৰকৃততে 2019-20 বৰ্ষত 2,932.60 কোটি টকাৰ পৰা 2020-21 ত 6,905.27 কোটি টকালৈ কোষাগাৰৰ বিলসমূহত 3,972.67 কোটি টকা বিনিয়োগ বৃদ্ধি হোৱাৰ বাবে বৃদ্ধি পাইছিল।

ৰাজ্য চৰকাৰে ইয়াৰ অতিৰিক্ত নগদ উদ্বৃত্ত হ্ৰস্ব আৰু দীৰ্ঘ ম্যাদী জি অ' আইৰ পত্যাভূতি সমূহত আৰু কোষাগাৰ বিলসমূহত বিনিয়োগ কৰিছিল। কোষাগাৰ সমূহৰ পৰা লাভ কৰা সুদ '0049 - সুদ প্ৰাপ্তি'ৰ শিতানৰ অধীনত প্ৰাপ্তি হিচাপে জমা কৰা হৈছে। নগদ উদ্বৃত্ত সমূহ একত্ৰিত নিক্ষেপ পুঁজি আৰু পত্যাভূতি পুনঃপ্ৰাপ্তি পুঁজিত সমানেই বিনিয়োগ কৰা হয়। অজস্ৰ নগদ উদ্বৃত্ত থকা স্বত্তেও ৰাজ্য চৰকাৰে বজাৰ ঋণৰ আশ্ৰয় লৈ উৎপাদনশীল কামত ব্যৱহাৰ নকৰি নগদ উদ্বৃত্তৰ পৰিমাণ বৃদ্ধি কৰাটো কাম্য নহয়। ৰাজ্য চৰকাৰে 2020-21 ৰ সময়ছোৱাত জি অ' আই পত্যাভূতি আৰু কোষাগাৰে বিলত বিনিয়োগ কৰি 68.66 কোটি টকা সুদ লাভ কৰিছিল।

বছৰটোৰ শেষত নিদ্ধাৰিত পুঁজিৰ 4,038.75 কোটি টকাৰ ভিতৰত, একত্ৰিত আচুতীয়া পুঁজিত 3,981.12 কোটি টকা আৰু পত্যাভূতি পুনঃপ্ৰাপ্তিৰ পুঁজিত 57.22 কোটি টকা বিনিয়োগ কৰিছিল। নিৰ্দ্ধাৰিত পুঁজিৰ পৰা লাভ কৰা সুদ আৰ বি আইৰ দ্বাৰা তেওঁলোকৰ বিনিয়োগৰ বাবে সম্পৰ্কিত পুঁজিলৈ ঘুৰাই জমা কৰা হয়।

2016-17 ৰপৰা 2020-21 লৈ পাঁচ বছৰৰ সময়ছোৱাত ৰাজ্যৰ নগদ উদ্বৃত্তৰ বিনিয়োগ তলৰ সাৰণীত দিয়া হ'লঃ

**সাৰণী 2.45: নগদ উদ্বৃত্ত বিনিয়োগ হিচাপ (মুখ্য শিতান-8673)**

**(কোটি টকাত)**

| বছৰ | আৰম্ভণি উদ্বৃত্ত | সামৰণি উদ্বৃত্ত | বৃদ্ধি (+) / হ্ৰাস (-) | সুদ আহৰণ |
|---|---|---|---|---|
| **2016-17** | 7,510.11 | 5,181.64 | -2,328.47 | 458.12 |
| **2017-18** | 5,181.64 | 936.95 | -4,244.69 | 286.53 |
| **2018-19** | 936.95 | 8,262.27 | 7,325.32 | 307.00 |
| **2019-20** | 8,262.27 | 2,932.60 | -5,329.67 | 382.86 |
| **2020-21** | 2,932.60 | 6,905.27 | 3,972.67 | 68.66 |

2016-21 ৰ সময়ছোৱাত ৰাজ্য চৰকাৰৰ নগদ উদ্ধৃত্তৰ বিনিয়োগৰ প্ৰৱণতা বিশ্লেষণে প্ৰকাশ কৰিছিল যে 2018-19 আৰু 2020-21 ৰ সময়ছোৱাত বিনিয়োগ লক্ষণীয়ভাৱে বৃদ্ধি পাইছিল। চলিত বৰ্ষত অৰ্থাৎ 2020-21 ত নগদ উদ্বৃত্ত আৰু হিচাপৰ বিনিয়োগৰ পৰা ৰাজ্যখনে ইয়াৰ অৰ্জন কৰা সুদ 68.66 কোটি টকা আছিল ।

**চিত্ৰ তালিকা 2.27** এ 2016-21 ৰ সময়ছোৱাত ৰাজ্যৰ নগদ উদ্বৃত্ত বিনিয়োগ হিচাপত থকা নগদ উদ্বৃত্ত আৰু ৰাজ্যৰ দ্বাৰা লোৱা বজাৰ ঋণৰ তুলনা কৰিছে। বজাৰ ঋণ উচ্চ সুদৰ হাৰত লোৱা হৈছিল আৰু আনহাতে কোষাগাৰ বিলত বিনিয়োগৰ পৰা সুদ নিম্ন হাৰত লাভ হৈছিল ।

**চিত্ৰ তালিকা 2.27: নগদ উদ্বৃত্ত বিনিয়োগ হিচাপৰ বিপৰীতে বজাৰ ঋণ**




**চিত্ৰ তালিকা 2.28** এ ৰাজ্যখনে লোৱা বজাৰ ঋণৰ সৈতে মাহ অনুযায়ী নগদ উদ্বৃত্ত বিনিয়োগ হিচাপৰ তুলনা কৰিছে।

**চিত্ৰ তালিকা 2.28: 2020-21 সময়ছোৱাত নগদ উদ্বৃত্ত বিনিয়োগ হিচাপৰ মাহ অনুযায়ী হোৱা গতিবিধি আৰু বজাৰ ঋণ**




পূৰ্বৱৰ্তী চিত্ৰ তালিকাই সূচিত কৰিছে যে বৃহৎ পৰিমাণৰ নগদ উদ্বৃত্ত থকা স্বত্বেও ৰাজ্য চৰকাৰে বছৰটোত বিভিন্ন কাৰণত বজাৰ ঋণৰ আশ্ৰয় গ্ৰহণ কৰিছে। 2020-21 বৰ্ষত, ৰাজ্য চৰকাৰে বজাৰৰ পৰা 15,030 কোটি টকাৰ ঋণ

লৈছিল, আনহাতে একে সময়তে, ৰাজ্য চৰকাৰৰ নগদ উদ্বৃত্তৰ পৰ্য্যায় বছৰটোত 4,382.39 কোটি টকাৰ পৰা 7,498.56 কোটি টকা আছিল।

ৰাজ্য চৰকাৰে বজাৰ ঋণ লোৱাৰ সম্পৰ্কত কোনো সিদ্ধান্ত গ্ৰহণ কৰাৰ সময়ত নগদ উদ্বৃত্তৰ স্থিতি মনত ৰখা উচিত।

## 2.10 সামৰণি

- ৰাজ্যখনৰ বিত্তীয় স্থিতি ৰাজহ ঘাটি / ৰাহি, বিত্তীয় ঘাটি / ৰাহি আৰু প্ৰাথমিক ঘাটি / ৰাহিক গুৰুত্বপূৰ্ণ বিত্তীয় মাপকাঠিৰ হিচাপত চোৱা হয়। 2020-21 ত, ৰাজ্যখনৰ 382.60 কোটি টকাৰ ৰাজহ ৰাহি আছিল যিটো বছৰটোৰ জি এচ ডি পি ৰ 0.11 শতাংশ আছিল। 2020-21 ত বিত্তীয় ঘাটি আছিল 12,102.03 কোটি টকা যিটো জি এচ ডি পি ৰ 3.47 শতাংশ আছিল আৰু প্ৰাথমিক ঘাটি আছিল 6,902.85 কোটি টকা (জি এচ ডি পি ৰ 1.98 শতাংশ)।
- 2020-21 বৰ্ষত ৰাজহ প্ৰাপ্তি আছিল 64,902.19 কোটি টকা যিটো 2019-20 বৰ্ষৰ তুলনাত (64,495.08 কোটি টকা) বছৰটোত 407.11 কোটি টকা (0.63 শতাংশ) বৃদ্ধি হৈছিল। বিগত বছৰৰ তুলনাত (16,528.69 কোটি টকা) ৰাজ্যৰ নিজৰ কৰ ৰাজহ 604.92 কোটি টকা বৃদ্ধি হৈছিল (3.66 শতাংশ), আনহাতে 2019-20 বৰ্ষৰ (5,539.34 কোটি টকা) তুলনাত বছৰটোত 2,639.73 কোটি টকা (47.65 শতাংশ) অনাকৰ ৰাজহ হ্ৰাস হৈছিল। পূৰ্বৰ বছৰৰ তুলনাত (20,705.61 কোটি টকা) ভাৰত চৰকাৰৰ পৰা সাহাৰ্য্য অনুদান 5,534.04 কোটি টকা (26.73 শতাংশ) বৃদ্ধি হৈছিল আৰু কেন্দ্ৰীয় কৰৰ ৰাজ্যিক অংশ আৰু শুল্কত বিগত বছৰৰ তুলনাত (21,721.44 কোটি টকা) 2020-21 ত 3,092.12 কোটি টকা (14.24 শতাংশ) হ্ৰাস পাইছিল। 2020-21 ত ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰৰ অধীনত সংগ্ৰহ কৰা ৰাজহ 2019-20 ত 8,755.30 কোটি টকাৰ পৰা 2020-21 ত 8,549.02 কোটি টকালৈ সামান্য ভাৱে মুঠ 206.28 কোটি টকা (2.36 শতাংশ) ৰ হ্ৰাস হৈছিল।
- 2020-21 বৰ্ষত ৰাজহ ব্যয় আছিল 64,519.59 কোটি টকা যিটো মুঠ ব্যয় 77,006.78 কোটি টকাৰ 83.78 শতাংশ আছিল। ৰাজ্য চৰকাৰে বিভিন্ন কেন্দ্ৰীয় আঁচনিৰ অধীনত স্থানীয় নিকায় বা ব্যক্তিগত প্ৰতিষ্ঠান সমূহক প্ৰদান কৰা 5,640.47 কোটি টকাৰ সহায়ক অনুদানৰ ভুল শ্ৰেণী বিভাজন কৰা হৈছিল, যি ৰাজহ ব্যয়ৰ পৰিবৰ্তে মূলধন হিচাপে আছিল, যাৰ ফলত মূলধন ব্যয়ৰ অতিৰিক্ত মূল্যায়ন কৰা হৈছিল আৰু সেই পৰিমানে ৰাজহ ব্যয়ত অৱমূল্যায়ন কৰা হৈছিল।
- দৰমহা ও মজুৰি, পেঞ্চন, সুদ প্ৰদানৰ দৰে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধ ব্যয় বিগত 2016-21 লৈ পাঁচ বছৰৰ সময়ছোৱাত ক্ৰমান্বয়ে বৃদ্ধি পাইছিল। 2020-21 বৰ্ষত ই 1269.50 কোটি টকা বৃদ্ধি পাইছিল। 2020-21 ত প্ৰতিশ্ৰুতি বদ্ধ ব্যয় আছিল 42,755.28 কোটি টকা (64,902.19 কোটি টকাৰ মুঠ ৰাজহ প্ৰাপ্তিৰ 65.88 শতাংশ আৰু 64,519.59 কোটি টকাৰ মুঠ ৰাজহ ব্যয়ৰ 66.27 শতাংশ)
- আঁচনিখনৰ আৰম্ভণিৰ পৰা ৰাজ্য চৰকাৰৰ দ্বাৰা ৰাষ্ট্ৰীয় পেঞ্চন পদ্ধতিলৈ 332.12 কোটি টকাৰ কম বৰঙণিয়ে চৰকাৰলৈ ভৱিষ্যতৰ পৰিহাৰযোগ্য দায়বদ্ধতা সৃষ্টি কৰিছে। 2020 ৰ 31 মাৰ্চলৈকে 341.82 কোটি টকা ৰাজহুৱা হিচাপত ৰৈছিল, যাৰ ওপৰত 2020-21 ত 27.35 কোটি টকাৰ সুদ পৰিশোধ কৰিব লগা হৈছিল।
- মূলধন ব্যয় হৈছে পথ, গৃহ ইত্যাদিৰ দৰে স্থিৰ আন্তঃ গাঠনিৰ সম্পদ সৃষ্টি কৰাৰ বাবে কৰা ব্যয়। 2019-20 ত 13,468.55 কোটি টকাৰ পৰা 2020-21 ত 12,399.39 কোটি টকালৈ হ্ৰাস হৈ বছৰটোৰ

ভিতৰত ৰাজ্যৰ মূলধন ব্যয় 1,069.16 (7.94 শতাংশ) কোটি টকা হ্রাস হৈছিল। অৱশ্যে, এই বৃদ্ধি 5,640.47 কোটি টকাৰ জি আই এ ৰাজহৰ পৰিবৰ্তে মূলধন শাখাৰ অধীনত লিপিবদ্ধ কৰা পৰিপ্ৰেক্ষিতত চাব লাগিব, ফলত সেই পৰিমানৰ ৰাজহ ৰাহি অতিৰিক্ত মূল্যায়ন কৰা হৈছিল।

- 2020-21 কালছোৱাত, সমবায়ত ৰাজ্য চৰকাৰে 3.32 কোটি টকা বিনিয়োগ কৰিছিল। 2021 ৰ 31 মাৰ্চ পৰ্য্যন্ত সেই কোম্পানী নিগম আৰু সমবায় সমিতি সমূহত ৰাজ্য চৰকাৰৰ বিনিয়োগ হৈছিল 2,923.57 কোটি টকা। বিনিয়োগ সমূহৰ ভিতৰত, তেওঁলোকে বছৰটোৰ সময়ছোৱাত লভ্যাংশ হিচাপে 481.89 কোটি টকা উপাৰ্জন লাভ কৰিছিল।
- 2020 ৰ 01 এপ্ৰিলত ৰাজ্যত দুৰ্য্যোগ সঁহাৰি পুঁজিত 725.23 কোটি টকাৰ উদ্বৃত্ত পৰি ৰৈছিল। অসম চৰকাৰে নীতি নিৰ্দেশনাত নিৰ্দ্ধাৰিত কোনো সঁজুলিত এচ ডি আৰ এফ ৰ উদ্বৃত্ত সমূহ বিনিয়োগ কৰা নাছিল, বা এচ ডি আৰ এফৰ নীতি নিৰ্দেশনা উলংঘা কৰি পুঁজিত বাকী থকা উদ্বৃত্তৰ ওপৰত কোনো অৰ্ধবাৰ্ষিক সুদ পৰিশোধ কৰা নাছিল। অসম চৰকাৰে 43.51 কোটি টকাৰ পৰিশোধ নকৰাৰ ফলত ৰাজহ ৰাহিলৈ সেই পৰ্য্যায়ত (2020-21 ৰ সময়ছোৱাত ) অতিৰিক্ত মূল্যায়ন কৰা হৈছিল আৰু ভৱিষ্যতৰ বাবে পুঞ্জিভূত দায়বদ্ধতাৰ সৃষ্টি হৈছিল।
- ৰাজ্যখনৰ বকেয়া ঋণ 2016-17 ত 43,980.56 কোটি টকাৰ পৰা 2020-21 ত 87,407.79 কোটি টকালৈ দ্ৰুত গতিত বৃদ্ধি পাইছিল। বৰ্দ্ধিত বকেয়াৰ হাৰ 2016-17 ত 12.62 শতাংশৰ পৰা 2020-21 ত 20.97 শতাংশলৈ বৃদ্ধি পাইছিল। বজাৰৰ পৰা অধিক ধাৰ লোৱাৰ বাবে ঋণ / জি এচ ডি পি ৰ হাৰ 2016-17 ত 17.28 শতাংশৰ পৰা 2020-21 ত 25.10 শতাংশলৈ বৃদ্ধি হৈছিল। ৰাজ্যখনে 2016-21 বৰ্ষৰ এই পাঁচ বছৰৰ সময়ছোৱাত 6.51 শতাংশৰ পৰা 7.14 শতাংশৰ ভিতৰত গড় সুদৰ হাৰত বকেয়া ৰাজহুৱা ঋণৰ ওপৰত সুদ পৰিশোধৰ বাবে ইয়াৰ ৰাজহ প্ৰাপ্তিৰ প্ৰায় ছয় ৰ পৰা আঠ শতাংশ ব্যৱহাৰ কৰিছিল।
- 31মাৰ্চ 2021 তাৰিখলৈ ৰাজহুৱা ঋণৰ বকেয়া মজুতৰ ম্যাদ পুৰ্তিৰ পাৰ্শ্বচিত্ৰই সূচাইছে যে ৰাজহুৱা ঋণৰ 54.79 শতাংশ (37,641.22 কোটি টকা) পৰৱৰ্তী সাত বছৰৰ ভিতৰত পৰিশোধ কৰিব লাগিব আনহাতে 45.21 শতাংশ (31,057.53 কোটি টকা) সাত বছৰতকৈও অধিক ম্যাদপুৰ্তিৰ বন্ধনীত আছে।
- 2020-21 ৰ শেষত মুঠ ঋণৰ 79 শতাংশৰে ৰাজহুৱা ঋণ গঠন হৈছে । এই সময়ছোৱাত ইয়াৰ বিকাশ হৈছিল 27.45 শতাংশৰ হাৰত, অৰ্থাৎ বিগত পাঁচবছৰৰ সময়ছোৱাত সৰ্বাধিক আৰু 27.45 শতাংশৰ ৰাজহুৱা ঋণৰ বৰ্দ্ধিত হাৰে বছৰটোৰ সময়ছোৱাত উল্লেখনীয় ভাবে জি এচ ডি পিৰ (3.89 শতাংশ) বৃদ্ধিৰ হাৰকো অতিক্ৰম কৰিছিল। এই সকলোবোৰে ইংগিত কৰে যে আগন্তুক বছৰবোৰত ৰাজহুৱা ঋণৰ ওপৰত সুদ পৰিশোধৰ বাবে বিত্তীয় চাপ বৃদ্ধি হ'ব।
- বিগত পাঁচ বছৰ কালত ৰাজহুৱা ঋণ প্ৰাপ্তি 2016-17 ত 3,901.71 কোটি টকাৰ পৰা 2020-21 ত 17,940.18 কোটি টকালৈ মুঠ 359.80 শতাংশ বৃদ্ধি পাইছিল। 2020-21 ৰ কালছোৱাত 17,940.18 কোটি টকাৰ ৰাজহুৱা ঋণ প্ৰাপ্তিৰে ৰাজ্য চৰকাৰে 11.97 শতাংশ (2,147.98 কোটি টকা), পূৰ্বৰ ঋণৰ বাবে আৰু মূলধনী ব্যয় কৰাৰ বাবে 2020-21 কালছোৱাত 69.12 শতাংশ (12,399.39 কোটি টকা) ব্যৱহাৰ কৰিছিল, যিটো আছিল পাঁচ বছৰৰ ভিতৰত আটাইতকৈ কম।

## 2.11 পৰামৰ্শসমূহ

*i.* *ৰাজ্য চৰকাৰে ৰাজহ আৰু বিত্তীয় ঘাটি কমাবলৈ যে আৰু এ এফ আৰ বি এম আইন 2011 ৰ অধীনৰ লক্ষ্যসমূহত উপনীত হ'বলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰে।*

*ii.* *ৰাজ্য চৰকাৰে এন পি এচ ৰ বাবে ইয়াৰ দায়বদ্ধতা পূৰণ কৰাৰ বাবে এক কঠোৰ অনুশীলন কৰিব পাৰে যাৰ ভিতৰত আছে ইয়াৰ অংশ আৰু সুদৰ দায়বদ্ধতাৰ চমু অৰদান আৰু উদ্ধৃত্ত পুঁজিসমূহ এন এচ ডি এল পেঞ্চন কৰ্তৃপক্ষলৈ হস্তান্তৰ কৰি নিশ্চিত হ'ব লাগে আৰু যাতে এন পি এচ কৰ্মচাৰীসকলে তেওঁলোকৰ লাভৰ পৰা বঞ্চিত নহয়। ভৱিষ্যতৰ দায়বদ্ধতা পৰিহাৰ কৰিবলৈ এন পি এচ সম্পৰ্কীয় লেন দেনৰ হিচাপ ব্যৱস্থাৰ বাবে নিৰ্দ্ধাৰিত প্ৰক্ৰিয়াটো নিষ্ঠাৰে পালন কৰিব লাগে।*

*iii.* *ৰাজ্য চৰকাৰে এচ পি এচ ইউ সমূহত বিনিয়োগ আৰু সেই বিনিয়োগৰ ওপৰত নগণ্য লাভৰ কথা বিবেচনা কৰি ৰাজ্যখনৰ লোকচান হোৱা ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান এচ পি এচ ইউ সমূহৰ কাৰ্য্যকলাপ সমীক্ষা কৰা উচিত।*

*iv.* *ৰাজ্য চৰকাৰে নিৰ্দেশনা দিয়া ধৰণেৰে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিত থকা উদ্বৃত্ত সমূহক বিনিয়োগ কৰিব পাৰে।*

*v.* *ৰাজ্য চৰকাৰে ৰাজহুৱা ঋণৰ বৃদ্ধিৰ হাৰৰ প্ৰতি লক্ষ ৰাখি চৰকাৰৰ নিজা ৰাজহ বৃদ্ধিৰ চেষ্টা কৰিব পাৰে আৰু ৰাজহ ব্যয় কমাব পাৰে যাতে আগন্তুক বৰ্ষসমূহত ৰাজহুৱা ঋণ পৰিশোধৰ হেঁচা আৰু ৰাজহুৱা ঋণৰ সুদৰ দায়বদ্ধতা পৰিহাৰ কৰিব পাৰে।*

*vi.* *বজাৰ ঋণ লোৱাৰ সিদ্ধান্ত কৰাৰ সময়ত ৰাজ্য চৰকাৰে নগদ উদ্বৃত্তৰ স্থিতি মনত ৰাখিব লাগে।*

# অধ্যায় 3
# বাজেট ব্যবস্থাপনা

কাৰ্যকৰী বিত্তীয় ব্যৱস্থাপনাই নিশ্চিত কৰে যে পৰিকল্পনা পৰ্যায়ত গৃহীত সিদ্ধান্ত সমূহ পুঁজি সমূহৰ অপচয় বা দিশ সলনি নকৰাকৈ প্ৰশাসনিক পৰ্যায়ত সফলভাৱে প্ৰয়োগ কৰা হয়। এই অধ্যায়ত ৰাজ্য চৰকাৰৰ আৱন্টনৰ অগ্ৰাধিকাৰ সমূহ আৰু বাজেট পৰিকল্পনাৰ স্বচ্চতা সম্বন্ধে আৰু ইয়াৰ ৰূপায়ণৰ কাৰ্যকাৰিতাৰ পৰ্যালোচনা কৰা হৈছে।

## 3.1 বাজেট প্ৰক্ৰিয়া

অসম চৰকাৰে বাজেটৰ ক্ষেত্ৰত সকলো উপাদান সামৰি বহল দৃষ্টিভংগী অনুসৰণ কৰে। বাজেট প্ৰস্তুতৰ ক্ষেত্ৰত ৰাজ্যখনে অনুসৰণ কৰা প্ৰক্ৰিয়া তলত বিস্তৃতভাৱে আলোচনা কৰা ধৰণৰ ঃ

- আৰম্ভণিতে, বিত্ত বিভাগে ৰূপান্তৰণ আৰু উন্নয়ণ (টি এণ্ড ডি) বিভাগ আৰু প্ৰশাসনিক বিভাগ সমূহৰ পৰামৰ্শ ক্ৰমে ৰাজ্যৰ অগ্ৰাধিকাৰ ভিত্তিক উন্নয়নৰ ক্ষেত্ৰসমূহ আৰু প্ৰকল্প সমূহৰ বাবে প্ৰয়োজনীয় সম্পদৰ আৱন্টনৰ অনুমান কৰে;
- কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনি সমূহৰ বাবে প্ৰয়োজনীয় সম্পদৰ ৰাজ্যিক অংশ, বাহ্যিকভাৱে সাহাৰ্যপ্ৰাপ্ত আঁচনি সমূহ, এন ই চি[14], এন এল চি পি আৰ[15] আদিৰ বাবে প্ৰতিপক্ষৰ পুঁজিৰ অনুমান আৰু প্ৰদান কৰা;
- পাৰ্বত্য এলেকা স্বায়ত্ব শাসিত পৰিষদ সমূহ (এ ডি চি) ৰ বাবে আৱন্টন সমূহ এ ডি চি সমূহৰ কাম-কাজৰ সৈতে জড়িত বিভাগ সমূহৰ প্ৰয়োজনীয় অনুমানৰ আধাৰত কৰা হয়;
- কেন্দ্ৰীয় কৰৰ স্থানান্তকৰণ আৰু চি এচ এচ ৰ বাবে পুঁজিৰ প্ৰত্যাশিত প্ৰাপ্তি সমূহ মূল্যায়ন কৰা হয় আৰু দৰমহা, পেঞ্চন, ঋণ আদায় ইত্যাদি প্ৰতিশ্ৰুতিবদ্ধ ব্যয়ৰ প্ৰয়োজনীয় পুঁজিসমূহ বিত্ত বিভাগে হিচাপ কৰে।

ওপৰোক্ত মূল্যয়নৰ সহযোগত আৰু বিত্ত বিভাগৰ অনুমানৰ ভিত্তিত সংশ্লিষ্ট বিভাগ সমূহে তেওঁলোকৰ বাজেট প্ৰস্তাৱ সমূহ দাখিল কৰে।

ৰাজ্য চৰকাৰে ৰাজ্যৰ একত্ৰিত নিধিৰ পুঁজিৰ পৰা ইয়াৰ বাৰ্ষিক বাজেট আৰু অনুদান/ বিনিয়োজনৰ ৪2 টা দাবী উত্থাপন কৰি ব্যয়ৰ বাবে বিধানমণ্ডলৰ পৰা অনুমোদনৰ ব্যৱস্থা কৰে। সাধাৰণতে, প্ৰতিটো বিভাগৰে এটা অনুদানৰ দাবী থাকে যাতে নীতিগত সিদ্ধান্ত সমূহ ৰূপায়নৰ বাবে আৰু বাঞ্চিত উদ্দেশ্যত ৰাজহুৱা পুঁজি সমূহ ব্যয় কৰাৰ বাবে বিভাগীয় মূৰব্বী সকলে দায়িত্ব গ্ৰহণ কৰাটো নিশ্চিত কৰিব পাৰে।

মূল বাজেটৰ পৰিমানতকৈ বেছি ব্যয় পূৰণৰ বাবে বিত্তীয় বৰ্ষৰ ভিতৰত পৰিপূৰক বা অতিৰিক্ত অনুদান/ বিনিয়োজনৰ অনুমতি প্ৰদান কৰা হয়। তদুপৰি, ৰাজ্য চৰকাৰে যিসমূহ গোটত ৰাহি হ'ব বুলি আশা কৰে সেইসমূহৰ বিনিয়োগসমূহ বছৰটোৰ ভিতৰত যিসমূহ গোটত অতিৰিক্ত ব্যয় হ'ব পাৰে বুলি অনুমান (অনুদান/ বিনিয়োজনৰ ভিতৰত) কৰে সেইসমূহলৈ পুনৰ বিনিয়োজন / পুনৰ আৱন্টনো কৰে।

ৰাজ্যৰ বাজেট প্ৰস্তুতিৰ প্ৰক্ৰিয়া **চিত্ৰ তালিকা 3.1** ত চিত্ৰিত কৰা হৈছে।

[14] উত্তৰ পূব পৰিষদ

[15] তামাদী বিহীন কেন্দ্ৰীয় পুঁজিৰ অংশ

**চিত্ৰ তালিকা 3.1: অসমৰ বাজেট প্ৰক্ৰিয়াৰ সংক্ষিপ্তসাৰ**




*চি এচ এচ ঃ কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনি; চি এচ ঃ কেন্দ্ৰীয় আঁচনি*

বিত্তীয় বিল, বাৰ্ষিক বিত্তীয় বিৱৰণ (বাজেট), আৰু অনুদানৰ দাবী সমূহ ভাৰতীয় সংবিধানৰ যথাক্ৰমে 199, 202 আৰু 203 অনুচ্ছেদৰ দ্বাৰা বাধ্যতামূলক কৰা হৈছে।

ভাৰতীয় সংবিধানৰ 202 অনুচ্ছেদ অনুযায়ী ৰাজ্যখনৰ অনুমানিক প্ৰাপ্তি আৰু উক্ত বৰ্ষৰ ব্যয়ৰ এক বিৱৰণ "বাৰ্ষিক বিত্তীয় প্ৰবিৱৰণ" হিচাপে বিধান মণ্ডল বা ৰাজ্যৰ বিধান সভাত উত্থাপন কৰিব লাগে। বাৰ্ষিক বিত্তীয় প্ৰবিৱৰণীত একত্ৰিত পুঁজি আৰু অন্যান্য ব্যয়ৰ বাবে কৰা ধ্যাৰ্যসমূহ সুকীয়াকৈ দেখুওৱা উচিত। ইয়ে ৰাজহ হিচাপ ব্যয়ক অন্য ব্যয়ৰ সৈতে বেলেগকৈ দেখুৱাবও পাৰে।

সংবিধানৰ 202 অনুচ্ছেদ অনুযায়ী, বিত্তীয় বৰ্ষ আৰম্ভণিৰ পূৰ্বে সাধাৰণ বাজেট হিচাপেও পৰিচিত বাৰ্ষিক বিত্তীয় বিৱৰণ বিধান সভাত দাখিল কৰা হয়। বাৰ্ষিক বিত্তীয় বিৱৰণৰ অনুমানিক প্ৰাপ্তি আৰু বিতৰণ সমূহ আৰু অনুদানৰ দাবীৰ ব্যয় সংবিধানৰ অনুচ্ছেদ 150 ৰ অধীনত হিচাপৰ শ্ৰেণীবদ্ধকৰণ অনুযায়ী দেখুওৱা হৈছে।

সংবিধানৰ অনুচ্ছেদ 204 ৰ বিধান অনুসৰি আইনৰ দ্বাৰা অনুমোদিত বিনিয়োজনৰ বাহিৰে ৰাজ্যৰ একত্ৰিত পুঁজিৰ পৰা ধন উলিয়াব পৰা নাযায়। সংবিধানৰ 205 অনুচ্ছেদ অনুসৰি এটা বিত্তীয় বছৰত পৰিপূৰক বা অতিৰিক্ত অনুদান অথবা বিনিয়োজন প্ৰদান কৰা হয়। বাজেটৰ পৰিমানত কৈ অতিৰিক্ত ব্যয় কৰাৰ এইটোৱে নিয়ম।

ৰাজ্য চৰকাৰৰ দ্বাৰা কৰা সকলো ব্যয়ৰ বাবে বিধান সভাৰ অনুমোদন অপৰিহাৰ্য। স্বতন্ত্ৰ চৰকাৰী বিভাগসমূহক পথ-প্ৰদৰ্শন কৰিববলৈ ৰাজ্য চৰকাৰে বিত্তীয় বিধিসমূহ প্ৰণয়ন কৰে আৰু বিত্তীয় ক্ষমতা ন্যস্ত কৰে। এই ক্ষমতা

সমূহে বিনিয়োজন আৰু পুনৰ বিনিয়োজনক বাধা প্ৰদান কৰাৰ লগতে ব্যয় কৰা আৰু তেনেধৰণৰ ব্যয় মঞ্জুৰীৰ কৰ্তৃত্বৰ পৰ্যায় সমূহৰ সীমা নিৰ্দ্ধাৰিণ কৰে।

পৰিপূৰক অনুদানৰ বাহিৰেও, এটা অনুদানৰ ভিতৰতে পুঁজি সমূহৰ পুনৰ আৱন্টনৰ বাবে পুনৰ বিনিয়োজনক ব্যৱহাৰ কৰিব পাৰি। পুনৰ বিনিয়োজন হ'ল কৰ্তৃত্বশীল কৰ্তৃপক্ষৰ দ্বাৰা অনুদান বা ধাৰ্যিত বিনিয়োজন একেটা খণ্ডৰ (ৰাজহ গৃহীত, ৰাজহ-ধাৰ্যিত, মূলধনী-গৃহীত, মূলধনী-ধাৰ্যিত) অধীনৰ অন্য এটা গোটৰ অতিৰিক্ত ব্যয়ৰ জোৰা মাৰিবলৈ বিনিয়োজনৰ এটা গোটৰ পৰা কৰা সঞ্চয়ৰ স্থানান্তৰণ। 2020-21 বৰ্ষত মূল আৰু পৰিপূৰক বাজেটসহ ৰাজ্যিক বিধানমণ্ডলৰ দ্বাৰা অনুমোদিত মুঠ পৰিমান, ব্যয় আৰু ৰাহি **চিত্ৰ তালিকা 3.2** ত চিত্ৰিত কৰা হৈছে।

**চিত্ৰ তালিকা 3.2: 2020-21 ৰ বাবে অসমৰ বাজেট আৰু ব্যয়ৰ সাৰাংশ**




বছৰটোত 731.25 কোটি টকাৰ অতিৰিক্ত ব্যয়ৰ ফলস্বৰূপে 40,184.28 কোটি টকাৰ মুঠ সঞ্চয়ৰ কেৱল 39,453.03 কোটি টকাৰহে শুদ্ধ সঞ্চয় হৈছিল।

ওপৰোক্ত চিত্ৰ তালিকাখনে দেখুৱাইছে যে 18,580.03 কোটি টকাৰ[16] পৰিপূৰক অনুদানৰ প্ৰয়োজন নাছিল কিয়নো মুঠ ব্যয় (82,888.63 কোটি টকা) আনকি মূল ব্যৱস্থাতকৈ কম আছিল (1,03,761.63 কোটি টকা)। এইটো অত্যাধিক অনুমান আৰু দুৰ্বল বিত্তীয় ব্যৱস্থাপনাৰ পৰিচায়ক আছিল। অপ্ৰয়োজনীয় পৰিপূৰক ব্যৱস্থাৰ বিষয়টো **দফা 3.3.3** ৰ অধীনত বিতংভাৱে আলোচনা কৰা হৈছে।

## 3.1.1 বিত্তীয় বৰ্ষটোৰ মুঠ ব্যৱস্থা, প্ৰকৃত বিতৰণ আৰু ৰাহিৰ সাৰাংশ

2020-21 বৰ্ষত গৃহীত / ধাৰ্য হিচাপে বিভাজনৰ সৈতে মুঠ বাজেট ব্যৱস্থা, বিতৰণ আৰু ৰাহি / অতিৰিক্তৰ এক সংক্ষিপ্ত স্থিতি **সাৰণী 3.1** ত দিয়া হ'ল।

[16] 08 ছেপ্টেম্বৰ 2020 ত 8,142.32 কোটি টকা আৰু 05 জানুৱাৰী 2021ত 10,437.71 কোটি টকা

**সাৰণী 3.1: 2020-21 ৰ সময়ছোৱাত বাজেট ব্যৱস্থা, বিতৰণ আৰু ৰাহি/ অতিৰিক্ত**

**(কোটি টকাত)**

| গৃহীত /ধাৰ্যিত | মুঠ বাজেট ব্যৱস্থাপনা | বিতৰণ | ৰাহি (-)/অতিৰিক্ত |
|---|---|---|---|
| গৃহীত | 1,13,908.41 | 75,350.30 | -38,558.11 |
| ধাৰ্যিত | 8,433.25 | 7,538.33 | -894.92 |
| **মুঠ** | **1,22,341.66** | **82,888.63** | **-39,453.03** |

*উৎস ঃ বিনিয়োজন হিচাপ*

**সাৰণী 3.1** ৰ পৰা দেখা যায় যে 2020-21 বৰ্ষত অসম চৰকাৰে (জি অ' এ) 1,22,341.66 কোটি টকাৰ মুঠ অনুদান আৰু বিনিয়োজনৰ বিপৰীতে 82,888.63 কোটি টকা ব্যয় কৰিছিল, ফলত 39,453.03 কোটি টকাৰ সামগ্ৰীকভাৱে ৰাহি হৈছিল। এই ৰাহি বছৰটোৰ বাবে কৰা মুঠ অনুদান আৰু বিনিয়োজনৰ 32.25 শতাংশ আছিল।

এই ৰাহিবোৰ ৰাজ্য চৰকাৰৰ দ্বাৰা 1,07,314.47 কোটি টকাৰ প্ৰাপ্তিৰ অতিৰিক্ত আকলন আৰু 2020-21 বৰ্ষত ব্যয়ৰ দিশত 1,22,341.66 কোটি টকা হোৱাৰ পৰিপ্ৰেক্ষিতত দেখা যাব পাৰে। আনুমানিক প্ৰাপ্তিৰ বিপৰীতে, প্ৰকৃত প্ৰাপ্তিবোৰ 82,844.93 কোটি টকা আছিল যাৰ ফলত বছৰটোত মুঠ ব্যয় 82,888.63 কোটি টকাত সীমিত কৰা হৈছিল। ইয়াৰ অৰ্থ হৈছে যে ৰাহিবোৰ ধাৰণামূলক আছিল, কিয়নো পুঁজিবোৰ প্ৰকৃততে ব্যয়ৰ বাবে উপলব্ধ নাছিল।

### 3.1.2 ধাৰ্যিত আৰু গৃহীতৰ বিতৰণ

বিগত পাঁচ বছৰত (2016-21) ধাৰ্যিত আৰু গৃহীতৰ মুঠ বিতৰণৰ ভাগ সমূহ **সাৰণী 3.2** ত দিয়া হ'ল।

**সাৰণী 3.2: 2016-21 ৰ সময়ছোৱাত ধাৰ্যিত আৰু গৃহীত হিচাপে বিতৰণৰ ধাৰা**

**(কোটি টকাত)**

| বছৰ | বিতৰণ | | | ৰাহি(-)/অতিৰিক্ত | | |
|---|---|---|---|---|---|---|
| | গৃহীত | ধাৰ্যিত | মুঠ | গৃহীত | ধাৰ্যিত | মুঠ |
| **2016-17** | 52,927.33 | 5,250.99 | **58,178.32** | (-)21,823.16 | (-) 3,067.67 | **(-)24,890.83** |
| **2017-18** | 63,086.11 | 5,500.88 | **68,586.99** | (-)27,548.45 | (-) 3,317.64 | **(-)30,866.09** |
| **2018-19** | 64,586.31 | 7,745.03 | **72,331.34** | (-)33,050.68 | (-) 3,108.32 | **(-)36,159.00** |
| **2019-20** | 76,083.59 | 8,080.01 | **84,163.60** | (-)34,184.99 | (-) 1,367.09 | **(-)35,552.08** |
| **2020-21** | 75,350.30 | 7,538.33 | **82,888.63** | (-)38,558.11 | (-) 894.92 | **(-)39,453.03** |

**উৎসঃ বিনিয়োজন হিচাপ**

**সাৰণী 3.2** ৰ পৰা দেখা যায় যে ৰাহি 2016-17 বৰ্ষত 24,890.83 কোটি টকাৰ পৰা 2020-21 ত 39,453.03 কোটি টকাৰ ভিতৰত আছিল।

## 3.2 বিনিয়োজনৰ হিচাপ

বিনিয়োজনৰ হিচাপ হৈছে প্ৰত্যেকটো বিত্তীয় বৰ্ষৰ বাবে চৰকাৰী খৰচৰ হিচাপ, য'ত ভাৰতীয় সংবিধানৰ অনুচ্ছেদ 204 আৰু 205 ৰ অধীনত বিভিন্ন উদ্দেশ্যত অনুমোদন জনোৱা বিনিয়োজন আইনৰ অনুসূচীত উল্লেখ থকাৰ দৰে গৃহীত অনুদান আৰু ধাৰ্যিত বিনিয়োজনৰ তুলনা কৰা হয়। বিনিয়োজনৰ হিচাপ সমূহ সৰ্বমুঠ ভিত্তিক। এই হিচাপ সমূহে মূল বাজেট ব্যৱস্থা, পৰিপূৰক মঞ্জুৰী, সমৰ্পন আৰু পুনৰ বিনিয়োজনক স্পষ্টভাৱে দেখুৱায় আৰু বিনিয়োজন আইনৰ দ্বাৰা অনুমোদিত বাজেটৰ ধাৰ্য আৰু গৃহীত উভয়ৰ সন্দৰ্ভত উক্ত খৰচৰ বিপৰীতে নিৰ্দ্ধাৰিত বিভিন্ন সেৱা

সমূহৰ বাবে মূলধনী আৰু ৰাজহ ব্যয় দেখুৱায়। বিনিয়োজন হিচাপ সমূহে এনেদৰে পুঁজি সমূহৰ ব্যৱহাৰ, বিত্তৰ ব্যৱস্থাপনা আৰু বাজেট নিৰিক্ষণ ব্যৱস্থাক বুজাত সহায়ক হয় আৰু সেয়ে ই বিত্ত হিচাপৰ পৰিপূৰক।

চি এ জি ৰ দ্বাৰা বিনিয়োজনৰ হিচাপ পৰীক্ষা কৰা হৈছিল এইটো নিশ্চিত হ'বৰ বাবে যে বিনিয়োজন বিধিৰ অধীনত দিয়া কৰ্তৃত্বৰ ভিতৰত বিভিন্ন অনুদানৰ ব্যয় সমূহ অনুমোদিত ধৰণে প্ৰকৃততে ব্যয় কৰা হৈছিল নে নাই আৰু ধাৰ্যিত ব্যয় সমূহে সংবিধান ব্যৱস্থা (অনুচ্ছেদ 202) ৰ অধীনত ধাৰ্য কৰা ধৰণে ব্যয় হৈছে নে নাই। ই তেনে ধৰণে কৰা ব্যয়, প্ৰাসংগিক অধিনিয়ম আৰু নিৰ্দেশনা সমূহৰ মতে হৈছিল নে তাকো নিশ্চিত কৰে।

## 3.3 বাজেট আৰু হিচাপ প্ৰক্ৰিয়াৰ অখণ্ডতাৰ সম্পৰ্কত মন্তব্য

### 3.3.1 আইনী কৰ্তৃত্ব অবিহনে বহন কৰা ব্যয়

সংবিধানৰ অনুচ্ছেদ 204 ৰ বিধি অনুসাৰে আইনৰ দ্বাৰা গৃহীত বিনিয়োজনৰ বাহিৰে ৰাজ্যৰ একত্ৰিত পুঁজিৰ পৰা কোনো ধৰণৰ ধন উলিয়াব পৰা নাযায়। পুনৰ বিনিয়োজন, পৰিপূৰক অনুদান বা নিৰ্বিনিয়োজন নাইবা ৰাজ্যৰ আকস্মিক পুঁজিৰ অগ্ৰিমৰ দ্বাৰা অতিৰিক্ত পুঁজি লাভৰ বাহিৰে নতুন আঁচনিৰ ব্যয় কোনো ধৰণৰ পুঁজিৰ ব্যৱস্থাৰ বাহিৰে কোনো ধৰণৰ আঁচনি/সেৱাত ব্যয় কৰা উচিত নহয়।

সংবিধানৰ অনুচ্ছেদ 115(1) (a) আৰু 205(1) (a) অনুসৰি, নতুন সেৱা হৈছে এক নতুন কাৰ্য-কলাপ বা বিনিয়োজনৰ এটা উপায়ৰ লগতে পূৰ্বতে সংসদ / ৰাজ্যিক বিধান সভাৰ দৃষ্টিগোচৰ নোহোৱা এক নীতিগত সিদ্ধান্ত গ্ৰহণৰ ফলত উদ্ভৱ হোৱা ব্যয়। 'সেৱাৰ নতুন উপায়' হৈছে প্ৰচলিত এক কাৰ্য-কলাপৰ গুৰুত্বপূৰ্ণ সম্প্ৰসাৰণৰ ফলত তুলনামূলকভাৱে বৃদ্ধি পোৱা বৃহৎ ব্যয়।

একেদৰে, অসম বাজেট হাতপুথিৰ 2012 ৰ দফা 8.3 অনুসৰি বাজেটত ধাৰ্য নকৰাকৈ পৰিপূৰক অনুদান/ বিনিয়োজনৰ আশাৰে বা পুনৰ নিৰ্বিনিয়োজনৰ মাধ্যমেৰে পুঁজি ধাৰ্য কৰাৰ পূৰ্বে কোনো শিতান (মুখ্য /গৌণ বা উপ-শিতান) ৰ অধীনত ব্যয় কৰিব নোৱাৰিব।

অৱশ্যে, 2020-21 ৰ সময়ছোৱাত **পৰিশিষ্ট 3.1** ত সবিশেষ দিয়া ধৰণে বাজেটত ধাৰ্য নকৰাকৈ 4 টা অনুদান (প্ৰত্যেকটোতে 15 লাখ বা ততোধিক) ৰ অধীনৰ 19 টা উপ-শিতানত 23.00 কোটি টকা ব্যয় কৰিছিল। বাজেটত ধাৰ্য নকৰাকৈয়ে যি সমূহ বিষয়ত ব্যয় হৈছিল তাৰ অনুদান ভিত্তিক সংক্ষিপ্ত বিৱৰণ **সাৰণী 3.3** ত দেখুওৱা হৈছে।

**সাৰণী 3.3: 2020-21 ৰ সময়ছোৱাত বাজেট ব্যৱস্থা অবিহনে কৰা ব্যয়ৰ সংক্ষিপ্ত বিৱৰণ**

**(কোটি টকাত)**

| ক্ৰমিক নং | অনুদানৰ নম্বৰ আৰু নাম | উপ-শিতানৰ সংখ্যা | ব্যয় |
|---|---|---|---|
| **1** | 30 পানী যোগান আৰু অনাময় | 1 | 0.48 |
| **2** | 58 উদ্যোগ | 1 | 0.19 |
| **3** | 76 কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ | 5 | 5.51 |
| **4** | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | 12 | 16.82 |
| | **মুঠ** | **19** | **23.00** |

19 টা উপশিতানৰ ভিতৰত বাজেট ব্যৱস্থাপনা অবিহনে এক কোটি টকাৰ অধিক ব্যয় কৰা সাতটা উপশিতানৰ বিৱৰণ নিম্নলিখিত সাৰণীত দিয়া হৈছে।

**সাৰণী 3.4: 2020-21 ৰ সময়ছোৱাত বাজেট ব্যৱস্থা অবিহনে বহন কৰা ব্যয়**

**(কোটি টকাত)**

| ক্ৰমিক নং | অনুদান | হিচাপৰ শিতান | উপশিতান/উপ উপ-শিতান | ব্যয় |
|---|---|---|---|---|
| 1 | 76 কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ | 2402-00-103-1143-133 | {1143}- ভুমি উন্নয়ন / [133]- ভুমি পুনৰুদ্ধাৰ আৰু পানী বিতৰণ | 2.40 |
| 2 | | 2402-00-102-0122-603 | {0122}- উমৈহতীয়া আৰু অন্যান্য আঁচনি / [603]- বিল্ডিং আৰু এপ্ৰোচ ৰোড | 1.90 |
| 3 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | 4406-01-070-0121-- | {0121}বিল্ডিং | 3.71 |
| 4 | | 2402-00-102-0122-601 | {0122}- উমৈহতীয়া আৰু অন্যান্য আঁচনি / [601]- বাণিজ্যিক শস্য বিকাশ | 3.43 |
| 5 | | 4406-01-105-1256-- | {1256}- দ্ৰুত বৰ্ধিত প্ৰজাতিৰ বৃক্ষৰোপণ | 3.15 |
| 6 | | 4406-01-101-1240-- | {1240}- বন কৰ্মচাৰী আৰু শ্ৰমিকলৈ সুবিধা | 1.74 |
| 7 | | 2402-00-102-1144-- | {1144}- পানী বিতৰণ !শস্য চপোৱাৰ সৈতে টেৰেচিং | 1.05 |
| | **মুঠ** | | | **17.38** |

বাজেট অবিহনে ব্যয় কৰাটো বিত্তীয় নিয়ম সমূহৰ লগতে বিধান সভাৰ ইচ্ছাৰ উলংঘন হয়। এইটোৱে চৰকাৰী বিভাগ সমূহৰ বিত্তীয় শৃংখলাৰ অভাৱৰো ইংগিত দিয়ে।

### 3.3.2 ব্যয়ৰ ভুল শ্ৰেণী বিভাজন

ব্যয় আৰু প্ৰাপ্তিৰ ভুল শ্ৰেণী বিভাজনে বিত্তীয় বিৱৰণ সমূহৰ অখণ্ডতাৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰে। সংবিধানৰ অনুচ্ছেদ 202 ত বিধান দিয়া হৈছিল যে প্ৰতিটো বিত্তীয় বছৰৰ ক্ষেত্ৰত "বাৰ্ষিক বিত্তীয় প্ৰবিৱৰণ" (বা "বাজেট") নামৰ ৰাজ্যৰ আনুমানিক প্ৰাপ্তি আৰু ব্যয়ৰ এক বিবৃতি ৰাজ্যৰ বিধান সভাৰ উভয় সদনতে দাখিল কৰা উচিত । ব্যয়ৰ প্ৰাক্কলন সমূহ 'ধাৰ্য' (তেনেধৰণৰ ব্যয় সমূহ সংবিধানৰ বিধানৰ অধীনত বিধান সভাত গৃহীত কৰণৰ বাবে দাখিল কৰিব নালাগে) আৰু 'গৃহীত' ব্যয় হিচাপে সুকীয়াকৈ শ্ৰেণী বিভাজন কৰা হয়। বাৰ্ষিক বিত্তীয় বিৱৰণে **অধ্যায় 2** ত ব্যাখ্যা কৰা ধৰণে অন্যান্য ব্যয়ৰ পৰা ৰাজহ হিচাপৰ ব্যয়ক পৃথক কৰে।

সাধাৰণ বিত্তীয় বিধি সমূহে বিনিয়োজনৰ প্ৰাথমিক গোট সমূহক শ্ৰেণী বিভক্ত কৰে। মূলধনী সম্পদ আৰু অন্য মূলধনী ব্যয়ৰ অধিগ্ৰহণৰ কাৰণে বিধান লাভৰ বাবে নিৰ্দিষ্ট উদ্দেশ্যৰ শিতান আছিল। মূলধনী প্ৰকৃতিৰ ব্যয়ৰ লিপিবদ্ধকৰণ সম্পৰ্কীয় এই উদ্দেশ্যৰ শিতান সমূহ কেৱল মূলধনৰ শিতান সমূহৰ সৈতে সামঞ্জস্য থকাটো উচিত। যিয়েই নহওঁক, এনেধৰণৰ উদাহৰণো আছিল, য'ত ৰাজহ প্ৰকৃতিৰ লক্ষ্যযুক্ত, শিতান সমূহ মূলধনীগৌণ শিতান সমূহ আৰু বিপৰীত ধৰণে ভুলভাৱে কাৰ্যকৰী হৈছিল, উদাহৰণস্বৰূপে সহায়ক অনুদান।

ৰাজহ প্ৰকৃতিৰ ব্যয়ক মূলধনী হিচাপে বা বিপৰীত ধৰণে শ্ৰেণী বিভাজনৰ ফলত ৰাজহ ব্যয় আৰু ৰাজহ ঘাটি/ উদ্ধৃত্ত সমূহৰ অতিৰিক্ত মূল্যায়ন / অৱমূল্যায়ন হৈছিল।

আই জি এ এচ 2 অনুসৰি অনুদান প্ৰদানকাৰীয়ে অনুদান প্ৰাপকলৈ বিতৰণ কৰা সহায়ক অনুদানসমূহ শ্ৰেণী বিভাজন কৰিব লাগিব আৰু যিসমূহ বিষয়ত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ পৰামৰ্শৰ আধাৰত ৰাষ্ট্ৰপতিৰ বিশেষভাৱে কৰ্তৃত্বৰ বিষয়সমূহৰ বাদে সহায়ক অনুদান হিচাপে বিতৰণ কৰা পুঁজিসমূহ অনুদান প্ৰাপকে যি উদ্দেশ্যত খৰছ নকৰক কিয় ৰাজহ ব্যয় হিচাপে বিবেচনা কৰিব লাগিব। দেখা গৈছে যে আই জি এ এচ-2 উলংঘা কৰি ৰাজহৰ পৰিৱৰ্তে মূলধনী শাখাৰ অধীনত 5,640.47 কোটি টকাৰ সহায়ক অনুদান ভুলকৈ লিপিবদ্ধ কৰা হৈছিল।

তদুপৰি, চৰকাৰে ৰাজহ খণ্ডৰ অধীনত "মূখ্য কাম সমূহ"ৰ বাবে 386.56 কোটি টকা আৰু মূলধনী খণ্ডৰ অধীনত "গৌণ কামসমূহ" ৰ বাবে 80.75 কোটি টকা আৰু মূলধনী খণ্ডৰ অধীনত 'ৰক্ষণাবেক্ষণ'ৰ ওপৰতো 2.06 কোটি টকা বাজেট ধাৰ্য্য কৰে আৰু ব্যয় কৰে।

নিয়ম নমনাৰ ফলত বছৰটোত ৰাজহ ৰাহিৰ অতিৰিক্ত মূল্যায়ন কৰা হৈছিল আৰু মূলধনী ব্যয়ৰ অতিৰিক্ত মূল্যায়ন হৈছিল।

### 3.3.3 অপ্ৰয়োজনীয় বা অতিৰিক্ত পৰিপূৰক অনুদান

সংবিধানৰ অনুচ্ছেদ 205 অনুসৰি, বছৰটোৰ বাবে বিনিয়োজন আইনৰ দ্বাৰা ধাৰ্য কৰা পৰিপূৰক বা অতিৰিক্ত অনুদান বা বিনিয়োজন চলিত বিত্তীয় বছৰৰ ভিতৰতে কৰিব পাৰি কিন্তু পূৰণ কৰাৰ বাবে প্ৰয়োজনীয় বিত্তীয় বৰ্ষ শেষ হোৱাৰ পিছত পৰা নাযায়। যিটো পূৰণ কৰাৰ বাবে প্ৰয়োজন হয় -

i. চলিত বিত্তীয় বছৰৰ ভিতৰতে নতুন ব্যয়ৰ আঁচনিৰ খৰচ সমূহ কৰিব লাগিব।
ii. অ-পৰ্যাপ্ত ব্যৱস্থা।
iii. নতুন ব্যয় কিন্তু " নতুন ব্যয় আঁচনি সমূহ" কাৰিকৰী হ'ব নালাগিব।
iv. ব্যৱস্থা বাদ দিয়া ।

যেতিয়া তেনেধৰণৰ অতিৰিক্ত ব্যয় অনিবাৰ্য বুলি প্ৰমাণিত হয় আৰু পুনৰ বিনিয়োজনৰ যোগেদি অতিৰিক্ত ব্যয় কৰাৰ বাবে অনুদানৰ ভিতৰতে ৰাহি কাৰ্যকৰী কৰাৰ সম্ভাৱনা নাই, তেতিয়া সংশ্লিষ্ট বিভাগৰ সচিবে পৰিপূৰক বা অতিৰিক্ত অনুদান বা বিনিয়োজনৰ বাবে বিত্ত বিভাগত প্ৰস্তাৱ দাখিল কৰে।

উপযুক্ত বিষয়ৰ ক্ষেত্ৰত যি সমূহ অ-প্ৰত্যাশিত আৰু যি সমূহ পৰিপূৰক বা অতিৰিক্ত অনুদান আৰু বিনিয়োজন দ্বাৰা বিধানৰ বাবে অপেক্ষা কৰিব নোৱাৰে, সংবিধানৰ বিধান আৰু প্ৰাসংগিক বিধি অনুযায়ী আকস্মিক পুঁজিৰ পৰা অগ্ৰিম অনুমোদন কৰিব পাৰে। তেনেধৰণে অনুমোদিত অগ্ৰিম সমূহ এক পৰিপূৰক অনুদান বা বিনিয়োজনৰ দ্বাৰা নিয়মীয়াকৰণ কৰিব লাগিব আৰু আকস্মিক পুঁজিলৈ ঘূৰাই দিব লাগিব।

যদি বাজেটত ধাৰ্যৰ পৰিমাণ কম হয় আৰু কৰ্তৃত্বশীল কৰ্তৃপক্ষৰ আদেশৰ অধীনত ইতিমধ্যে প্ৰতিশ্ৰুতিবদ্ধ ব্যয় কৰা হৈছে তেতিয়া অসম বাজেট নিয়মাৱলী (এ বি এম), 2012 ই পৰিপূৰক অনুদান আৰু বিনিয়োজনৰ বাবে অনুমতি প্ৰদান কৰে।

2020-21 বৰ্ষৰ বাবে 1,03,761.63 কোটি টকাৰ মূল বাজেট অনুমোদন কৰাৰ উপৰিও ৰাজ্যিক আইনসভাই 113 টা খণ্ডৰ[17] অধীনত 72 টা অনুদান/বিনিয়োজনত 18,580.03 কোটি টকাৰ[18] দুটা পৰিপূৰকক অনুমোদন জনাইছিল। এই পৰিপূৰক আৱণ্টনবোৰৰ হিচাপ পৰীক্ষাৰ বিশ্লেষণে দেখুৱাইছে যে কেৱল 12 টা খণ্ডৰ ক্ষেত্ৰত 1,809.14 কোটি টকাৰ (9.7 শতাংশ) পৰিপূৰক ব্যৱস্থাৰ প্ৰয়োজন আছিল যি বোৰত চূড়ান্ত ব্যয় মূল বাজেট ব্যৱস্থাতকৈ অধিক আছিল। **পৰিশিষ্ট 3.2** ত দেখুওৱাৰ দৰে আনকি এই ক্ষেত্ৰকেইটাৰ ভিতৰটো আঠ টা খণ্ডৰ ক্ষেত্ৰত 3,629.80 কোটি টকাৰ প্ৰকৃত আৱণ্টন অত্যাধিক প্ৰমাণিত হৈছিল। 70 টা অনুদান/বিনিয়োজনৰ 101 টা খণ্ডত 14,950.22 কোটি টকাৰ পৰিপূৰক বাজেট আৱণ্টন অপ্ৰয়োজনীয় আছিল, কিয়নো প্ৰকৃত ব্যয় মূল বাজেট আৱণ্টতকৈ **পৰিশিষ্ট 3.3** ত দেখুওৱাৰ দৰে কম আছিল।

[17] গৃহীত /ধাৰ্যিত আৰু ৰাজহ /মূলধনীৰ সংমিশ্ৰণৰ অধীনত অনুদান/বিনিয়োজনৰ ভিতৰত আৱণ্টন হৈছে এক পৃথক খণ্ড।

[18] 8,142.32 কোটি টকা (08 চেপ্টেম্বৰ 2020) আৰু 10,437.71 কোটি টকা (05 জানুৱাৰী 2021)

**সাৰণী 3.5** ত 14 টা খণ্ড দেখুওৱা হৈছে য'ত মূল বাজেট আৱণ্টনতকৈ প্ৰকৃত ব্যয় কম হোৱা স্বত্তেও 250 কোটি টকাৰ অধিক পৰিপূৰক বাজেট প্ৰদান কৰা হৈছিল।

**সাৰণী 3.5: 250 কোটিতকৈ অধিক অপ্ৰয়োজনীয় পৰিপূৰক বাজেট আৱণ্টনৰ উদাহৰণ**

**(কোটি টকাত)**

| ক্ৰমিক নং | অনুদান | খণ্ড | বাজেট (মূল) | ব্যয় | মূল বাজেটৰ বিপৰীতে ৰাহি(-) | বাজেট (পৰিপূৰক) |
|---|---|---|---|---|---|---|
| 1 | 57 গ্ৰাম্য উন্নয়ন | ৰাজহ-গৃহীত | 3,639.65 | 3,543.21 | -96.44 | 2,754.72 |
| 2 | 64 পথ আৰু দলং | মূলধনী-গৃহীত | 7,932.10 | 7,323.00 | -609.10 | 1,892.17 |
| 3 | 62 শক্তি ( বিদ্যুৎ) | মূলধনী-গৃহীত | 971.98 | 330.43 | -641.55 | 1,498.78 |
| 4 | 71 শিক্ষা (প্ৰাথমিক, মাধ্যমিক ইত্যাদি) | ৰাজহ-গৃহীত | 13,522.59 | 11,850.05 | -1,672.54 | 1,215.37 |
| 5 | 39 সামাজিক সুৰক্ষা, কল্যাণ আৰু পুষ্টি | ৰাজহ-গৃহীত | 2,147.18 | 2,133.80 | -13.38 | 960.45 |
| 6 | 29 চিকিৎসা আৰু জনস্বাস্থ্য | মূলধনী-গৃহীত | 734.92 | 504.92 | -230.00 | 491.65 |
| 7 | 34 নগৰ উন্নয়ন ( পৌৰ প্ৰশাসন) | ৰাজহ-গৃহীত | 1,045.49 | 358.32 | -687.17 | 454.86 |
| 8 | 41 প্ৰাকৃতিক দুৰ্যোগ | ৰাজহ-গৃহীত | 2,210.67 | 1,250.59 | -960.08 | 436.00 |
| 9 | 62 শক্তি (বিদ্যুৎ) | ৰাজহ-গৃহীত | 1,526.09 | 1,354.84 | -171.25 | 433.96 |
| 10 | 14 আৰক্ষী | ৰাজহ-গৃহীত | 4,564.17 | 4,102.25 | -461.92 | 406.95 |
| 11 | 56 গ্ৰামোন্নয়ন (পঞ্চায়ত) | ৰাজহ-গৃহীত | 1,824.55 | 1,605.40 | -219.15 | 388.05 |
| 12 | 26 শিক্ষা (উচ্চ) | ৰাজহ-গৃহীত | 2,805.82 | 2,444.20 | -361.62 | 300.73 |
| 13 | 38 অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী আদিৰ কল্যাণ | ৰাজহ-গৃহীত | 1,623.20 | 398.18 | -1,225.02 | 297.45 |
| 14 | 64 পথ আৰু দলং | ৰাজহ-গৃহীত | 1,309.91 | 1,031.15 | -278.76 | 290.66 |
| | **মুঠ** | | **45,858.32** | **38,230.34** | **-7,627.98** | **11,821.80** |

সেয়েহে, এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে 18,580.03 কোটি টকাৰ বৃহৎ পৰিপূৰক অনুদানে বাজেটৰ বিপৰীতে ৰাহি আৰু বৃদ্ধি কৰে, কিয়নো 1,809.14 কোটি টকাৰ প্ৰকৃত প্ৰয়োজনীয়তা এই পৰিমাণৰ 10 শতাংশতকৈ কম আছিল।

কোনো প্ৰয়োজন নোহোৱাকৈ পৰিপূৰক অনুদান বিচৰাটো ৰাজ্য চৰকাৰৰ দ্বাৰা দুৰ্বল বাজেট ব্যৱস্থাপনাৰ পৰিচায়ক। চৰকাৰে ইয়াৰ বাজেট ব্যৱস্থাপনা প্ৰথা পুনৰীক্ষণ কৰিব পাৰে আৰু বৃহৎ নগদ পৰিপূৰক পৰিহাৰ কৰিব পাৰে।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ সচিবে হিচাপ পৰীক্ষাৰ পৰামৰ্শ অনুসৰি বাজেটৰ অপ্ৰয়োজনীয় মুদ্ৰাস্ফীতি পৰিহাৰ কৰিবলৈ কাৰিকৰী পৰিপূৰক/টোকেন পৰিপূৰক ব্যৱহাৰৰ সন্দৰ্ভত বাজেট হাতপুথি এক উপযুক্ত ব্যৱস্থা অন্তৰ্ভুক্ত কৰিবলৈ সন্মত হৈছিল।

## 3.3.4 অপ্ৰয়োজনীয় বা অতিৰিক্ত পুনৰ বিনিয়োজন

পুঁজিৰ পুনৰ বিনিয়োজন হৈছে একেটা অনুদানৰ ভিতৰতে ৰাহিৰ সম্ভাৱনা থকা এটা গোটৰ পৰা অতিৰিক্ত পুঁজিৰ প্ৰয়োজনীয়তা চিনাক্ত কৰা গোটলৈ পুঁজিৰ হস্তান্তৰণ। এ বি এম, 2012 ৰ দফা 9.2 অনুসৰি, বিত্ত বিভাগৰ এটা অনুদানৰ ভিতৰতে যিকেনো ধৰণৰ পুনৰ বিনিয়োজন কৰিবলৈ মঞ্জুৰী/ কৰ্তৃত্বৰ ক্ষমতা আছে, যি সমূহ পুনৰাবৃত্তিমূলক দায়বদ্ধতাৰ সৈতে জড়িত নহয়।

হিচাপ পৰীক্ষাৰ বিশ্লেষণত পুনঃর্বিনিয়োজন অত্যাধিক হোৱাটো প্ৰমাণিত হৈছিল আৰু ফলস্বৰূপে 16 টা উপ-শিতান (প্ৰত্যেকটো বিষয়ত 10 লাখ টকা বা তাতোধিক) ত বিপুল পৰিমানৰ ৰাহি হৈছিল, যাৰ বিৰৰণ **পৰিশিষ্ট 3.4** ত দিয়া হৈছে। উক্ত 16 টা উপ-শিতান সমূহৰ ভিতৰত **সাৰণী 3.6** ত সবিশেষ দিয়া ধৰণে সাতটা উপ-শিতানত ৰাহিৰ পৰিমান 50 লাখ টকাতকৈও অধিক আছিল।

**সাৰণী 3.6: অত্যাধিক পুনঃবিনিয়োজন (50 লাখ টকাতকৈ অধিক চূড়ান্ত ৰাহিৰ সৈতে)**

**(কোটি টকাত)**

| ক্ৰমিক নং | অনুদান | উপ শিতান | উপ-উপ শিতান | ৰাহি (-) / অতিৰিক্ত (অ'এচ) | পুণ: বিনিয়োজন | ৰাহি (-)/অতিৰিক্ত (অ'এচ আৰ) |
|---|---|---|---|---|---|---|
| 1 | 25 বিবিধ সাধাৰণ সেৱাসমূহ | {0417}-সঞ্চালক প্ৰতিষ্ঠানগত বিত্ত কোষ | [200]-চাহ বাগিছা আঁচনি | 6.85 | 11.14 | -4.29 |
| 2 | | {2490}- চিকিৎসা পৰিশোধ আদায় | --- | 0.90 | 3.00 | -2.10 |
| 3 | 27 কলা আৰু সংস্কৃতি | {0689}-সাংস্কৃতিক কাৰ্যকলাপৰ বিকাশ নিৰপেক্ষ উৎসৱ প্ৰতিযোগিতা ইত্যাদি | [872]-শিল্পী সম্বৰ্ধনা (এককালীন) 50,000/- কৈ 1000 শিল্পীৰ বাবে | 3.56 | 4.13 | -0.57 |
| 4 | 41 প্ৰাকৃতিক দুৰ্যোগ | {4703}-বিনামুলীয়া সাহাৰ্য্য (বানপানী) | --- | 132.71 | 170.00 | -37.29 |
| 5 | 49 জলসিঞ্চন | {0160}-প্ৰবাহ জলসিঞ্চন | --- | 1.60 | 3.07 | -1.47 |
| 6 | | {1522}-উত্তোলক জলসিঞ্চন | [121]-কুৰুৱা এল আই এচ, মঙ্গলদৈ বিভাগ | 0.06 | 0.78 | -0.72 |
| 7 | | {0160}-প্ৰবাহ জলসিঞ্চন | [547]-দেওচিলা এফ আই এচ, দুধনৈ বিভাগৰ উন্নতি আৰু নৱীকৰণ | 0.59 | 1.14 | -0.55 |

ইয়াৰ উপৰিও, 61 টা উপ শিতানত পুণৰ বিনিয়োজন অপ্ৰয়োজনীয় প্ৰমাণিত হৈছিল, কিয়নো পূনৰ বিনিয়োজন কৰা পৰিমাণৰ ফলত অৱশেষত অধিক ৰাহি হৈছিল। হিচাপৰ শিতানৰ সমূহৰ সম্পূৰ্ণ তালিকা য'ত পুঁজি পুনঃবিনিয়োজন কৰা হৈছিল আৰু য'ত চূড়ান্ত ৰাহি 10 লাখ টকাতকৈ অধিক আছিল **পৰিশিষ্ট 3.5** ত দিয়া হৈছে। এই 61 টা উপ-শিতানৰ ভিতৰত য'ত পুনঃবিনিয়োজন অপ্ৰয়োজনীয় আছিল, 12 টা উপ-শিতানৰ ক্ষেত্ৰত চূড়ান্ত ৰাহি 10 কোটি টকা অতিক্ৰম কৰিছে আৰু তলৰ **সাৰণী 3.7** ত দেখুওৱা হৈছে

**সাৰণী 3.7: পুঁজিৰ অ-প্ৰয়োজনীয় পুনঃ বিনিয়োজন (10 কোটি টকাতকৈ অধিক চূড়ান্ত ৰাহিৰ সৈতে)**

**(কোটি টকাত)**

| ক্ৰমিক নং | অনুদান | উপ শিতান | উপ-উপ শিতান | ৰাহি (-)/ অতিৰিক্ত (অ'এচ) | পুনঃবিনিয়োজন | ৰাহি (-) / অতিৰিক্ত (অ'এচ আৰ) |
|---|---|---|---|---|---|---|
| 1 | 14 আৰক্ষী | {0145}-জিলা আৰক্ষী সঠিক | --- | -200.45 | 41.03 | -241.48 |
| 2 | 14 আৰক্ষী | {0457}-নীৰিক্ষণ চকী আঁচনি স্থাপন | [491]-ভাৰত চৰকাৰৰ পৰা প্ৰতিপূৰণযোগ্য | -10.52 | 12.00 | -22.52 |
| 3 | 14 আৰক্ষী | {0474}-গ্ৰাম্য আৰক্ষী/গ্ৰাম্য প্ৰতিৰক্ষা সংগঠন | --- | -20.24 | 1.00 | -21.24 |
| 4 | 14 আৰক্ষী | {1015}-বাংলাদেশী অনুপ্ৰৱেশৰ পৰীক্ষা | [901]- বাংলাদেশী অনুপ্ৰৱেশৰ পৰীক্ষা | -10.44 | 3.00 | -13.44 |
| 5 | 20 অন্যান্য প্ৰশাসনিক সেৱাসমূহ | {0525}-অসম বিশেষ সংৰক্ষিত বাহিনী (এ এছ আৰ এফ) | --- | -14.74 | 0.03 | -14.77 |
| 6 | 29 চিকিৎসা আৰু জনস্বাস্থ্য | {0741}-গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, গুৱাহাটী | --- | -41.53 | 0.42 | -41.95 |
| 7 | 41 প্ৰাকৃতিক দুৰ্যোগ | {0821}- অন্যান্য | --- | -27.92 | 5.00 | -32.92 |
| 8 | | {4386}-পুনৰ্সংস্থাপন অনুদান (ঘূৰ্ণী বতাহ) | --- | -7.12 | 20.00 | -27.12 |
| 9 | 49 জলসিঞ্চন | --- | --- | -58.08 | 0.66 | -58.74 |
| 10 | 56 গ্ৰামোন্নয়ন (পঞ্চায়ত) | {1356}-মহকুমা পৰিষদ/গ্ৰাম পঞ্চায়ত কৰ্মচাৰীৰ পঞ্চায়ত প্ৰতিষ্ঠানলৈ সহায় | [702]- আঞ্চলিক পঞ্চায়তলৈ সহায় | -18.08 | 0.04 | -18.12 |
| 11 | 64 পথ আৰু দলং | {1382}-কাৰ্যকৰী কৰণ (সাধাৰণ) | --- | -136.73 | 0.38 | -137.11 |
| 12 | | {1857}-কেন্দ্ৰীয় পথ পুঁজিৰ পৰা পূৰণ কৰা নিৰ্মান ব্যয় (খণ্ড অনুদান) | [927]-কেন্দ্ৰীয় অংশ | -47.97 | 25.00 | -72.97 |

যি সমূহ মূখ্য শিতানত পুনঃবিনিয়োজন কৰা হৈছিল আৰু 10 কোটি টকাতকৈ অধিক পৰিমানৰ ৰাহি হৈছিল সেই সমূহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে বাজেট আবণ্টন আৰু ব্যৱহাৰ ভালদৰে পৰিকল্পনা আৰু পৰ্যবেক্ষণ নকৰাটোৰেই পৰিস্ফুট হৈছিল।

## 3.3.5 অব্যৱহৃত পৰিমাণ আৰু সমৰ্পণ কৰা বিনিয়োজন সমূহ আৰু / অথবা বৃহৎ ৰাহি/ সমৰ্পণ সমূহ

### 3.3.5.1 ৰাহি সমৰ্পণ নকৰা

অসম বাজেট হাতপুথি (এ বি এম) 2012 আৰু ৰাজ্য চৰকাৰৰ বাজেট কেলেণ্ডাৰ অনুযায়ী ডি ডি অ' সকলে তেওঁলোকৰ নিয়ন্ত্ৰক বিষয়াক ৰাহিৰ বিষয়ে জনোৱাৰ নিৰ্দিষ্ট তাৰিখ 15 জানুৱাৰী আৰু বিত্ত বিভাগক সেইসমূহৰ পৰৱৰ্ত্তী সমৰ্পণৰ তাৰিখ 15ফেব্ৰুৱাৰী।

প্ৰকৃততে, 2020-21 ৰ সময়ছোৱাত ৰাজ্যৰ বিনিয়োজনৰ হিচাপত লিপিবদ্ধ কৰা সামগ্ৰীক ৰাহি 40,184.28 কোটি টকাৰ[19] বিপৰীতে বছৰটোত অসম চৰকাৰৰ কোনো এটা বিভাগেই কোনো ধৰণৰ পৰিমান সমৰ্পণ কৰা নাছিল। এইটো বাজেট নিয়মাৱলীৰ পৰিপন্থী আছিল।

[19] য'ত বাজেটত সামগ্ৰিক ৰাহি 39,453.03 কোটি টকা ইয়াৰ ভিতৰত খণ্ড পৰ্যায়ত ৰাহি 40,184.28 কোটি টকা আৰু অতিৰিক্ত 731.25 কোটি টকা।

সেয়েহে, সংশ্লিষ্ট বিভাগবোৰৰ দ্বাৰা ৰাহি সমৰ্পণৰ বাবে নিৰ্ধাৰিত সময়সূচী অনুসৰণ নকৰিলে বাজেট ব্যৱস্থাপনাত দক্ষতা প্ৰাপ্ত কৰাৰ উদ্দেশ্য কমি যায়।

তদুপৰি, বাজেটত বৃহৎ ৰাহি, লগতে নিৰন্তৰ ৰাজহ আৰু বিত্তীয় ঘাটি, অবাস্তৱ বাজেট আৰু বৰ্ধিত বাজেটৰ পৰিচায়ক যি ৰাজ্যৰ দ্বাৰা প্ৰকৃত সম্পদ সংগ্ৰহৰ সৈতে সামঞ্জস্যপূৰ্ণ নহয়।

### 3.3.5.2 বাজেটত সন্নিবিষ্ট পুঁজিৰ কম ব্যৱহাৰ

বিগত কেইবাবছৰ ধৰি ৰাজ্যখনৰ দ্বাৰা প্ৰত্যেকটো বছৰতে বাজেটত ধাৰ্য পুঁজি সমূহৰ উল্লেখযোগ্যভাৱে কম ব্যৱহাৰ হৈ আহিছে। 2016-17 ৰ পৰা 2020-21 লৈ পাঁচ বছৰৰ সময়ছোৱাত বাজেটত পুঁজিৰ ব্যৱহাৰৰ বিস্তৃতি **চিত্ৰ তালিকা 3.3** ত দেখুওৱা হৈছে।

**চিত্ৰ তালিকা 3.3: 2016-17 ৰ পৰা 2020-21 ৰ সময়ছোৱাত বাজেটৰ ব্যৱহাৰ**




ওপৰৰ চিত্ৰ তালিকাৰ পৰা দেখা যায়, বাজেটৰ ব্যৱহাৰ পাঁচ বছৰৰ যিকোনো এটা সময়ত 70 শতাংশ খুব কমহে অতিক্ৰম কৰিছে। আৱন্টিত পুঁজিত বৃহৎ পৰিমাণৰ ৰাহিয়ে সম্পদ সংগ্ৰহ আৰু ইয়াৰ পৰিকল্পিত ব্যৱহাৰ দুয়োটাৰ অশুদ্ধ মূল্যায়নৰ সৈতে ত্ৰুটিপুৰ্ণ বাজেট সূচায়।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ সচিবে সকলো অংশীদাৰৰ সৈতে আলোচনা কৰি সম্ভাব্য সম্পদ সংগ্ৰহৰ নিৰ্ভৰযোগ্য ধাৰণাৰ ওপৰত আধাৰিত কৰি বাস্তৱিক বাজেট প্ৰস্তুত কৰাৰ ওপৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে।

### 3.3.5.3 অনুদান/ বিনিয়োজন সমূহত বৃহৎ আৰু ধাৰাবাহিক ৰাহি

2020-21 বৰ্ষত 24 টা অনুদান/বিনিয়োজনত বাজেট আৱণ্টনৰ 50 শতাংশতকৈ কম ব্যৱহাৰৰ সৈতে বৃহৎ ৰাহি হৈছিল। ৰাহিৰ পৰিমাণ অনুযায়ী গোট কৰা অনুদান / বিনিয়োজনৰ সংখ্যাৰ বিতৰণ **চিত্ৰ তালিকা 3.4** ত দিয়া হ'ল।

**চিত্ৰ তালিকা 3.4: অনুদান ভিত্তিক পুঁজিসমূহৰ ব্যৱহাৰ**




* অনুদান পৰ্যায়ত এটা অনুদানত (অনুদান -78) ব্যৱহৃত বাজেট আৱণ্টিত বাজেটতকৈ বেছি আছিল।

2020-21 বৰ্ষত 50 শতাংশতকৈ কম ব্যৱহাৰ দেখুওৱা এই 24 টা অনুদান/বিনিয়োজনৰ ভিতৰত, 16 টাই যোৱা পাঁচ বছৰৰ সময়ছোৱাত অৰ্থাৎ 2016-21 বৰ্ষত তিনি বা ততোধিক বছৰত একে ধৰণৰ কম ব্যৱহাৰ দেখুৱাইছিল। ই প্ৰণালীবদ্ধ বিষয়বোৰৰ পৰিচায়ক যিয়ে চৰকাৰৰ দ্বাৰা দ্ৰুত সংশোধনমূলক ব্যৱস্থা আৰম্ভ কৰিবলৈ এক নিবিড় পৰ্যালোচনা নিশ্চিত কৰে। 2016-17 বৰ্ষৰ পৰা 2020-21 বৰ্ষলৈ পাঁচ বছৰৰ বাবে এই 24 টা অনুদান/ বিনিয়োজনত বাজেট আৱণ্টনৰ ব্যৱহাৰ **সাৰণী 3.8** ত দেখুওৱা হৈছে।

**সাৰণী: 3.8: অনুদান/ বিনিয়োজন য'ত বাজেটৰ ব্যৱহাৰ (< 50 শতাংশ) আছিল**

(কোটি টকাত)

| ক্ৰমিক নং | অনুদান | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 | বছৰৰ সংখ্যা * | বাজেট 2020-21 | মুঠ বাজেট (5 বছৰৰ) |
|---|---|---|---|---|---|---|---|---|---|
| 1 | 02 মন্ত্ৰী পৰিষদ | 51.25% | 28.61% | 71.63% | 53.42% | 36.46% | 2 | 14.83 | 64.90 |
| 2 | 07 মোহৰ আৰু পঞ্জীয়ন | 72.29% | 45.18% | 59.35% | 9.26% | 27.16% | 3 | 188.75 | 671.65 |
| 3 | 17 প্ৰশাসনিক আৰু কাৰ্যকৰী ভৱন | 59.79% | 40.28% | 53.96% | 48.35% | 46.97% | 3 | 529.35 | 2726.33 |
| 4 | 19 সতৰ্কতা আয়োগ আৰু অন্যান্য | 45.56% | 57.25% | 78.36% | 18.75% | 44.14% | 3 | 734.41 | 3988.48 |
| 5 | 21 গেষ্ট হাউচ, চৰকাৰী হোষ্টেল | 52.09% | 53.84% | 38.57% | 31.73% | 27.01% | 3 | 74.24 | 295.91 |
| 6 | 22 প্ৰশাসনিক প্ৰশিক্ষণ | 58.20% | 38.74% | 57.69% | 31.67% | 38.44% | 3 | 36.15 | 159.30 |
| 7 | 24 সাহাৰ্য সামগ্ৰী | 0.0% | 0.0% | 0.0% | 0.0% | 0.0% | 5 | 0.01 | 0.05 |
| 8 | 25 বিবিধ সাধাৰণ সেৱা সমূহ | 39.62% | 95.66% | 44.96% | 34.47% | 33.85% | 4 | 7285.44 | 18,752.58 |

| ক্ৰমিক নং | অনুদান | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 | বছৰৰ সংখ্যা * | বাজেট 2020-21 | মুঠ বাজেট (5 বছৰৰ) |
|---|---|---|---|---|---|---|---|---|---|
| 9 | 27 কলা আৰু সংস্কৃতি | 65.82% | 48.36% | 52.44% | 39.02% | 46.48% | 3 | 193.23 | 922.99 |
| 10 | 34 নগৰ উন্নয়ন ( পৌৰ প্ৰশাসন) | 29.14% | 20.59% | 36.89% | 31.65% | 23.82% | 5 | 1504.56 | 5,495.78 |
| 11 | 37 খাদ্য সংৰক্ষণ আৰু পণ্যাগৰণ | 61.25% | 55.80% | 77.38% | 63.88% | 46.71% | 1 | 1366.35 | 5,175.99 |
| 12 | 38 অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী আদিৰ কল্যাণ | 52.34% | 33.16% | 44.92% | 64.53% | 21.41% | 3 | 2005.89 | 7,787.83 |
| 13 | 41 প্ৰাকৃতিক দুৰ্যোগ | 83.95% | 85.01% | 74.01% | 71.95% | 47.25% | 1 | 2646.68 | 8,667.11 |
| 14 | 44 উত্তৰ-পূৱ পৰিষদৰ আঁচনি সমূহ | 32.02% | 24.36% | 25.04% | 15.26% | 11.44% | 5 | 1914.65 | 8,223.15 |
| 15 | 46 ওজন আৰু জোখ | 72.86% | 72.13% | 62.96% | 60.39% | 44.08% | 1 | 29.26 | 105.21 |
| 16 | 49 জলসিঞ্চন | 37.47% | 49.32% | 31.41% | 45.77% | 46.01% | 5 | 1719.65 | 7,581.21 |
| 17 | 58 উদ্যোগ | 61.42% | 27.73% | 49.70% | 6.75% | 43.74% | 4 | 181.56 | 2,286.67 |
| 18 | 61 খনি আৰু খনিজ | 55.14% | 60.24% | 54.65% | 56.12% | 17.24% | 1 | 74.20 | 160.57 |
| 19 | 62 শক্তি (বিদ্যুৎ) | 93.91% | 65.33% | 43.32% | 42.52% | 38.04% | 3 | 4430.81 | 18,984.24 |
| 20 | 65 পৰ্যটন | 68.75% | 61.85% | 81.31% | 36.57% | 33.48% | 2 | 162.07 | 734.39 |
| 21 | 67 উদ্যানশস্য | 39.97% | 53.40% | 48.83% | 42.68% | 36.46% | 4 | 255.80 | 676.63 |
| 22 | 69 বৈজ্ঞানিক সেৱা আৰু গৱেষণা | 61.75% | 54.70% | 63.84% | 80.60% | 44.31% | 1 | 76.12 | 256.55 |
| 23 | 70 পাৰ্বত্য এলেকা | 22.75% | 35.67% | 18.03% | 11.62% | 6.13% | 5 | 27.82 | 144.32 |
| 24 | 73 নগৰ উন্নয়ন (গুৱাহাটী উন্নয়ন বিভাগ) | 67.45% | 28.84% | 21.18% | 35.56% | 14.87% | 4 | 1130.15 | 6,698.41 |

** 50 শতাংশৰ তলত বাজেট পুঁজি ব্যৱহাৰ হোৱা বছৰ সমূহৰ সংখ্যা*

নগৰীয় আন্তঃগাঁথনিৰ সৈতে পোনপটীয়াকৈ সম্পৰ্কিত তিনিটা অনুদানত যেনে 31 নগৰ উন্নয়ন (নগৰ আৰু গ্ৰাম্য পৰিকল্পনা), 34 নগৰ উন্নয়ন (পৌৰ প্ৰশাসন) আৰু 73 নগৰ উন্নয়ন ( গুৱাহাটী উন্নয়ন বিভাগ) ত বাজেটৰ নিম্ন ব্যৱহাৰ আমাৰ আগৰ বছৰৰ প্ৰতিবেদনত উদ্বেগৰ বিষয় হিচাপে উল্লেখ কৰা হৈছিল, আৰু চলিত বৰ্ষটো এই অনুদানবোৰে কম ব্যৱহাৰ[20] দেখুৱাইছে, তিনিটাৰ দুটাই 50 শতাংশতকৈ কম ব্যৱহাৰ দেখুওৱা হৈছে। নগৰ

[20] অনুদান-31: 62.99 শতাংশ, অনুদান-34: 23.82 শতাংশ, অনুদান-73: 14.87 শতাংশ।

আন্তঃগাঁথনি উন্নত কৰাটো ৰাজ্যই সন্মুখিন হোৱা এটা প্ৰত্যাহ্বান, সম্পৰ্কিত অনুদানৰ বিপৰীতে আৱণ্টনৰ কম ব্যৱহাৰ চিন্তাৰ কাৰণ। ৰাজ্য চৰকাৰে এই অনুদানবোৰৰ আৱণ্টিত পুঁজিৰ দুৰ্বল ব্যৱহাৰৰ কাৰণবোৰ পৰীক্ষা কৰিব লাগে আৰু ক্ষীপ্ৰতাৰে উপযুক্ত সংশোধনমূলক পদক্ষেপ ল'ব লাগে।

কিছুমান বিভাগৰ দ্বাৰা প্ৰকৃত প্ৰয়োজনতকৈ অধিক বাজেট ব্যৱস্থা বিচৰা আৰু ব্যৱহাৰ কৰিবলৈ সক্ষম নোহোৱা কাৰণে অগ্ৰাধিকাৰ প্ৰদান কৰিবলগীয়া খণ্ড সমূহক পুঁজি আৱন্টনৰ পৰা বঞ্চিত কৰে আৰু ৰাজহুৱা বিত্তৰ ওপৰত বিধান মণ্ডলৰ দুৰ্বল নিয়ন্ত্ৰণৰ দিশে গতি কৰে।

## 3.3.6 অতিৰিক্ত ব্যয় আৰু ইয়াৰ নিয়মীয়াকৰণ

সংবিধানৰ অনুচ্ছেদ 205(1) (b) ত কোৱা হৈছে যে যদি এটা বিত্তীয় বছৰত কেনো এটা সেৱাৰ বাবদ ব্যয় কৰা ধনৰ পৰিমান উক্ত সেৱাৰ বাবে অনুমোদিত পৰিমানতকৈ অধিক হয় তেতিয়া তেনেধৰণৰ অতিৰিক্ত দাবী ৰাজ্যপালৰ দ্বাৰা বিধান সভাত উত্থাপন কৰা হ'ব। ইয়াৰ দ্বাৰা বুজা যায় যে ৰাজ্য চৰকাৰে এটা বিত্তীয় বৰ্ষত অনুদান/ বিনিয়োজন সমূহ অতিৰিক্ত হ'লে ৰাজ্যিক বিধানসভাৰ দ্বাৰা নিয়মীয়াকৰণ কৰিব লাগে।

যদিও অনুচ্ছেদৰ অধীনত অতিৰিক্ত ব্যয় সমূহ নিয়মীয়া কৰণৰ সময় সীমা নিৰ্দ্ধাৰণ কৰা হোৱা নাই তথাপিও ৰাজহুৱা হিচাপ সমিতিৰ দ্বাৰা বিনিয়োজন হিচাপ সমূহৰ আলোচনা শেষ হোৱাৰ পিছত অতিৰিক্ত ব্যয় সমূহ নিয়মিয়া কৰণ কৰা হয়। এনে কৰিবলৈ ব্যৰ্থ হ'লে সাংবিধানিক বিধান উলংঘা হয় আৰু ৰাজহুৱা ধনৰ ব্যৱহাৰৰ সন্দৰ্ভত কাৰ্যপালিকাক বিধান সভাৰ দ্বাৰা জবাবদিহি কৰাৰ নিশ্চিতি প্ৰদানৰ লক্ষ্যক পৰাভূত কৰে।

### 3.3.6.1 2020-21 বৰ্ষৰ সৈতে সম্পৰ্কিত অতিৰিক্ত ব্যয়

বছৰটোৰ বাবে ধাৰ্য কৰা পৰিমানতকৈ অতিৰিক্ত ব্যয়ে বিধান সভাৰ অনুমোদনৰ প্ৰয়োজনীয় ব্যৱস্থাৱলীৰ উলংঘনেই নহয় লগতে বেয়া পৰিকল্পনাৰো ইংগিত বহন কৰে, যিসমূহ বাজেট ব্যয়ৰ লগত সামঞ্জস্য ৰাখি অতিৰিক্ত ব্যয় পৰিহাৰ কৰি চলিব পৰা যায়। বিত্তীয় বৰ্ষৰ ব্যৱস্থাতকৈ অতিৰিক্ত ব্যয়ৰ বিষয় সমূহ সাৱধানে পৰীক্ষা কৰিব লাগে।

2020-21 ৰ সময়ছোৱাত চাৰিটা অনুদান /বিনিয়োজনৰ চাৰিটা খণ্ডত বাজেট ব্যৱস্থাতকৈ 731.25 কোটি টকা পৰিমানৰ অতিৰিক্ত ব্যয় হৈছিল যিটো সংবিধানৰ 205 অনুচ্ছেদ অনুসৰি ৰাজ্যিক বিধানমণ্ডলে নিয়মীয়া কৰাটো প্ৰয়োজনীয় আছিল। যি সমূহ অনুদান/ বিনিয়োজনৰ ক্ষেত্ৰত অতিৰিক্ত ব্যয় হৈছিল সেইসমূহৰ সবিশেষ **সাৰণী 3.9** ত দেখুওৱা হ'ল।

**সাৰণী 3.9: 2020-21 ৰ সময়ছোৱাত নিয়মীয়াকৰণৰ প্ৰয়োজন হোৱা অতিৰিক্ত ব্যয়**

**(কোটি টকাত)**

| অনুদান | খণ্ড | মুঠ অনুদান | প্ৰকৃত ব্যয় | অতিৰিক্ত ব্যয় |
|---|---|---|---|---|
| 23 পেঞ্চন | ৰাজহ - গৃহীত | 9,652.22 | 10,323.35 | 671.13 |
| 76 কাৰ্বি আংলং স্বায়ত্ব শাষিত পৰিষদ | মূলধনী - গৃহীত | 333.64 | 367.42 | 33.78 |
| 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাষিত পৰিষদ | মূলধনী - গৃহীত | 73.46 | 80.97 | 7.51 |
| 78 বড়োলেণ্ড আঞ্চলিক পৰিষদ | মূলধনী - গৃহীত | 217.21 | 236.04 | 18.83 |
| **মুঠ** | | **10,276.53** | **11,007.78** | **731.25** |

এই চাৰিটা অনুদানৰ ভিতৰত দুটা যেনে 23 পেঞ্চন আৰু 78 বড়োলেণ্ড আঞ্চলিক পৰিষদে 2019-20 বৰ্ষটো অতিৰিক্ত ব্যয় দেখুওৱাইছিল। তদুপৰি, 2020-21 ৰ পেঞ্চন প্ৰদানৰ পৰিমান হিচাপে 1,209.08 কোটি টকা ৰাজ্যিক হিচাপ (2020-21) ত ব্যয় হিচাপে লিপিবদ্ধ কৰা নাছিল। ইয়াৰ অন্তৰ্নিহিত কাৰণ প্ৰতিবেদনৰ দফা 4.10.1 ত সবিশেষ দিয়া হৈছে। যদি এই সমূহ হিচাপ কৰিলেহেতেন তেতিয়া পেঞ্চন প্ৰদানৰ বাবদ বছৰটোত অতিৰিক্ত ব্যয়ৰ পৰিমান 1,880.21 কোটি টকা হ'লহেতেন।

তেনেধৰণৰ অতিৰিক্ত ব্যয়ে বাজেট আৰু বিত্তীয় নিয়ন্ত্ৰণ পদ্ধতিক বিনষ্ট কৰে আৰু ৰাজহুৱা সম্পদ সমূহৰ ব্যৱস্থাপনাত বিত্তীয় বিশৃংখলতাক উৎসাহিত কৰে।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে অতিৰিক্ত ব্যয়ৰ ওপৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিছিল।

### 3.3.6.2 কিছুমান অনুদানত ধাৰাবাহিকভাৱে অতিৰিক্ত

2016-17 ৰ পৰা 2020-21 লৈ পাঁচবছৰৰ সময়ছোৱাৰ ৰাজ্যিক বিধান সভাৰ দ্বাৰা নিয়মীয়াকৰণৰ প্ৰয়োজনীয়তা থকা অনুমোদিত আৱন্টনতকৈ অতিৰিক্ত ব্যয় সমূহৰ সবিশেষ **চিত্ৰ তালিকা 3.5** ত দিয়া হ'ল।

**চিত্ৰ তালিকা 3.5: নিয়মীয়াকৰণৰ প্ৰয়োজনীয়তা থকা অতিৰিক্ত ব্যয় থকা অনুদানসমূহ**




24 মাৰ্চ 2020 তাৰিখে ৰাজ্যিক আইনসভাত দাখিল কৰা ইয়াৰ 161 তম প্ৰতিবেদনৰ দফা 6 ৰ দ্বাৰা পি এ চি এ পৰামৰ্শ দিছিল যে বিত্ত বিভাগে তিনিখন পৰিষদৰ বৰ্তমানৰ হিচাপ প্ৰণালী অধ্যয়ন কৰিবলৈ আৰু ভৱিষ্যতে অতিৰিক্ত ব্যয় পৰিহাৰ কৰা উপায়ৰ পৰামৰ্শ দিবলৈ এক উচ্চস্তৰীয় সমিতি গঠনক কৰিবলৈ পদক্ষেপ ল'ব লাগে। ফলস্বৰূপে ষষ্ঠ অনুসূচী এলেকা আৰু বি.টি.আৰ. কে ধৰি ৰাজ্যজুৰি অনুদানৰ বিপৰীতে অতিৰিক্ত ব্যয়ৰ বিষয়টো সুশৃংখল কৰাৰ বাবে অসমৰ ৰাজ্যপালে (ফেব্ৰুৱাৰী 2021) এখন উচ্চস্তৰীয় সমিতি গঠন কৰে। সমিতিখনে 02 নৱেম্বৰ 2021 তাৰিখে ইয়াৰ প্ৰথমখন বৈঠক অনুস্থিত কৰিছিল। সমিতিৰ প্ৰতিবেদনৰ বাবে অপেক্ষাৰত।

### 3.3.6.3 পূৰ্বৰ বিত্তীয় বৰ্ষ সমূহৰ অতিৰিক্ত ব্যয়ৰ নিয়মীয়াকৰণ

সংবিধানৰ অনুচ্ছেদ 204 ত বিধান দিয়া হৈছে যে ৰাজ্যৰ বিধান সভাৰ আইনৰ দ্বাৰা বিনিয়োজনৰ বাহিৰে একত্ৰিত পুঁজিৰ পৰা পুঁজি উলিয়াব পৰা নাযায়। তদুপৰি, ভাৰতীয় সংবিধানৰ 205 অনুচ্ছেদ অনুসৰি, অতিৰিক্ত অনুদান/ বিনিয়োজন সমূহ ৰাজ্যিক বিধান সভাৰ দ্বাৰা নিয়মীয়াকৰণ কৰাতো বাধ্যতামূলক। ব্যয় সমূহৰ নিয়মীয়াকৰণৰ বাবে অনুচ্ছেদত কোনো ধৰণৰ সময়সীমা নিৰ্দ্ধাৰিণ কৰা হোৱা নাই যদিও সাধাৰণতে পৰম্পৰাগতভাৱে বাজেট আৱন্টতকৈ অতিৰিক্ত ভাৱে হোৱা ব্যয় সমূহ ৰাজ্যিক পি এ চি ৰ দ্বাৰা বিনিয়োজন হিচাপৰ আলোচনা সম্পূৰ্ণ হোৱাৰ পিছত নিয়মীয়াকৰণ কৰা হয়। নিয়মীয়াকৰণ কৰিব লগীয়া পূৰ্বৰ বছৰ সমূহৰ সম্পৰ্কীয় অতিৰিক্ত ব্যয় সমূহৰ সংক্ষিপ্ত স্থিতি **সাৰণী 3.10** ত দিয়া হ'ল।

**সাৰণী 3.10: নিয়মীয়াকৰণ কৰিবলগীয়া পূৰ্বৰ বছৰ সমূহৰ সম্পৰ্কীয় অতিৰিক্ত ব্যয়সমূহ**

| বছৰ | সংখ্যা | | ব্যৱস্থাতকৈ অতিৰিক্তৰ পৰিমান (কোটি টকা) |
|---|---|---|---|
| | অনুদান | বিনিয়োজন | |
| **2005-06** | 2 | 2 | 2.45 |
| **2006-07** | 4 | 2 | 80.61 |
| **2007-08** | 9 | 2 | 113.24 |
| **2008-09** | 6 | 2 | 108.41 |
| **2009-10** | 3 | নাই | 10.18 |
| **2010-11** | 1 | 1 | 4.27 |
| **2011-12** | 5 | 2 | 915.14 |
| **2012-13** | 4 | নাই | 1,195.60 |
| **2013-14** | 5 | নাই | 1,499.89 |
| **2014-15** | 5 | 1 | 3,801.63 |
| **2015-16** | 3 | নাই | 243.77 |
| **2016-17** | 5 | নাই | 1,348.44 |
| **2017-18** | 2 | নাই | 264.47 |
| **2018-19** | 3 | নাই | 739.11 |
| **2019-20** | 2 | নাই | 1,159.23 |
| **মুঠ** | **59** | **12** | **11,486.44** |

পি এ চি য়ে 2005-06 ৰ পৰা 2017-18 লৈকে বছৰ সমূহৰ অতিৰিক্ত ব্যয় সম্পৰ্কে আলোচনা কৰিছিল (ফেব্ৰুৱাৰী 2020 আৰু ফেব্ৰুৱাৰী 2021) আৰু সংবিধানৰ অনুচ্ছেদ 205 ৰ অধীনত 9,540.38 কোটি টকাৰ মুঠ অতিৰিক্ত ব্যয় নিয়মীয়াকৰণ কৰাৰ বাবে ইয়াৰ 161তম আৰু 169তম প্ৰতিবেদন যোগে পৰামৰ্শ আগবঢ়াইছিল। কিন্তু অতিৰিক্ত ব্যয় নিয়মীয়াকৰণ কৰাৰ আইন চৰকাৰৰ দ্বাৰা এতিয়ালৈকে জাৰি কৰা হোৱা নাই। অতিৰিক্ত ব্যয়ৰ বছৰ ভিত্তিক সৱিশেষ কাষত দিয়া হৈছে আৰু সেইসমূহৰ অনুদান ভিত্তিক সৱিশেষ **পৰিশিষ্ট 3.6** ত দিয়া হ'ল।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ সচিবে কৈছিল যে আইনখনৰ প্ৰতিলিপি ৰাজ্যিক আইনসভাৰ দ্বাৰা অনুমোদিত হোৱাৰ পিছত হিচাপ পৰীক্ষাক প্ৰদান কৰা হ'ব।

### 3.3.7 মূলধনী সম্পদ সৃষ্টিৰ বাবে সহায়ক অনুদান

সহায়ক অনুদান হ'ল এখন চৰকাৰে আন এখন চৰকাৰ, সংস্থা, প্ৰতিষ্ঠান বা ব্যক্তিক প্ৰদান কৰা সাহাৰ্য, অনুদান বা অৱদানৰ আকাৰে প্ৰদান কৰা পৰিমান। সহায়ক অনুদান সমূহ সম্পদ নিৰ্মাণ সহ কোনো এক প্ৰতিষ্ঠানক সহায় কৰাৰ বাবে বিশেষ উদ্দেশ্যত প্ৰদান কৰা হয়।

আই জি এ এচ 2 অনুসৰি, অনুদান প্ৰদানকাৰীয়ে অনুদান প্ৰাপকলৈ বিতৰণ কৰা সহায়ক অনুদান সমূহ শ্ৰেণী বিভাজন কৰিব লাগিব আৰু যি সমূহ বিষয়ত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ পৰামৰ্শৰ আধাৰত ৰাষ্ট্ৰপতিৰ বিশেষ ভাৱে কৰ্তৃত্বৰ বিষয় সমূহৰ নিৰ্বিশেষে সহায়ক অনুদান হিচাপে বিতৰণ কৰা পুঁজি সমূহ অনুদান প্ৰাপকে যি উদ্দেশ্যতে খৰছ নকৰক কিয় ৰাজহ ব্যয় হিচাবে বিবেচনা কৰিব লাগিব।

2020-21 ৰ সময়ছোৱাত মূলধনী ব্যয় হঠাতে বৃদ্ধি পাইছিল মূলত, সহায়ক অনুদানৰ 5,640.47 কোটি টকা ৰাজহ ব্যয়ৰ পৰিবৰ্তে মূলধনী ব্যয় হিচাপে চিহ্নিত কৰা বাবে।

**সাৰণী 3.11** আৰু **চিত্ৰ তালিকা 3.6** ত ৰাজ্যখনৰ দ্বাৰা 2016-21 ৰ সময়ছোৱাত ৰাজহৰ পৰিবৰ্তে মূলধনী ব্যয় হিচাপে জি আই এ ৰ শ্ৰেণী বিভাজনৰ পৰিসৰ দাঙি ধৰা হৈছে।

**সাৰণী 3.11: মূলধনী ব্যয় হিচাপে সহায়ক অনুদানৰ শ্ৰেণী বিভাজনৰ পৰিসৰ**

**(কোটি টকাত)**

| | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| **মূলধনী ব্যয়** | **5,502** | **7,693** | **11,034** | **13,468** | **12,399** |
| মূলধনী ব্যয়ত সহায়ক অনুদানৰ অংশ | 1,559 | 3,945 | 5,490 | 6,225 | 5,640 |

**চিত্ৰ তালিকা 3.6: মূলধনী ব্যয়ত সহায়ক অনুদানৰ অংশ**




**সাৰণী 3.12** আৰু **চিত্ৰ তালিকা 3.7** ত 2016-21 ৰ সময়ছোৱাত ৰাজ্যখনে আই জি এ এচ - 2 ৰ বিধি বিধান একেবাৰে মানি নচলাটোকে সূচায় যিহেতু এই সময়ছোৱাত ৰাজহ উদ্বৃত্তৰ অত্যুক্তি আৰু ৰাজহ ঘাটিৰ অৱমূল্যায়ন হৈছিল। তদুপৰি, এই সময়ছোৱাত মূলধনী ব্যয়ো সেই পৰিমানে অতিৰিক্ত মূল্যায়ন কৰা হৈছিল।

**সাৰণী 3.12: আই জি এ এচ - 2 অনুপালন নকৰাৰ প্ৰভাৱ**

**(কোটি টকাত)**

| | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| **মূলধনী ব্যয় হিচাপে লিপিবদ্ধ কৰা সহায়ক অনুদান** | 1,559 | 3,945 | 5,490 | 6,225 | 5,640 |
| **ৰাজ্যখনৰ ৰাজহ ঘাটি (-)/ৰাহি (+)** | -143 | -1,350 | 6,580 | -2,172 | 383 |
| **প্ৰকৃত ৰাজহ ঘাটি (-) / ৰাজহ ৰাহি (+),যদি সহায়ক অনুদানৰ ব্যয় ৰাজহ ব্যয় হিচাপে ধৰা হয়।** | -1,702 | -5,295 | 1,090 | -8,397 | -5,257 |

চিত্ৰ তালিকা 3.7: প্ৰকৃত ৰাজহ ঘাটি (-) / ৰাহি (+)




প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) আয়ুক্ত আৰু সচিবে কৈছিল যে সহায়ক অনুদানে মুখ্যত: কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনিৰ বাবে দিয়া হয়, আৰু এনেদৰে সৃষ্টি কৰা সম্পত্তিৰ মালিকীস্বত্ব ৰাজ্য চৰকাৰৰ। সেয়েহে, এইবোৰক মূলধন ব্যয় হিচাপে শ্ৰেণীবদ্ধ কৰা হৈছে।

## 3.4 বাজেট আৰু হিচাপ প্ৰক্ৰিয়াৰ কাৰ্যকাৰিতাৰ ওপৰত মন্তব্য

### 3.4.1 বাজেট প্ৰক্ষেপন আৰু প্ৰত্যাশা আৰু প্ৰকৃতৰ মাজৰ পাৰ্থক্য

কৰ প্ৰশাসন / অন্যান্য প্ৰাপ্তি সমূহ আৰু ৰাজহুৱা ব্যয়ৰ দক্ষ পৰিচালনাই বিভিন্ন বিত্তীয় সূচকসমূহৰ সফলতাৰ বাবে ভাৰসাম্য ৰক্ষা কৰে। অবাস্তৱ প্ৰস্তাৱ, দুৰ্বল ব্যয় নিৰীক্ষণ ব্যৱস্থা, দুৰ্বল আঁচনি ৰূপায়নৰ ক্ষমতা/দুৰ্বল আভ্যন্তৰীণ নিয়ন্ত্ৰণৰ ভিত্তিত কৰা বাজেট আৱন্টনে বিভিন্ন উন্নয়নমূলক প্ৰয়োজনীয়তাৰ লগতে অসুবিধা জনক আৱন্টনৰ পথ প্ৰসস্ত কৰে। কিছুমান বিভাগৰ অতিৰিক্ত ৰাহিয়ে অন্য বিভাগ সমূহে ব্যৱহাৰ কৰিব পৰা পুঁজি লাভৰ পৰা বঞ্চিত কৰে।

2020-21 ৰ সময়ছোৱাত 81 টা অনুদান/ বিনিয়োজনৰ (78 টা অনুদান আৰু তিনিটা বিনিয়োজন) বিপৰীতে পৰিপূৰক বাজেট, প্ৰকৃত ব্যয় আৰু অতিৰিক্ত/ ৰাহিৰ সংক্ষিপ্ত স্থিতি **সাৰণী 3.13** ৰ লগতে **চিত্ৰ তালিকা 3.8** ত দিয়া হ'ল।

**সাৰণী 3.13: বাজেট ব্যৱস্থাৰ বিপৰীতে ব্যয়ৰ সংক্ষিপ্ত স্থিতি**

**(কোটি টকাত)**

| গৃহীত / ধাৰ্য | ব্যয়ৰ প্ৰকৃতি | বাজেট (প্ৰকৃত) | বাজেট (পৰিপূৰক) | মুঠ | ব্যয় | ৰাহিৰ বিৱৰণ | |
|---|---|---|---|---|---|---|---|
| | | | | | | পৰিমাণ | শতাংশ |
| গৃহীত | ৰাজহ | 76,493.47 | 13,232.90 | 89,726.37 | 62,772.79 | 26,953.58 | 30.04 |
| | মূলধনী | 18,520.54 | 5,317.85 | 23,838.39 | 12,489.70 | 11,348.69 | 47.61 |
| | ঋণ আৰু অগ্ৰিম সমূহ | 316.28 | 27.37 | 343.65 | 87.80 | 255.85 | 74.45 |
| | **মুঠ গৃহীত** | **95,330.29** | **18,578.12** | **1,13,908.41** | **75,350.29** | **38,558.12** | **33.85** |
| ধাৰ্যিত | ৰাজহ | 6,283.51 | 1.71 | 6,285.22 | 5,390.36 | 894.86 | 14.24 |
| | মূলধনী | 0.00 | 0.04 | 0.04 | 0.00 | 0.04 | 100.00 |
| | ৰাজহুৱা ঋণৰ পৰিশোধ | 2,147.83 | 0.16 | 2,147.99 | 2,147.98 | 0.01 | 0.00 |
| | **মুঠ ধাৰ্যিত** | **8,431.34** | **1.91** | **8,433.25** | **7,538.34** | **894.91** | **10.61** |
| **মুঠ ( গৃহীত আৰু ধাৰ্যিত )** | | **1,03,761.63** | **18,580.03** | **1,22,341.66** | **82,888.63** | **39,453.03** | **32.25** |

*উৎসঃ বিনিয়োজন হিচাপ*

### চিত্ৰ তালিকা 3.8: 2020-21 ৰ সময়ছোৱাত বাজেট ব্যৱস্থাৰ বিপৰীতে ব্যয়ৰ সংক্ষিপ্ত স্থিতি




**সাৰণী 3.13** ৰ পৰা দেখা যে 2020-21 ৰ বছৰটোত অসম চৰকাৰে (জি অ' এ) 1,22,341.66 কোটি টকাৰ মুঠ অনুদান আৰু বিনিয়োজনৰ বিপৰীতে 82,888.63 কোটি টকা ব্যয় কৰিছিল ফলত সামগ্ৰীকভাৱে 39,453.03 কোটি টকা ৰাহি হৈছিল। এই ৰাহিৰ পৰিমান বছৰটোৰ বাবে কৰা মুঠ অনুদান আৰু বিনিয়োজনৰ 32.25 শতাংশ আছিল। বিশাল পৰিমানৰ ৰাহি সমূহ বছৰটোত লাভকৰা পৰিপূৰক বাজেটৰ পৰিমানৰ 2.12 গুণ আছিল।

39,453.03 কোটি টকাৰ সামগ্ৰীক ৰাহিৰ ভিতৰত, **পৰিশিষ্ট 3.7** ত উল্লেখ কৰা অনুসৰি খণ্ড পৰ্যায়ত 38 টা অনুদান / বিনিয়োজনৰ ভিতৰত 50 টা বিষয়ৰ ক্ষেত্ৰত (প্ৰতিটো ক্ষেত্ৰত 100 কোটি আৰু অধিক) 38,036.60 কোটি টকা (96.41 শতাংশ) ৰাহি হৈছিল।

বিগত পাঁচ বছৰ ধৰি প্ৰত্যেক বছৰে ৰাজ্যখনৰ দ্বাৰা বাজেটৰ সন্নিবিষ্ট পুঁজিৰ ব্যৱহাৰ অসম্পূৰ্ণ হৈ আছে। বিগত পাঁচ বছৰত ৰাহিৰ বিস্তৃতি **সাৰণী 3.14** ত দেখুওৱা হ'ল।

### সাৰণী 3.14: 2016-21 ৰ সময়ছোৱাৰ মূল বাজেট, সংশোধিত প্ৰাককলন আৰু ব্যয়

**(কোটি টকাত)**

| বিৱৰণ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| মূল বাজেট | 78,253.36 | 85,922.69 | 90,269.92 | 99,418.91 | 1,03,761.63 |
| পৰিপূৰক বাজেট | 4,815.79 | 13,530.39 | 18,220.43 | 20,296.77 | 18,580.03 |
| **সংশোধিত প্ৰাককলন** | **83,069.15** | **99,453.08** | **1,08,490.35** | **1,19,715.68** | **1,22,341.66** |
| প্ৰকৃত ব্যয় | 58,178.31 | 68,586.99 | 72,331.34 | 84,163.60 | 82,888.63 |
| ৰাহি (-) / অতিৰিক্ত (+) | (-) 24,890.84 | (-) 30,866.09 | (-) 36,159.01 | (-) 35,552.08 | (-) 39,453.03 |
| ৰাহিৰ শতাংশ | 29.96 | 31.04 | 33.33 | 29.70 | 32.25 |

**সাৰণী 3.14** ৰ পৰা দেখা যায় যে, বিগত পাঁচ বছৰত বাজেটৰ ৰাহিৰ পৰিসৰ 29.70 শতাংশৰ পৰা 33.33 শতাংশৰ ভিতৰত আছিল।

### 3.4.1.1 বাজেটৰ পৰা তাৰতম্যৰ বিষয়ে অনুপলব্ধ / অসম্পূৰ্ণ ব্যাখ্যা

অনুমোদিত বাজেটৰ বিপৰীতে ব্যয় দেখুওৱাৰ উপৰিও, বিনিয়োজন হিচাপ সমূহে যি সমূহ বিষয়ত ধাৰ্য বাজেট (মূল যোগ পৰিপূৰক) তকৈ ব্যয়ৰ উল্লেখযোগ্য তাৰতম্য হয় সেই সমূহৰ ব্যাখ্যাও আগবঢ়ায়। উপ-শিতান/ উপ-উপ-শিতান পৰ্যায়ত (বিনিয়োজনৰ গোট) সীমাৰ বাহিৰ হোৱা এনে পৰিবৰ্তনৰ বিষয়ে বিনিয়োজনৰ হিচাপত ব্যাখ্যা কৰিবলগীয়া সম্বন্ধে ৰাজহুৱা হিচাপ সমিতি (পি এ চি) য়ে নিৰ্দ্ধাৰণ কৰিছিল।

মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) এ বিভাগ সমূহৰ নিয়ন্ত্ৰণকাৰী বিষয়া সকলক খচৰা বিনিয়োজনৰ হিচাপ দিয়ে আৰু পি এ চি য়ে নিৰ্দ্ধাৰণ কৰা সীমাৰ ভিতৰত অনুমোদিত বাজেট আৱন্টনৰ বিপৰীতে হোৱা খৰচৰ তাৰতম্যৰ কাৰণ / কৈফিয়ৎ বিচাৰে।

ৰাজ্যিক পি এ চি য়ে মে, 1989 ত নিৰ্দ্ধাৰণ কৰা চলিত পৰিসীমা তলত দিয়া ধৰণৰঃ

| | |
|---|---|
| **ৰাহি** | • *মতামত দিব লাগিব যদি তাৰতম্য (অ-ব্যৱহাৰৰ সৈতে ৰাহি) অনুদান / বিনিয়োজনৰ উপ-শিতান /15 লাখৰ ওপৰত বা মুঠ ব্যৱহাৰ (মূল যোগ পৰিপূৰক) 20 শতাংশ, যিটো অধিক হয়।* |
| **অতিৰিক্ত** | • *য'ত সামগ্ৰীকভাৱে অধিক পৰিমান থাকে (ধন ৰাশিৰ নিৰ্বিশেষে) তেতিয়া ব্যৱস্থাটোৰ ওপৰত অতিৰিক্তৰ নিয়মীয়া কৰণৰ বাবে সাধাৰণ মতামত দিব লাগিব।*<br>• *মতামত দিব লাগিব, যদি তাৰতম্য (অধিক) অনুদান /বিনিয়োজনৰ উপ-শিতান /15 লাখৰ ওপৰত বিনিয়োজন বা মুঠ ব্যৱস্থাৰ (মূল যোগ পৰিপূৰক) 20 শতাংশ, ইয়াৰে যিটো অধিক হয়।* |

2020-21 বিনিয়োজন হিচাপৰ হিচাপ পৰীক্ষা আৰু হিচাপৰ ভিত্তি স্বৰূপ তথ্যৰ বিশ্লেষণৰ পৰা দেখা গৈছিল যে নিয়ন্ত্ৰণকাৰী বিষয়া সকলে প্ৰায় 15 শতাংশ বিষয়ত বাজেটত থকা আৱন্টনৰ বিপৰীতে খৰচত হোৱা তাৰতম্যৰ ব্যাখ্যা দিয়া নাছিল। 81 টা অনুদান / বিনিয়োজনৰ অধীনত 80 টা অনুদান বিনিয়োজনৰ অধীনৰ 2,490 টা বিষয়ৰ সন্দৰ্ভত তাৰতম্যৰ কাৰণ সমূহ বিচৰা হৈছিল। কিন্তু, 26 টা অনুদান/ বিনিয়োজনৰ অধীনত মাত্ৰ 362 টা বিষয়ৰ তাৰতম্যৰ কাৰণ সমূহ চৰকাৰী বিভাগ সমূহৰ নিয়ন্ত্ৰণকাৰী বিষয়া সকলৰ দ্বাৰা দাখিল কৰা হৈছিল। বাজেট ব্যৱস্থাৰ ব্যাখ্যা নকৰা তাৰতম্যৰ বিষয়ে সংক্ষিপ্ত বিৱৰণ **চিত্ৰ তালিকা 3.9** ত আৰু অনুদান অনুযায়ী বিৱৰণী আৰু সবিশেষ **পৰিশিষ্ট 3.8** ত দিয়া হৈছে।

**চিত্ৰ তালিকা 3.9: বাজেটৰ বিপৰীতে ব্যাখ্যা নকৰা তাৰতম্যৰ সংক্ষিপ্ত বিৱৰণ**




বিশ্লেষণত এইটোও পৰিলক্ষিত হৈছিল যে এই 2,490 টা শিতানে একেলগে 79 টা অনুদান/ বিনিয়োজনত 38,621.44 কোটি টকা ৰাহি কৰিছিল আৰু 22 টা অনুদান/ বিনিয়োজনত 2,301.12 অতিৰিক্ত হৈছিল। এই

সমূহৰ ভিতৰত 2,490.57 কোটি টকা ৰাহি আৰু 8.73 কোটি টকাৰ অতিৰিক্তক সামৰি লোৱা কেৱল 362 টা উপ-শিতানৰ তাৰতম্যহে ব্যাখ্যা কৰা হৈছিল আৰু ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগ সমূহৰ পৰা উত্তৰ নোপোৱাৰ বাৱে 36,130.87 কোটি টকা (93.6 শতাংশ) ৰাহি আৰু 2,292.39 কোটি টকা (99.6 শতাংশ) ৰ অতিৰিক্ত সামৰি লোৱা 2,128 টা উপ-শিতান সন্দৰ্ভত তাৰতম্য ব্যাখ্যা নোহোৱাকৈয়ে আছিল।

বাজেট আৱন্টনৰ আৰু ইয়াৰ ব্যৱহাৰৰ মাজৰ তাৰতম্যৰ ব্যাখ্যাৰ অভাৱত চৰকাৰক বিত্তীয় দায়বদ্ধ কৰি তুলিবলৈ বিনিয়োজন হিচাপ সমূহৰ তথ্যৰ ব্যৱহাৰযোগ্যতা আৰু বাজেটৰ ওপৰত বিধানমণ্ডলৰ নিয়ন্ত্ৰণক সীমাবদ্ধ কৰে।

সেয়েহে, অনুমোদিত বিধান সম্পৰ্কীয় তাৰতম্যৰ ব্যাখ্যা বিনিয়োজনৰ হিচাপত সন্নিৱিষ্ট কৰিবলৈ মহাগাণনিক (এ এণ্ড ই), অসমক সময়মতে দাখিলৰ বাবে বিত্ত বিভাগে সকলো বিভাগকে স্পষ্ট নিৰ্দেশনা জাৰি কৰিব পাৰে।

### 3.4.1.2 উপ-শিতানৰ স্তৰত বাজেটৰ পৰা বৃহৎ পৰিবৰ্তনৰ কাৰণ ব্যাখ্যা নকৰা

আগতে বৰ্ণনা কৰা অনুসৰি, বাজেটত প্ৰদান কৰা ব্যৱস্থাৰ পৰা ব্যয়ৰ পৰিবৰ্তনৰ সীমা যি পৰিমানত বাদ দি বিনিয়োজন হিচাপত ব্যাখ্যা প্ৰদান কৰিব লাগিব, সেইটো ৰাজহুৱা হিচাপ সমিতিয়ে মে 1989 ত নিৰ্দ্ধাৰণ কৰিছিল।

কেন্দ্ৰীয় চৰকাৰৰ বিনিয়োজন হিচাপৰ ক্ষেত্ৰত একেধৰণৰ পদ্ধতি অনুসৰণ কৰা হয় য'ত কেন্দ্ৰীয় পি এ চি ৰ দ্বাৰা সীমা নিৰ্দ্ধাৰণ কৰা হৈছিল। পি এ চি (17 তমলোকসভা, 2019-20) য়ে 'বিনিয়োজন হিচাপৰ ব্যতিক্ৰমী প্ৰতিবেদনৰ বাবে সৰ্ব্বোচ্চ সীমা সংশোধন' শীৰ্ষক ইয়াৰ ডিচেম্বৰ 2019 ৰ প্ৰথম প্ৰতিবেদনত বিনিয়োজন হিচাপত উপ-শিতান পৰ্যায়ৰ মন্তব্যৰ সৰ্ব্বোচ্চ সীমা পৰ্যালোচনা কৰিছিল আৰু সীমাসমূহ ওপৰলৈ বঢ়াইছিল। সংশোধনৰ প্ৰস্তাৱটো বিত্ত মন্ত্ৰালয়ে এই কাৰণতে আৰম্ভ কৰিছিল যে বৰ্তমানৰ সীমা 1993-94 চনৰ পৰা কাৰ্যকৰী হৈ আছিল আৰু তেতিয়াৰ পৰা, কেন্দ্ৰীয় বাজেটৰ আকাৰ গুণ 28 বৃদ্ধি পাইছিল, যাৰ বাবে বিনিয়োজন হিচাপত মন্তব্য / ব্যাখ্যাৰ বাবে বাস্তৱিকতাৰ স্তৰ বা সৰ্ব্বোচ্চ সীমাৰ উৰ্দ্ধমুখী সংশোধনৰ প্ৰয়োজন হৈছেল।

অসম চৰকাৰৰ ক্ষেত্ৰত সংশ্লিষ্টৰ পৰ্যায়ত তাৰতম্য ব্যাখ্যা কৰাৰ বাবে সংশোধিত আৰু পূৰ্বৰ সীমা সমূহ তলত উল্লেখ কৰা হৈছে ঃ

**সাৰণী 3.15: উপ-শিতান পৰ্যায়ত তাৰতম্য ব্যাখ্যা কৰাৰ মান – কেন্দ্ৰীয় চৰকাৰৰ সৈতে তুলনা**

| কেন্দ্ৰীয় পি এ চি ৰ দ্বাৰা নিৰ্দ্ধাৰিত নিয়ম | | ৰাজ্যিক পি এ চি ৰ নিয়ম |
|---|---|---|
| পূৰ্ব সংশোধিত নিয়ম (1993-94 চনৰ পৰা) | সংশোধিত নিয়ম (2018-19 চনৰ পৰা) | নিয়মৰ পৰিসৰ (1987-88 চনৰ পৰা) |
| **100 লাখ টকাৰ** অধিক তাৰতম্য (অতিৰিক্ত বা ৰাহি) ব্যাখ্যা কৰা হৈছে। | **500 লাখ টকাৰ** অধিক তাৰতম্য (অতিৰিক্ত বা ৰাহি ব্যাখ্যা কৰা হৈছে। | কোনো অনুৰূপ নিয়ম নাই |
| সকলো বিষয়, যি সমূহৰ ক্ষেত্ৰত তাৰতম্য (অতিৰিক্ত বা ৰাহি) অনুমোদিত ব্যৱস্থাৰ **10** শতাংশ অতিক্ৰম কৰে বা **50 লাখ টকা যিটো অধিক হয়** সেইবোৰ ব্যাখ্যা কৰা হয়। | সকলো বিষয়, যি সমূহৰ ক্ষেত্ৰত তাৰতম্য (অতিৰিক্ত বা ৰাহি) অনুমোদিত ব্যৱস্থাৰ **10** শতাংশ অতিক্ৰম কৰে বা **250 লাখ টকা যিটো অধিক হয়** সেইসমূহ বাখ্যা কৰা হয়। | সকলো বিষয়, যি সমূহৰ ক্ষেত্ৰত তাৰতম্য (অতিৰিক্ত বা ৰাহি) অনুমোদিত ব্যৱস্থাৰ **20** শতাংশ অতিক্ৰম কৰে বা **15 লাখ টকা যিটো অধিক হয়** সেইসমূহ ব্যাখ্যা কৰা হয়। |

| | | |
|---|---|---|
| যদি কোনো পৰিপূৰক থাকে, সকলো ক্ষেত্ৰতে য'ত **ৰাহি পৰিপূৰকৰ 10** শতাংশ অতিক্ৰম কৰে বা **5 লাখ টকা যিটো অধিক হয়**, সেইসমূহ ব্যাখ্যা কৰা হয়। | যদি কোনো পৰিপূৰক থাকে, সকলো ক্ষেত্ৰতে য'ত ৰাহি পৰিপূৰকৰ **10** শতাংশ **অতিক্ৰম কৰে বা 100 লাখ টকা যিটো অধিক হয়** সেইসমূহ ব্যাখ্যা কৰা হয়। | কোনো অনুৰূপ নিয়ম নাই |
| যেতিয়া সামগ্ৰীভাৱে অনুদান সমূহ **অতিৰিক্ত হয়, 1 লাখ টকা** অতিক্ৰম কৰা উপ-শিতানসমূহ বাচনি কৰা হয়। | **যেতিয়া সামগ্ৰীভাৱে অনুদান সমূহ অতিৰিক্ত হয়, 25 লাখ টকা** অতিক্ৰম কৰে উপ-শিতানসমূহ বাচনি কৰা হয়। | কোনো অনুৰূপ নিয়ম নাই |

দেখা যায় যে, কেন্দ্ৰীয় পি এ চি ৰ দ্বাৰা নিৰ্দ্ধাৰিত নিয়ম সমূহে তাৰতম্যতাৰ ব্যাখ্যাৰ বাবে প্ৰয়োজন হোৱা এক বিস্তৃত পৰিসৰৰ ঘটনাক সামৰি লয়। য'ত নিয়ম সমূহ একে, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আকাৰৰ পাৰ্থক্যৰ বাবে আৰু সংশ্লিষ্ট পি এ চি ৰ দ্বাৰা নিয়মসমূহ নিৰ্দ্ধাৰণ কৰাৰ বিভিন্ন সময়ৰ বাবে সীমাসমূহ স্পষ্টভাৱে পৃথক।

অসমৰ ক্ষেত্ৰত তাৎক্ষণিক প্ৰাসংগিকতা হৈছে যথাযথ / বিচ্যুতিৰ আকাৰৰ ওপৰত ভিত্তি কৰি ব্যাখ্যাৰ বাবে কোনো ধৰণৰ নিয়ম নথকা আৰু অনুদান স্তৰত সঞ্চয়ৰ ব্যাখ্যাৰ অভাৱ। এনেদৰে, যদিও কেন্দ্ৰীয় পি এ চি য়ে 100 লাখ টকাৰ সীমা নিৰ্দ্ধাৰণ কৰিছিল, যাক এতিয়া 500 লাখ টকালৈ বৃদ্ধি কৰা হৈছে, বাজেট ব্যৱস্থাৰ তাৰতম্যৰ শতাংশ নিৰ্বিশেষে (অতিৰিক্ত ৰাহি) তাৰতম্য ব্যাখ্যা কৰাৰ বাবে অনুৰূপ ধৰণৰ নিয়ম নাই। সেয়েহে যি সমূহ ক্ষেত্ৰত উপ-শিতান পৰ্যায়ত বাজেট ব্যৱস্থা অধিক হয়, ধৰা হ'ল 25 কোটি টকাতকৈ অধিক হ'লে, তেতিয়া 5 কোটি টকাৰ তাৰতম্য হ'লেও ব্যাখ্যাৰ প্ৰয়োজন নহ'ব, যিহেতু, ই 20 শতাংশৰ সীমাৰ ভিতৰতে হ'ব।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে হিচাপ পৰীক্ষাৰ পৰামৰ্শ অনুসৰি ব্যাখ্যাৰ প্ৰয়োজন হোৱা উপ-শিতানৰ তাৰতম্যৰ উপযুক্ত উৰ্ধমুখী সংশোধনৰ এই বিষয়টো চোৱা-চিতা কৰাৰ আশ্বাস দিছিল।

### 3.4.1.3 অনুদান পৰ্যায়ত বাজেটৰ বৃহৎ পাৰ্থক্য

ৰাজহুৱা হিচাপ সমিতি (10 তম লোকসভা, 1990-91) য়ে ইয়াৰ 60 তম প্ৰতিবেদনৰ দফা 1.22 আৰু 1.24 মতে পৰ্যবেক্ষণ কৰিছিল যে 100 কোটি টকা বা অধিক সঞ্চয় সমূহে ত্ৰুটি পূৰ্ণ বাজেটৰ ইংগিত বহন কৰাৰ লগতে অনুদান আৰু বিনিয়োজনৰ ক্ষেত্ৰত কাৰ্যদক্ষতাৰ অভাৱকে সূচায়। সেয়েহে ৰাজহুৱা হিচাপ সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰিছিল যে প্ৰতিবছৰে 100 কোটি টকা বা তাতোধিক ৰাহিৰ ক্ষেত্ৰত বিতং ব্যাখ্যামূলক টোকা সংশ্লিষ্ট মন্ত্ৰালয়/ বিভাগৰ দ্বাৰা সমিতিক দাখিল কৰা হ'ব।

অনুদান পৰ্যায়ত বৃহৎ সঞ্চয়ৰ ব্যাখ্যাৰ সন্দৰ্ভত বৰ্তমানে ৰাজ্যিক পি এ চি য়ে তেনেধৰণৰ প্ৰয়োজনীয়তা নিৰ্দ্ধাৰণ কৰা নাই। কেন্দ্ৰৰ বাবে 100 কোটি টকাৰ সীমা নিৰ্দ্ধাৰিত হ'লেও অসমৰ ক্ষেত্ৰত 81 টা অনুদান / বিনিয়োজনৰ ভিতৰত 38 টাত ব্যাখ্যাৰ প্ৰয়োজন হ'ব। দফা 3.3.5.2 ত পৰিলক্ষিত হোৱা ধৰণে বিগত প্ৰত্যেক 5 বছৰতে অসমে উল্লেখযোগ্যভাৱে বাজেটৰ কম ব্যৱহাৰ কৰিছে। এনেদৰে, বাজেটৰ ব্যৱহাৰৰ ক্ষেত্ৰত ডাঙৰ সমস্যাটো অতিৰিক্ততকৈ ৰাহিহে আছিল।

গতিকে এইটো পৰামৰ্শ দিয়া হয় যে উপ-শিতান পৰ্যায়ত তাৰতম্যৰ ব্যাখ্যাৰ নিয়মসমূহ সংশোধনৰ বাবে ৰাজ্যিক পি এ চি য়ে বিবেচনা কৰিব পাৰে, ইয়াৰ বাহিৰেও অনুদান / বিনিয়োজন পৰ্যায়ত সঞ্চয়ৰ উপযুক্ত সীমা নিৰ্দ্ধাৰণ কৰা যাৰ ব্যাখ্যাৰ প্ৰয়োজন হ'ব আৰু বিত্ত বিভাগে এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে সন্মত হৈছিল যে কেন্দ্ৰীয় পি.এ.চি.-ৰ সৈতে সংগতি ৰাখি অনুদান পৰ্যায়ত এক উপযুক্ত নিয়মে বাজেটৰ অনুপালন বৃদ্ধি কৰিব আৰু সেয়েহে, বিভাগটোৱে বিষয়টো বিশ্লেষণ কৰিব আৰু উপযুক্ত পদক্ষেপ ল'ব।

## 3.4.2 বাজেটত মূখ্য নীতিৰ আনুষ্ঠানিকভাৱে ঘোষণাসমূহ আৰু কাৰ্যকৰীকৰণ নিশ্চিত কৰাৰ বাবে প্ৰকৃত পুঁজিৰ যোগান

আঁচনিৰ নিৰ্দেশনাৱলী/পদ্ধতিৰ অনুমোদন নোহোৱা, প্ৰশাসনিক অনুমোদনৰ অভাৱত কাম আৰম্ভ নকৰা, বাজেট মোকলাই নিদিয়া আদিৰ বাবে চৰকাৰে ভূমিকা গ্ৰহণ কৰা বুজন সংখ্যাক আঁচনি আংশিকভাৱে কাৰ্যকৰী হৈছিল অথবা হোৱা নাছিল। ইয়ে হিতাধিকাৰী সকলক আকাংখিত সুবিধা লাভৰ পৰা বঞ্চিত কৰে। তেনেধৰণৰ আঁচনিসমূহত হোৱা সঞ্চয়ে অন্য বিভাগ সমূহে ব্যৱহাৰ কৰিব পৰা পুঁজিৰ পৰা বঞ্চিত কৰে।

প্ৰতিবছৰে, ৰাজ্যৰ বিত্ত মন্ত্ৰীয়ে অসম বিধান সভাত বাজেট ভাষণ প্ৰদান কৰে। বাজেট ভাষণত আগৰ আৰু চলিত বছৰৰ অৰ্থনীতিৰ এক আলোকপাত কৰা হয় আৰু লগতে ৰাজ্যখনত প্ৰচলিত অৰ্থনৈতিক অৱস্থাক সামৰি পৰৱৰ্ত্তী বিত্তীয় বৰ্ষৰ বাবে বাজেট প্ৰাককলনো প্ৰদান কৰা হয়। বাজেট ভাষণত বিভিন্ন ক্ষেত্ৰত চলিত বিত্তীয় বৰ্ষৰ বাবে ব্যয়ৰ বিস্তৃত পৰিকাঠামো আগবঢ়োৱা হয় আৰু ৰাজ্যখনৰ জনসাধাৰণৰ সামাজিক আৰু অৰ্থনৈতিক কল্যাণৰ বাবে নতুন নীতিগত পদক্ষেপ/ আঁচনি ঘোষণাৰ জৰিয়তে চৰকাৰৰ আগ্ৰাধিকাৰ সমূহ ব্যাখ্যা কৰা হয়। বাজেট ভাষণত ৰাজ্য চৰকাৰৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহো নিৰ্দিষ্ট কৰা হৈছে।

2020-21 ৰ বাজেট ভাষণত, বিত্তমন্ত্ৰীয়ে ৰাজ্যখনৰ সামাজিক আৰু অৰ্থনৈতিক কল্যাণৰ বাবে 18 খন ধ্বজাবাহী আঁচনি "অথাদশা মুকুতাৰ উন্নয়নী মালা" ঘোষণা কৰিছিল।

অন্তৰ্নিহিত তথ্যৰ সৈতে বিনিয়োজন হিচাপ (2020-21) য়ে প্ৰকাশ কৰে যে 2020-21 বৰ্ষৰ বাজেটত ৰাজ্য চৰকাৰে ঘোষণা কৰা 18 খন ধ্বজাবাহী আঁচনিৰ ভিতৰত 1 খনত কোনো ব্যয় হোৱা নাই। আঁচনি অনুসৰি বিৱৰণ **সাৰণী 3.16** ত দিয়া হৈছে।

**সাৰণী 3.16: অতি গুৰুত্বপূৰ্ণ আঁচনিৰ বিৱৰণ যাৰ বাবে ব্যৱস্থা কৰা হৈছিল কিন্তু কোনা ব্যয় কৰা হোৱা নাছিল**

**(কোটি টকাত)**

| অনুদান নং | শিতানৰ বিৱৰণ | আঁচনিৰ নাম | বাজেট (ব্যৱস্থা ) | ব্যয় |
|---|---|---|---|---|
| 65- পৰ্যটন | 5452-01-102-2502-289 | অসম দৰ্শন | 47.5 | নাই |

### 3.4.3 খৰচৰ ধাৰা

চৰকাৰী পুঁজি গোটেই বছৰটোত সমানভাৱে ব্যয় কৰিব লাগে। বিত্তীয় বৰ্ষৰ শেষৰ ফালে ব্যয়ৰ তৎপৰতা বিত্তীয় ঔচিত্যৰ উলংঘন বুলি গণ্য কৰা হয়। বাজেট হাতপুথি, বিত্ত বিভাগৰ অ এম আদিত এই সম্পৰ্কীয় নিৰ্দেশনা আছে। ব্যয়ৰ স্থিৰগতি অব্যাহত ৰখাটো হৈছে সঠিক ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনাৰ এক গুৰুত্বপূৰ্ণ উপাদান, কিয়নো ই কোনো নিৰ্দিষ্ট মাহত অপ্ৰত্যাশিত অতিমাত্ৰা ব্যয়ৰ ফলত উদ্ভৱ হোৱা এক নিদিষ্ট মাহৰ ৰাজহ ব্যয়ৰ অমিল হোৱা বাবে বিত্তীয় ভাৰসাম্যহীনতা আৰু অস্থায়ী নগদ সংকট হ্ৰাস কৰে।

অসম বাজেট হাতপুথিৰ দফা 11.17 অনুসৰি, বিশেষকৈ বিত্তীয় বৰ্ষৰ অন্তিম মাহ সমূহত ব্যয়ৰ তৎপৰতা বিত্তীয় নিয়মৰ উলংঘন বুলি গণ্য কৰা হয়। তদুপৰি, বিত্ত বিভাগৰ স্থায়ী নিৰ্দেশ অনুসাৰে, প্ৰশাসনিক বিভাগ সমূহে কাৰ্যকৰী বাজেট ৰূপায়নৰ বাবে মুঠ ব্যয়ৰ 20, 30, 30 আৰু 20 শতাংশৰ আৰ্হিত চাৰিটা ত্ৰৈ-মাসিকত তেওঁলোকৰ বাৰ্ষিক ব্যয়ৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিব লাগে।

অনুদানৰ সাতটা প্ৰধান বিষয় য'ত কেৱল মাৰ্চ 2021 ত মুঠ ব্যয় (টি ই) ৰ 50 শতাংশতকৈ অধিক হৈছিল তাৰ বিৱৰণ **সাৰণী 3.17** ত দিয়া হৈছে।

**সাৰণী 3.17: মাৰ্চত মুঠ ব্যয়ৰ 50 শতাংশতকৈ অধিক ব্যয়**

**(কোটি টকাত)**

| ক্ৰমিক নং | অনুদান | বাজেট (মুঠ) | ব্যয় (বছৰ) | ব্যয় (মাৰ্চ) | মাৰ্চৰ ব্যয়ৰ শতাংশৰ অংশ |
|---|---|---|---|---|---|
| 1 | 05 বিক্ৰী কৰ আৰু অন্যান্য কৰ | 469.23 | 335.15 | 198.99 | 59.37 |
| 2 | 25 বিবিধ সাধাৰণ সেৱাসমূহ | 7,285.44 | 2,466.10 | 1,885.52 | 76.46 |
| 3 | 58 উদ্যোগ | 181.56 | 79.41 | 53.47 | 67.33 |
| 4 | 66 স্থানীয় নিকায় আৰু পঞ্চায়তি ৰাজ প্ৰতিস্থানসমূহক ক্ষতিপূৰণ আৰু আৱণ্টন | 594.41 | 376.95 | 209.83 | 55.67 |
| 5 | 67 উদ্যানশস্য | 255.80 | 93.28 | 87.43 | 93.73 |
| 6 | 69 বৈজ্ঞানিক সেৱা আৰু গৱেষণা | 76.12 | 33.73 | 19.97 | 59.21 |
| 7 | 73 নগৰ উন্নয়ন (গুৱাহাটী উন্নয়ন বিভাগ) | 1,130.14 | 168.04 | 123.82 | 73.68 |
| | **মুঠ** | **9,992.70** | **3,552.66** | **2,579.03** | **72.59** |

ওপৰোক্ত সাতটা অনুদানত মাৰ্চ 2021ত ব্যয় কৰা 2,579.03 কোটি টকাৰ ভিতৰত 71.33 শতাংশ, তলৰ সাৰণীত দেখুওৱাৰ দৰে সহায়ক অনুদানৰ ৰূপত আছিল। সহায়ক অনুদান ইমান পলমকৈ মুকলি কৰাৰ সৈতে কোনো নিশ্চয়তা নাই যে 2020-21 বিত্তিও বৰ্ষৰ ভিতৰতে চূড়ান্ত ব্যয় কৰা হৈছিল, যি বিত্তীয় বৰ্ষৰ ভিতৰত পুৰণ কৰিব লগা ব্যয়ৰ বাবে আৱণ্টনৰ মৌলিক বাজেটীয় উপদেশৰ বিপৰীতে।

**সাৰণী 3.18: মাৰ্চত মুঠ ব্যয়ৰ 50 শতাংশতকৈ অধিক ব্যয়ৰ প্ৰকৃতি**

**(কোটি টকাত)**

| শিতান গোটৰ বিতং | বাজেট (মুঠ) | ব্যয় (বছৰ) | ব্যয় (মাৰ্চ) | মাৰ্চত মুঠ ব্যয়ৰ শতাংশ |
|---|---|---|---|---|
| সহায়ক অনুদান | 8,365.65 | 2,490.40 | 1,839.66 | 71.33% |
| অন্যান্য | 1,627.05 | 1,062.26 | 739.37 | 28.67% |
| **মুঠ** | **9,992.70** | **3,552.66** | **2,579.03** | |

এনেদৰে, বিত্তীয় নিয়ন্ত্ৰণৰ মনোভাৱৰ বিপৰীতে,বিত্তীয় বছৰটোৰ শেষৰ ফালে চৰকাৰে যথেষ্ট পৰিমানে ব্যয় কৰিছিল, যিয়ে ব্যয়ৰ অনুপযুক্ত নিয়ন্ত্ৰণ আৰু দুৰ্বল বাজেট ব্যৱস্থাপনাৰ ইংগিত বহন কৰে।

## 3.5 নিৰ্বাচিত অনুদানৰ পৰ্যালোচনা

2020-21 বৰ্ষৰ সময়ছোৱাত, দুটা অনুদান-অনুদান নং- 39 সামাজিক নিৰাপত্তা, কল্যান আৰু পুষ্টি আৰু অনুদান নং- 48- কৃষি নিৰ্দ্ধাৰিত বাজেট প্ৰক্ৰিয়াৰ অনুপালন, পুঁজিৰ নিৰীক্ষণ, নিয়ন্ত্ৰণ প্ৰণালী আৰু এই অনুদান সমূহৰ ভিতৰতে আঁচনিৰ ৰূপায়নৰ পৰ্যালোচনা কৰিবলৈ হিচাপ পৰীক্ষাত বিতং পৰীক্ষাৰ বাবে বাচনি কৰা হৈছিল। হিচাপ পৰীক্ষাৰ ফলাফল সমূহ পৰৱৰ্ত্তী দফা সমূহত আলোচনা কৰা হ'ল।

### 3.5.1 অনুদান নং-39 সামাজিক সুৰক্ষা, কল্যান আৰু পুষ্টি

অসম চৰকাৰৰ সমাজ কল্যান বিভাগৰ লক্ষ্য হৈছে মহিলা আৰু শিশু বিকাশৰ বাবে কল্যানমূলক কাৰ্যকলাপ, লগতে শিশু, মহিলা, শাৰীৰিকভাৱে অক্ষম ব্যক্তিসকলে সন্মুখীন হোৱা সমস্যা বোৰৰ বিষয়ে সামাজিক সজাগতা, ট্ৰেন্সজেণ্ডাৰ সম্প্ৰদায়ৰ কল্যান আৰু শিশু, কিশোৰি, গৰ্ভৱতী আৰু স্তন্যপান কৰাই থকা মাতৃসকলৰ পুষ্টিগত

স্থিতি উন্নত কৰাৰ লগতে বৃদ্ধ ব্যক্তিসকলক তেওঁলোকৰ প্ৰকৃত প্ৰয়োজনীয়তাক স্বীকৃতি দিয়া। বিভাগটো হৈছে সাৰ্বজনীন সামাজিক সুৰক্ষা ব্যৱস্থা ৰূপায়ণৰ এক মুখ্য সংস্থা, যাতে উন্নয়নৰ লাভালাভ সমাজৰ প্ৰতিজন সদস্য, বিশেষকৈ মহিলা, শিশু, দিব্যাংগ, জ্যেষ্ঠ নাগৰিক আৰু প্ৰান্তিক লোকসকলৰ মাজত উপলব্ধ হয়।

## 3.5.1.1 বাজেট আৰু ব্যয়

2016-21 বৰ্ষৰ পাঁচ বছৰৰ সময়ছোৱাত এই অনুদানৰ অধীনত বাজেট ব্যৱস্থা, প্ৰকৃত ব্যয় আৰু ৰাহি/অতিৰিক্তৰ সামগ্ৰিক স্থিতি তলত দিয়া হৈছে। এই অনুদানৰ অধীনত সকলো বাজেট ব্যৱস্থা গৃহীত ৰাজহ ব্যয়ৰ বাবে হোৱাৰ লগতে এক ক্ষুদ্ৰ ব্যৱস্থা মূলধনী ব্যয়ৰ বাবে আছে, যি বছৰে বছৰে অব্যৱহৃত হৈ আছে।

**সাৰণী 3.19: বাজেট আৰু ব্যয়**

**(কোটি টকাত)**

| অনুদান নং. 39 | | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| **মুঠ (ৰাজহ+মূলধনী)** | **বাজেট ব্যৱস্থা ( অ' + এচ)** | **1,237.72** | **1,864.70** | **2,561.68** | **2,759.69** | **3,111.76** |
| | ব্যয় | 957.33 | 955.05 | 1,465.67 | 2,207.84 | 2,133.80 |
| | ৰাহি(-)/অতিৰিক্ত (+) | -280.39 | -909.65 | -1,096.01 | -551.85 | -977.96 |
| | **ৰাহি/অতিৰিক্ত (শতাংশত)** | **22.65** | **48.78** | **42.78** | **20.00** | **31.43** |
| **i) ৰাজহ** | **বাজেট ব্যৱস্থা** | **1,237.72** | **1,862.70** | **2,559.68** | **2,759.47** | **3,107.63** |
| | ব্যয় | 957.33 | 955.05 | 1,465.67 | 2,207.84 | 2,133.80 |
| | ৰাহি (-)/ অতিৰিক্ত (+) | -280.39 | -907.65 | -1,094.01 | -551.63 | -973.83 |
| | **ৰাহি/অতিৰিক্ত (শতাংশত)** | **22.65** | **48.73** | **42.74** | **19.99** | **31.34** |
| **ii) মূলধনী** | **বাজেট ব্যৱস্থা** | **0.00** | **2.00** | **2.00** | **0.22** | **4.13** |
| | ব্যয় | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| | ৰাহি (-)/ অতিৰিক্ত (+) | 0.00 | -2.00 | -2.00 | -0.22 | -4.13 |
| | **ৰাহি/অতিৰিক্ত (শতাংশত)** | **-** | **100** | **100** | **100** | **100** |

*উৎস: বিনিয়োজন হিচাপ*

ওপৰৰ সাৰণীৰ পৰা দেখা যায়, 2016-21 ৰ সময়ছোৱাত মুঠ বাজেট ব্যৱস্থাৰ শতাংশ হিচাপে ৰাহি 20.00 শতাংশ আৰু 48.78 শতাংশৰ ভিতৰত আছিল। চলিত বৰ্ষত, ই মুঠ বাজেট ব্যৱস্থাৰ 31.43 শতাংশ আছিল। ধাৰাবাহিক বৃহৎ ৰাহিয়ে প্ৰকৃত প্ৰয়োজনীয়তাৰ অশুদ্ধ মূল্যায়ণকে সূচায় আৰু বিভাগটোৰ বাজেট প্ৰস্তুতি অনুশীলনৰ এক গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণৰ বাবে আহ্বান জনায়।

## 3.5.1.2 ৰাহিৰ সমৰ্পন

এ বি এম, 2012 ৰ দফা 11.17 অনুসৰি, এজন নিয়ন্ত্ৰণকাৰী বিষয়াই এটা অনুদানৰ অধীনত প্ৰত্যাশা কৰা ৰাহি সমূহ প্ৰত্যেক বছৰৰ 15 ফেব্ৰুৱাৰীৰ পূৰ্বে বিত্ত বিভাগক জনাব লাগে।

**সাৰণী 3.20** আৰু **সাৰণী 3.21** য়ে, বিগত পাঁচ বছৰত, অৰ্থাৎ 2016-21 তঅনুদান নং 39 ৰ অধীনত খণ্ড অনুযায়ী আৰু মুখ্য শিতান অনুযায়ী মুঠ বাজেট, ব্যয় আৰু ৰাহিৰ সবিশেষ বিৱৰণ আগবঢ়াইছে।

## সাৰণী 3.20: খণ্ড অনুযায়ী বাজেট আৰু ব্যয়

(কোটি টকাত)

| খণ্ড | বিৱৰণ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| ৰাজহ গৃহীত | **মুঠ বাজেট ( অ'+এচ)** | **1,237.72** | **1,862.70** | **2,559.68** | **2,759.47** | **3,107.63** |
| | বাজেট (অ') | 1,192.92 | 1,750.49 | 2,096.72 | 2,363.10 | 2,147.18 |
| | বাজেট (এচ) | 44.80 | 112.21 | 462.96 | 396.37 | 960.45 |
| | বাজেট বৃদ্ধি (শতাংশত) | 3.76 | 6.41 | 22.08 | 16.77 | 44.73 |
| | সমৰ্পণ | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| | **ব্যয়** | **957.33** | **955.05** | **1,465.67** | **2,207.84** | **2,133.80** |
| | ৰাহি | 280.39 | 907.65 | 1,094.01 | 551.63 | 973.83 |
| | ৰাহি (শতাংশত) | 22.65 | 48.73 | 42.74 | 19.99 | 31.34 |
| মূলধনী গৃহীত | **মুঠ বাজেট ( অ'+এচ)** | **0.00** | **2.00** | **2.00** | **0.22** | **4.13** |
| | বাজেট (অ') | 0.00 | 2.00 | 2.00 | 0.22 | 4.13 |
| | বাজেট (এচ) | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| | বাজেট বৃদ্ধি (শতাংশত) | 0 | 0 | 0 | 0 | 0 |
| | সমৰ্পণ | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| | **ব্যয়** | **0.00** | **0.00** | **0.00** | **0.00** | **0.00** |
| | ৰাহি | - | 2.00 | 2.00 | 0.22 | 4.13 |
| | ৰাহি (শতাংশত) | - | 100 | 100 | 100 | 100 |

## সাৰণী 3.21: মূখ্য শিতান অনুযায়ী বাজেট আৰু ব্যয়

(কোটি টকাত)

| মূখ্য শিতান | বিৱৰণ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| **2235-সামাজিক সুৰক্ষা আৰু কল্যান** | **মুঠ বাজেট ( অ'+এচ)** | **837.01** | **1,415.56** | **1,957.74** | **1,922.93** | **1,823.35** |
| | বাজেট (অ') | 792.23 | 1,303.40 | 1,758.60 | 1,726.71 | 1,313.72 |
| | বাজেট (এচ) | 44.78 | 112.16 | 199.14 | 196.22 | 509.63 |
| | বাজেট বৃদ্ধি (শতাংশত) | 5.65 | 8.61 | 11.32 | 11.36 | 38.79 |
| | সমৰ্পণ | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| | **ব্যয়** | **634.49** | **709.41** | **1,019.22** | **1,423.18** | **1,411.31** |
| | ৰাহি | 202.52 | 706.15 | 938.52 | 499.75 | 412.04 |
| | ৰাহি (শতাংশত) | 24.20 | 49.88 | 47.94 | 25.99 | 22.60 |
| **2236-পুষ্টি** | **মুঠ বাজেট (অ'+এচ)** | **400.71** | **447.15** | **601.95** | **836.54** | **1,284.28** |
| | বাজেট (অ') | 400.69 | 447.09 | 338.12 | 636.40 | 833.46 |
| | বাজেট (এচ) | 0.02 | 0.06 | 263.83 | 200.14 | 450.82 |
| | বাজেট বৃদ্ধি (শতাংশত) | 0 | 0.01 | 78.03 | 31.45 | 54.09 |
| | সমৰ্পণ | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| | **ব্যয়** | **322.83** | **245.64** | **446.45** | **784.66** | **722.49** |
| | ৰাহি | 77.88 | 201.51 | 155.50 | 51.88 | 561.79 |
| | ৰাহি (শতাংশত) | 19.44 | 45.07 | 25.83 | 6.20 | 43.74 |
| **4235-সামাজিক সুৰক্ষা আৰু কল্যানৰ ওপৰত মূলধনী ব্যয়** | **মুঠ বাজেট (অ'+এচ)** | 0.00 | 2.00 | 2.00 | 0.22 | 4.13 |
| | বাজেট (অ') | 0.00 | 2.00 | 2.00 | 0.22 | 4.13 |
| | বাজেট (এচ) | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| | বাজেট বৃদ্ধি (শতাংশত) | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| | সমৰ্পণ | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |

| মুখ্য শিতান | বিৱৰণ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| | ব্যয় | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| | ৰাহি | - | 2.00 | 2.00 | 0.22 | 4.13 |
| | ৰাহি (শতাংশত) | - | 100 | 100 | 100 | 100 |

ওপৰৰ সাৰণীৰ পৰা দেখা যায় অনুদানৰ ভিতৰত তিনিওটা মুখ্য শিতানৰ ক্ষেত্ৰত খণ্ড স্তৰত বৃহৎ ৰাহি আছিল। যোৱা পাঁচ বছৰত খণ্ড স্তৰত 280.39 কোটি টকাৰ পৰা 1,094.01 কোটি টকালৈ চলিত বৰ্ষত মুঠ সঞ্চয় 977.96 কোটি টকাৰ সৈতে বৃহৎ সামগ্ৰিক ৰাহি হোৱা স্বত্তেও, কোনো বছৰত কোনো পৰিমাণৰ ৰাশি সমৰ্পণ কৰা হোৱা নাছিল।

সঞ্চয় সমৰ্পণৰ নিৰ্ধাৰিত সময়সূচী অনুসৰণ নকৰিলে দক্ষ বাজেট ব্যৱস্থাপনাৰ উদ্দেশ্য হেৰাই যায়।

### 3.5.1.3 অ-প্ৰয়োজনীয় পৰিপূৰক অনুদান

যোৱা পাঁচ বছৰত অৰ্থাৎ 2016-17 ৰ পৰা 2020-21 লৈ অনুদান 39 ৰ অধীনত সমাজ কল্যান বিভাগক প্ৰদান কৰা পৰিপূৰক অনুদানৰ পৰিমাণ **সাৰণী 3.22** আৰু লগতে **চিত্ৰ তালিকা 3.10** ত দিয়া হৈছে। যদিও পৰিপূৰক অনুদানৰ জৰিয়তে আৰু কোনো বৃদ্ধি নোহোৱাকৈ ক্ষুদ্ৰ মূলধনী বাজেটৰ ব্যৱস্থা অব্যৱহৃত হৈ আছিল, ৰাজহ খণ্ডৰ বাবে বৃহৎ অতিৰিক্ত আৱণ্টন কৰা হৈছিল, যিটো অপ্ৰয়োজনীয় বুলি প্ৰমাণিত হৈছিল কিয়নো যোৱা পাঁচ বছৰৰ প্ৰতিটো বছৰত মূল বাজেট ব্যৱস্থাৰ বিপৰীতে ৰাহি আছিল।

**সাৰণী 3.22: অ-প্ৰয়োজনীয় পৰিপূৰক ব্যৱস্থা**

**(কোটি টকাত)**

| খণ্ড | বছৰ | বাজেট মূল ব্যৱস্থা | ব্যয় | মূল ব্যৱস্থাৰ ভিতৰত সঞ্চয় | পৰিপূৰক অনুদান |
|---|---|---|---|---|---|
| **ৰাজহ গৃহীত** | 2016-2017 | 1,192.92 | 957.33 | 235.59 | 44.80 |
| | 2017-2018 | 1,750.49 | 955.05 | 795.44 | 112.21 |
| | 2018-2019 | 2,096.72 | 1,465.67 | 631.05 | 462.96 |
| | 2019-2020 | 2,363.10 | 2,207.84 | 155.26 | 396.37 |
| | 2020-2021 | 2,147.18 | 2,133.80 | 13.38 | 960.45 |

*উৎস : বিনিয়োজন হিচাপ*

ওপৰৰ সাৰণীত দেখা যায় যে 2016-21 বৰ্ষত ৰাজহ গৃহীত খণ্ডত প্ৰতিবছৰে পৰিপূৰক অনুদান অপ্ৰয়োজনীয় প্ৰমাণিত হৈছিল, কিয়নো ব্যয় মূল বাজেট ব্যৱস্থাতকৈ কম আছিল।

**চিত্ৰ তালিকা 3.10: অনুদান 39 (ৰাজহ খণ্ড) ৰ অধীনত অপ্ৰয়োজনীয় পৰিপূৰক অনুদান**




সমাজ কল্যাণ অসমৰ সঞ্চালক গৰাকীয়ে কম ব্যৱহাৰৰ বিষয়ে প্ৰশাসনিক অনুমোদন প্ৰাপ্ত নকৰা, চৰকাৰৰ পৰা অনুমোদন প্ৰাপ্ত নকৰা আৰু এফ অ' চি মুকলি নকৰাকে আৰোপিত কৰিছে। অৱশ্যে 2020-21 বৰ্ষত ভাৰত চৰকাৰৰ দ্বাৰা কেন্দ্ৰীয় অংশ মুকলি নকৰা, ৰাজ্যিক অংশ মুকলি নকৰা আৰু লগতে দৰমহা / মজুৰি/ ডি এৰ বকেয়া পৰিমাণৰ নিযেধাজ্ঞা আৰোপ কৰাটো পুঁজিৰ কম ব্যৱহাৰৰ অতিৰিক্ত কাৰণ হিচাপে আৰোপ কৰা হৈছিল।

### 3.5.1.4 উপ-শিতানৰ অধীনত ধাৰাবাহিক ৰাহিসমূহ

অনুদান 39 ৰ দ্বাৰা পুঁজি যোগান ধৰা দুটা আটাইতকৈ গুৰুত্বপূৰ্ণ আঁচনি ৰূপায়ণে যেনে সমন্বিত শিশু বিকাশ সেৱা ( আইচি ডি এছ) আঁচনি আৰু বিশেষ পৰিপুষ্টি কাৰ্যসূচী (এছ এন পি) য়ে যোৱা পাঁচ বছৰত গড় ৰাহি ক্ৰমান্বয়ে 28.64 শতাংশ আৰু 23.65 শতাংশৰ সৈতে নিৰন্তৰ বৃহৎ ৰাহি দেখুৱাইছে। অংগনবাড়ী কেন্দ্ৰৰ মেৰামতি সম্পৰ্কীয় আন এক আঁচনিত চলিত বিত্তীয় বৰ্ষত কিছু উন্নতি হোৱাৰ সৈতে যোৱা কেইবছৰমানত ব্যৱহাৰৰ স্তৰ অতি নিম্ন হোৱা দেখা গৈছে।

এই আঁচনিবোৰে মহিলা আৰু শিশুৰ অসুৰক্ষিত জনসংখ্যাৰ কল্যানৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলায়, আৰু ইয়াৰ কম ব্যৱহাৰ হৈছে চিন্তাৰ কাৰণ।

### সাৰণী 3.23: উপ-শিতানৰ অধীনত ধাৰাবাহিক ৰাহি

(কোটি টকাত)

| হিচাপৰ শিতান | বছৰ | মুঠ অনুদান (অ'+ এচ) | ব্যয় | ৰাহি | |
|---|---|---|---|---|---|
| | | | | পৰিমাণ | শতাংশ |
| **2235-02-102-{0177}-সমন্বিত শিশু বিকাশ সেৱা (আই চি ডি এছ) আঁচনি ৰূপায়ন** | **2016-17** | 658.44 | 492.93 | 165.51 | 25.14 |
| | **2017-18** | 811.93 | 475.80 | 336.13 | 41.40 |
| | **2018-19** | 917.11 | 568.61 | 348.50 | 38.00 |
| | **2019-20** | 1,162.93 | 882.28 | 280.65 | 24.13 |
| | **2020-21** | 1,152.30 | 936.26 | 216.04 | 18.75 |
| | **মুঠ** | **4,702.71** | **3,355.88** | **1,346.83** | **28.64** |
| **2236-02-101-{0976}-বিশেষ পুষ্টি কাৰ্যসূচী (প্ৰধান মন্ত্ৰী গ্ৰামোদয় যোজনা-পি এম জি ৱাই)** | **2016-17** | 360.30 | 290.50 | 69.80 | 19.37 |
| | **2017-18** | 402.21 | 230.01 | 172.20 | 42.81 |
| | **2018-19** | 452.88 | 345.78 | 107.10 | 23.65 |
| | **2019-20** | 652.49 | 618.20 | 34.29 | 5.26 |
| | **2020-21** | 747.28 | 512.10 | 235.18 | 31.47 |
| | **মুঠ** | **2,615.16** | **1,996.59** | **618.57** | **23.65** |
| **2235-02-800-{0821}-অন্যান্য /[825]-অংগনবাদী কেন্দ্ৰৰ মেৰামতি ( এ ডব্লিউ চি)** | **2016-17** | 0.00 | 0.00 | - | - |
| | **2017-18** | 24.00 | 0.00 | 24.00 | 100.00 |
| | **2018-19** | 24.00 | 0.00 | 24.00 | 100.00 |
| | **2019-20** | 25.00 | 10.16 | 14.84 | 59.36 |
| | **2020-21** | 19.00 | 18.21 | 0.79 | 4.16 |
| | **মুঠ** | **92.00** | **28.37** | **63.63** | **69.16** |

**উৎসঃ বিনিয়োজন হিচাপ**

আঁচনিখনৰ অধীনত ৰাহিৰ কাৰণ নিম্নলিখিত ধৰণে উল্লেখ কৰা হৈছিলঃ

- কিছুমান কামৰ বাবে বিত্তীয় অনুমোদন প্ৰাপ্ত নকৰা/ এফ অ'চি মুকলি নকৰা, নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা আৰু যোগানৰ কাম সম্পূৰ্ণ নোহোৱাৰ বাবে "সমন্বিত শিশু উন্নয়ন সেৱা (আই চি ডি এছ) আঁচনি"ৰ অধীনত ৰাহি হৈছিল। অৱশ্যে 2020-21 বৰ্ষত, দৰমহা/মজুৰি/ডি এৰ বকেয়া আহৰণত নিষেধাজ্ঞা আৰোপ কৰাৰ লগতে ক'ভিড মহামাৰীৰ বাবে কাম সম্পূৰ্ণ নোহোৱাটো ৰাহিৰ অতিৰিক্ত কাৰণ আছিল।
- বাৰ্ষিক কাৰ্যসূচী ৰূপায়ণ আঁচনি (এ পি আই পি) প্ৰাপ্ত কৰাৰ আগতে বাজেট আকলন প্ৰস্তুত কৰা, অনুমোদন প্ৰাপ্ত নকৰা আৰু এফ অ'চি মুকলি নকৰাৰ বাবে বিশেষ পুষ্টি কাৰ্যসূচী - পি এম জি ৱাই ৰ অধীনত ৰাহি হৈছিল।
- কিছুমান ক্ষেত্ৰত প্ৰশাসনিক বিভাগৰ দ্বাৰা প্ৰশাসনিক অনুমোদন নোপোৱা আৰু সঠিক সময়ত কাম সম্পূৰ্ণ নোহোৱাৰ বাবে "অংগনবাদী কেন্দ্ৰৰ মেৰামতি (এ ডব্লিউ চি)" ৰ অধীনত ৰাহি হৈছিল।

## 3.5.1.5 অ-প্ৰয়োজনীয় পুনৰ্বিনিয়োজন

পুনৰ্বিনিয়োজন হৈছে একেটা অনুদান বা ধাৰ্য বিনিয়োজনৰ ভিতৰত অন্য গোটৰ অধীনত অতিৰিক্ত ব্যয় পূৰণৰ বাবে বিনিয়োজনৰ এটা গোটৰ পৰা ৰাহিৰ স্থানান্তৰ।

এ বি এম, 2012 ৰ দফা 9.2 অনুসৰি বিত্ত বিভাগৰ অনুদানৰ ভিতৰত যিকোনো পুনৰ্বিনিয়োজন অনুমোদন কৰ্তৃত্ব প্ৰদান কৰাৰ ক্ষমতা আছে, য'ত পুনৰাবৃত্তি দায়বদ্ধতাৰ প্ৰতিশ্ৰুতি অন্তৰ্ভুক্ত নহয়। যিকোনো ধৰণৰ পুনৰ

বিৰ্নিয়োজনৰ অনুমোদন কৰা তেনেধৰণৰ আদেশৰ প্ৰতিলিপি সমূহ গৃহীত কৰাৰ লগে লগেই মহাগাণনিকক অৱগত কৰিব লাগিব।

অনুদান 39 ৰ অধীনত দুটা উপ-শিতানত পুনৰ্বিৰ্নিয়োজন অ-প্ৰয়োজনীয় বুলি প্ৰমাণিত হৈছিল কিয়নো উপলবদ্ধ বাজেট ব্যৱস্থাৰ বিপৰীতে এই উপ-শিতানৰ অধীনত ৰাহি নথিভুক্ত হৈছিল, যি সমূহ **সাৰণী 3.24** ত বৰ্ণনা কৰা হৈছে।

**সাৰণী 3.24: অ-প্ৰয়োজনীয় পুনৰবিৰ্নিয়োজন**

**(লাখ টকাত)**

| হিচাপৰ শিতান | বাজেটৰ বিপৰীত ৰাহি (অ'+এচ) | পুনৰ্বিনিয়োজন | চুড়ান্ত ৰাহি | বিভাগৰ উত্তৰ |
|---|---|---|---|---|
| 2235-02-001-{0935}-প্ৰশাসনিক ব্যৱস্থাৰলীক শক্তিশালী কৰা | -7.20 | 4.50 | -11.70 | বকেয়া ডি এৰ বাবে পৰিমানটো পুনৰ ব্যৱহাৰ কৰা হৈছিল। বকেয়া দৰমহা, ডি এ, মজুৰি আদিৰ ওপৰত 26.3.21 তাৰিখৰ ডব্লিউ চি বাৰ্তাৰ জৰিয়তে নিষেধাজ্ঞা আৰোপ কৰাৰ ফলত ধনৰাশি খিনি আহৰণ আৰু ব্যৱহাৰ কৰিব পৰা ন'গল। |
| 2235-02-101-{5306}-বিভিন্ন কল্যানমূলক আঁচনি/[120]-অন্ধ কল্যান সংস্থা, গুৱাহাটী লৈ সহায়ক অনুদান | -49.50 | 11.00 | -60.50 | যদিও পুনৰ বিনিয়োজন কৰা হৈছিল কিন্তু জি অ'এৰ পৰা অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে পুনৰ বিনিয়োজন কৰা পুঁজি ব্যৱহাৰ কৰিব পৰা ন'গল। |

এইদৰে, দুটা উপ-শিতানৰ অধীনত কৰা 15.50 লাখ টকাৰ পুনৰ্বিনিয়োজন অপ্ৰয়োজনীয় প্ৰমাণিত হৈছিল যিহেতু চুড়ান্ত ৰাহি সমূহে পুনৰ্বিনিয়োজনৰ পৰিমানক অতিক্ৰম কৰিছিল।

### 3.5.1.6 সম্পূৰ্ণ বাজেট ব্যৱস্থাৰ ৰাহি

নিম্নলিখিত সোতৰটা আঁচনি/প্ৰকল্পৰ অধীনত 2020-21 বৰ্ষৰ বাবে অনুদান নং 39 ৰ অধীনত এক কোটি টকাৰ অধিক ব্যক্তিগত আবণ্টনৰ সৈতে 332.67 কোটি টকাৰ বাজেট ব্যৱস্থা বছৰটোৰ শেষত অব্যৱহৃতে হৈ আছিল। আঁচনি অনুসৰি বিৱৰণ আৰু বিভাগৰ সঁহাৰি তলৰ সাৰণীত দিয়া হৈছে।

**সাৰণী 3.25: বাজেট ব্যৱস্থাৰ অব্যৱহাৰ**

**(কোটি টকাত)**

| ক্ৰমিক নং | হিচাপৰ শিতান | বাজেট (অ'+এচ) | ব্যয় | বিভাগৰ উত্তৰ |
|---|---|---|---|---|
| 1 | 2236-02-101-{2619}-পঞ্চদশ বিত্ত আয়োগ অনুদান | 293.40 | 0.00 | অৰ্থনৈতিক পৰিক্ৰমা বিত্ত বিভাগৰ পৰা কোনো খবৰ পোৱা হোৱা নাছিল। সেয়েহে অনুমোদনৰ বাবে চৰকাৰক কোনো অনুমোদন প্ৰস্তাৱ দাখিল কৰা হোৱা নাছিল। |
| 2 | 2235-02-102-{0177}-আই চি ডি এছ / [871]-অংগনবাদী কৰ্মচাৰী কল্যান পুঁজিৰ ৰূপায়ণ | 4.75 | 0.00 | অংগনবাদী কৰ্মী আৰু সহায়ক সকলক সহায়ক অনুদান বিতৰণ সম্পৰ্কে চৰকাৰৰ পৰা নিৰ্দিষ্ট নীতি-নিৰ্দেশনা প্ৰাপ্ত নকৰাৰ বাবে। |
| 3 | 2235-02-102-{5847}-ৰাষ্ট্ৰীয় ক্ৰেচ আঁচনি | 3.98 | 0.00 | কেন্দ্ৰীয় অংশ (ইউ চি/প্ৰগতি প্ৰতিবেদন পলমকৈ দাখিল কৰাৰ বাবে) আৰু ৰাজ্যিক অংশ মুকলি নকৰাৰ বাবে। |
| 4 | 2235-02-101-{0205}-অন্যান্য কল্যান আঁচনি / [909]-মানসিকভাৱে অসুস্থ ব্যক্তিৰ ঘৰ | 3.90 | 0.00 | চৰকাৰৰ পৰা অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে। |

| ক্ৰমিক নং | হিচাপৰ শিতান | বাজেট (অ'+এচ) | ব্যয় | বিভাগৰ উত্তৰ |
|---|---|---|---|---|
| 5 | 2235-02-102-{2426}-শিশু যত্নৰ সংস্থা | 3.33 | 0.00 | চৰকাৰৰ পৰা এফ অ' চি মুকলি নকৰাৰ বাবে। |
| 6 | 2235-02-101-{0205}-অন্যান্য কল্যানমূলক আঁচনি / [911]-মানসিকভাৱে অক্ষম ব্যক্তিৰ সৈতে কাম কৰা স্বেচ্ছাসেৱী সংগঠনবোৰক সহায়ক অনুদান | 3.26 | 0.00 | চৰকাৰৰ পৰা অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে। |
| 7 | 2235-02-200-{2618}-সুৰাপান আৰু ড্ৰাগৰ অপব্যৱহাৰ প্ৰতিৰোধৰ ওপৰত ৰাষ্ট্ৰীয় নীতি | 2.14 | 0.00 | চৰকাৰৰ দ্বাৰা পুনৰ বিনিয়োজন প্ৰস্তাৱ অনুমোদিত নোহোৱাৰ বাবে। ( পুঁজিবোৰ প্ৰকৃততে চি এচ এচ ৰ বাবে আছিল কিন্তু ভুলকৈ পুঁজিবোৰ এছ অ'পি ডিৰ অধীনত ৰখা হৈছিল। সেয়েহে, পুনৰ বিনিয়োজনৰ প্ৰস্তাৱ দাখিল কৰা হৈছিল)। |
| 8 | 2235-02-103-{2969}-ধৰ্ষণৰ ভুক্তভোগীসকলক বিত্তীয় সহায় আৰু সমৰ্থন সেৱা | 2.14 | 0.00 | চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাখিল নকৰাৰ বাবে। |
| 9 | 2235-02-200-{4727}- ট্ৰেন্সজেণ্ডাৰ সম্প্ৰদায়ৰ (হিজৰা) কল্যাণ | 2.03 | 0.00 | চৰকাৰৰ পৰা অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে |
| 10 | 2235-02-103-{6000}- উজ্জ্বলা আঁচনি ৰূপায়ন | 1.99 | 0.00 | কেন্দ্ৰীয় আৰু সংশ্লিষ্ট ৰাজ্যিক অংশ মুকলি নকৰাৰ বাবে |
| 11 | 4235-02-104-{5960}- মহিলাৰ বাবে বৃদ্ধাশ্ৰম আৰু অনাথৰ বাবে শিক্ষা আৰু কল্যাণৰ বাবে বিশেষ বিদ্যালয় স্থাপন কৰা | 1.90 | 0.00 | চৰকাৰক দাখিল কৰা দুটা প্ৰস্তাৱৰ ভিতৰত এটা প্ৰস্তাৱৰ বাবে অনুমোদন প্ৰাপ্ত কৰা হৈছিল কিন্তু কোনো এফ অ'চি মুকলি কৰা হোৱা নাছিল। আৰু আনটো প্ৰস্তাৱৰ বাবে চৰকাৰে কোনো অনুমোদন প্ৰদান কৰা নাছিল। সেয়েহে পুঁজি ব্যৱহাৰ কৰিব পৰা নগ'ল। |
| 12 | 4235-02-104-{0959}- কেন্দ্ৰীয় নিঃস্ব গৃহ, মেহৰপুৰ শিলচৰ | 1.90 | 0.00 | কামৰ আৱন্টন চূড়ান্ত নকৰাৰ বাবে |
| 13 | 2235-02-103-{2431}- কোকৰাঝাৰ, ডিব্ৰুগড় আৰু লক্ষীমপুৰত পৰ্যবেক্ষণ গৃহ স্থাপন | 1.86 | 0.00 | চৰকাৰৰ পৰা অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে |
| 14 | 2235-02-101-{0205}- অন্যান্য কল্যাণ আঁচনি / [236]-বধিৰসকলৰ অসম সংগঠন (এককালীন সহায়ক অনুদান) | 1.74 | 0.00 | জিলা কাৰ্য্যালয়ৰ পৰা দাবী / বিল প্ৰাপ্ত নকৰাৰ বাবে |
| 15 | 2235-02-103-{5975}-স্বাধেৰ গৃহ আঁচনি | 1.49 | 0.00 | কেন্দ্ৰীয় অংশ (ইউ চি / প্ৰগতি প্ৰতিবেদন পলমকৈ দাখিল কৰাৰ বাবে) আৰু সংশ্লিষ্ট ৰাজ্যিক অংশ মুকলি নকৰা বাবে |
| 16 | 2235-02-107-{0967}-স্বেচ্ছাসেৱী কল্যাণ সংস্থা | 1.43 | 0.00 | চৰকাৰৰ পৰা অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে |
| 17 | 2235-02-101-{0205}- অন্যান্য কল্যাণ মূলক আঁচনি / [917]- / প্ৰতিবন্ধী ব্যক্তিৰ বাবে বিদ্যালয়ৰ নৱীকৰণ | 1.43 | 0.00 | প্ৰশাসনিক অনুমোদন লাভ কৰা হৈছিল। কিন্তু 2020-21 বিত্তীয় বৰ্ষৰ শেষলৈকে কাম সম্পূৰ্ণ হোৱা নাছিল। সেয়েহে পি ডব্লিউ ডি ৰ পৰা কোনো দাবী / বিল প্ৰাপ্ত কৰা হোৱা নাছিল। |
| | **মুঠ** | **332.67** | | |

*উৎসঃ বিনিয়োজন হিচাপ (2020-21)*

## 3.5.2 অনুদান 48-কৃষি

খাদ্য শস্য আৰু অন্যান্য শস্য উৎপাদনৰ বাবে বৈজ্ঞানিক কৃষি আৰু আনুসংগিক পদ্ধতি গ্ৰহণৰ জৰিয়তে আত্মনিৰ্ভৰশীলতা আৰু গ্ৰাম্য সমৃদ্ধি প্ৰাপ্ত কৰাৰ বাবে কৃষি বিভাগ দায়বদ্ধ, যাৰ ফলত লাখলাখ গ্ৰাম্য লোকৰ জীৱনৰ মানদণ্ড বৃদ্ধি হয় আৰু জীৱন্ত, স্ব-নিৰ্ভৰশীল আৰু সুস্থ অৰ্থনীতিৰ বিকাশত অৰিহণা যোগায়।

### 3.5.2.1 বাজেট আৰু ব্যয়

2016-21 বৰ্ষৰ পাঁচ বছৰৰ সময়ছোৱাত এই অনুদানৰ অধীনত বাজেট ব্যৱস্থা, প্ৰকৃত ব্যয় আৰু ৰাহি / অতিৰিক্তৰ সামগ্ৰিক স্থিতি তলত দিয়া হৈছে।

**সাৰণী 3.26: বাজেট আৰু ব্যয়**

(কোটি টকাত)

| অনুদান নং 48 | | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| মুঠ (ৰাজহ + মূলধনী) | বাজেট ব্যৱস্থা | **1,460.11** | **1,893.14** | **1,926.18** | **2,648.04** | **2,407.37** |
| | ব্যয় | 741.60 | 1,107.19 | 857.75 | 1,539.30 | 1,437.03 |
| | ৰাহি | 718.51 | 785.95 | 1,068.43 | 1,108.74 | 970.34 |
| | ৰাহি (শতাংশত) | **49.21** | **41.52** | **55.47** | **41.87** | **40.31** |
| i) ৰাজহ গৃহীত | বাজেট ব্যৱস্থা | **1,402.19** | **1,534.99** | **1,463.67** | **2,453.55** | **2,043.85** |
| | ব্যয় | 736.80 | 1,036.20 | 833.73 | 1,490.39 | 1,256.35 |
| | ৰাহি | 665.39 | 498.79 | 629.94 | 963.16 | 787.50 |
| | ৰাহি (শতাংশত) | **47.45** | **32.49** | **43.04** | **39.26** | **38.53** |
| ii) মূলধনী গৃহীত | বাজেট ব্যৱস্থা | **57.92** | **358.15** | **462.51** | **194.49** | **363.52** |
| | ব্যয় | 4.80 | 70.99 | 24.02 | 48.91 | 180.68 |
| | ৰাহি | 53.12 | 287.16 | 438.49 | 145.58 | 182.84 |
| | ৰাহি (শতাংশত) | **91.71** | **80.18** | **94.81** | **74.85** | **50.30** |

উৎস ঃ বিনিয়োজন হিচাপ

অনুদানটোত ৰাজহ আৰু মূলধনী খণ্ড দুয়োটাতে বৃহৎ সামগ্রিক ৰাহি দেখুওৱাইছে, যাৰ ৰাহি হৈছে 2016-21 ৰ কালছোৱাত চলিত বৰ্ষৰ মুঠ বাজেট ব্যৱস্থাৰ 40.31 শতাংশ আৰু 2018-19 বৰ্ষত 55.47 শতাংশ। নিৰন্তৰ ভাৱে বৃহৎ ৰাহি প্ৰকৃত প্ৰয়োজনীয়তাৰ অশুদ্ধ মূল্যাংকনৰ পৰিচায়ক আৰু বিভাগটোৰ বাজেট প্ৰস্তুতি অনুশীলনৰ এক গুৰুত্বপূৰ্ণ পুণৰীক্ষণৰ বাবে আহ্বান জনায়।

### 3.5.2.2 ৰাহিৰ সমৰ্পণ

এ বি এম 2012 ৰ দফা 11.17 অনুসৰি নিয়ন্ত্ৰণকাৰী বিষয়াই অনুদানৰ অধীনত ৰাহিৰ পূৰ্বানুমান কৰিব লাগে আৰু সেইবোৰ প্ৰতিবছৰে ফেব্ৰুৱাৰী 15 তাৰিখ অতিক্ৰম নকৰাকৈ বিত্ত বিভাগক জনাব লাগে।

**সাৰণী 3.27** আৰু **সাৰণী 3.28** ত যোৱা পাঁচ বছৰত অৰ্থাৎ 2016-21 বৰ্ষত অনুদান নং 48 ৰ অধীনত খণ্ড অনুসৰি আৰু মুখ্যশিতান অনুসৰি মুঠ বাজেট, ব্যয় আৰু ৰাহিৰ বিৱৰণ দিয়া হৈছে।

**সাৰণী 3.27: খণ্ড অনুযায়ী বাজেট আৰু ব্যয়**

(কোটি টকাত)

| খণ্ড | বিৱৰণ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| ৰাজহ গৃহীত | মুঠ বাজেট (অ' + এচ) | **1,402.19** | **1,534.99** | **1,463.67** | **2,453.55** | **2,043.85** |
| | বাজেট (অ') | 1,375.60 | 1,020.94 | 1,280.95 | 1,774.69 | 1,187.74 |
| | বাজেট (এচ) | 26.59 | 514.05 | 182.72 | 678.86 | 856.11 |
| | বাজেট বৃদ্ধি (শতাংশত) | 1.93 | 50.35 | 14.26 | 38.25 | 72.08 |
| | সমৰ্পণ | 0.00 | 0.00 | 66.78 | 0.00 | 0.00 |
| | ব্যয় | **736.80** | **1,036.20** | **833.73** | **1,490.39** | **1,256.35** |
| | ৰাহি | 665.39 | 498.79 | 629.94 | 963.16 | 787.50 |
| | ৰাহি (শতাংশত) | 47.45 | 32.49 | 43.04 | 39.26 | 38.53 |
| **মূলধনী গৃহীত** | মুঠ বাজেট (অ' + এচ) | **57.92** | **358.15** | **462.51** | **194.49** | **363.52** |

| | | | | | | |
|---|---|---|---|---|---|---|
| | বাজেট (অ') | 57.92 | 354.36 | 462.51 | 191.39 | 218.52 |
| | বাজেট (এচ) | 0.00 | 3.79 | 0.00 | 3.10 | 145.00 |
| | বাজেট বৃদ্ধি (শতাংশত) | 0.00 | 1.07 | 0.00 | 1.62 | 66.36 |
| | সমৰ্পণ | 0.00 | 0.00 | 0.72 | 0.00 | 0.00 |
| | ব্যয় | **4.80** | **70.99** | **24.02** | **48.91** | **180.68** |
| | ৰাহি | 53.12 | 287.16 | 438.49 | 145.58 | 182.84 |
| | ৰাহি (শতাংশত) | 91.71 | 80.18 | 94.81 | 74.85 | 50.30 |

**সাৰণী 3.28: মুখ্য শিতান অনুযায়ী বাজেট আৰু ব্যয়**

(কোটি টকাত)

| মুখ্য শিতান (খণ্ড) | বিৱৰণ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| **2401- শস্য পালন** (ৰাজহ - গৃহীত) | **মুঠ বাজেট (অ' + এচ)** | **1,182.19** | **1,223.77** | **1,079.10** | **1,845.85** | **1,572.53** |
| | বাজেট (অ') | 1,155.60 | 772.18 | 952.38 | 1,305.06 | 786.35 |
| | বাজেট (এচ) | 26.59 | 451.59 | 126.72 | 540.79 | 786.18 |
| | বাজেট বৃদ্ধি (শতাংশত) | 2.30 | 58.48 | 13.31 | 41.44 | 99.98 |
| | সমৰ্পণ | 0.00 | 0.00 | 64.58 | 0.00 | 0.00 |
| | ব্যয় | **518.43** | **725.98** | **472.68** | **982.51** | **878.61** |
| | ৰাহি | 663.76 | 497.79 | 606.42 | 863.34 | 693.92 |
| | ৰাহি (শতাংশত) | 56.15 | 40.68 | 56.20 | 46.77 | 44.13 |
| **2415- কৃষি গৱেষণা আৰু শিক্ষা** (ৰাজহ-গৃহীত) | **মুঠ বাজেট (অ' + এচ)** | **213.16** | **304.46** | **376.76** | **525.27** | **399.21** |
| | বাজেট (অ') | 213.16 | 242.46 | 320.76 | 387.20 | 394.21 |
| | বাজেট (এচ) | 0.00 | 62.00 | 56.00 | 138.07 | 5.00 |
| | বাজেট বৃদ্ধি (শতাংশত) | 0.00 | 25.57 | 17.46 | 35.66 | 1.27 |
| | সমৰ্পণ | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| | ব্যয় | **213.16** | **304.46** | **355.43** | **502.27** | **343.09** |
| | ৰাহি | 0.00 | 0.00 | 21.32 | 23.00 | 56.12 |
| | ***ৰাহি (শতাংশত)*** | 0.00 | 0.00 | 5.66 | 4.38 | 14.06 |
| **2435- অন্যান্য কৃষি কাৰ্য্যসূচী** (ৰাজহ গৃহীত) | **মুঠ বাজেট (অ' + এচ)** | 6.84 | 6.76 | 7.81 | 82.43 | 72.11 |
| | বাজেট (অ') | 6.84 | 6.30 | 7.81 | 82.43 | 7.18 |
| | বাজেট (এচ) | 0.00 | 0.46 | 0.00 | 0.00 | 64.93 |
| | বাজেট বৃদ্ধি (শতাংশত) | 0.00 | 7.30 | 0.00 | 0.00 | 904.32 |
| | সমৰ্পণ | 0.00 | 0.00 | 2.20 | 0.00 | 0.00 |
| | ব্যয় | **5.22** | **5.76** | **5.61** | **5.61** | **34.65** |
| | ৰাহি | 1.62 | 1.00 | 2.20 | 76.82 | 37.46 |
| | ***ৰাহি (শতাংশত)*** | 23.68 | 14.79 | 28.17 | 93.19 | 51.95 |
| **4401- শস্য পালনৰ ওপৰত মূলধনী ব্যয়** (মূলধনী গৃহীত) | **মুঠ বাজেট (অ' + এচ)** | 57.92 | 296.14 | 462.51 | 194.48 | 363.52 |
| | বাজেট (অ') | 57.92 | 293.36 | 462.51 | 191.39 | 218.52 |
| | বাজেট (এচ) | 0.00 | 2.78 | 0.00 | 3.09 | 145.00 |
| | বাজেট বৃদ্ধি (শতাংশত) | 0.00 | 0.95 | 0.00 | 1.61 | 66.36 |

| মুখ্য শিতান (খণ্ড) | বিৱৰণ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|---|
| | সমৰ্পণ | 0.00 | 0.00 | 0.72 | 0.00 | 0.00 |
| | ব্যয় | **4.80** | **70.99** | **24.02** | **48.91** | **180.68** |
| | ৰাহি | 53.12 | 225.15 | 438.49 | 145.57 | 182.84 |
| | **ৰাহি (*শতাংশত*)** | 91.71 | 76.03 | 94.81 | 74.85 | 50.30 |
| **4415-কৃষি গৱেষণা আৰু শিক্ষাৰ ওপৰত মূলধনী ব্যয়** (মূলধনী গৃহীত) | **মুঠ বাজেট (অ' + এচ)** | 0.00 | 62.00 | 0.00 | 0.00 | 0.00 |
| | বাজেট (অ') | 0.00 | 61.00 | 0.00 | 0.00 | 0.00 |
| | বাজেট (এচ) | 0.00 | 1.00 | 0.00 | 0.00 | 0.00 |
| | বাজেট বৃদ্ধি (শতাংশত) | - | 1.64 | - | - | - |
| | সমৰ্পণ | 0.00 | 0.00 | 0.00 | 0.00 | 0.00 |
| | ব্যয় | **0.00** | **0.00** | **0.00** | **0.00** | **0.00** |
| | ৰাহি | 0.00 | 62.00 | 0.00 | 0.00 | 0.00 |
| | **ৰাহি (*শতাংশত*)** | - | 100.00 | - | - | - |

ওপৰৰ সাৰণীৰ পৰা দেখা যায়, খণ্ড পৰ্য্যায়ত আৰু চাৰিওটা মুখ্য শিতানত য'ত চলিত বৰ্ষৰ বাবে অনুদানত আৱন্টন কৰা হৈছিল, বৃহৎ ৰাহি দেখা গৈছিল। খণ্ড পৰ্যায়ত ৰাজহ গৃহীত খণ্ডত 787.50 কোটি টকা আৰু মূলধনী গৃহীত খণ্ডত 182.84 কোটি টকা বৃহৎ সামগ্ৰিক ৰাহি থকা স্বত্তেও, কোনো পৰিমাণ সমৰ্পণ কৰা হোৱা নাছিল।

খণ্ড পৰ্যায়ত ইমান বৃহৎ ৰাহিয়ে যোৱা পাঁচ বছৰৰ প্ৰতিটো বছৰতেই দেখা গৈছিল, কিন্তু 2018-19 বিত্তীয় বৰ্ষত কেৱল এবাৰহে পুঁজি সমৰ্পণ কৰা হৈছিল।

ৰাহি সমৰ্পনৰ নিৰ্ধাৰিত সময়সূচী অনুসৰণ নকৰিলে দক্ষ বাজেট ব্যৱস্থাৰ উদ্দেশ্য হেৰায় যায়।

### 3.5.2.3 অ-প্ৰয়োজনীয় / অত্যাধিক পৰিপূৰক অনুদান

যোৱা পাঁচ বছৰত অৰ্থাৎ 2016-17 ৰ পৰা 2020-21 ৰ কালছোৱাত অনুদান 48 ৰ অধীনত কৃষি বিভাগক প্ৰদান কৰা পৰিপূৰক অনুদানৰ পৰিমাণ **সাৰণী 3.29** আৰু লগতে **চিত্ৰ তালিকা 3.11** আৰু **চিত্ৰ তালিকা 3.12** ত দিয়া হৈছে।

অনুদানটোত বৃহৎ ৰাহি প্ৰদৰ্শন কৰাৰ সৈতে ৰাজহ গৃহীত খণ্ডৰ ক্ষেত্ৰত যোৱা পাঁচ বছৰৰ তিনি বছৰত আৰু মূলধনী গৃহীত খণ্ডত সকলো বছৰত পৰিপূৰক অনুদানৰ ব্যৱস্থা অ-প্ৰয়োজনীয় প্ৰমাণিত হৈছিল। 2020-21 বিত্তীয় বৰ্ষত ৰাজহ গৃহীত খণ্ডত 856.11 কোটি টকাৰ পৰিপূৰক অনুদান অত্যাধিক প্ৰমাণিত হৈছিল কিয়নো মূল বাজেট ব্যৱস্থাতকৈ 68.61 কোটি টকাৰ ব্যয় অতিক্ৰম কৰিছিল।

## সাৰণী 3.29: অ-প্ৰয়োজনীয় পৰিপূৰক ব্যৱস্থা

(কোটি টকাত)

| খণ্ড | বছৰ | বাজেট মূল ব্যৱস্থা | ব্যয় | মূল ব্যৱস্থাৰ পৰা ৰাহি | পৰিপূৰক অনুদান |
|---|---|---|---|---|---|
| ৰাজহ-গৃহীত | 2016-17 | 1,375.60 | 736.80 | 638.80 | 26.59 |
| | 2017-18 | 1,020.94 | 1,036.20 | - | 514.05 |
| | 2018-19 | 1,280.95 | 833.73 | 447.22 | 182.72 |
| | 2019-20 | 1,774.69 | 1,490.39 | 284.30 | 678.86 |
| | 2020-21 | 1,187.74 | 1,256.35 | - | 856.11 |
| মূলধনী গৃহীত | 2016-17 | 57.92 | 4.80 | 53.12 | - |
| | 2017-18 | 354.36 | 70.99 | 283.37 | 3.79 |
| | 2018-19 | 462.51 | 24.02 | 438.49 | - |
| | 2019-20 | 191.39 | 48.91 | 142.48 | 3.10 |
| | 2020-21 | 218.52 | 180.68 | 37.84 | 145.00 |

*উৎস ঃ বিনিয়োজন হিচাপ*

**চিত্ৰ তালিকা 3.11: অনুদান 48 (ৰাজহ গৃহীত খণ্ডত)ৰ অধীনত অ-প্ৰয়োজনীয় /অত্যাধিক পৰিপূৰক অনুদান**



**চিত্ৰ তালিকা 3.12: অনুদান 48 (মূলধনী গৃহীত খণ্ড)ৰ অধীনত অ-প্ৰয়োজনীয় পৰিপূৰক অনুদান**




কৃষি সঞ্চালক, অসমে পুঁজিৰ কম ব্যৱহাৰৰ বাবে প্ৰশাসনিক অনুমোদন প্ৰাপ্ত নকৰা, বিত্তীয় অনুমোদন প্ৰাপ্ত নকৰা, বিত্তীয় অনুমোদনৰ বিপৰীতে এফ অ' চিৰ আংশিক মুকলি, এফ অ' চি মুকলি নকৰা আদিক জগৰীয়া কৰে।

### 3.5.2.4 উপ-শিতানৰ অধীনত নিৰন্তৰ ৰাহি

তলৰ **সাৰণী 3.30** ত অন্তৰ্ভুক্ত সাতখন আঁচনিত গুৰুত্বপূৰ্ণ বাজেট আৱন্টন আছিল আৰু যোৱা পাঁচ বছৰত বৃহৎ আৰু ধাৰাবাহিক ৰাহি দেখুৱাইছিল, 2016-21 ৰ যোৱা পাঁচ বছৰত প্ৰতিটো আঁচনিত গড় ৰাহি 50 শতাংশতকৈ অধিক আছিল।

**সাৰণী 3.30: উপ-শিতানৰ অধীনত নিৰন্তৰ ৰাহি**

(কোটি টকাত)

| হিচাপৰ শিতান | বছৰ | মুঠ বাজেট (অ'+ এচ) | ব্যয় | ৰাহিৰ বিৱৰণ | |
|---|---|---|---|---|---|
| | | | | মুঠ | শতাংশ |
| **2401-00-104-{4891}- বহনক্ষম কৃষিৰ ওপৰত ৰাষ্ট্ৰীয় অভিযান** | 2016-17 | 33.09 | 12.79 | 20.30 | 61.35 |
| | 2017-18 | 33.29 | 24.27 | 9.02 | 27.10 |
| | 2018-19 | 20.52 | 6.74 | 13.78 | 67.15 |
| | 2019-20 | 18.33 | 9.39 | 8.94 | 48.77 |
| | 2020-21 | 35.03 | 15.39 | 19.64 | 56.07 |
| | **মুঠ** | **140.26** | **68.58** | **71.68** | **51.11** |
| **2401-00-108-{4732}- ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান** | 2016-17 | 115.19 | 60.97 | 54.22 | 47.07 |
| | 2017-18 | 166.78 | 128.67 | 38.11 | 22.85 |
| | 2018-19 | 126.91 | 41.18 | 85.73 | 67.55 |
| | 2019-20 | 263.32 | 84.64 | 178.68 | 67.86 |
| | 2020-21 | 391.42 | 199.00 | 192.42 | 49.16 |
| | **মুঠ** | **1,063.62** | **514.46** | **549.16** | **51.63** |
| **2401-00-109-{4893}- কৃষি** | 2016-17 | 36.68 | 12.26 | 24.42 | 66.58 |

| হিচাপৰ শিতান | বছৰ | মুঠ বাজেট (অ'+ এচ) | ব্যয় | ৰাহিৰ বিৱৰণ | |
|---|---|---|---|---|---|
| | | | | মুঠ | শতাংশ |
| সম্প্ৰসাৰণ আৰু প্ৰযুক্তিৰ ওপৰত ৰাষ্ট্ৰীয় অভিযান | 2017-18 | 17.39 | 6.54 | 10.85 | 62.39 |
| | 2018-19 | 38.45 | 9.23 | 29.22 | 75.99 |
| | 2019-20 | 38.90 | 12.32 | 26.58 | 68.33 |
| | 2020-21 | 93.89 | 16.35 | 77.54 | 82.59 |
| | **মুঠ** | **225.31** | **56.70** | **168.61** | **74.83** |
| **2401-00-110-{5728}- প্ৰধান মন্ত্ৰীৰ ফচল বীমা যোজনা (পি এম এফ বি ৱাই)** | 2016-17 | 0.00 | 7.54 | -- | 0.00 |
| | 2017-18 | 38.25 | 3.05 | 35.20 | 92.03 |
| | 2018-19 | 28.83 | 1.84 | 26.99 | 93.62 |
| | 2019-20 | 29.00 | 16.48 | 12.52 | 43.17 |
| | 2020-21 | 74.80 | 12.52 | 62.28 | 83.26 |
| | **মুঠ** | **170.88** | **41.43** | **136.99** | **80.17** |
| **2401-00-113-{5675}- প্ৰধানমন্ত্ৰী কৃষি সিঞ্চই যোজনা (পি এম কে এছ ৱাই)** | 2016-17 | 51.65 | 4.74 | 46.91 | 90.82 |
| | 2017-18 | 45.59 | 0.00 | 45.59 | 100.00 |
| | 2018-19 | 16.50 | 12.22 | 4.28 | 25.94 |
| | 2019-20 | 16.50 | 0.00 | 16.50 | 100.00 |
| | 2020-21 | 14.78 | 0.00 | 14.78 | 100.00 |
| | **মুঠ** | **145.02** | **16.96** | **128.06** | **88.31** |
| **2401-00-800-{3807}- ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (আৰ কে ভি ৱাই)** | 2016-17 | 603.45 | 179.99 | 423.46 | 70.17 |
| | 2017-18 | 388.40 | 210.17 | 178.23 | 45.89 |
| | 2018-19 | 316.88 | 88.25 | 228.63 | 72.15 |
| | 2019-20 | 513.38 | 390.42 | 122.96 | 23.95 |
| | 2020-21 | 324.74 | 136.67 | 188.07 | 57.91 |
| | **মুঠ** | **2,146.85** | **1,005.50** | **1,141.35** | **53.16** |
| **4401-00-800-{4254}- গ্ৰাম্য আন্তঃগাঁঠনি উন্নয়ন পুঁজি(আৰ আই ডি এফ)** | 2016-17 | 57.92 | 4.80 | 53.12 | 91.71 |
| | 2017-18 | 250.00 | 70.99 | 179.01 | 71.60 |
| | 2018-19 | 337.80 | 0.00 | 337.80 | 100.00 |
| | 2019-20 | 150.00 | 38.88 | 111.12 | 74.08 |
| | 2020-21 | 334.00 | 174.88 | 159.12 | 47.64 |
| | **মুঠ** | **1,129.72** | **289.55** | **840.17** | **74.37** |

*উৎসঃ বিনিয়োজন হিচাপ*

আঁচনিবোৰৰ অধীনত ৰাহিৰ কাৰণ নিম্নলিখিত ধৰণে উল্লেখ কৰা হৈছিলঃ

- ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান (এন এফ এছ এম) ৰ ক্ষেত্ৰত, বছৰৰ শেষ মাহত ভাৰত চৰকাৰৰ দ্বাৰা কেন্দ্ৰীয় অংশ মুকলি কৰা, অসম চৰকাৰৰ দ্বাৰা কেন্দ্ৰীয় অংশ পলমকৈ মুকলি কৰা, ৰাজ্যিক পৰ্য্যায়ৰ স্ক্ৰীণিং কমিটিৰ (এচ এল এচ ছি) দ্বাৰা বাৰ্ষিক কাৰ্য পৰিকল্পনা অনুমোদিত হোৱাৰ আগতে বাজেট আকলন প্ৰস্তুত কৰা আৰু ভাৰত চৰকাৰৰ দ্বাৰা বাৰ্ষিক কাৰ্য পৰিকল্পনা চূড়ান্ত কৰা, অনুমোদন প্ৰাপ্ত নকৰা আৰু অসম চৰকাৰৰ পৰা সময়মতে এফ অ' চি মুকলি নকৰাৰ বাবে ৰাহি হৈছিল।
- বহনক্ষম কৃষিৰ ৰাষ্ট্ৰীয় অভিযানৰ (এন এম এচ এ) ক্ষেত্ৰত বিত্তীয় বৰ্ষৰ অন্তিমভাগত জি অ' আইৰ দ্বাৰা কেন্দ্ৰীয় অংশ মুকলি কৰা, অসম চৰকাৰৰ দ্বাৰা পুঁজি পলমকৈ মুকলি কৰা, ৰাজ্যিক পৰ্য্যায়ৰ স্ক্ৰীণিং কমিটিৰ (এছ এল এছ চি) দ্বাৰা কাৰ্য পৰিকল্পনা অনুমোদিত হোৱাৰ আগতে বাজেট আকলন প্ৰস্তুত কৰা

আৰু ভাৰত চৰকাৰৰ দ্বাৰা কাৰ্য পৰিকল্পনা চূড়ান্ত কৰা, অনুমোদন প্ৰাপ্ত নকৰা আৰু জি অ' এৰ পৰা সময়মতে এফ অ' চি মুকলি নকৰাৰ বাবে ৰাহি হৈছিল।

- ৰাষ্ট্ৰীয় কৃষি সম্প্ৰসাৰণ আৰু প্ৰযুক্তি আভিযানৰ (এন এম এ ই এণ্ড টি) ক্ষেত্ৰত অনুমোদন প্ৰাপ্ত নকৰা / কমকৈ প্ৰাপ্ত কৰা আৰু অসম চৰকাৰৰ পৰা কেন্দ্ৰীয় অংশৰ লগতে ৰাজ্যিক অংশৰ এফ অ' চি সময়মতে মুকলি নকৰাৰ বাবেই মূলত ৰাহি হৈছিল।
- ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ (আৰ কে ভি ৱাই) - ক্ষেত্ৰত বিত্তীয় বৰ্ষৰ শেষ ভাগত ভাৰত চৰকাৰৰ দ্বাৰা কেন্দ্ৰীয় অংশ মুকলি কৰা, ভাৰত চৰকাৰৰ পৰা যোৱা বছৰৰ আৱন্টনৰ আধাৰত বাজেট আকলন প্ৰস্তুত কৰা (অ-ব্যয়িত উদ্বৃত্তৰ পুনৰ বৈধকৰণ পৰিমাণসহ) অনুমোদন প্ৰাপ্ত নকৰা, সময়মতে অসম চৰকাৰৰ পৰা এফ অ' চি মুকলি নকৰা আৰু বাৰ্ষিক অনুমোদনৰ সময়ত এছ এল এচ চি সভা অনুস্থিত নকৰাৰ বাবে ৰাহি হৈছিল।
- প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ (পি এম কে এছ ৱাই) ক্ষেত্ৰত মুখ্যত ভাৰত চৰকাৰৰ দ্বাৰা কেন্দ্ৰীয় অংশ মুকলি নকৰা, অনুমোদন প্ৰাপ্ত নকৰা, আৰু অসম চৰকাৰৰ দ্বাৰা এফ অ' চি মুকলি নকৰাৰ বাবে ৰাহি হয়।
- গ্ৰাম্য আন্তঃগাঁঠনি উন্নয়ন পুঁজিৰ (আৰ আই ডি এফ) ক্ষেত্ৰত অনুমোদন অনুসৰি এফ অ' চি মুকলি নকৰাৰ লগতে ৰাজ্যিক অংশ মুকলি নকৰাৰ বাবে ৰাহি হৈছিল।
- প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ (পি এম এফ বি ৱাই) ক্ষেত্ৰত ৰাহি বিত্তীয় অনুমোদন জাৰি নকৰাৰ বাবে আৰু সমগ্ৰ বিত্তীয় অনুমোদন সামৰি এফ অ' চি মুকলি নকৰাৰ বাবে হৈছিল।

### 3.5.2.5 সম্পূৰ্ণ বাজেট ব্যৱস্থাৰ ৰাহি

নিম্নলিখিত দহটা আঁচনি / প্ৰকল্পৰ অধীনত কৰা 94.22 কোটি টকাৰ বাজেট ব্যৱস্থা, যাৰ নিজস্ব আবন্টন এক কোটি টকাতকৈ অধিক 2020-21 বৰ্ষৰ বাবে অনুদান নং 48 ৰ অধীনত বছৰটোৰ শেষত অব্যৱহৃত হৈ আছিল। আঁচনি অনুসৰি বিৱৰণ আৰু বিভাগৰ সহাঁৰি নিম্নলিখিত সাৰণীত দিয়া হৈছে।

**সাৰণী 3.31: বাজেট ব্যৱস্থাৰ ব্যৱহাৰ নকৰা**

(কোটি টকাত)

| ক্ৰ. নং | হিচাপৰ শিতান | বাজেট (অ'+ এচ) | ব্যয় | বিভাগৰ উত্তৰ |
|---|---|---|---|---|
| 1 | 2401-00-001-{0172}- মুখ্য কাৰ্যালয় প্ৰতিষ্ঠা /[225]- একত্ৰিত / থলুৱা জৈৱিক চাউল গোট | 3.48 | 0.00 | অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে |
| 2 | 2401-00-102-{1033}-দুৰ্যোগ ব্যৱস্থাপনা কাৰ্যসূচী /[142]-বানপানীৰ ক্ষতি পুনৰুদ্ধাৰ | 38.43 | 0.00 | যদিও প্ৰশাসনিক অনুমোদন আৰু বিত্তীয় অনুমোদন প্ৰদান কৰা হৈছিল, অসম চৰকাৰৰ পৰা এফ অ' চি মুকলি কৰা নাছিল। |
| 3 | 2401-00-103-{3667}-গুণগত মানদণ্ডৰ বীজ উৎপাদন আৰু বিতৰণৰ বাবে বীজ গাওঁ বিকাশ আৰু আন্তঃগাঁঠনি সুবিধা সমূহত সহায়। | 14.83 | 0.00 | অসম চৰকাৰৰ পৰা প্ৰশাসনিক অনুমোদন আৰু মঞ্জুৰি প্ৰাপ্ত নকৰাৰ বাবে |

| ক্র. নং | হিচাপৰ শিতান | বাজেট (অ'+ এচ) | ব্যয় | বিভাগৰ উত্তৰ |
|---|---|---|---|---|
| 4 | 2401-00-109-{1079}-ৰাষ্ট্ৰীয় কৃষি সম্প্ৰসাৰণ প্ৰকল্প III (দ্বৈত শস্য অভিযান)/[109]- জৈৱিক কেন্দ্ৰ হিচাপে মাজুলী | 3.80 | 0.00 | মাজুলীৰ জৈৱিক কেন্দ্ৰ হিচাপে 3.80 কোটি টকা মঞ্জুৰ পৰা হৈছিল কিন্তু উপযুক্ত প্ৰশাসনিক অনুমোদন, বিত্তীয় মঞ্জুৰী আদিৰ পিছটো বিত্ত বিভাগে এফ অ' চি মুকলি কৰা নাছিল যাৰ বাবে পুঁজি কোষাগাৰৰ পৰা আহৰণ কৰিব পৰা নাছিল আৰু ব্যৱহাৰ কৰিব পৰা নাছিল। |
| 5 | 2401-00-113-{5675}-প্ৰধানমন্ত্ৰী কৃষি সিঞ্চই যোজনা (পি এম কে এচ ৱাই) | 14.78 | 0.00 | বিত্তীয় বছৰটোত ভাৰত চৰকাৰৰ দ্বাৰা কেন্দ্ৰীয় অংশ মুকলি নকৰাৰ বাবে বাজেট ব্যৱস্থা কৰা পুঁজি আহৰণ আৰু ব্যৱহাৰ কৰিব পৰা নগ'ল। |
| 6 | 2415-01-277-{5867}-অসম কৃষি বিশ্ববিদ্যালয়ৰ উন্নয়ন | 9.00 | 0.00 | উপযুক্ত কৰ্তৃপক্ষৰ পৰা প্ৰশাসনিক অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে |
| 7 | 2415-01-277-{5867}-অসম কৃষি বিশ্ববিদ্যালয়ৰ উন্নয়ন /[665]- উত্তৰ লক্ষিমপুৰ চৌহদ | 4.50 | 0.00 | উপযুক্ত কৰ্তৃপক্ষৰ পৰা প্ৰশাসনিক অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে |
| 8 | 2415-01-277-{5867}- অসম কৃষি বিশ্ববিদ্যালয়ৰ উন্নয়ন /[666]- ধুবুৰী চৌহদ | 2.25 | 0.00 | উপযুক্ত কৰ্তৃপক্ষৰ পৰা প্ৰশাসনিক অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে |
| 9 | 2415-01-277-{2533}-ধৰ্মপুৰ উদ্যানশস্য চৌহদ | 1.80 | 0.00 | উপযুক্ত কৰ্তৃপক্ষৰ পৰা প্ৰশাসনিক অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে |
| 10 | 2415-01-277-{5867}-অসম কৃষি বিশ্ববিদ্যালয় চৌহদ /[667]- ৰহা মীন মহাবিদ্যালয় চৌহদ | 1.35 | 0.00 | উপযুক্ত কৰ্তৃপক্ষৰ পৰা প্ৰশাসনিক অনুমোদন প্ৰাপ্ত নকৰাৰ বাবে |
| | **মুঠ** | **94.22** | **0.00** | |

*উৎস ঃ বিনিয়োজন হিচাপ (2020-21)*

## 3.6 সামৰণি

- 2020-21 বৰ্ষত অসম চৰকাৰৰ বাজেটীয় ধাৰণাবোৰ অবাস্তৱ আৰু অতিৰিক্তভাৱে আকলন হৈ আহিছিল, যিহেতু ৰাজ্য চৰকাৰে 81 টা অনুদান আৰু 1,22,341.66 কোটি টকাৰ বিনিয়োজনৰ বিপৰীতে 82,888.63 কোটি টকা ব্যয় কৰিছিল যাৰ ফলত আগৰ বছৰৰ 35,552.08 কোটি টকাৰ ৰাহিৰ বিপৰীতে বছৰটোত 39,453.03 কোটি টকাৰ সামগ্ৰীক ৰাহি হৈছিল। এই ৰাহিবোৰ বছৰটোৰ বাবে কৰা মুঠ অনুদান আৰু বিনিয়োগৰ 32 শতাংশ আছিল। ৰাহিসমূহ বছৰটোত পৰিপূৰক বাজেটৰ আকাৰৰ 2.1 গুণ আছিল।
- এই সঞ্চয়বোৰ ৰাজ্য চৰকাৰৰ দ্বাৰা 1,07,314.47 কোটি টকাৰ প্ৰাপ্তিৰ অতিৰিক্ত আকলন আৰু 2020-21 বৰ্ষত ব্যয়ৰ দিশত 1,22,341.66 কোটি টকা কৰাৰ পৰিপ্ৰেক্ষিতত দেখা যাব পাৰে। আনুমানিক প্ৰাপ্তিৰ

বিপৰীতে, প্ৰকৃত প্ৰাপ্তিবোৰ 82,844.93 কোটি টকা আছিল যাৰ ফলত বছৰটোত মুঠ ব্যয় 82,888.63 কোটি টকাত সীমিত কৰা হৈছিল। ইয়াৰ অৰ্থ হৈছে যে ৰাহিবোৰ ধাৰণামূলক আছিল, কিয়নো পুঁজিবোৰ প্ৰকৃততে ব্যয়ৰ বাবে উপলব্ধ নাছিল।

- বছৰটোত ৰাহি বাজেটৰ প্ৰায় এক তৃতীয়াংশ আছিল; কিন্তু নিয়ন্ত্ৰণকাৰী বিষয়া সকলে বছৰটোত পুঁজিসমূহ সমৰ্পন কৰা নাছিল, নাইবা আৱন্টনৰ তুলনাত ব্যয়ৰ তাৰতম্যৰ বাবে প্ৰধান মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) ক কোনো ব্যাখ্যা প্ৰদান কৰা নাছিল। বিভাগবোৰক নিৰন্তৰ ৰাহিৰ বিপৰীতে সৰ্তক কৰা হোৱা নাছিল বা তেওঁলোকৰ বাজেট আৱন্টন ব্যয় কৰাৰ সামৰ্থ্য অনুসৰি বিভিন্ন আছিল।
- ৰাজ্যিক আইনসভাৰ দ্বাৰা 18,580.03 কোটি টকা পৰিপূৰক অনুদানৰ অনুমোদন অতিৰিক্ত আকলন আৰু দুৰ্বল বিত্তীয় ব্যৱস্থাপনাৰ পৰিচায়ক আছিল কিয়নো মুঠ ব্যয় (82,888.63 কোটি টকা) আনকি মূল ব্যৱস্থাতকৈ কম আছিল (1,03,761.63 কোটি)।
- বিভাগ সমূহে (অনুদান নং 23 পেন্সন, অনুদান নং 76 - কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদ, অনুদান নং 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ আৰু অনুদান নং 78 - বড়োলেণ্ড আঞ্চলিক পৰিষদ) 2020-21 বৰ্ষত অনুমোদনৰ উপৰিও 731.25 কোটি টকাৰ অতিৰিক্ত ব্যয় কৰিছিল। তাৰোপৰি, বাজেট ব্যৱস্থা অবিহনে চাৰিটা অনুদানৰ অধীনত (প্ৰতিটো ক্ষেত্ৰত 15 লাখ টকা বা তাতেকৈ অধিক) 19 টা উপ-শিতানৰ ক্ষেত্ৰত 23.00 কোটি টকা ৰ অতিৰিক্ত ব্যয় কৰা হৈছিল।
- নিৰ্বাচিত অনুদানৰ সমীক্ষাই প্ৰকাশ কৰিছে যে অনুদান 39 ৰ অধীনত 2016-21 বৰ্ষত সমাজ কল্যাণ বিভাগৰ 20.00 শতাংশৰ পৰা 48.78 শতাংশলৈকে নিৰন্তৰ ৰাহি আছিল। চলিত বৰ্ষত ই মুঠ বাজেট ব্যৱস্থাৰ 31.43 শতাংশ আছিল।

## 3.7 পৰামৰ্শসমূহ

i. *ৰাজ্য চৰকাৰে সাম্ভাৱ্য সম্পদ সংগ্ৰহৰ নিৰ্ভৰযোগ্য ধাৰণা, বিভাগ সমূহৰ প্ৰয়োজনীয়তা আৰু আৱন্টিত সম্পদ সমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত চৰকাৰৰ সামৰ্থৰ ওপৰত ভিত্তি কৰি এক বাস্তৱিক বাজেট প্ৰস্তুত কৰিব পাৰে যাতে প্ৰকৃত সম্পদ অবিহনে বৰ্ধিত বাজেট পৰিহাৰ কৰিব পাৰে;*

ii. *অনুদান /বিনিয়োজনৰ ভিতৰত বৃহৎ ৰাহি সমূহৰ নিয়ন্ত্ৰণ আৰু নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰত্যাশিত ৰাহি সমূহ চিনাক্ত আৰু সমৰ্পন কৰাটো নিশ্চিত কৰিবলৈ বাজেটৰ সঠিক ৰূপায়ন আৰু নিৰীক্ষণ কৰাৰ বাবে চৰকাৰৰ দ্বাৰা এক উপযুক্ত নিয়ন্ত্ৰণ প্ৰণালী আৰম্ভ কৰিব পাৰে;*

iii. *বিচক্ষণ বাজেট আৱন্টন আৰু ব্যয়ৰ নিৰীক্ষণৰ বাবে বিত্ত বিভাগে ধাৰাবাহিকভাৱে ৰাহি হোৱা বিভাগ সমূহক গুৰুত্ব সহকাৰে পৰ্যালোচনা কৰাটো দৰকাৰ;*

iv. *নিয়ন্ত্ৰনকাৰী বিষয়া সকলে বাজেটৰ সঠিক বিশ্লেষণ আৰু অৰ্থপূৰ্ণ বিনিয়োজনৰ হিচাপ প্ৰস্তুত কৰাৰ সুবিধাৰ বাবে সময়মতে আৱন্টন আৰু ব্যয়ৰ তাৰতম্য ব্যাখ্যা কৰাটো প্ৰয়োজন;*

# অধ্যায় 4
# হিচাপৰ মানদণ্ড আৰু বিত্তীয় প্ৰতিবেদনৰ পদ্ধতি

# অধ্যায় 4 হিচাপৰ মানদণ্ড আৰু বিত্তীয় প্ৰতিবেদনৰ পদ্ধতি

এটা সুস্থ আভ্যন্তৰীণ প্ৰতিবেদন পদ্ধতিয়ে প্ৰাসংগিক পূৰ্ণ আৰু বিশ্বাসযোগ্য তথ্যৰ সৈতে ৰাজ্য চৰকাৰৰ দ্বাৰা দক্ষ আৰু ফলপ্ৰসু শাসনলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। বিত্তীয় নিয়ম কাৰ্যপ্ৰণালী আৰু নিৰ্দেশনাৰ অনুপালনৰ লগতে সময়োপযোগী আৰু এনে অনুপালনৰ স্থিতিৰ ওপৰত প্ৰতিবেদনৰ গুণমান হৈছে সু-প্ৰশাসনৰ এটা সম্পদ। অনুপালন আৰু নিয়ন্ত্ৰণৰ ওপৰত প্ৰতিবেদনসমূহ, যদি ফলপ্ৰসু আৰু ব্যৱহাৰোপযোগী হয়, কৌশলগত পৰিকল্পনা আৰু সিদ্ধান্ত গ্ৰহণক সামৰি ইয়াৰ প্ৰাথমিক তত্বাৱধানিকত দায়িত্বসমূহ সমাধানত চৰকাৰক সহায় কৰে।

এই অধ্যায়ে চলিত বৰ্ষৰ সময়ছোৱাত বিভিন্ন বিত্তীয় আইন, পদ্ধতি আৰু নিদেৰ্শাৱলীৰ ৰাজ্য চৰকাৰৰ দ্বাৰা অনুপালনৰ ওপৰত এক দৃষ্টিপাত আৰু স্থিতি আগবঢ়াইছে।

## হিচাপসমূহৰ সম্পূৰ্ণতাৰ লগত জড়িত বিষয়সমূহ

### 4.1 সুত বহন কৰা জমা ৰাশিৰ বাবদ সুদৰ বিষয়ত দায়বদ্ধতা পালন নকৰা

চৰকাৰৰ সুত বহন কৰা সংৰক্ষিত পুঁজি আৰু জমাৰ পৰিমাণৰ ওপৰত সুত আগবঢ়োৱা আৰু প্ৰদান কৰাৰ এটা দায়িত্ব থাকে। 2020-21 ৰ বিত্তীয় হিচাপৰ প্ৰবিৱৰণ 21 ৰ পৰা পৰ্য্যবেক্ষণ কৰা যায় যে, সংৰক্ষিত পুঁজি আৰু জমা ৰাশিৰ উদ্বৃত্ত থকা সত্বেও, বছৰটোৰ সময়ছোৱাত তলৰ সাৰণীত বিস্তৃতভাৱে দিয়াৰ দৰে চৰকাৰৰ দ্বাৰা সুদ পৰিশোধৰ দায়িত্ব পালন কৰা হোৱা নাছিল।

**সাৰণী 4.1: সুত বহন কৰা জমা ৰাশিৰ সুদৰ বিষয়ত দায়বদ্ধতা পালন নকৰা**

(কোটি টকাত)

| শাখা | উপ-শাখা | সুতৰ হাৰ | 2020-21 ৰ আৰম্ভণিত থকা উদ্বৃত্ত | দিবলগীয়া সুত |
|---|---|---|---|---|
| জে-সংৰক্ষিত পুঁজি | (i) সুত বহন কৰা সংৰক্ষিত পুঁজি (এচ ডি আৰ এফ) | 6.0 শতাংশ (অভাৰড্ৰাফ্ট হাৰ) | 725.23 | 43.51 |
| | (ii) সুত বহন কৰা সংৰক্ষিত পুঁজি (এচ চি এ এফ) | 5.5 শতাংশ* | 560.81 | 30.84 |
| কে-জমা ৰাশি আৰু অগ্ৰিম | (i) সুত বহন কৰা এম এইচ 8342 জমা ৰাশি (এন পি এচ) | 8 শতাংশ** | 341.82 | 27.35 |
| | (ii) এম এইচ 8336, 8338, 8342 (103 আৰু 120) | 6.0 শতাংশ (অভাৰড্ৰাফ্ট হাৰ) | 18.20 | 1.09 |
| **মুঠ** | | | **1,646.06** | **102.79** |

** এন চি এ এফ ৰ পৰা গ্ৰহন কৰা হৈছে।*

***ৰাজ্য চৰকাৰে তাৰিখ 06 অক্টোবৰ 2009 ৰ অ' এমৰ যোগেদি জি পি এফৰ প্ৰযোজ্য হোৱাকৈ সুতৰ হাৰ আঠ শতাংশত নিৰ্দিষ্ট কৰি দিছিল (সেই সময়ত আছিল)। যদিও চৰকাৰে জি পি এফৰ বাবে সুতৰ হাৰক সময়ে সময়ে সংশোধন কৰে, এই সুতৰ হাৰক সংশোধন কৰা নাছিল।*

102.79 কোটি টকাৰ সুত পৰিশোধ নকৰাৰ ফলত ৰাজহ ৰাহি অতিৰিক্ত মূল্যায়ন কৰা হৈছিল আৰু বছৰটোত সেই পৰিমাণলৈ বিত্তীয় ঘাটি অৱমূল্যায়ন কৰা হৈছিল।

### 4.2 ৰাজ্যিক ৰূপায়ন অভিকৰণ সমূহলৈ পুঁজিৰ পোনপটীয়া হস্তান্তৰ

ভাৰত চৰকাৰে বিভিন্ন কেন্দ্ৰীয় আঁচনি আৰু কৰ্মসূচী ৰূপায়নৰ বাবে ৰাজ্যিক ৰূপায়নকাৰী অভিকৰণ/ বে-চৰকাৰী সংস্থাসমূহ (এন জি অ') লৈ বৃহৎ পৰিমাণৰ পুঁজি প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰিছিল। যিহেতু এই পুঁজিসমূহ ৰাজ্যিক

বাজেট / ৰাজ্যিক কোষাগাৰ ব্যৱস্থাৰ মাজেৰে গতি নকৰে, গতিকে এই সমূহ ৰাজ্য চৰকাৰৰ হিচাপত প্ৰতিফলিত হোৱা নাছিল।

তলৰ সাৰণীয়ে ৰাজ্যিক ৰূপায়ণকাৰী অভিকৰণ সমূহলৈ বিগত পাঁচ বছৰৰ সময়ছোৱাত অৰ্থাৎ 2016-21 ত হস্তান্তৰিত পুঁজিৰ পৰিমাণ দেখুওৱাইছে।

**সাৰণী 4.2: ভাৰত চৰকাৰৰ দ্বাৰা পুঁজিৰ পোনপটীয়া হস্তান্তৰ**

(কোটি টকাত)

| ৰাজ্যিক ৰূপায়নকাৰী অভিকৰণলৈ পোনপটীয়া হস্তান্তৰ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 | মুঠ |
|---|---|---|---|---|---|---|
| পুঁজি হস্তান্তৰ | 2,846.20 | 4,702.20 | 4,534.21 | 5,946.75 | 7,733.54 | **25,762.90** |

ওপৰৰ সাৰণীৰ পৰা দেখা যায় যে পুঁজিৰ হস্তান্তৰ 2019-20 বৰ্ষৰ 5,946.75 কোটি টকাৰ পৰা 30.05 শতাংশ বৃদ্ধি পাই 2020-21 বৰ্ষত 7,733.54 কোটি টকা হৈছিল। প্ৰত্যক্ষ হস্তান্তৰ মুঠ 7,733.54 কোটি টকা পৰিমাণৰ ভিতৰত, কেন্দ্ৰীয় সহায় /অংশৰ 1,035.18 কোটি টকা মধ্যস্থতাকাৰীলৈ স্থানান্তৰ কৰা হৈছিল (অৰ্থাৎ বেচৰকাৰী সংগঠন, সমবায় ইত্যাদি) আৰু 6,698.36 কোটি টকা পোনপটীয়াকৈ হিতাধিকাৰী সকললৈ স্থানান্তৰ কৰা হৈছিল।

## 4.3 ব্যৱহাৰিক প্ৰমাণ পত্ৰ দাখিলত বিলম্ব

অসম বিত্তীয় আইনৰ নিয়ম 517 (পৰিশিষ্ট 16) অনুসৰি নিৰ্দ্দিষ্ট উদ্দেশ্যত অনুমোদন প্ৰদান কৰা প্ৰতিটো অনুদানৰ বিপৰীতে কেতবোৰ চৰ্ত আৰোপ কৰা থাকে যেনে (i) যি উদ্দেশ্যত অনুদান দিয়া হয় সেই উদ্দেশ্যতহে অনুদান ব্যয় কৰিব লাগিব আৰু যদি অনুমোদন কৰা কৰ্তৃপক্ষই কোনো সময় বান্ধি নিদিয়ে তেতিয়াহ'লে এটা যুক্তিসংগত সময়ৰ মাজতে ব্যয় কৰিব লাগিব আৰু (ii) ব্যয় কৰিবলগা ধনৰ কোনো অংশ যদি ব্যয়ত প্ৰয়োজন নহয় তেতিয়াহ'লে সেই পৰিমাণৰ ধন চৰকাৰক সমৰ্পন কৰিব লাগিব।

ৰাজ্য চৰকাৰৰ কৰ্তৃপক্ষই যদি কোনো চৰ্ত সাপেক্ষে অনুদান পায় তেতিয়া হ'লে অন্য কোনো বিশেষ চৰ্ত নাথাকিলে, সেই অনুদান মুকলি কৰি দিয়া বিত্তীয় বছৰ শেষ হোৱাৰ 12 মাহৰ ভিতৰত অনুদানৰ উপযুক্ত ব্যৱহাৰ কৰা সম্পৰ্কে আনুষ্ঠানিক ব্যৱহাৰিক পত্ৰ (ইউ চি) মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) ক জমা দিব লাগিব।

হিচাপ পৰীক্ষাৰ নিৰীক্ষণত প্ৰকাশ পাইছে যে 2001-02 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ ৰাজ্য চৰকাৰৰ 55 টা বিভাগক প্ৰদান কৰা 39,629.49 কোটি টকা অনুদানৰ সন্দৰ্ভত 11,717 খন ইউ চি দাখিল কৰা হোৱা নাই। 2020-21 বৰ্ষত পৰিশোধ কৰা 21,065.58 কোটি টকাৰ 2,800 টা অনুদানৰ বাবে ইউ চি 2021-22 বৰ্ষতহে দেয় হ'ব। বছৰ অনুযায়ী 2020-21 বৰ্ষলৈকে ইউ চি দাখিলত বিলম্বৰ বিৱৰণী **সাৰণী 4.3** ত দিয়া হৈছে।

**সাৰণী 4.3: বছৰ অনুযায়ী ব্যৱহাৰিক প্ৰমাণ পত্ৰ দাখিলৰ বকেয়া**

(কোটি টকাত)

| বছৰ | আৰম্ভণি জমা | | সংযোজন | | নিষ্পত্তি | | দাখিল কৰিবলগীয়া | |
|---|---|---|---|---|---|---|---|---|
| | নং | পৰিমাণ | নং | পৰিমাণ | নং | পৰিমাণ | নং | পৰিমাণ |
| 2018-19 লৈ | 11,637 | 33,893.41 | 2,248 | 13,381.83 | 2,182 | 14,221.35 | 11,703 | 33,053.89 |
| 2019-20 | 11,703 | 33,053.89 | 2,732 | 22,833.65 | 2,324 | 12,651.41 | 12,111 | 43,236.13 |
| 2020-21 | 12,111 | 43,236.13 | 2,800* | 21,065.58 | 394 | 3,606.64 | 11,717 | 39,629.49 |

*উৎসঃ পি এ জি (এ এণ্ড ই), অসমৰ কাৰ্যালয়ৰ দ্বাৰা সংকলিত*

*2020-21 বৰ্ষত বিতৰণ কৰা জি আই এৰ ইউ চিবোৰ 2021-22 বৰ্ষত দেয় হ'ব আৰু সেয়েহে 2020-21 বৰ্ষৰ হিচাপৰপৰা বাদ দিয়া হৈছে।

**সাৰণী 4.4: দিবলগীয়া ইউ চিৰ বছৰ অনুসৰি কৰা বিভাজন**

**(কোটি টকাত)**

| বছৰ | ইউ চিৰ সংখ্যা | পৰিমাণ |
|---|---|---|
| 2001-02 | 833 | 54.26 |
| 2002-03 | 409 | 36.22 |
| 2003-04 | 744 | 197.07 |
| 2004-05 | 949 | 145.80 |
| 2005-06 | 712 | 203.12 |
| 2006-07 | 654 | 194.27 |
| 2007-08 | 463 | 220.85 |
| 2008-09 | 341 | 305.75 |
| 2009-10 | 122 | 447.19 |
| 2010-11 | 306 | 395.16 |
| 2011-12 | 275 | 583.03 |
| 2012-13 | 289 | 827.68 |
| 2013-14 | 393 | 1,237.32 |
| 2014-15 | 793 | 1,590.81 |
| 2015-16 | 479 | 2,963.30 |
| 2016-17 | 24 | 1,607.23 |
| 2017-18 | 223 | 2,080.64 |
| 2018-19 | 1,062 | 5,336.21 |
| 2019-20 | 2,646 | 21,203.58 |
| **মুঠ** | **11,717** | **39,629.49** |

অমীমাংসিত ইউচিবোৰৰ বছৰ অনুসৰি বিৱৰণ আৰু ইয়াৰ সৈতে জড়িত পৰিমাণৰ বিশ্লেষণ কাষত দিয়া সাৰণীত দেখুওৱা হৈছে, যিয়ে দেখুওৱাই যে ইউ চি দাখিল নকৰাকৈ বহু বছৰ ধৰি 39,629.49 কোটি টকা পৰিমাণ ব্যয় কৰা হৈছিল। ইউ চি দাখিল নকৰাৰ পৰিমাণলৈকে, কোনো নিশ্চয়তা নাই যে বিত্তীয় একাউন্টত দেখুওৱা পৰিমাণটো প্ৰকৃততে অনুমোদন অনুসৰি ব্যয় কৰা হৈছিল আৰু সেই কথা সঠিক বা চূড়ান্ত বুলি প্ৰমাণ কৰিব নোৱাৰি। লগতে দিয়া **সাৰণী 4.4** য়ে লগতে প্ৰকাশ কৰে যে 84 শতাংশ বকেয়া ইউচি যোৱা পাঁচ বছৰৰ সৈতে সম্পৰ্কিত অৰ্থাৎ 2015-20 বৰ্ষৰ সৈতে সম্পৰ্কিত।

2020-21 পৰ্যন্ত প্ৰদান কৰা অনুদানৰ বকেয়া ইউ চিৰ বিভাগ অনুসৰি কৰা শ্ৰেণী বিভাজন **পৰিশিষ্ট 4.1** ত দিয়া হ'ল। 10 টা প্ৰধান বিভাগৰ বকেয়া ইউ চিৰ সন্দৰ্ভত স্থিতি **চিত্ৰ তালিকা 4.1** ত দিয়া হ'ল।

**চিত্ৰ তালিকা 4.1: 2019-20 লৈকে 10 টা প্ৰধান বিভাগৰ প্ৰদান কৰা অনুদান সম্পৰ্কত বাকী থকা ইউ চি সমূহ**




ব্যৱহাৰিক প্ৰমাণপত্ৰৰ অনুপস্থিতিত, প্ৰাপ্তকৰ্তাসকলক যিবোৰ উদ্দেশ্যৰ বাবে অনুদান প্ৰদান কৰা হৈছিল সেই উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰিছিল নে নাই সেয়া নিশ্চিত কৰিব পৰা নগ'ল, আৰু যিহেতু মূলধনী ব্যয়ৰ 45 শতাংশ সহায়ক অনুদানৰ পৰা কৰা হৈছিল, ব্যৱহাৰিক প্ৰমাণপত্ৰৰ অনুপস্থিতিত, সম্পত্তিবোৰ সৃষ্টি কৰা হৈছে নে নাই সেয়া নিশ্চিত কৰিব পৰা নগ'ল।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ সচিবে বিষয়টো বিশ্লেষণ কৰাৰ আৰু প্ৰশাাসনিক বিভাগবোৰৰ প্ৰয়োজন হলে ইউ চি সমূহ আগতীয়াকৈ দাখিল কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ আৰু ইউ চি দাখিল সম্পৰ্কীয় প্ৰয়োজনীয় স্পষ্টীকৰণ জাৰী কৰাৰ আশ্বাস দিয়ে।

## 4.4 সংক্ষিপ্ত সম্ভাব্য বিল

অসম সম্ভাব্য হাতপুথি 1989 ৰ নিয়ম 21 ৰ অধীনত, আহৰণ আৰু বিতৰণ বিষয়া সকল (ডি ডি অ') প্ৰমাণক অবিহনে সংক্ষিপ্ত সম্ভাব্য বিল প্ৰস্তুতৰ দ্বাৰা সীমাবদ্ধ উদ্দেশ্যৰ বাবে এক নিৰ্দিষ্ট পৰিমানৰ ধন আহৰণ ক্ষমতাৰে কৰ্তৃত্ব সম্পন্ন আছিল। পৰৱৰ্তী সময়ত আহৰণ কৰা পৰিমাণৰ বিতং সম্ভাব্য বিল (চূড়ান্ত খৰচৰ সমৰ্থনত দিয়া প্ৰমাণক) পৰৱৰ্ত্তী মাহৰ 25 তাৰিখতকৈ অধিক পলম নকৰি মহাগাণনিকক (হিচাপ আৰু প্ৰাপ্য) দাখিল কৰাৰ প্ৰয়োজন।

2021 ৰ 31 মাৰ্চ পৰ্যন্ত, অসম চৰকাৰৰ 39 টা বিভাগে 1,648 খন এ চি বিলৰ বিপৰীতে 1,050.84 কোটি টকাৰ ডি চি চি বিল দাখিল কৰা নাছিল। 2020-21 পৰ্যন্ত বিভাগ অনুযায়ী বকেয়া ডি চি চি বিলসমূহৰ বিস্তৃত্ব বিৱৰণ **পৰিশিষ্ট 4.2**ত দিয়া হ'ল। 10 টা প্ৰধান বিভাগৰ ক্ষেত্ৰত বকেয়া ডি চি চি বিলৰ স্থিতি **চিত্ৰ তালিকা 4.2** ত দিয়া হ'ল।

**চিত্ৰ তালিকা 4.2: 10 টা প্ৰধান বিভাগৰ ক্ষেত্ৰত বকেয়া ডি চি চি বিলসমূহ**




2020-21 পৰ্যন্ত বছৰ অনুযায়ী বকেয়া থকা ডি চি চি বিল সমূহৰ বিস্তৃত বিৱৰণ **সাৰণী 4.5** ত দিয়া হ'ল।

**সাৰণী 4.5: এ চি বিলৰ বিপৰীতে ডি চি চি বিল সমূহৰ দাখিলকৰণত বকেয়া**

**(কোটি টকা)**

| বছৰ | প্ৰাৰম্ভিক উদ্বৃত্ব | | সংযোজন | | নিষ্পত্তি | | সামৰণি জমা | |
|---|---|---|---|---|---|---|---|---|
| | নং | পৰিমাণ | নং | পৰিমাণ | নং | পৰিমাণ | নং | পৰিমাণ |
| 2018-19 লৈ | 1,066 | 678.85 | 298 | 289.53 | 41 | 2.56 | 1,323 | 965.82 |
| 2019-20* | 1,323 | 965.82 | 282 | 66.39 | 173 | 149.35 | 1,432 | 882.86 |
| 2020-21 | 1,432 | 882.86 | 249 | 174.89 | 33 | 6.91 | 1,648 | 1,050.84 |

*উৎস ঃ প্ৰধান মহাগাণনিক (এ এণ্ড ই)ৰ কাৰ্য্যালয়ৰ দ্বাৰা সংকলিত তথ্য*

** অ' বি চাচপেন্সনক মুখ্য শিতান 8658- চাচপেন্সনৰ অধীনত ৰখাৰ বাবে 2019-20 বৰ্ষৰ সমাপ্তিৰ পৰিসংখ্যা সলনি হৈছে।*

**সাৰণী 4.5** য়ে প্ৰকাশ কৰিছে যে 2020-21 ৰ সময়ছোৱাত 174.89 কোটি টকাৰ 249 খন এ চি বিল আহৰণ কৰা হৈছিল, তাৰে 66.88 কোটি টকাৰ (38.24 শতাংশ) 123 খন এ চি বিল 2021 ৰ মাৰ্চত আহৰণ কৰা হৈছিল।

বছৰটোৰ শেষত এ চি বিলৰ বিপৰীতে কৰা ব্যয়ে দুৰ্বল ৰাজহুৱা ব্যয় ব্যৱস্থাপনাক সূচায় আৰু প্ৰধানকৈ বাজেট ব্যৱস্থা থকা ধনৰ ব্যৱহাৰ কৰি সমাপ্ত কৰাটো আঙুলিয়াব পাৰে। দীৰ্ঘ সময়ৰ বাবে অগ্ৰিমৰ সমাযোজন নকৰাৰ ফলত আত্মসাৎৰ সম্ভাৱনা কঢ়িয়াই আনিব পাৰে আৰু সেইবাবে ডি চি চি বিল সমূহৰ দাখিলৰ নিশ্চয়তাৰ বাবে সম্পৰ্কিত ডি ডি অ' ৰ দ্বাৰা সূক্ষ্ম নিৰীক্ষণৰ প্ৰয়োজন। তাৰোপৰি ডি চি চি বিলৰ প্ৰাপ্তি নোহোৱা পৰ্যন্ত বিত্তীয় হিচাপত দেখুওৱা ব্যয় শুদ্ধ আৰু চূড়ান্ত বুলি নিশ্চিত হ'ব নোৱাৰি।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে ডি চি চি বিলবোৰ আগতীয়াকৈ দাখিল কৰাৰ বাবে সকলো সংশ্লিষ্ট বিভাগক নিৰ্দেশনা জাৰী কৰাৰ আশ্বাস দিছিল।

## 4.5 ব্যক্তিগত জমা হিচাপ

বিশেষ পৰিস্থিতিত চৰকাৰে মনোনীত প্ৰশাসকৰ দ্বাৰা পৰিচালনাৰ বাবে ব্যক্তিগত জমা (পি.ডি.) হিচাপ খোলাৰ কৰ্তৃত্ব দিব পাৰে। ৰাজ্যিক একত্ৰিত পুঁজিৰ অধীনত ব্যয় হিচাপে সেৱামূলক মুখ্য শিতানক লিপিবদ্ধ কৰি পি. ডি. হিচাপলৈ পুঁজি হস্তান্তৰ কৰিব পাৰি। নিয়মমতে প্ৰশাসক সকলে বছৰৰ শেষ কৰ্ম দিনত পি. ডি. হিচাপ বন্ধ কৰিব লাগে আৰু ব্যয় নোহোৱা পুঁজিখিনি একত্ৰিত পুঁজিলৈ হস্তান্তৰ কৰিব লাগে আৰু যদি প্ৰয়োজন হয় পৰৱৰ্তী বছৰত পি.ডি. হিচাপবোৰ পুনৰ খুলিব লাগে। অসম চৰকাৰে অৱশ্যে এই ব্যৱস্থা অনুসৰণ কৰা নাছিল।
তলৰ সাৰণীত 2016-21 সময়ছোৱৰত বিত্তীয় বৰ্ষৰ শেষৰ দিনটোত ব্যক্তিগত জমা হিচাপত থকা পুঁজি সমূহৰ স্থিতি দিয়া হৈছে।

**সাৰণী 4.6: 2016-21 সময়ছোৱাত ব্যক্তিগত জমা হিচাপত পৰি থকা পুঁজি সমূহ**

**(কোটি টকা)**

| বছৰ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| পি ডি এ ত পৰি থকা পুঁজি সমূহ | 0.60 | 0.60 | 0.60 | 0.57 | 0.57 |

31 মাৰ্চ 2021 তাৰিখে 22 টা পি ডি হিচাপ আছিল যাৰ অধীনত 0.57 কোটি টকা আছিল। এই সকলোবোৰ হিচাপ দুবছৰতকৈও অধিক সময় ধৰি নিষ্ক্ৰিয় হৈ আছে। এই হিচাপবোৰ বিত্তীয় বৰ্ষৰ শেষত বন্ধ কৰা হোৱা নাছিল আৰু এই পৰিমাণ ৰাজ্যখনৰ একত্ৰিত পুঁজিত জমা কৰা হোৱা নাছিল।

লগতে, অসম চৰকাৰৰ কোষাগাৰ নিয়ম 2017 ৰ নিয়ম 324 আৰু 333 ৰ ক্ষেত্ৰত, ব্যক্তিগত জমা হিচাপৰ প্ৰশাসকে কোষাগাৰৰ সৈতে উদ্বৃত্তৰ প্ৰয়োজনীয় প্ৰমাণীকৰণ আৰু পুনৰ্মিলন কৰিব লাগে আৰু প্ৰতি বছৰে 30 এপ্ৰিলৰ ভিতৰত কোষাগাৰ বিষয়াক এখন প্ৰমাণপত্ৰ প্ৰদান কৰিব লাগে। কোষাগাৰ বিষয়াই কোষাগাৰৰ ৰেকৰ্ডৰ সৈতে উক্ত প্ৰমাণপত্ৰৰ পৰীক্ষা কৰিব লাগে আৰু যিমান সম্ভৱ সোনকালে মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) লৈ এনে উদ্বৃত্তৰ প্ৰমাণীকৰণৰ প্ৰতিবেদন প্ৰেৰণ কৰিব লাগে।

2020-21 বৰ্ষত, ব্যক্তিগত জমা হিচাপৰ 22 জন প্ৰশাসকৰ কোনো এজনৰেই তেওঁলোকৰ উদ্বৃত্তৰ সমিলমিলকৰণ কৰা নাছিল আৰু কোষাগাৰৰ পৰিসংখ্যাৰ সৈতে মিলোৱা নাছিল আৰু বাৰ্ষিক প্ৰমাণীকৰণ প্ৰমাণপত্ৰও মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) কাৰ্যালয়ক প্ৰদান কৰা হোৱা নাছিল।

## 4.6 গৌণ শিতান 800 ৰ অবিবেচক ব্যৱহাৰ

হিচাপৰ মুখ্য শিতানৰ অধীনত যিবোৰ বিষয়ৰ যথোপযুক্ত গৌণ শিতান দিয়া হোৱা নাই, মাত্ৰ তেনে বিষয় সমূহহে অন্যান্য প্ৰাপ্তি / অন্যান্য ব্যয় সম্বন্ধীয় বহু উদ্দেশ্যৰ গৌণ শিতান 800 ত কাৰ্যচালনা কৰা হয়। যদি এনে ধৰণৰ ঘটনাসমূহ নিয়মিতভাৱে ঘটে তেতিয়া হ'লে সেয়া ৰাজ্য চৰকাৰৰ দায়িত্ব যে মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) ৰ সৈতে আলোচনা কৰি উপযুক্ত শ্ৰেণীবিভাজনৰ ওপৰত পৰামৰ্শ লয়। বিবেচনা নকৰাকৈ গৌণ শিতান 800 ত প্ৰাপ্তি আৰু ব্যয় লিপিবদ্ধ কৰাৰ ফলত লেনদেনৰ স্বচ্ছতাৰ ওপৰত প্ৰভাৱ পৰে আৰু হিচাপ ব্যৱস্থাক অস্বচ্ছতালৈ লৈ যায়।

2020-21 বৰ্ষত, ৰাজ্য চৰকাৰে 48 টা মূখ্য শিতানৰ সৈতে সম্পৰ্কীত 1,046.12 কোটি টকা (ৰাজহ প্ৰাপ্তিৰ 1.61 শতাংশ) প্ৰাপ্তি শ্ৰেণীবদ্ধ কৰিছিল গৌণ শিতানৰ '800- অন্যান্য প্ৰাপ্তি'ৰ অধীনত , আনহাতে 71 ৰাজহ আৰু মূলধনৰ মূখ্য শিতানৰ হিচাপৰ অধীনত গৌণ শিতান 800-ৰ অধীনত 15,335.15 কোটি টকা ব্যয় বুক কৰা হৈছিল, যি হৈছে 76,918.98 কোটি টকা মুঠ ৰাজহ আৰু মূলধন ব্যয়ৰ 19.94 শতাংশ।

যিকোনো এটা মুখ্য শিতানৰ বৃহৎ পৰিমাণৰ ব্যয় (50 শতাংশ বা অধিক) গৌণ শিতান 800- অন্যান্য ব্যয়ৰ অধীনত শ্ৰেণীবদ্ধ কৰাৰ উদাহৰণ **সাৰণী 4.7** ত দিয়া হৈছে।

**সাৰণী 4.7: 2020-21 সময়ছোৱাত গৌণ শিতান 800 - অন্যান্য ব্যয়ৰ অধীনত লিপিবদ্ধ কৰা উল্লেখযোগ্য ব্যয়**

**(কোটি টকাত)**

| ক্ৰ. নং | মুখ্য শিতান | গৌণ শিতান 800 ৰ অধীনৰ প্ৰধান আঁচনি | গৌণ শিতান 800 ৰ অধীনত ব্যয় | মুঠ ব্যয় | শতাংশ |
|---|---|---|---|---|---|
| 1. | 4801 - বিদুৎ প্ৰকল্পৰ ওপৰত মূলধন ব্যয় | এ.পি.এছ.ই.আই.পি. ট্ৰেঞ্চ 4 (এ.ডি.বি.), মিটাৰ ক্ৰয় আৰু অসমৰ ইনফ্ৰা ষ্টেট ট্ৰেন্সমিচন চিষ্টেম (এ.আই.আই.বি) বৃদ্ধি ইত্যাদি। | 295.40 | 295.40 | 100.00 |
| 2. | 4401- শস্য পালনৰ ওপৰত মূলধন ব্যয় | গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি আৰু ডব্লিউ আই এফ-কৃষি শীতল ভঁৰাল। | 180.67 | 180.68 | 99.99 |
| 3. | 4070- অন্যান্য প্ৰশাসনিক সেৱাৰ ওপৰত মূলধন ব্যয় | ৰাজ্যিক স্বাক্ষৰ আঁচনি আৰু অগ্নি নিৰ্বাপক সেৱা কেন্দ্ৰ আদিৰ সুৰক্ষা আৰু নিয়ন্ত্ৰণ। | 218.01 | 219.35 | 99.39 |
| 4. | 2575-অন্যান্য বিশেষ ক্ষেত্ৰ কাৰ্যসূচী | নিৰ্বাচিত সংখ্যালঘু ঘনত্ব জিলাত সংখ্যালঘুসকলৰ বাবে বহুক্ষেত্ৰীয় উন্নয়ন কাৰ্যসূচী। | 142.94 | 149.11 | 95.86 |
| 5. | 2801 – শক্তি | এফ.টি.এফ.আৰ.পি. ভুসৰি দেয় পৰিশোধ, এ.পি.ডি.চি.এল. আৰু ডি ডি ইউ জি জে ৱাই আৰু সৌভাগ্য আঁচনিলৈ লক্ষ্যযুক্ত ৰাজসাহাৰ্য্য। | 1,245.25 | 1,350.25 | 92.22 |
| 6. | 3056 - আভ্যন্তৰীণ জল পৰিবহন | চৰকাৰী পৰিবহন সেৱাৰ কামৰ ব্যয়- মুখ্য ফেৰী সেৱা, সুবানশিৰি নদী যাত্ৰী বাহী সেৱা (বাণিজ্যিক) ইত্যাদি। | 147.41 | 165.26 | 89.20 |
| 7. | 2210- চিকিৎসা আৰু জনস্বাস্থ্য | ৰাজ্যিক ঔষধ নিয়ামক প্ৰণালী আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন আদি শক্তিশালী কৰা। | 3,412.09 | 5,395.51 | 63.24 |
| 8. | 2217- নগৰ উন্নয়ন | সকলোৰে বাবে গৃহ (প্ৰধানমন্ত্ৰী আৱাস যোজনা, মহানগৰ সুবিধা উন্নয়ন পুঁজি, গুৱাহাটী পৌৰ নিগম ইত্যাদি। | 527.61 | 908.49 | 58.08 |
| | | **মুঠ** | **6,169.38** | **8,664.05** | **71.21** |

প্ৰাপ্তি, যিবোৰৰ ক্ষেত্ৰত 50 শতাংশতকৈ অধিক প্ৰাপ্তি আৰু লগতে এক কোটি টকাতকৈ অধিক প্ৰাপ্তি গৌণ শিতান 800- অন্যান্য প্ৰাপ্তিৰ অধীনত শ্ৰেণীবদ্ধ কৰা হৈছিল, সেইবোৰ **সাৰণী 4.8 ত** দিয়া হৈছে।

**সাৰণী 4.8: 2020-21 ৰ সময়ছোৱাত গৌণ শিতান 800 – অন্যান্য প্ৰাপ্তিত লিপিবদ্ধ কৰা তাৎপৰ্য্যপূৰ্ণ প্ৰাপ্তিসমূহ**

(কোটি টকাত)

| ক্ৰমিক নং. | মুখ্য শিতান | গৌণ শিতান 800-ৰ অধীনত প্ৰাপ্তি | মুঠ প্ৰাপ্তি | শতাংশ |
|---|---|---|---|---|
| 1 | 0552 - উত্তৰ পূব এলেকা | 57.75 | 57.75 | 100.00 |
| 2 | 1056 - আভ্যন্তৰীণ জল পৰিবহন | 4.82 | 4.82 | 100.00 |
| 3 | 0702 - ক্ষুদ্ৰ জলসিঞ্চন | 1.95 | 1.96 | 99.49 |
| 4 | 1054 - পথ আৰু দলং | 19.37 | 19.96 | 97.04 |
| 5 | 0059 - গড় কাপ্তানি | 1.28 | 1.34 | 95.52 |
| 6 | 0070 - অন্যান্য প্ৰশাসনিক সেৱা | 90.87 | 95.72 | 94.93 |
| **মুঠ** | | **176.04** | **181.55** | **96.97** |

বহু উদ্দেশ্যৰ গৌণ শিতান 800 ৰ অধীনত বহুল পৰিমানৰ শ্ৰেণীভুক্তকৰণে স্বচ্ছ বিত্তীয় প্ৰতিবেদনত আৰু আৱন্টনত প্ৰাধান্যতাৰ প্ৰকৃত বিশ্লেষণত আৰু খৰচৰ মানদণ্ডত প্ৰভাৱ পেলায়।

হিচাপ পৰীক্ষাই গৌণ শিতান 800 ৰ অধীনত নথিভুক্ত কৰা নিৰ্বাচিত বিষয় সমূহ পৰীক্ষা কৰিছিল আৰু লক্ষ্য কৰিছিল যে কিছু ক্ষেত্ৰত 800 ক বাদ দি এই আদান-প্ৰদান সমূহক নথিভুক্ত কৰাৰ বাবে মূখ্য আৰু গৌণ শিতানৰ তালিকা (এল এম এম এইচ)ত এটা বৈধ গৌণ শিতান আছিল। ই সৰ্বশিক্ষা অভিযান আৰু মধ্যাহ্ন ভোজন আচঁনিৰ দৰে কেন্দ্ৰীয় ভাৱে পৃষ্ঠপোষকতা কৰা বহল আঁচনি সমূহক অন্তৰ্ভুক্ত কৰি লৈছিল, য'ত তলৰ সাৰণীত দিয়াৰ দৰে 2,731.37 কোটি টকাৰ এক ব্যয় (800 ৰ অধীনত মুঠ খৰচৰ 17.81 শতাংশ) ৰাজ্যিক বিত্তীয় হিচাপত (2020-21) নথিভুক্ত কৰা হৈছিল।

**সাৰণী 4.9: ৰাজ্যিক হিচাপত (2020-21) গৌণ শিতানৰ অশুদ্ধ বৰ্ণন**

| এল এম এম এইচ ত নিৰ্ধাৰিত শিতানসমূহ | ৰাজ্যিক হিচাপত প্ৰকৃত শিতান | | |
|---|---|---|---|
| | বিনিয়োজন হিচাপ | বিত্তীয় হিচাপ (গৌণ শিতানলৈকে শ্ৰেণী বিভাজন) | খৰচ (কোটি টকাত) |
| 2202-01-111 সৰ্বশিক্ষা অভিযান | 2202-01-800-1686-সৰ্বশিক্ষা অভিযান | 2202-01-800 অন্যান্য ব্যয় | 2,307.25 |
| 2202-01-112 বিদ্যালয়সমূহত মধ্যাহ্ন ভোজনৰ ৰাষ্ট্ৰীয় কাৰ্যসূচী | 2202-01-800-3844-ৰন্ধন ব্যয়ৰ বাবে মধ্যাহ্ন ভোজন আঁচনি | 2202-01-800 অন্যান্য ব্যয় | 424.12 |

এইদৰে, এইটো আৱশ্যম্ভাৱী যে ৰাজ্য চৰকাৰে 800- অন্যান্য ব্যয়ৰ অধীনত লোৱা আঁচনি সমূহৰ সমগ্ৰ শ্ৰেণী বিভাজন এল এম এম এইচত বৰ্ণিত শ্ৰেণী বিভাজনৰ পৰিপ্ৰেক্ষিতত পৰ্য্যালোচনা কৰা উচিত আৰু মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) সৈতে পৰামৰ্শ কৰি পিছত এল এম এম এইচ থকা ধৰণে যথাযথ শ্ৰেণীবিভাজন কৰা উচিত বা হিচাপত স্বচ্ছতা আনিবলৈ নতুন গৌণ শিতান সংযোজন কৰাৰ ব্যৱস্থা লোৱা উচিত।

প্ৰৱেশ সন্মিলনৰ সময়ত (অক্টোবৰ 2021), বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে পৰৱৰ্তী বাজেটৰ পৰা সংশোধনৰ ব্যৱস্থা লোৱাৰ নিশ্চয়তা দিছিল।

## 4.7 কেন্দ্ৰীয় পথ পুঁজি (চি আৰ এফ)

ভাৰত চৰকাৰে নিৰ্দিষ্ট পথ প্ৰকল্পত ব্যয় বহন কৰিবলৈ ৰাজ্য চৰকাৰক চি আৰ এফৰ অধীনত বাৰ্ষিক অনুদান প্ৰদান কৰে। এক্সটেন্ট একাউন্টিং প্ৰক্ৰিয়াৰ ক্ষেত্ৰত, অনুদানবোৰ আৰম্ভণিতে মুখ্য শিতান "1601-08-108-কেন্দ্ৰীয় পথ পুঁজিৰ পৰা অনুদান"ৰ অধীনত ৰাজহ প্ৰাপ্তি হিচাপে বুক কৰিব লাগে। তাৰ পিছত, ৰাজ্য চৰকাৰে প্ৰাপ্ত কৰা পৰিমাণটো ৰাজহ ব্যয়ৰ মুখ্য শিতান "3054 পথ আৰু দলং"ৰ জৰিয়তে মুখ্য শিতান ''8449-অন্যান্য জমা - 103 কেন্দ্ৰীয় পথ পুঁজিৰ পৰা সাৰ্হায্য"ৰ অধীনত ৰাজহুৱা একাউন্টলৈ স্থানান্তৰ কৰিব লাগে। এই প্ৰক্ৰিয়াটোৱে নিশ্চিত কৰে যে অনুদান প্ৰাপ্ত কৰাৰ ফলত হিচাপত ৰাজহ ৰাহিৰ অতিৰিক্ত মূল্যায়ন বা ৰাজহ ঘাটিৰ অৱমূল্যায়ন নহয়। চি আৰ এফৰ অধীনত নিৰ্ধাৰিত পথৰ কামৰ ব্যয় প্ৰথমে প্ৰাসঙ্গিক মূলধন বা ৰাজহ ব্যয় শাখাৰ (মুখ্য শিতান 5054 বা 3054) অধীনত হিচাপ কৰা হ'ব আৰু সংশ্লিষ্ট মুখ্য শিতানক কৰ্তন ব্যয় হিচাপে মেজৰ হেড 8449- অধীনত ৰাজহুৱা একাউন্টৰ পৰা পৰিশোধ কৰা হ'ব (5054 বা 3054 যিটোৱে হ'ব)।

2020-21 বৰ্ষত ৰাজ্য চৰকাৰে চি আৰ এফৰ বাবে 220.81 কোটি টকাৰ অনুদান লাভ কৰিছিল। যদিও ৰাজহ প্ৰাপ্তিৰ মূখ্য শিতান -1601-08-108- কেন্দ্ৰীয় পথ পুঁজিত পুঁজিৰ প্ৰাপ্তি সঠিকভাৱে হিচাপ কৰা হৈছিল, ওপৰত বিতংভাৱে উল্লেখ কৰা অনুসৰি চি আৰ এফৰ অধীনত ব্যয় লিপিবদ্ধ কৰাৰ হিচাপ প্ৰক্ৰিয়া অনুসণ কৰা হোৱা নাছিল। ৰাজহুৱা হিচাপত মুখ্য শিতান -'8449- অন্যান্য জমা -103 কেন্দ্ৰীয় পথ পুঁজিৰ' পৰা সাহায্যলৈ পুঁজি হস্তান্তৰৰ বাবে মূখ্য শিতান '3054-80-797- জমা হিচাপলৈ হস্তান্তৰৰ' অধীনত কোনো বাজেট ব্যৱস্থা কৰা হোৱা নাছিল, আৰু সেই অনুসৰি, চি আৰ এফৰ পৰা পৰৱৰ্তী ব্যয় উপযুক্ত বাজেট শিতানত নথিভুক্ত কৰা হোৱা নাছিল। অৱশ্যে, বিনিয়োজন হিচাপৰ অনুদান -64 ত কেন্দ্ৰীয় পথ পুঁজিৰ পৰা নিৰ্মাণত ব্যয় কৰা 177.03 কোটি টকা 3054-03-337-1857- শিতান নিৰ্মাণ ব্যয়ৰ অধীনত লিপিবদ্ধ কৰা হৈছিল। 43.78 কোটি টকাৰ উদ্বৃত্বৰ হস্তান্তৰ নকৰাৰ ফলত বছৰটোত ৰাজহ ৰাহিৰ অতিৰিক্ত মূল্যায়ন কৰা হৈছিল।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ সচিবে চিআৰএফৰ নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰণ কৰাৰ আশ্বাস দিছিল।

## পৰিমাপ সম্পৰ্কীয় বিষয়সমূহ

## 4.8 মূখ্য শিতানৰ অনিশ্চয়তা আৰু ডি ডি আৰ অধীনৰ বকেয়া উদ্বৃত্ত

কিছুমান কাৰণ বা অন্য অৱস্থাৰ বাবে প্ৰাৰম্ভিক অৱস্থাত হিচাপৰ চূড়ান্ত শিতানত লিপিবদ্ধ কৰিব নোৱাৰা লেনদেনসমূহ প্ৰকাশ কৰিবলৈ চৰকাৰী হিচাপত অনিশ্চয়তাৰ শিতানৰ কাৰ্যচালনা কৰা হয়। যেতিয়া পৰিমাণটো হিচাপৰ চূড়ান্ত শিতানলৈ লৈ যোৱা হয়, জমা বা খৰচ ত বিয়োগৰ দ্বাৰা এই লেনদেন সমূহ স্পষ্ট হৈ যায়। অনিশ্চয়তাৰ শিতানত থকা পৰিমাণসমূহ সমাযোজন নোহোৱাকৈ থাকি গ'লে এই শিতানসমূহত বাকী থকাৰ পৰিমাণ পুঞ্জীভূত হৈ পৰাৰ ফলত চৰকাৰৰ প্ৰাপ্তি আৰু পৰিশোধৰ পৰিমাণ অসম্পূৰ্ণভাৱে প্ৰকাশ পায়।

সমাযোজন কৰিবলগীয়া হিচাপৰ শিতানসমূহৰ সকলো লেনদেন প্ৰেৰণ শিতানত সামৰি লোৱা হয়, আৰু এই শিতানসমূহৰ অধীনৰ খৰচ বা জমা একে নহ'লে অন্য হিচাপ ক্ষেত্ৰৰ ভিতৰত বিনিময়ৰ দ্বাৰা সৰ্বশেষত স্পষ্ট হৈ যায়।

বিত্তীয় হিচাপে অনিশ্চয়তা আৰু প্ৰেৰণ শিতানৰ অধীনত প্ৰকৃত অৱশেষ প্ৰতিফলিত কৰে। বিভিন্ন শিতানৰ অধীনত বাকী থকা জমা আৰু খৰচৰ পৰিমাণৰ পৃথক ভাৱে মুঠ হিচাপ স্থাপন কৰি এই শিতান সমূহত বাকী থকা

উদ্বৃত্তৰ পৰিমাণ উলিওৱা হয়। ৰাজ্যিক কোষাগাৰ/ গড়কাপ্তানী আৰু বনবিভাগ ইত্যাদিৰ দ্বাৰা যোগান দিয়া বিস্তৃত বিৰৰণৰ ওপৰত অনিশ্চয়তা আৰু প্ৰেৰণৰ বিষয়সমূহৰ স্পষ্টতা নিৰ্ভৰ কৰে। বিগত তিনি বছৰৰ কাৰণে মুখ্য অনিশ্চয়তা আৰু প্ৰেৰণৰ শিতানৰ অধীনত মুঠ পৰিমাণৰ স্থিতি **সাৰণী 4.10** ত দিয়া হ'ল।

**সাৰণী 4.10: অনিশ্চয়তা আৰু প্ৰেৰণ শিতানৰ অধীনত অৱশিষ্ট**

(কোটি টকাত)

| মুখ্য আৰু গৌণ শিতানৰ নাম | 2018-19 | | 2019-20 | | 2020-21 | |
|---|---|---|---|---|---|---|
| **8658 - অনিশ্চয়তা** | **ডেবিট** | **ক্ৰেডিট** | **ডেবিট** | **ক্ৰেডিট** | **ডেবিট** | **ক্ৰেডিট** |
| 101 -পি এ অ' অনিশ্চয়তা | 117.06 | 52.53 | 224.98 | 145.92 | 327.29 | 227.41 |
| **মুঠ** | **ডেবিট 64.53** | | **ডেবিট 79.06** | | **ডেবিট 99.88** | |
| 102 - অনিশ্চয়তা হিচাপ-অসামৰিক | 1,393.36 | 61.40 | 2,322.47 | 531.66 | 1,758.94 | 372.63 |
| **মুঠ** | **ডেবিট 1,331.96** | | **ডেবিট 1,790.81** | | **ডেবিট 1,386.31** | |
| 107 - নগদ মিমাংসা অনিশ্চয়তা হিচাপ | 82.73 | 15.65 | 82.73 | 15.65 | 82.73 | 15.65 |
| **মুঠ** | **ডেবিট 67.08** | | **ডেবিট 67.08** | | **ডেবিট 67.08** | |
| 109 - ৰিজাৰ্ভ বেংক অনিশ্চয়তা-মুখ্য কাৰ্য্যালয় | (-) 297.50 | (-) 0.29 | (-) 226.65 | (-) 10.02 | (-) 216.08 | (-) 0.22 |
| **মুঠ** | **ক্ৰেডিট 297.21** | | **ক্ৰেডিট 216.63** | | **ক্ৰেডিট 215.86** | |
| 110 - ৰিজাৰ্ভ বেংক অনিশ্চয়তা-চি এ অ' | 14.30 | 911.52 | 14.30 | 1,050.40 | 20.85 | 214.61 |
| **মুঠ** | **ক্ৰেডিট 897.22** | | **ক্ৰেডিট 1,036.10** | | **ডেবিট 193.76** | |
| 112 - উৎসত কৰ কৰ্তন (টি ডি এছ) অনিশ্চয়তা | --- | --- | --- | **0.01** | --- | --- |
| **মুঠ** | --- | | **ক্ৰেডিট 0.01** | | --- | |
| 123 - এ আই এচ বিষয়াৰ সমূহীয়া বীমা আঁচনি | 0.14 | 1.42 | 0.18 | 1.47 | 0.25 | 1.51 |
| **মুঠ** | **ক্ৰেডিট 1.28** | | **ক্ৰেডিট 1.29** | | **ক্ৰেডিট 1.26** | |
| **8782- নগদ প্ৰেৰণ** | | | | | | |
| 102 - পি ডব্লিউ প্ৰেৰণ | 61,358.86 | 61,051.00 | 69,526.23 | 69,159.54 | 76,676.11 | 76,290.28 |
| **মুঠ** | **ডেবিট 307.86** | | **ডেবিট 366.69** | | **ডেবিট 385.83** | |
| 103 - বন প্ৰেৰণ | 4,737.65 | 4,454.57 | 5,231.80 | 4,884.08 | 5,873.61 | 5,490.72 |
| **মুঠ** | **ডেবিট 283.08** | | **ডেবিট 347.72** | | **ডেবিট 382.89** | |

এই শিতানসমূহৰ অধীনত বকেয়া অৱশিষ্ট পৰিষ্কাৰ নকৰিলে ৰাজ্য চৰকাৰৰ বিভিন্ন হিচাপৰ শিতানৰ অধীনত প্ৰাপ্তি / ব্যয়ৰ পৰিমাণ আৰু উদ্বৃত্তৰ শুদ্ধতা প্ৰভাৱিত হয় (যিবোৰ বছৰে বছৰে আগবঢ়োৱা হয়)।

## 4.9 বিভাগীয় পৰিমাণ সমূহৰ সমিলমিল নকৰা

বিত্তীয় আইনে চৰ্ত আৰোপ কৰিছে যে নিয়ন্ত্ৰক বিষয়া (চি.অ') সমূহৰ হিচাপত লিপিবদ্ধ প্ৰাপ্য আৰু ব্যয়সমূহ বিত্তীয় বৰ্ষৰ প্ৰত্যেক মাহতে তেওঁলোকে মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) ৰ লিপিবদ্ধ থকা হিচাপৰ লগত সমিলমিল কৰিব লাগে। এই ব্যৱস্থাই চি.অ' সমূহক ব্যয়ৰ ওপৰত ফলপ্ৰসূ নিয়ন্ত্ৰণ সাব্যস্ত কৰিবলৈ আৰু বাজেট সম্পৰ্কীয় আবন্টন দক্ষতাৰে পৰিচালনা কৰিবলৈ আৰু হিচাপৰ শুদ্ধতা নিশ্চিত কৰিবলৈ সক্ষম কৰে।

যদিও 2019-20 বৰ্ষত প্ৰাপ্তি আৰু বিতৰণ দুয়োটাৰ 65 শতাংশ সমিলমিল কৰা হৈছিল, এই পৰিসংখ্যাবোৰ উন্নত হৈছিল আৰু 2020-21 বৰ্ষত প্ৰাপ্তিৰ বাবে 84 শতাংশ আৰু বিতৰণৰ বাবে 71 শতাংশৰ স্তৰত উপনীত হৈছিল।

2018-21 বৰ্ষৰ তিনি বছৰৰ সময়ছোৱাত চি অ' ৰ দ্বাৰা প্ৰাপ্তি আৰু বিতৰণৰ পৰিসংখ্যাৰ পুনমিলনৰ স্থিতি **চিত্ৰ তালিকা 4.3** ত দেখুওৱা হৈছে।

**চিত্ৰ তালিকা 4.3: 2018-21 ৰ তিনিটা বছৰৰ সমিলমিলকৰণৰ স্থিতি (কোটি টকাত)**




বিগত তিনিটা বছৰত চি অ' ৰ সংখ্যা আৰু সমিলমিলকৰণৰ পৰিমাণ সম্পৰ্কীয় বিৱৰণ **সাৰণী 4.11** ত দিয়া হৈছে।

### সাৰণী 4.11: প্ৰাপ্তি আৰু বিতৰণ পৰিমাণৰ সমিলমিল কৰণৰ স্থিতি

| বছৰ | নিয়ন্ত্ৰণকাৰী বিষয়াৰ মুঠ সংখ্যা | মীমাংসাৰ স্থিতি | | | মুঠ প্ৰাপ্তি/ বিতৰণ (কোটি টকাত) | সমিলমিল কৰা প্ৰাপ্তি / বিতৰণ | |
|---|---|---|---|---|---|---|---|
| | | সম্পূৰ্ণৰূপে | আংশিকভাৱে | কৰা হোৱা নাই | | পৰিমাণ (কোটি টকাত) | শতাংশ |
| **প্ৰাপ্তি** | | | | | | | |
| **2018-19** | 54 | 7 | 4 | 43 | 75,237 | 40,177 | 53.40 |
| **2019-20** | 54 | 6 | 0 | 48 | 79,885 | 52,251 | 65.41 |
| **2020-21** | 58 | 5 | 3 | 50 | 82,845 | 69,547 | 83.95 |
| **ব্যয়** | | | | | | | |
| **2018-19** | 54 | 31 | 16 | 7 | 71,851 | 18,944 | 26.37 |
| **2019-20** | 54 | 34 | 0 | 20 | 83,721 | 54,157 | 64.69 |
| **2020-21** | 58 | 36 | 16 | 6 | 79,155 | 56,045 | 70.80 |

সমিল মিল নকৰা ৰাশি সমূহ চি এ জি ৰ দ্বাৰা হিচাপ পৰীক্ষাৰ প্ৰতিবেদনত বছৰে বছৰে আঙুলিয়াই দি আহিছে। ৰাজহুৱা হিচাপ সমিতিয়ে (পি এ চি) ইয়াৰ 161তম প্ৰতিবেদনত (দফা 13) পৰামৰ্শও (মাৰ্চ 2020) দিছিল যে বিভাগ সমূহে তেওঁলোকৰ পৰিমাণসমূহ মাহিলি ভিত্তিত বা কমেও তিনি মহীয়া ভিত্তিত মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) ৰ সৈতে সমিলমিল কৰিব লাগে যাতে ৰাশি বোৰৰ অশুদ্ধ সংৰক্ষণ পৰিহাৰ কৰিব পৰা যায়। তৎসত্বেও, 2020-21 ৰ সময়ছোৱাত মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) ৰ দ্বাৰা সংৰক্ষণ কৰা প্ৰাপ্তিৰ 16 শতাংশ আৰু বিতৰণৰ 29 শতাংশ বিভাগীয় কৰ্তৃপক্ষৰদ্বাৰা সমিলমিল নকৰাকৈ আছিল।

পৰিমাণসমূহৰ সমিলমিলকৰণ আৰু প্ৰমাণীকৰণ হৈছে বিত্তীয় ব্যৱস্থাপনাৰ এক গুৰুত্বপূৰ্ণ আহিলা। এই সন্দৰ্ভত নীতি ব্যৱস্থা আৰু কাৰ্য্যবাহী নিৰ্দেশনাবোৰৰ ব্যৱহাৰ /অনুপালন কৰাত ব্যৰ্থ হোৱাৰ ফলত কেৱল হিচাপ সমূহত প্ৰাপ্তি আৰু ব্যয়ৰ অশুদ্ধ শ্ৰেণী বিভাজন আৰু অশুদ্ধ সংৰক্ষণেই নহয়, ইয়াৰ লগতে বাজেট প্ৰক্ৰিয়াৰ মূল উদ্দেশ্যও বিফল হয়।

## 4.10 নগদ উদ্বৃত্তৰ সমিলমিলকৰণ

31 মাৰ্চ 2021 তাৰিখ পৰ্যন্ত, প্ৰধান মহাগাণনিকৰ হিচাপৰ সংৰক্ষণ অনুসৰি নগদ উদ্বৃত আছিল 3,696.76 কোটি টকা (ডেবিট) আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে জনোৱা অনুসৰি 17.21 কোটি টকা (ক্ৰেডিট) আছিল। মুখ্যতঃ 2017-18 বৰ্ষৰ পৰা সংযোগ বিহীন শাখাবোৰে কৰা পেন্সন পৰিশোধৰ ওপৰত ব্যয়ৰ হিচাপ নকৰাৰ বাবে 3,679.55 কোটি টকাৰ (ডেবিট) মুঠ পাৰ্থক্য আছিল। বিৱৰণবোৰ পৰৱৰ্তী অনুচ্ছেদত আলোচনা কৰা হৈছে।

### 4.10.1 প্ৰতিবেদন নকৰা পেঞ্চন পৰিশোধসমূহ

31 মাৰ্চ 2021 তাৰিখলৈকে সমিলমিল নকৰা নগদ উদ্বৃত্ত 3,679.55 কোটি টকাৰ (3,822.40 কোটি টকা ডেবিট পৰিমাণ বিয়োগ 142.85 কোটি টকা ক্ৰেডিট পৰিমাণ) ভিতৰত 3,822.40 কোটি টকা সংযোগ বিহীন শাখা সমূহে পৰিশোধ কৰা সমিলমিল নকৰা পেন্সন পৰিশোধৰ সৈতে সম্পৰ্কিত আছিল যাৰ প্ৰতিবেদন পোণপটীয়াকৈ ভাৰতীয় ৰিজাৰ্ভ বেংকক দিয়া হৈছিল কিন্তু কোষাগাৰৰ হিচাপত প্ৰাপ্ত হোৱা নাছিল। বাকী থকা অমীমাংসিত 142.85 কোটি টকাৰ পাৰ্থক্যটো আছিল অভিকৰণ বেংকসমূহৰ দ্বাৰা প্ৰদান কৰা ভুল তথ্যৰ বাবে। পেঞ্চন পৰিশোধৰ হিচাপ নকৰা পৰিমাণ 3,822.40 কোটি টকাৰ ভিতৰত 1,209.08 কোটি টকা (31.63 শতাংশ) কেৱল বিত্তীয় বৰ্ষ 2020-21 ৰ সৈতে সম্পৰ্কিত।

জানুৱাৰী 2018 ৰ পূৰ্বলৈকে সংশ্লিষ্ট কোষাগাৰৰ সংযোগবিহীন শাখা সমূহৰ দ্বাৰা পেঞ্চনৰ বিতৰণ ৰাজ্য চৰকাৰৰ হৈ সংশ্লিষ্ট কোষাগাৰৰ সংযোগী শাখা সমূহলৈ ব্যয় পূৰণৰ বাবে দাখিল কৰিছিল, যি নিজৰ ক্ষেত্ৰাধিকাৰৰ

অন্তৰ্গত সংযোগবিহীন সকলো শাখাৰ দ্বাৰা প্ৰদান কৰা পেঞ্চন তেওঁলোকে প্ৰস্তুত কৰা তাৰিখ অনুযায়ী মাহিলি বিৱৰণ (ডি এম এচ) ত অন্তৰ্ভূক্ত কৰিছিল আৰু কোষাগাৰত দাখিল কৰিছিল। সংযোগী শাখা সমূহৰ পৰা লাভ কৰা এই ভাউচাৰ সমূহক সংশ্লিষ্ট কোষাগাৰৰ বিষয়াসকলে নিজৰ কোষাগাৰৰ হিচাপত সন্নিৱিষ্ট কৰিছিল।

2018 ৰ জানুৱাৰীৰ পৰা আৰ বি আইয়ে সকলো অভিকৰণ বেংককে সংগ্ৰাহকৰ কাম কৰা সংযোগী শাখা সমূহৰ যোগেদি সংযোগ নকৰাকৈ অভিকৰণৰ লেন-দেন সম্পৰ্কীয় দাবী সমূহ পোনপটীয়াকৈ ভাৰতীয় ৰিজাৰ্ভ বেংকক জমা দিয়াৰ বাবে নিৰ্দেশ দিছিল। আৰ বি আইয়ে সকলো অভিকৰণ বেংকক তেওঁলোকে পৰিশোধ কৰা পৰিমাণসমূহৰ ৰচিদ /বিস্তৃত বিৱৰণ পোনপটীয়াকৈ ৰাজ্য চৰকাৰ /কোষাগাৰলৈ পঠোৱাৰ বাবে নিৰ্দেশ দিছিল। অৱশ্যে, এনে পৰিশোধসমূহ সংযোগবিহীন শাখা সমূহে তাৰিখ অনুসৰি মাহেকীয়া বিৱৰণ (ডি এম এচ) আৰু সংশ্লিষ্ট পৰিশোধ প্ৰমাণকসমূহ সংশ্লিষ্ট কোষাগাৰত দাখিল কৰা নাছিল। ফলত এনে পৰিশোধ সমূহ ৰাজ্যৰ হিচাপত অৰ্ন্তভূক্ত হোৱা নাছিল যাৰ ফলত বিত্তীয় হিচাপত প্ৰতিফলিত হোৱা নগদ উদ্বৃত্তৰ আৰু আৰ বি আইয়ে জনোৱা উদ্বৃত্তৰ মাজত সংযোগবিহীন শাখা সমূহে কৰা সমগ্ৰ পেঞ্চন পৰিশোধ সমূহ হিচাপবিহীন হৈ থাকি যথেষ্ট বিসংগতি হৈছিল। 2020-21 বৰ্ষত অভিকৰণ বেংক শাখা সমূহে কৰা পেঞ্চন প্ৰদানৰ 1,209.08 কোটি টকাৰ হিচাপ বিত্তীয় হিচাপত অৰ্ন্তভূক্ত হোৱা নাছিল। তাৰোপৰি, 2020-21 বৰ্ষৰ পূৰ্বৰ তিনিটা বছৰত কৰা পেঞ্চন পৰিশোধৰ 2,613.32 কোটি টকাৰ হিচাপো ৰাজ্যিক হিচাপত একেটা কাৰণতে কৰা হোৱা নাছিল। অমিলবোৰৰ বিৱৰণ তলত সাৰণীত দিয়া হৈছেঃ

**সাৰণী 4.12: পেঞ্চন পৰিশোধৰ প্ৰতিবেদন দাখিল নকৰাৰ বছৰ অনুসৰি বিস্তৃত বিৱৰণ**

**(কোটি টকাত)**

| বছৰ | তথ্য দাখিল নকৰা পেঞ্চন প্ৰদানৰ পৰিমাণ সমূহ |
|---|---|
| 2017-18 | 112.59 (ডেবিট) |
| 2018-19 | 1,152.38 (ডেবিট) |
| 2019-20 | 1,348.35 (ডেবিট) |
| 2020-21 | 1,209.08 (ডেবিট) |
| **মুঠ** | **3,822.40 (ডেবিট)** |

3,822.40 কোটি টকাৰ পেঞ্চন পৰিশোধৰ হিচাপ নকৰাৰ ফলত সেই সময়ছোৱাত ৰাজ্যৰ ৰাজহ ৰাহিৰ অতিৰিক্ত মূল্যায়ন আৰু ৰাজহ ঘাটিআৰু বিত্তীয় ঘাটিৰ অৱমূল্যায়ন হৈছিল।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে কয় যে বিভাগটোৱে পি এ জি (হিচাপ আৰু প্ৰাপ্য), অসম আৰু আৰ বি আই কাৰ্যালয়ৰ সৈতে আলোচনা কৰি বিষয়টোৰ ওপৰত কাম কৰি আছে আৰু শীঘ্ৰেই বিষয়টো সমাধান কৰাৰ আশা ব্যক্ত কৰিছে।

### 4.10.2 পেঞ্চন দায়বদ্ধতাৰ নিম্ন-আকলন

ৰাজ্যখনৰ ৰাজহ আৰু ব্যয়ৰ নিয়মীয়া মূল্যাংকনৰ আধাৰত বিত্ত আয়োগে অনুদান আৰু সহায়ৰ পৰিমাণ উপস্থাপন কৰে। পঞ্চদশ এফচিয়ে 2019-20 বৰ্ষৰ বাবে পেঞ্চন পৰিশোধৰ বাজেট আকলন 2020-21 বৰ্ষৰ বাবে পেঞ্চনৰ ব্যয় প্ৰক্ষেপ কৰাৰ আধাৰ হিচাপে গ্ৰহণ কৰিছিল, যিটো মুদ্ৰাস্ফীতি সূচীকৰণৰ প্ৰয়োজনীয়তা, পেঞ্চনাৰৰ সংখ্যা বৃদ্ধি আৰু এনপিএছৰ অধীনত ৰাজ্যসমূহৰ প্ৰতিশ্ৰুতি পূৰণ কৰাৰ বাবে বাজেটৰ আকলন ন শতাংশ বৃদ্ধি কৰি উপনীত হৈছিল।

লগতে, অসম চৰকাৰৰ একাউন্টবোৰে 2017-18 বিত্তীয় বৰ্ষৰ পৰা পেঞ্চনৰ ওপৰত হোৱা প্ৰকৃত ব্যয় প্ৰতিফলিত কৰা নাই। জানুৱাৰী 2018 ৰ পৰা আৰ.বি.আই. য়ে সকলো সংস্থা (অ-সংযোজিত) বেংক শাখাক এগ্ৰিগেটৰ হিচাপে কাম কৰা সংযোজিত শাখাবোৰৰ জৰিয়তে ৰাউটিং নকৰাকৈ এজেঞ্চী লেনদেন সম্পৰ্কীয় তেওঁলোকৰ দাবী পোনপটীয়াকৈ আৰ.বি.আই.ৰ ওচৰত দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। আৰ.বি.আই.য়ে সকলো সংস্থাৰ বেংকক তেওঁলোকে কৰা এনে পৰিশোধৰ স্ক্ৰ'ল/বিৱৰণ পোনপটীয়াকৈ ৰাজ্য চৰকাৰ/কোষাগাৰলৈ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিছিল। অৱশ্যে, এনে পৰিশোধ কৰা অসংযোজিত শাখাবোৰে তাৰিখ-অনুসৰি মাহিলী বিবৃতি (ডি এম এছ) আৰু সংশ্লিষ্ট পৰিশোধ ভাউচাৰ সংশ্লিষ্ট কোষাগাৰত দাখিল কৰা নাই, যাৰ ফলত ৰাজ্যৰ একাউন্টত এনে পৰিশোধ অন্তৰ্ভুক্ত নহয়। **সাৰণী 4.13** ত বাজেটৰ ব্যৱস্থা, পেঞ্চনৰ ওপৰত ব্যয় (মূখ্য শিতান 2071) আৰু যোৱা পাঁচ বছৰত আৰবিআইৰ নিৰ্দেশনা অনুসৰি (জানুৱাৰী 2018) প্ৰধান মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) ক জনোৱা নোহোৱা পেঞ্চনৰ পৰিমাণ দেখুওৱা হৈছে।

**সাৰণী 4.13: পেঞ্চনৰ ওপৰত বাজেট আৰু ব্যয় (এম এইচ 2071)**

**(কোটি টকাত)**

| বিত্তীয় বৰ্ষ | বাজেট | পেঞ্চন পৰিশোধ | | |
|---|---|---|---|---|
| | | বিত্তীয় হিচাপ অনুসৰি | হিচাপৰ পৰা বাদ দিয়া | বৰ্জন কৰা পৰিমাণ অন্তৰ্ভুক্ত কৰা হৈছে |
| 2016-17 | 7,680 | 6,565 | | 6,565 |
| 2017-18 | 9,682 | 8,287 | 113 | 8,400 |
| 2018-19 | 8,028 | 8,112 | 1,152 | 9,264 |
| 2019-20 | 8,982 | 9,609 | 1,348 | 10,957 |
| 2020-21 | 9,662 | 10,329 | 1,209 | 11,538 |

ওপৰৰ তালিকাৰ পৰা এইটো স্পষ্ট যে অসম চৰকাৰে 2018-19 বৰ্ষৰ পৰা পেঞ্চন দায়বদ্ধতা কমকৈ অনুমান কৰি আছে। ইয়াত উল্লেখ কৰা উচিত যে প্ৰধান মহাগাণনিকে 2018-19 বৰ্ষৰ এছ.এফ.এ.আৰ.-ত এজেঞ্চী বেংকৰ দ্বাৰা পেঞ্চন পৰিশোধৰ প্ৰতিবেদন নিদিয়াৰ বিষয়টো কঢ়িয়াই আনিছে। 2018-19 বৰ্ষৰ পৰা ফ্লেগ কৰা স্বত্তেও, ৰাজ্য চৰকাৰে সমস্যাটোৰ সমাধানৰ বাবে কোনো সংশোধনমূলক ব্যৱস্থা গ্ৰহণ কৰা নাছিল। 2018-19 আৰু 2019-20 বৰ্ষত 9,264 কোটি টকা আৰু 10,957 কোটি টকাৰ প্ৰকৃত ব্যয়ৰ পৰিৱৰ্তে 2019-20 আৰু 2020-21 বৰ্ষত অসম চৰকাৰে পেঞ্চনৰ দায়বদ্ধতা ক্ৰমান্বয়ে 8,982 কোটি টকা আৰু 9,662 কোটি টকা বুলি অনুমান কৰিছিল।

তদুপৰি, ত্ৰুটিপূৰ্ণ আকলনৰ বাবে, সংস্থাৰ বেংকবোৰে জাননি নকৰা পেঞ্চন পৰিশোধবোৰ বাদ দিয়াৰ পিছতো যোৱা তিনি বছৰত অনুদান নং 23 পেঞ্চনৰ অধীনত অতিৰিক্ত দেখা গৈছে।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে এই ত্ৰুটি স্বীকাৰ কৰি কয় যে ৰাজ্য চৰকাৰৰ দ্বাৰা সংশোধনমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু পেঞ্চন পৰিশোধ বিতৰণৰ ওপৰত কেন্দ্ৰীয়ভাৱে অধিক নিয়ন্ত্ৰণ প্ৰয়োগ কৰা হ'ব, যাৰ ফলত বাজেট উন্নত হ'ব আৰু বিতৰণ সংশোধন কৰা হ'ব।

এইটো দৃঢ়ভাৱে পৰামৰ্শ দিয়া হয় যে আকলন সংশোধন কৰাৰ লগতে পেঞ্চনৰ হিচাপ ৰখাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱা হব পাৰে যাতে ৰাজ্যখনে বিত্ত আয়োগে পৰামৰ্শ দিয়া ৰাজহ ঘাটি অনুদান হেৰুৱাব নোৱাৰে। লগতে, পেঞ্চনাৰ সকলৰ এক বিস্তৃত ডাটাবেচ ৰাজ্য চৰকাৰে সময়মতে সংযোজন আৰু পেঞ্চনাৰ সকলক বিলোপ কৰাৰ সৈতে বজাই ৰাখিব পাৰে যি প্ৰকৃত খৰচৰ ওপৰত সুক্ষ্ম নিৰীক্ষণ ৰখাত আৰু এক যুক্তিসঙ্গত বাজেট আকলনৰ বাবে সহায় কৰিব।

## প্ৰকাশ সম্পৰ্কীয় সমস্যাসমূহ

## 4.11 হিচাপৰক্ষণৰ মানদণ্ডৰ অনুপালন

2002 চনত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ দ্বাৰা গঠন কৰা চৰকাৰী হিচাপৰক্ষণৰ মানদণ্ডৰ উপদেষ্টা মণ্ডলীয়ে (জি এ এচ এ বি) জবাবদিহিৰ দায়িত্ব ব্যৱস্থা বৃদ্ধি কৰাৰ বাবে চৰকাৰী হিচাপ ৰক্ষণ আৰু বিত্তীয় প্ৰতিবেদনৰ মানদণ্ড প্ৰস্তুত কৰি আহিছে। মাৰ্চ 2021 ৰ শেষলৈ ভাৰত চৰকাৰৰ তিনিটা হিচাপ ৰক্ষণৰ মানদণ্ড (আই জি এ এচ) জাৰি কৰিছে। 2020-21 বৰ্ষৰ বাবে এই মানদণ্ডবোৰৰ বিৱৰণ আৰু অসম চৰকাৰে বিত্তীয় বিৱৰণত মানদণ্ডসমূহ পালন কৰা পৰিমাণ **সাৰণী 4.14** ত দিয়া হ'ল।

**সাৰণী 4.14: ভাৰত চৰকাৰৰ হিচাপ ৰক্ষণৰ মানদণ্ডৰ অনুপালন**

| আই জি এ এচ | আই জি এ এচৰ সাৰমৰ্ম | স্থিতি | অনুপালন নকৰাৰ প্ৰভাৱ |
|---|---|---|---|
| **আই জি এ এচ 1**<br>*চৰকাৰে দিয়া নিশ্চয়তা-আৱশ্যকতা প্ৰকাশ কৰা* | এই মানদণ্ডই চৰকাৰক বছৰটোৰ বিত্তীয় প্ৰবিৱৰণত সংযোজন, কৰ্তন বলৱৎকৰণ, পৰিশোধকৰণ আৰু বছৰটোৰ শেষত বকেয়াৰ সৈতে সৰ্বাধিক পৰিমানৰ প্ৰত্যাভূতি ব্যক্ত কৰা | আংশিকভাৱে সংকলন কৰা হৈছিল | যদিও চৰকাৰে বছৰটোত দিয়া সৰ্বাধিক পৰিমানৰ পত্যাভূত ব্যক্ত কৰিছিল, প্ৰত্যেক সংস্থাৰ পতত্যাভূতিৰ সংখ্যাৰ দৰে বিতং তথ্য সমূহ বৰ্ণনা কৰা হোৱা নাছিল। |
| **আই জি এ এচ 2**<br>*সহায়ক অনুদানৰ হিচাপ ব্যৱস্থা আৰু শ্ৰেণীকৰণ* | সহায়ক অনুদানক দাতাৰ হিচাপত ৰাজহ ব্যয় হিচাপে আৰু শেষ ব্যৱহাৰৰ নিৰ্বিচাৰে, লাভ কৰোতাৰ হিচাপত ৰাজহ প্ৰাপ্তি হিচাপে শ্ৰেণী বিভাগ কৰা হৈছিল | সংকলন কৰা হোৱা নাই | ৰাজ্য চৰকাৰে ৰাজহ শাখাৰ সলনি হিচাপৰ মূলধনী মুখ্য শিতানৰ অধীনত 5,640.47 কোটি টকাৰ বাজেট ব্যৱস্থাকৰণ আৰু সহায়ক অনুদানৰ শ্ৰেণীকৰণ কৰিছিল। ই বছৰটোত প্ৰদান কৰা জি আই এ ৰ পৰিমানৰ বিষয়ে কোনো তথ্য দাখিল কৰা নাছিল। |
| **আই জি এ এচ 3**<br>*চৰকাৰে দিয়া ঋণ আৰু অগ্ৰিম* | চৰকাৰৰ দ্বাৰা এই মানদণ্ডই অনুমোদন, ব্যৱস্থাপনা, মূল্যায়ন আৰু ইয়াৰ বিত্তীয় বিৱৰণত সম্পূৰ্ণতা আৰু নিৰ্ভুলতা নিশ্চিত কৰাৰ বাবে ঋণ আৰু অগ্ৰিমৰ সম্পৰ্কত সম্পৰ্ক ৰাখে আৰু সদৃশ হিচাপৰ অনুপালন কৰে। | আংশিক সংকলন কৰা হৈছিল | যদিও ৰাজ্য চৰকাৰে মানদণ্ডৰ দ্বাৰা নিৰ্দ্ধাৰিত আৰ্হিৰে সংকলন কৰিছিল, এই বিষয়ত দিয়া তথ্য আছিল অসম্পূৰ্ণ, যিহেতু ঋণ আৰু অগ্ৰিমৰ ক্ষেত্ৰত সময়াতীত হোৱা মূলধন আৰু সুতৰ বিতং তথ্যসমূহ প্ৰধান মহাগাণনিৰ (হিচাপ আৰু প্ৰাপ্য) ক প্ৰদান কৰা হোৱা নাছিল। |

## 4.12 স্বায়ত্ব শাসিত পৰিষদ/ নিকায়ৰ হিচাপ দাখিল

চি এ জি ৰ ডি পি চি আইনৰ ধাৰা 19(3) অনুসৰি, ৰাজহুৱা স্বাৰ্থত, ৰাজ্যপাল /প্ৰশাসকে ৰাজ্যখনৰ বা কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধান মণ্ডলৰদ্বাৰা স্থাপন কৰা নিগমৰ হিচাপ সমূহৰ হিচাপ পৰীক্ষাৰ বাবে চি এ জিক অনুৰোধ কৰিলে, চি এ জি য়ে সেই নিগমৰ হিচাপ সমূহৰ পৰীক্ষা কৰিব লাগে, আৰু সেই হিচাপ পৰীক্ষাৰ উদ্দেশ্যৰ ক্ষেত্ৰত, এনে নিগমৰ কিতাপ আৰু হিচাপ সমূহৰ পৰীক্ষাৰ অধিকাৰ লাভ কৰে।

ধাৰা 19 ৰ বাহিৰেও, য'ত কোনো নিকায় বা কৰ্তৃপক্ষৰ হিচাপৰ হিচাপ পৰীক্ষা কোনো আইনৰ দ্বাৰা বা অধীনত চি এ জি ক অৰ্পন কৰা হোৱা নাছিল, যদি তেওঁক ৰাষ্ট্ৰপতি, বা ৰাজ্যৰ ৰাজ্যপাল বা এখন বিধান মণ্ডল থকা এক কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসক, যি জনেই হয় তেওঁ আৰু সংশ্লিষ্ট চৰকাৰৰ মাজত সন্মত হোৱা চৰ্ত আৰু চৰ্তৱলী অনুসৰি তেনে নিকায় বা কৰ্তৃপক্ষৰ হিচাপৰ হিচাপ পৰীক্ষাৰ উদ্দেশ্যৰ বাবে এনে নিকায় বা কৰ্তৃপক্ষৰ হিচাপ-কিতাপৰ পৰীক্ষাৰ অধিকাৰ লাভ কৰিব (ধাৰা 20)।

একমাত্ৰ হিচাপ পৰীক্ষক হিচাপে চি এ জি য়ে উপৰোক্ত স্বায়ত্ব শাসিত নিকায় আৰু কৰ্তৃপক্ষৰ ক্ষেত্ৰত হিচাপ পৰীক্ষাৰ প্ৰমাণ পত্ৰ বিতৰণ কৰে। এইদৰে, এই স্বায়ত্ব শাসিত নিকায় আৰু কৰ্তৃপক্ষসমূহে বাৰ্ষিক হিচাপ প্ৰস্তুত কৰিব লাগিব আৰু এ জি (হিচাপ পৰীক্ষা) ক হিচাপ পৰীক্ষাৰ বাবে দাখিল কৰিব লাগে।

চি এ জিয়ে 31 অক্টোবৰ 2021 তাৰিখলৈকে অডিটৰ বাবে 107 খন স্বায়ত্ব শাসিত পৰিষদ, উন্নয়ন পৰিষদ আৰু চৰকাৰী সংস্থাৰ (2020-21 লৈকে) 649 টা বাৰ্ষিক হিচাপ প্ৰাপ্ত কৰা নাছিল। 649 টা বকেয়া বাৰ্ষিক হিচাপৰ ভিতৰত, ছটা হিচাপ[21] সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত সৃষ্টি কৰা তিনিখন স্বায়ত্ব শাসিত জিলা পৰিষদৰ সৈতে সম্পৰ্কিত। লগতে, এই 107 টা ভিতৰত 33 টা স্বায়ত্ব শাসিত পৰিষদ, উন্নয়ন পৰিসদ আৰু চৰকাৰী সংস্থাই আৰম্ভণি/ অৰ্পণৰ পৰাই তেওঁলোকৰ হিচাপ দাখিল কৰা নাই।

**সাৰণী 4.15: হিচাপ পৰীক্ষাৰ বাবে দাখিল কৰিবলগীয়া কিন্তু দাখিল নকৰা বাৰ্ষিক হিচাপৰ বছৰ অনুসৰি কৰা বিশ্লেষণ**

| পলম কৰা বছৰৰ সংখ্যা | হিচাপৰ সংখ্যা |
|---|---|
| 0-1 | 107 |
| 1-3 | 173 |
| 3-5 | 98 |
| 5-10 | 184 |
| 10 ৰ অধিক | 87 |
| **মুঠ** | **649** |

বিভাগ অনুসৰি স্বায়ত্ব শাসিত পৰিষদ, উন্নয়ন পৰিষদ, চৰকাৰী নিকায় সমূহৰ পৰা পাবলগীয়া হিচাপৰ বিস্তৃত বিৱৰণ **পৰিশিষ্ট 4.3** ত দিয়া হৈছে। বছৰ অনুযায়ী এই 649 টা হিচাপৰ বকেয়াৰ হিচাপ লগত দিয়া হৈছে। লগতে পাঁচটা প্ৰধান বিভাগৰ সন্দৰ্ভত বকেয়া হিচাপৰ স্থিতি **চিত্ৰ তালিকা 4.4** ত দিয়া হ'ল।

**চিত্ৰ তালিকা 4.4: পাঁচটা মুখ্য বিভাগৰ সৈতে সম্পৰ্কিত স্বায়ত্ব শাসিত পৰিষদ / সংস্থাসমূহৰ অমীমাংসীত হিচাপৰ স্থিতি**




বাৰ্ষিক হিচাপ আৰু সেইবোৰৰ হিচাপ পৰীক্ষাৰ অবিহনে, অনুদানৰ সঠিক ব্যৱহাৰ আৰু সেই নিকায় /কৰ্তৃপক্ষক বিতৰণ কৰা ঋণ সমূহৰ ব্যৱহাৰ আৰু হিচাপৰ সত্যতা প্ৰমাণ কৰিব নোৱাৰি। হিচাপ পৰীক্ষাই নিকায় সমূহৰ দ্বাৰা

[21] (i) বড়োলেণ্ড আঞ্চলিক পৰিষদ, কোকৰাঝাৰ: এটা বাৰ্ষিক হিচাপ (2020-21); (ii) কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ, ডিফু : তিনিটা বাৰ্ষিক হিচাপ (2018-19 ৰ পৰা 2020-21 লৈকে); আৰু (iii) উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ, হাফলং : দুটা বাৰ্ষিক হিচাপ (2019-20 আৰু 2020-21)

হিচাপ দাখিল নকৰা বিষয়টো সম্লিষ্ট কৰ্তৃপক্ষৰ সৈতে সময়ে সময়ে অৱগত কৰিছিল কিন্তু কোনো বোধগম্য উন্নতি হোৱা নাছিল।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে কৈছিল যে হিচাপবোৰ আগতায়াকৈ দাখিল কৰাৰ বাবে সংশ্লিষ্ট বিভাগবোৰক প্ৰয়োজনীয় নিৰ্দেশনা জাৰী কৰিব।

## 4.13 বিভাগীয় বাণিজ্যিক প্ৰতিষ্ঠান / নিগম /কোম্পানীসমূহ

কোম্পানী আইন, 2013 ৰ ধাৰা 394 আৰু 395 অনুসৰি, চৰকাৰী কোম্পানী এটাৰ কাম-কাজ আৰু কৰণীয় কামৰ ওপৰত বাৰ্ষিক প্ৰতিবেদন ইয়াৰ বাৰ্ষিক সাধাৰণ সভাৰ (এ জি এম) তিনি মাহৰ ভিতৰত প্ৰস্তুত কৰিব লাগিব। এনে প্ৰস্তুতিৰ পিছত যিমানে সোনকালে পাৰি, বাৰ্ষিক প্ৰতিবেদনখন সদন বা ৰাজ্যিক বিধান মণ্ডলৰ দুয়োখন সদনত হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ এটা প্ৰতিলিপিৰ সৈতে আৰু চি এ জি ৰ দ্বাৰা কৰা হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ ওপৰত যিকোনো মন্তব্য বা পৰিপূৰকৰ সৈতে স্থাপন কৰিব লাগে। বিধিবদ্ধ নিগম সমূহ নিয়ন্ত্ৰণ কৰা সংশ্লিষ্ট আইনত প্ৰায় একে ধৰণৰ ব্যৱস্থা আছে। বিভাগীয় প্ৰতিস্থান সমূহে বাণিজ্যিক /অৰ্ধবাণিজ্যিক প্ৰকৃতিৰ কাৰ্যকলাপ সম্পাদন কৰে। সেইসমূহৰ বছৰি নিৰ্দেশিত আৰ্হিত কাৰ্যচালনৰ কাৰ্যকৰী ফলাফল দেখুওৱাই হিচাপ প্ৰস্তুত কৰিব লাগিব যাতে চৰকাৰে কাম-কাজৰ মূল্যায়ন কৰিব পাৰে।

উপৰোক্ত ব্যৱস্থাই ৰাজ্যখনৰ একত্ৰিত পুঁজিৰ পৰা কোম্পানী আৰু নিগম সমূহত বিনিয়োগ কৰা ৰাজহুৱা পুঁজিৰ ব্যৱহাৰৰ ওপৰত প্ৰয়োজনীয় আইনী নিয়ন্ত্ৰণ প্ৰদান কৰিব পাৰে।

তাৰোপৰি, কোম্পানী আইন, 2013 ৰ 96 ধাৰা অনুসৰি প্ৰতিটো কোম্পানীয়ে প্ৰতি পঞ্জীকা বৰ্ষত এবাৰকৈ অংশীদাৰ সমূহৰ এ জি এম অনুস্থিত কৰিব লাগিব। এইটোও কোৱা হৈছে যে এটা এ জি এম ৰ তাৰিখ আৰু পৰৱৰ্তী এ জি এম ৰ মাজত 15 মাহতকৈ বেছি সময় অতিবাহিত হ'ব নালাগিব। আইনখনৰ ধাৰা 129 ত নিৰ্দ্ধাৰিণ কৰা হৈছে যে বিত্তীয় বৰ্ষৰ বাবে হিচাপ পৰীক্ষাকৃত বিত্তীয় প্ৰবিৰৰণ বিবেচনাৰ বাবে উক্ত এ জি এমত দাখিল কৰিব লাগিব। আইনখনৰ ধাৰা 129(7) য়ে ব্যৱস্থা কৰে যে আইন খনৰ ধাৰা 129 লিখিত চৰ্ত অনুপালন নকৰাৰ বাবে দায়বদ্ধ কোম্পানীৰ সঞ্চালকসহ ব্যক্তি সকলৰ ওপৰত জৰিমনা আৰু কাৰদণ্ডৰ দৰে শাস্তি আৰোপ কৰা ব্যৱস্থা কৰা হৈছে।

হিচাপ সমূহ সময়মতে চূড়ান্ত নকৰাত, চৰকাৰৰ বিনিয়োগৰ ফলাফল ৰাজ্যিক বিধান মণ্ডলৰ দৃষ্টিৰ বাহিৰত ৰৈ যায় আৰু পুংখানুপুংখ হিচাপ পৰীক্ষাৰ পৰা বাদ পৰি থাকে। ফলস্বৰূপে, দায়বদ্ধতা নিশ্চিত কৰা আৰু দক্ষতা উন্নত কৰাৰ বাবে প্ৰয়োজনীয় সংশোধনমূলক ব্যৱস্থা থাকিলে তাক সময় অনুসৰি গ্ৰহণ কৰিব নোৱাৰি। প্ৰৱঞ্চনা আৰু ৰাজহুৱা ধনৰ অপব্যৱহাৰৰ বিপদৰ আশংকা অস্বীকাৰ কৰিব নোৱাৰি।

চৰকাৰৰ বিভাগ সমূহৰ মূৰব্বী সকলে নিশ্চিত কৰিব লাগিব যাতে বিভাগীয় প্ৰতিস্থান সমূহে তেনে হিচাপ প্ৰস্তুত কৰে আৰু এক নিৰ্দিষ্ট সময়ৰ ভিতৰত মহাগাণনিক (হিচাপ পৰীক্ষা) ক দাখিল কৰে।

অৱশ্যে চি এ জি য়ে নৱেম্বৰ 2021 পৰ্যন্ত হিচাপ পৰীক্ষাৰ বাবে 40 টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ 378 টা বাৰ্ষিক হিচাপ (2020-21 লৈকে বকেয়া) প্ৰাপ্ত কৰা নাই। **পৰিশিষ্ট 4.4** ত বিভাগ অনুসৰি পি এছ ইউ ৰ বকেয়া বাৰ্ষিক হিচাপৰ বিৱৰণ দিয়া হৈছে।

সংশ্লিষ্ট প্ৰশাসনিক বিভাগ সমূহৰ দায়িত্ব যে এই প্ৰতিস্থান সমূহৰ কাৰ্য্যকলাপ তদাৰক কৰে আৰু বিভাগসমূহৰ নিয়ন্ত্ৰণাধীন ৰাজ্যিক পি এছ ইউ বিলাকৰ হিচাপ সমূহ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত চূড়ান্ত কৰে।

প্ৰস্থান সন্মিলনৰ সময়ত (ডিচেম্বৰ 2021) বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে কৈছিল যে হিচাপবোৰ আগতীয়াকৈ দাখিল কৰাৰ বাবে সংশ্লিষ্ট বিভাগবোৰক প্ৰয়োজনীয় নিৰ্দেশনা জাৰী কৰিব।

## 4.14 হিচাপৰ সময়ানুৱৰ্তিতা আৰু মানদণ্ড

ৰাজ্য চৰকাৰৰ হিচাপসমূহ আৰ বি আইৰ উপদেশৰ লগতে 33 খন জিলা কোষাগাৰ, 50 খন উপ-কোষাগাৰ, অসম ভৱন (নতুন দিল্লী), চাইবাৰ ট্ৰেজাৰি ( দিচপুৰ), 146 টা বনবিভাগ, 33 টা গড়কাপ্তানি (নিৰ্মাণ বিভাগ), 69 টা জলসিঞ্চন বিভাগ, 44 টা জনস্বাস্থ্য কাৰিকৰী, 36 জলসম্পদ বিভাগ, 83 টা গড়কাপ্তানি (পথ) সংমণ্ডল, 50 টা দৰমহা আৰু হিচাপ বিষয়াৰ পৰা লাভ কৰা প্ৰাৰম্ভিক হিচাপৰ পৰা প্ৰধান মহাগাণনিকৰ দ্বাৰা (হিচাপ আৰু প্ৰাপ্য) সংকলন কৰা হয়।

2020-21 বিত্তীয় বৰ্ষত অসম চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষই কোষাগাৰ, ৰাজহুৱা নিৰ্মাণ বিভাগ আৰু বন বিভাগৰ যথেষ্ট সংখ্যক মাহিলী হিচাপ সময়মতে দাখিল কৰা নাছিল। ফলস্বৰূপে, 2020-21 বৰ্ষত কিছুমান কোষাগাৰ/বিভাগৰ হিচাপ বাদ দি প্ৰধান মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) অসমৰ কাৰ্যালয়ে মাহিলী অসামৰিক হিচাপ বন্ধ কৰিছিল। মাহিলী অসামৰিক হিচাপৰ পৰা বাদ পৰা হিচাপৰ বিৱৰণ **চিত্ৰ তালিকা 4.5** ত দিয়া হৈছে।

**চিত্ৰ তালিকা 4.5: 2020-21 ত অসামৰিক মাহেকীয়া হিচাপ ৰ পৰা বাদ পৰা হিচাপৰ সংখ্যা**




ওপৰৰ চিত্ৰ তালিকাই সূচায় যে ৰাজহুৱা কামৰ বিভাগবোৰ হৈছে মুখ্য একক যিয়ে মাহিলী হিচাপ উপস্থাপন কৰাত পলম কৰিছিল। ফলস্বৰূপে, লেনদেন টো সংঘটিত হোৱাৰ সংশ্লিষ্ট মাহৰ অসামৰিক হিচাপত এই বিভাগ/এককৰ সৈতে সম্পৰ্কিত প্ৰাপ্তি আৰু ব্যয় অন্তৰ্ভুক্ত কৰিব পৰা নগ'ল। হিচাপ ৰেণ্ডাৰিং ইউনিটবোৰে সময়মতে হিচাপ প্ৰদান কৰাত ব্যৰ্থ হোৱাৰ বাবে কিছুমান হিচাপ 2020-21 বৰ্ষত মাৰ্চ 2021ৰ বাহিৰে বাকী সকলো মাহতে প্ৰধান মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) ৰ দ্বাৰা সংকলিত মাহিলী চিভিল একাউন্টৰ পৰা বাদ দিয়া হৈছিল। সেয়েহে মাহটোৰ সময়ছোৱাত প্ৰধান মহাগাণনিকে (হিচাপ আৰু প্ৰাপ্য) ৰাজ্য চৰকাৰক প্ৰদান কৰা ৰাজ্য খনৰ প্ৰাপ্তি আৰু আৱণ্টনৰ মাহেকীয়া হিচাপসমূহ মাৰ্চৰ বাহিৰে বাকী সকলো মাহতে অসম্পূৰ্ণ আছিল।

বাদ পৰি যোৱা হিচাপ সমূহে চৰকাৰৰ মাহেকীয়া হিচাপত উপস্থাপন কৰা বিত্তীয় ছবিকেই বিকৃত নকৰে, লগতে কাৰ্য্যকৰীকৰণৰ অন্তিম মাহলৈকে পুঁজিৰ প্ৰবাহ নিৰীক্ষণ, উন্নয়ন কাৰ্য্যসূচীৰ ওপৰত ইয়াৰ পৰিকল্পিত ব্যয়, লক্ষ্যনিৰ্দ্ধাৰিত হিতাধিকাৰী সকলক অভিপ্ৰেত লাভা-লাভ প্ৰদান কৰা, বিভাগ বোৰৰ কাম-কাজ আদিৰ ওপৰতো

প্ৰভাৱ পেলায়। চমুকৈ, ৰাজ্য চৰকাৰে ইয়াৰ নিজৰ বাজেট অধিক কাৰ্য্যকৰীভাৱে পৰিচালনা কৰিবলৈ সূক্ষ্মভাৱে নিৰীক্ষণ কৰিব লাগিব আৰু সময়মতে প্ৰধান মহাগাণনিকক ওচৰত সকলো হিচাপ দাখিল কৰিবলগীয়া কতৃপক্ষৰ দ্বাৰা হিচাপ প্ৰদৰ্শন নিশ্চিত কৰিব লাগিব।

## অন্যান্য বিষয় সমূহ

## 4.15 আত্মসাৎ, ক্ষতি, চুৰি ইত্যাদি

হিচাপ পৰীক্ষাই 136.87 কোটি টকা (মাৰ্চ 2021 লৈকে) চৰকাৰী ধন জড়িত চুৰি, আত্মসাত আৰু ক্ষতিৰ 342 টা বিষয় লক্ষ্য কৰিছিল যাৰ ওপৰত চূড়ান্ত পদক্ষেপ গ্ৰহণ কৰিবলৈ বাকী আছিল। বিভাগ অনুযায়ী মীমাংসা নোহোৱা বিষয়ৰ বিভাজন আৰু সময় অনুসৰি কৰা বিশ্লেষণ আৰু সেই বিষয় সমূহৰ প্ৰকৃতি **পৰিশিষ্ট 4.5** দিয়া হ'ল।

**সাৰণী 4.16** অমীমাংসিত গোচৰৰ সময়ৰ পাৰ্শ্বচিত্ৰ আৰু প্ৰতিটো শ্ৰেণীত অমীমাংসিত হৈ থকা গোচৰৰ সংখ্যা অৰ্থাৎ চৰকাৰী সামগ্ৰীৰ চুৰি, আত্মাসাৎ আৰু ক্ষতি আদিৰ সাৰাংশ দিয়া হৈছে।

**সাৰণী 4.16: চুৰি, আত্মসাত আৰু ক্ষতিৰ পাৰ্শ্বচিত্ৰ**

**( লাখ টকাত)**

| অমীমাংসিত গোচৰৰ সময়ৰ পাৰ্শ্বচিত্ৰ | | | অমীমাংসিত গোচৰৰ প্ৰকৃতি | | |
|---|---|---|---|---|---|
| **বছৰৰ পৰিসৰ** | **গোচৰৰ সংখ্যা** | **জড়িত টকাৰ পৰিমাণ** | **গোচৰৰ প্ৰকৃতি / বিশেষত্ব সমূহ** | **গোচৰৰ সংখ্যা** | **পৰিমাণ** |
| **0-5** | 102 | 3,979.81 | চুৰি | 19 | 97.39 |
| **5-10** | 140 | 7,642.33 | | | |
| **10-15** | 53 | 1,181.55 | সামগ্ৰীৰ আত্মসাত / চুৰি ইত্যাদি | 323 | 13,590.04 |
| **15-20** | 34 | 695.48 | | | |
| **20-25** | 9 | 177.10 | **মুঠ** | **342** | **13,687.43** |
| **25 আৰু ওপৰৰ** | 4 | 11.16 | বছৰটোৰ ক্ষতিৰ গোচৰৰ অৱলোপন কৰা | 0 | 0.00 |
| **মুঠ** | **342** | **13,687.43** | **31 মাৰ্চ 2021 পৰ্যন্ত মুঠ গোচৰ** | **342** | **13,687.43** |

***উৎসঃ পৰিদৰ্শন প্ৰতিবেদন***

পৰৱৰ্ত্তী বিশ্লেষণে সূচায় যে যিবিলাক কাৰণৰ বাবে গোচৰ সমূহ অমীমাংসিত হৈ আছিল সেই সমূহক **সাৰণী 4.17** ত তালিকাভূক্ত কৰা শ্ৰেণীত শ্ৰেণী ভুক্ত কৰিব পাৰি।

**সাৰণী 4.17: চুৰি, আত্মসাত আৰু ক্ষতিৰ গোচৰসমূহৰ কাৰণসমূহ**

| অমীমাংসিত গোচৰ সমূহৰ বিলম্বৰ কাৰণ সমূহ | গোচৰৰ সংখ্যা | টকাৰ পৰিমাণ (লাখ টকা) |
|---|---|---|
| (i) উত্তৰ প্ৰাপ্তি নোহোৱা বা বিভাগৰ পৰা উত্তৰৰ অভাৱ | 270 | 7,378.23 |
| (ii) নিৰ্দিষ্ট/ সঠিক/ উপযুক্ত উত্তৰ বিভাগৰ দ্বাৰা দাখিল নকৰা | 72 | 6,309.20 |
| **মুঠ** | **342** | **13,687.43** |

***উৎসঃ পৰিদৰ্শন প্ৰতিবেদন***

6.93 কোটি টকা জড়িত 342 টাৰো অধিক গোচৰৰ ভিতৰত মাত্ৰ 20 টা গোচৰৰ প্ৰথম তথ্য প্ৰতিবেদন (এফ আই আৰ) দাখিল কৰা হৈছিল যাৰ অনুসন্ধান চলি আছে। চৰকাৰে বাকী থকা সকলো গোচৰৰে প্ৰয়োজনীয় কাৰ্য্যব্যৱস্থা ল'ব লাগে, আৰু যুক্তিসংগত ভাৱে আত্মসাতৰ ঘটনা সমূহ মীমাংসা কৰিব লাগে। ইয়াৰ উপৰিও চৰকাৰে তেওঁলোকৰ বিত্তীয় স্বাৰ্থত চুৰি, আত্মসাৎ আৰু ক্ষতিৰ বিষয়বোৰৰ গোচৰ সমূহৰ নিৰীক্ষণ আৰু দ্ৰুত নিষ্পত্তি নিশ্চিত কৰাৰ বাবে এক কাৰ্য্যকৰী প্ৰণালী স্থাপন কৰাৰ কথা বিবেচনা কৰাটো উচিত।

## 4.16 শ্ৰমিক কল্যাণ পৰিষদলৈ শ্ৰমিক উপকৰৰ চমু হস্তান্তৰ

ভাৰত চৰকাৰে শ্ৰমিকসকলক লাভালাভ প্ৰদান কৰাৰ বাবে উপকৰ আৰোপ আৰু সংগ্ৰহ কৰিবলৈ ভৱন আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ উপকৰ আইন, 1996 (উপকৰ আইন) প্ৰণয়ন কৰিছিল। আইনখনে, অন্যান্য বিষয়ৰ সৈতে, এটা ভৱন আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাম পৰিষদ গঠন কৰা আৰু আইনখনৰ অধীনত প্ৰদান কৰা ক্ষমতা প্ৰয়োগ কৰাৰ বাবে প্ৰতিখন ৰাজ্য চৰকাৰৰ দ্বাৰা নিয়ম প্ৰস্তুত কৰা বাধ্যতামুলক কৰিছিল। সেই অনুসৰি অসম চৰকাৰে এই আইনৰ অধীনত বিল্ডিং আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক (নিযুক্তি আৰু সেৱাৰ চৰ্তাৱলী নিয়ন্ত্ৰণ) নিয়ম 2007 প্ৰস্তুত কৰিছিল আৰু 12 ফেব্ৰুৱাৰী 2008 তাৰিখে অসম ভৱন আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদ গঠন কৰিছিল। চৰকাৰে শ্ৰমিক উপকৰ জমা হিচাপে জমা কৰা পৰিমাণৰ পৰিচালনা আৰু তত্ত্বাৱধানৰ বাবে পৰিষদ দায়বদ্ধ।

2008-09 বৰ্ষৰ পৰা 2020-21 বৰ্ষলৈ অসম চৰকাৰে শ্ৰমিক কল্যাণ উপকৰ হিচাপে 1,553.08 কোটি টকা উপলব্ধি কৰে আৰু আঁচনি খনৰ অধীনত 18.04 কোটি টকা দায়বদ্ধতা ৰাখি অসম ভৱন আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদলৈ 1,535.04 কোটি টকা হস্তান্তৰ কৰে। এই সন্দৰ্ভত উপ শ্ৰম আয়ুক্তই (নৱেম্বৰ 2021) উল্লেখ কৰে যে সংগ্ৰহ কৰা উপকৰ আৰু জমা কৰা উপকৰৰ মাজৰ পাৰ্থক্য কেৱল 2014-15 পৰা 2016-17 বৰ্ষৰ সৈতে সম্পৰ্কিত আৰু বেংকৰ সৈতে মীমাংসাৰ বাবে পৰিষদে পদক্ষেপ গ্ৰহণ কৰিছে।

## 4.17 ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ ওপৰত পৰৱৰ্তী কাৰ্য্যব্যৱস্থা

### 4.17.1 তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ টোকা

অসম চৰকাৰৰ বিত্তৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদনত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকে বিত্তীয় আৰু বাজেট ব্যৱস্থাপনাৰ বিভিন্ন দিশ, ৰাজ্য চৰকাৰৰ বিভাগ সমূহ/ কতৃপক্ষৰ দ্বাৰা নিৰ্দ্ধাৰিত পদ্ধতি, নীতি আৰু নিয়ম ইত্যাদি অনুপালন নকৰা বিষয় সমূহৰ সন্দৰ্ভত চিন্তনীয় বিষয় সমূহ চিহ্নিত কৰি আহিছে। এই প্ৰতিবেদনবোৰে আশা কৰা মতে ফল পাব যদিহে চৰকাৰ/ প্ৰশাসনৰ পৰা যোগাত্মক আৰু পৰ্য্যাপ্ত সহাৰি পায়। অসম বিধান সভাৰ ৰাজহুৱা হিচাপ কমিতিয়ে (পি এ চি) য়ে (চেপ্তেম্বৰ 1994) সংশ্লিষ্ট প্ৰশাসনীয় বিভাগ সমূহক হিচাপ প্ৰতিবেদনত থকা বিষয় সমূহৰ ক্ষেত্ৰত কাৰ্য্যকৰী দায়বদ্ধতা নিশ্চিত কৰিবলৈ তাৎক্ষনিক ব্যৱস্থ গ্ৰহণ টোকা (এ টি এন) দাখিল কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিছিল । অৱশ্যে, বেছিভাগ বিভাগৰ দ্বাৰা সেইয়া অনুপালন কৰা হোৱা নাছিল।

### 4.17.2 পি এ চি ৰ দ্বাৰা এচ এফ এ আৰ আৰু বিনিয়োজন হিচাপ সমূহৰ আলোচনা

31 মাৰ্চ 2018 তাৰিখে সমাপ্ত হোৱা বৰ্ষৰ ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষাৰ পৰ্য্যবেক্ষণৰ ওপৰত পি এ চি য়ে 2019 ৰ 19 নৱেম্বৰত বিত্ত বিভাগৰ প্ৰধান সচিবৰ সৈতে আলোচনা কৰিছিল আৰু এই সম্পৰ্কে তেঁওৰ পৰা লিখিত সঁহাৰি লোৱা হৈছিল। এই ক্ষেত্ৰত পি এ চি ৰ প্ৰতিবেদন অপেক্ষাৰত (অক্টোবৰ 2021)।

তাৰোপৰি, পি এ চি য়ে বিভিন্ন বছৰৰ বিনিয়োজন হিচাপত প্ৰতিবেদিত হোৱা অতিৰিক্ত ব্যয়ৰ বিষয়টো দুবাৰকৈ আলোচনা কৰিছিল (ফেব্ৰুৱাৰী 2020 আৰু ফেব্ৰুৱাৰী 2021) আৰু 161 তম আৰু 169 তম প্ৰতিবেদনৰ জৰিয়তে 13 টা পৰামৰ্শ ক্ৰমে 24 মাৰ্চ 2020 আৰু 11 ফেব্ৰুৱাৰী 2021 ত ৰাজ্যিক বিধান সভাত উপস্থাপন কৰিছিল, যাৰ দ্বাৰা বিভাগ সমূহক তিনিটা বিষয়ত কাৰ্য্যব্যৱস্থা গ্ৰহণ প্ৰতিবেদন (এ টি আৰ) দাখিল কৰিবৰ বাবে কোৱা হৈছিল কিন্তু অক্টোবৰ 2021 পৰ্য্যন্ত মাত্ৰ দুটাহে পদক্ষেপ প্ৰতিবেদন দাখিল কৰা হৈছে ।

## 4.18 সামৰণি

- 2001-02 বৰ্ষৰ পৰা 2019-20 বৰ্ষলৈ ৰাজ্য চৰকাৰৰ 55 টা বিভাগক প্ৰদান কৰা 39,629.49 কোটি টকা (11,717 ইউচি) অনুদানৰ সন্দৰ্ভত ব্যৱহাৰ প্ৰমাণপত্ৰ দাখিল কৰা হোৱা নাছিল। ইউচিৰ অনুপস্থিতিত, প্ৰাপ্তকৰ্তাসকলে যি বোৰ উদ্দেশ্যৰ বাবে অনুদান দিয়া হৈছিল, আৰু সম্পত্তিবোৰ সৃষ্টি কৰা হৈছিল সেইবোৰৰ বাবে প্ৰাপ্তকৰ্তাসকলে অনুদান ব্যৱহাৰ কৰিছিল নে নাই সেয়া নিশ্চিত কৰিব পৰা নগ'ল।
- 31 মাৰ্চ 2021 পৰ্যন্ত 39 টা ৰাজ্যিক বিভাগে 1,648 খন এ চি বিলৰ বিপৰীতে 1,050.84 কোটি টকাৰ ডি চি চি বিল দাখিল কৰা নাছিল। দীৰ্ঘ সময়ৰ বাবে অগ্ৰিমসমূহ অমীমাংসীত থাকিলে আত্মসাতৰ আকাংশা থাকে আৰু সেয়েহে সংশ্লিষ্ট ডি ডি অ' ৰ দ্বাৰা সূক্ষ্ম নিৰীক্ষণৰ প্ৰয়োজন।
- 2020-21 বৰ্ষত ৰাজ্য চৰকাৰে 71 টা ৰাজহ আৰু মুখ্য মূলধন একাউন্টৰ শিতানসমূহৰ অধীনত গৌণ শিতান 800 ৰ অধীনত 15,335.15 কোটি টকাৰ ব্যয় বুক কৰিছিল, যি হৈছে 76,918.98 কোটি টকাৰ মুঠ ৰাজহ আৰু মূলধন ব্যয়ৰ 19.94 শতাংশ। একেদৰে, ৰাজ্য চৰকাৰে 48 টা মুখ্য শিতানৰ সৈতে সম্পৰ্কিত 1,046.12 কোটি টকা প্ৰাপ্তি (ৰাজহ প্ৰাপ্তিৰ 1.61 শতাংশ) গৌণ শিতান '800- অন্যান্য প্ৰাপ্তি'ৰ অধীনত শ্ৰেণীবদ্ধ কৰিছে। লগতে, সৰ্বশিক্ষা অভিযান আৰু মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত গৌণ শিতান 800-অন্যান্য ব্যয়ৰ অধীনত বুক কৰা 2,731.37 কোটি টকা (মুঠ ব্যয়ৰ 17.81 শতাংশ) উপযুক্ত গৌণ শিতান উপলব্ধ হোৱা স্বত্বেও গৌণ শিতান 800 -ৰ অধীনত বুক কৰা হৈছিল।
- বছৰটোত, 56,045 কোটি টকা পৰিমাণৰ ব্যয় (79,155 কোটি টকাৰ মুঠ ব্যয়ৰ 71 শতাংশ) আৰু 69,547 কোটি টকাৰ (82,845 কোটি টকাৰ মুঠ প্ৰাপ্তিৰ 84 শতাংশ) প্ৰাপ্তি সমিলমিল কৰা হৈছিল। এই সন্দৰ্ভত কোডেল ব্যৱস্থা আৰু কাৰ্যবাহী নিৰ্দেশনাবোৰ ব্যৱহাৰ/পালন কৰাত ব্যৰ্থ হোৱাৰ ফলত একাউন্টবোৰত ভুল শ্ৰেণীবিভাজন আৰু প্ৰাপ্তি আৰু ব্যয়ৰ অশুদ্ধ বুকিং হৈছিল।
- এজেঞ্চী বেংকবোৰে ৰাজ্য চৰকাৰ/কোষাগাৰসমূহক পেঞ্চন পৰিশোধৰ প্ৰতিবেদন নিদিয়াৰ বাবে, বছৰটোত 1,209.08 কোটি টকা পেঞ্চন পৰিশোধৰ হিচাপ ৰাজ্যিক একাউন্টত দিয়া হোৱা নাছিল। ইয়াৰ ফলত ৰাজ্যখনৰ ৰাজহ ব্যয় আৰু বিত্তীয় ঘাটি হ্ৰাস পাইছিল।
- অসম চৰকাৰৰ দ্বাৰা পেঞ্চনৰ অশুদ্ধ বাজেট আৰু হিচাপ - যাৰ ফলত একাউন্টৰ পৰা পেঞ্চন ব্যয় বাদ দিয়া হৈছিল, যাৰ ফলত একাউন্টত নথিভুক্ত পেঞ্চনৰ ওপৰত কম ব্যয় হৈছিল, আৰু ৰাজ্য চৰকাৰে কৰা নিম্ন বাজেটীয় ব্যৱস্থাৰ ফলত বিত্ত আয়োগে নিম্ন ৰাজহ ঘাটি অনুদানৰ পৰামৰ্শ দিব পাৰে।
- 31 মাৰ্চ 2021 তাৰিখলৈকে, 107 খন স্বায়ত্তশাসিত পৰিষদ, উন্নয়ন পৰিষদ আৰু চৰকাৰী সংস্থাৰ 649 টা বাৰ্ষিক একাউন্ট আৰু 40 টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ 378 টা বাৰ্ষিক একাউন্ট (2020-21 লৈকে বকেয়া) হিচাপ পৰীক্ষাৰ বাবে চি এ জিৰ ওচৰত দাখিল কৰাৰ বাবে বাকী আছিল। একাউন্ট ৰেণ্ডাৰিং ইউনিট/কৰ্তৃপক্ষৰ দ্বাৰা একাউন্টবোৰ বিলম্বিত ভাৱে প্ৰদান কৰাটোৱে ৰাজ্যখনৰ মাহিলী লেনদেনৰ সঠিক চিত্ৰণ বিকৃত কৰে আৰু কাৰ্যকৰী বাজেট ব্যৱস্থাপনা আৰু এই সংস্থাবোৰৰ দায়বদ্ধতা হ্ৰাস কৰে।
- 2008-09 বৰ্ষৰ পৰা 2020-21 বৰ্ষলৈ ৰাজ্য চৰকাৰে ভৱন আৰু অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ উপকৰ আইন, 1996 ৰ অধীনত আদায় কৰা মুঠ 1,553.08 কোটি টকা উপকৰৰ ভিতৰত 1,535.04 কোটি টকা অন্যান্য নিৰ্মাণ শ্ৰমিক কল্যাণ বোৰ্ডলৈ হস্তান্তৰ কৰিছিল যাৰ ফলত 18.04 কোটি টকাৰ উপকৰ হ্ৰাস হৈছিল।

## 4.19 পৰামৰ্শসমূহ

*i.* *ইউ চি, ডি চি চি বিল আৰু হিচাপ পৰীক্ষাৰ বাবে দিব লগা হিচাপ সমূহ দাখিলৰ সংক্ৰান্তত বিভাগসমূহে নিৰ্দেশিত নিয়ম আৰু প্ৰক্ৰিয়াসমূহ পালনত নিশ্চিত কৰিবৰ বাবে ৰাজ্য চৰকাৰে এক কঠোৰ নিৰীক্ষণ ব্যৱস্থা সংস্থাপন কৰা প্ৰয়োজন।*

*ii.* *ৰাজ্য চৰকাৰে বহু উদ্দেশ্যৰ গৌণ শিতান 800 ব্যৱহাৰত উৎসাহ নিদিয়া উচিত আৰু প্ৰধান মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য)ৰ সৈতে পৰামৰ্শ কৰি হিচাপৰ বহীত লেনদেন সমূহ সঠিক ভাৱে শ্ৰেণীভুক্ত কৰিবৰ বাবে উপযুক্ত হিচাপৰ শিতান চিনাক্ত কৰিবলৈ নিৰ্দিষ্ট সময়সীমা প্ৰস্তুত কৰা উচিত।*

*iii.* *ৰাজ্য চৰকাৰে ৰাজ্যৰ নগদ ধনৰ উদ্বৃত্ত বিসংগতি আৰু পেঞ্চন ব্যয়ৰ অশুদ্ধ প্ৰতিবেদন সমাধানৰ বাবে অতি সোনকালে আৰ বি আই আৰু প্ৰধান মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) সৈতে পৰামৰ্শ কৰি চৰকাৰী হিচাপত সংযোগ বিহীন শাখাৰ দ্বাৰা বিতৰণ কৰা পেঞ্চনৰ হিচাপ অন্তৰ্ভুক্তি নোহোৱা সমস্যাটো সমাধান কৰা উচিত।*

*iv.* *চৰকাৰী লেনদেনৰ হিচাপত স্বচ্ছতা আৰু শুদ্ধতা প্ৰদান কৰিবলৈ আভ্যন্তৰীণ নিয়ন্ত্ৰণ প্ৰণালী শক্তিশালী কৰা প্ৰয়োজন আৰু চৰকাৰে নিশ্চিত হোৱা দৰকাৰ যাতে নিয়ন্ত্ৰণকাৰী বিষয়া সকলে নিৰ্দ্ধাৰিত সময়ৰ ব্যৱধানত মহাগাণনিক (এ এণ্ড ই) ৰ হিচাপৰ সৈতে তেওঁলোকৰ প্ৰাপ্তি আৰু ব্যয়ৰ পৰিমাণ সমূহ সমিলমিল কৰা হয়।*

*v.* *ৰাজ্য চৰকাৰে হিচাপ দাখিলত নিৰন্তৰ বিলম্বন / অক্ষম হোৱা স্বায়ত্ত শাসিত জিলা পৰিষদ (এ ডি চি) আৰু অন্যান্য চৰকাৰী নিকায় সমূহৰ হিচাপত বকেয়া নিস্পত্তি কৰাৰ বাবে এক দৃঢ় পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে। হিচাপৰ চুড়ান্তকৰণত উন্নয়ন সংযোগ কৰাৰ বাবে এ ডি চি / স্বায়ত্বশাসিত নিকায় সমূহলৈ বিত্তীয় সাহাৰ্য্য আগবঢ়াব পাৰে।*

গোপীনাথ নাৰায়ণ

**গুৱাহাটী** **(কে এচ গোপীনাথ নাৰায়ণ)**

**তাৰিখঃ 31 মে 2022** **প্ৰধান মহাগাণনিক (হিচাপ পৰীক্ষা), অসম**

***প্ৰতিস্বাক্ষৰিত***

**নতুন দিল্লী** **(গিৰীশ চন্দ্ৰ মুৰ্মু)**

**তাৰিখঃ 01 জুন 2022** **ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক**

# পৰিশিষ্ট

## পৰিশিষ্ট 1.1: ৰাজ্যিক প্ৰাৰ্শ্বচিত্ৰ
**(দ্ৰষ্টব্য ঃ দফা 1.1)**

| সাধাৰণ তথ্য | | | |
|---|---|---|---|
| **ক্ৰমিক নং** | **বিৱৰণ** | **একক** | **অসম (2011 লোকপিয়ল অনুসৰি)** |
| 1. | এলেকা | বৰ্গ কিঃমিঃ | 78,438 |
| 2. | জনসংখ্যা | কোটিত | 3.12 |
| 3. | জনসংখ্যাৰ ঘনত্ব **(সৰ্বভাৰতীয় গড়: 382)** | প্ৰতি বৰ্গ কিঃমিঃ | 398 |
| 4. | স্বাক্ষৰতা **(সৰ্বভাৰতীয় গড়:73.0)** | শতাংশ | 72.2 |
| 5. | চলিত মূল্যত 2020-21 ৰ ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন (জি এচ ডি পি) | কোটিত | 3,48,277 (কিউ ই) |
| 6. | ৰাজ্যখনৰ 2020-21 বৰ্ষ ৰ অনুসৰি এন এচ ডি পি | টকাত | 89,792 |
| 7. | দৰিদ্ৰ সীমাৰেখাৰ তলৰ জনসংখ্যা (বি পি এল) 2011-12 **(সৰ্বভাৰতীয় গড় : 21.92 শতাংশ)** | শতাংশত | 31.98 |
| 8. | শিশু মৃত্যুৰ হাৰ **(সৰ্বভাৰতীয় গড়= 30 প্ৰতি 1000 জীৱিত জন্মৰ) (2019)** | প্ৰতি 1000 জীৱিত জন্ম | 40 |
| 9. | জন্মৰ সময়ত জীৱনৰ প্ৰত্যাশা (2014-18) **(সৰ্বভাৰতীয় গড় : 69.4)** | বছৰত | 66.9 |

| **B.** | **বিত্তীয় তথ্য** | | | | | | |
|---|---|---|---|---|---|---|---|
| | **বিৱৰণ** | **বাৰ্ষিক চক্ৰবৃদ্ধি বিকাশ হাৰ (%)** | | | | | |
| | | **চি এ জি আৰ (2011-12 ৰ পৰা 2019-20 লৈ)** | | **চি এ জি আৰ (2015-16 ৰ পৰা 2019-20 লৈ)** | | **2019-20 ৰ পৰা 2020-21 লৈ বিকাশ** | |
| | | **এন ই এণ্ড এইচ এচ *** | **অসম** | **এন ই এণ্ড এইচ এচ *** | **অসম** | **এন ই এণ্ড এইচ এচ *** | **অসম** |
| a. | ৰাজহ প্ৰাপ্তি | 9.03 | 9.95 | 9.11 | 11.02 | 6.95 | 0.63 |
| b. | কৰ ৰাজহ | 10.09 | 9.48 | 6.53 | 9.21 | -3.59 | -6.50 |
| c. | কৰ বৰ্হিভূত ৰাজহ | 7.89 | 7.59 | 13.52 | 19.22 | -14.64 | -47.65 |
| d. | মুঠ ব্যয় | 9.95 | 11.97 | 11.65 | 19.15 | 4.04 | -4.40 |
| e. | মূলধন ব্যয় | 9.34 | 20.39 | 12.70 | 47.01 | 16.28 | -9.41 |
| f. | শিক্ষাৰ ওপৰত ৰাজহ ব্যয় | 8.97 | 9.64 | 7.96 | 9.97 | 2.36 | 3.93 |
| g. | স্বাস্থ্যৰ ক্ষেত্ৰত ৰাজহ ব্যয় | 11.44 | 13.08 | 9.78 | 14.14 | 10.93 | 18.18 |
| h. | দৰমহা আৰু মজুৰিৰ ওপৰত ৰাজহ ব্যয় | 9.54 | 9.84 | 10.92 | 9.97 | 0.34 | -0.78 |
| i. | পেঞ্চনৰ ওপৰত ৰাজহ ব্যয় | 13.84 | 18.30 | 15.22 | 12.39 | 11.48 | 7.49 |

**এন ই এণ্ড এইচ এচ : 11 খন উত্তৰ পুব আৰু হিমালয়ৰ ৰাজ্য।*

**উৎস:** *i) লোক পিয়ল 2011 ৰ ক্ৰমিক নং 1 ৰ পৰা 4 লৈ*

*ii) অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম ক্ৰমিক নং 5 আৰু 6 ৰ বাবে*

*iii) পাৰিসাংখ্যিক হাতপুথি, ক্ৰমিক নং 7 ৰ 2020 ৰ বাবে*

*iii) এচ আৰ এচ বুলেটিন (অক্টোবৰ 2021) ক্ৰমিক নং 8ৰ বাবে*

*iv) অৰ্থনৈতিক জৰীপ (2020-21) ক্ৰমিক নং 9ৰ বাবে*

## পৰিশিষ্ট 1.2: ৰাজ্য চৰকাৰৰ বিত্তৰ ওপৰত সময় শৃংখলাৰ তথ্য

(দ্ৰষ্টব্যঃ দফা 1.1)

(কোটি টকাত)

| সূচক সমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| অংশ A: প্ৰাপ্তি | | | | | |
| **1. ৰাজহ প্ৰাপ্তি** | **49,219.81 (92.62)** | **54,130.94 (86.50)** | **63,479.16 (84.37)** | **64,495.08 (80.73)** | **64,902.19 (78.34)** |
| ***(i) নিজা কৰ ৰাজহ*** | ***12,079.56 (24.54)*** | ***13,215.52 (24.41)*** | ***15,924.85 (25.09)*** | ***16,528.69 (25.63)*** | ***17,133.61 (26.40)*** |
| *ৰাজ্যিক পণ্য আৰু সেৱা কৰ (এচ জি এচ টি)* | *0 (0.00)* | *4,077.67 (30.86)* | *8,393.04 (52.70)* | *8,755.30 (52.97)* | *8,549.02 (49.90)* |
| *কৃষি আয়কৰ* | *23.23 (0.19)* | *13.52 (0.10)* | *7.85 (0.05)* | *6.87 (0.04)* | *(-)38.00 (-0.22)* |
| *বিক্ৰী কৰ, বাণিজ্য ইত্যাদি* | *8,751.63 (72.45)* | *6,373.00 (48.22)* | *4,698.74 (29.51)* | *4,480.96 (27.11)* | *5,070.97 (29.60)* |
| *বিদ্যুতৰ ওপৰত কৰ আৰু শুল্ক* | *49.44 (0.41)* | *60.19 (0.46)* | *72.75 (0.46)* | *194.57 (1.18)* | *197.59 (1.15)* |
| *ৰাজ্যিক আৰকাৰী* | *963.81 (7.98)* | *1,095.16 (8.29)* | *1,399.84 (8.79)* | *1,650.03 (9.98)* | *2,039.94 (11.91)* |
| *যানবাহন কৰ* | *521.59 (4.32)* | *646.96 (4.90)* | *765.01 (4.80)* | *815.82 (4.94)* | *723.98 (4.23)* |
| *মোহৰ আৰু পঞ্জীয়ন মাচুল* | *226.78 (1.88)* | *239.17 (1.81)* | *240.72 (1.51)* | *292.65 (1.77)* | *280.75 (1.64)* |
| *ভূমি কৰ* | *210.02 (1.74)* | *219.39 (1.66)* | *163.22 (1.02)* | *94.16 (0.57)* | *116.81 (0.68)* |
| *অন্যান্য কৰ* | *1,333.06 (11.04)* | *490.46 (3.71)* | *183.68 (1.15)* | *238.33 (1.44)* | *192.55 (1.12)* |
| ***(ii) কৰ বৰ্হিভূত ৰাজহ*** | ***4,353.13 (8.84)*** | ***4,071.97 (7.52)*** | ***8,221.29 (12.95)*** | ***5,539.34 (8.59)*** | ***2,899.61 (4.47)*** |
| ***(iii) কেন্দ্ৰীয় আৰু শুল্কৰ ৰাজ্যিক অংশ*** | ***20,188.64 (41.02)*** | ***22,301.54 (41.20)*** | ***25,215.85 (39.72)*** | ***21,721.44 (33.68)*** | ***18,629.32 (28.70)*** |
| ***(iv) ভাৰত চৰকাৰৰ পৰা পোৱা সাহৰ্য্য অনুদান*** | ***12,598.48 (25.60)*** | ***14,541.91 (26.86)*** | ***14,117.17 (22.24)*** | ***20,705.61 (32.10)*** | ***26,239.65 (40.43)*** |
| **2. বিবিধ মূলধনী (প্ৰাপ্তি)** | -- | -- | -- | -- | -- |
| **3. ঋণ আৰু অগ্ৰিম পৰিশোধ** | **18.60 (0.04)** | **4.71 (0.01)** | **2.93 (0.00)** | **1,140.51 (1.43)** | **2.56 (0.00)** |

| সূচক সমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| **4. মুঠ ৰাজহ আৰু ঋণ বহিৰ্ভূত মূলধনী প্ৰাপ্তি (1+2+3)** | **49,238.41** | **54,135.65** | **63,482.09** | **65,635.59** | **64,904.75** |
| **5. ৰাজহুৱা ঋণ প্ৰাপ্তি** | **3,901.71 (7.34)** | **8,447.07 (13.50)** | **11,754.65 (15.62)** | **14,249.63 (17.84)** | **17,940.18 (21.66)** |
| *আভ্যন্তৰীণ ঋণ (অৰ্থোপায় আগধন আৰু অধিবিকৰ্ষৰ বাহিৰে)* | *3,844.36* | *8,377.5* | *11,665.49* | *14,143.29* | *16,382.36* |
| *অৰ্থপায় আগধন আৰু অধিবিকৰ্ষৰ কাৰ্য্যৰ অধীনত প্ৰকৃত লেনদেন* | নাই | নাই | নাই | নাই | নাই |
| *ভাৰত চৰকাৰৰ পৰা লোৱা ঋণ আৰু আগধন* | 57.35 | 69.57 | 89.16 | 106.34 | 1,557.82 |
| **6. একত্ৰিত পুঁজিত মুঠ প্ৰাপ্তি (4+5)** | **53,140.12** | **62,582.72** | **75,236.74** | **79,885.22** | **82,844.93** |
| **7. আকস্মিক নিধি প্ৰাপ্তি** | **--** | **50.00** | **--** | **100.00** | **--** |
| **8. ৰাজহুৱা হিচাপৰ প্ৰাপ্তি^** | **2,30,915.05** | **1,75,496.51** | **1,63,406.39** | **1,74,896.85** | **1,49,056.68** |
| **9. ৰাজ্যৰ মুঠ প্ৰাপ্তি (6+7+8)** | **2,84,055.17** | **2,38,129.23** | **2,38,643.13** | **2,54,882.07** | **2,31,901.61** |
| **অংশ B: ব্যয়** | | | | | |
| **10. ৰাজহ ব্যয়** | **49,362.72 (89.16)** | **55,480.94 (87.40)** | **56,899.00 (83.35)** | **66,666.68 (82.76)** | **64,519.59 (83.78)** |
| *পৰিকল্পনা* | *13,433.83* | * | * | * | * |
| *পৰিকল্পনা বহিৰ্ভূত* | *35,928.89* | * | * | * | * |
| সাধাৰণ সেৱাসমূহ (সুদ পৰিশোধকে ধৰি) | 17,123.19 | 22,057.80 | 21,058.65 | 22,350.35 | 22,892.34 |
| সামাজিক সেৱাসমূহ | 22,673.14 | 21,373.17 | 25,334.44 | 29,060.76 | 29,014.03 |
| অৰ্থনৈতিক সেৱাসমূহ | 8,914.03 | 11,924.92 | 10,232.02 | 14,889.34 | 12,236.27 |
| অনুদান সাহায্য আৰু বৰঙণি | 652.36 | 125.05 | 273.89 | 366.23 | 376.95 |
| **11. মূলধনী ব্যয়** | **5,502.08 (9.94)** | **7,692.84 (12.12)** | **11,034.08 (16.16)** | **13,468.55 (16.72)** | **12,399.39 (16.10)** |
| *পৰিকল্পনা* | *5,270.25* | * | * | * | * |
| *পৰিকল্পনা বহিৰ্ভূত* | *231.83* | * | * | * | * |
| সাধাৰণ সেৱাসমূহ | 199.61 | 350.63 | 464.28 | 506.74 | 518.45 |
| সামাজিক সেৱাসমূহ | 1,542.60 | 2,845.87 | 2,164.07 | 1,683.64 | 2,354.34 |
| অৰ্থনৈতিক সেৱাসমূহ | 3,759.87 | 4,496.34 | 8,405.73 | 11,278.17 | 9,526.60 |
| **12. ঋণ আৰু অগ্ৰিমসমূহৰ বিতৰণ** | **499.38 (0.90)** | **254.07 (0.40)** | **328.07 (0.48)** | **316.16 (0.39)** | **87.80 (0.11)** |
| *সামাজিক সেৱাসমূহ* | *35.36* | *2.61* | *2.54* | *2.71* | *0.00* |
| *অৰ্থনৈতিক সেৱা সমূহ* | *457.2* | *240.75* | *254.32* | *312.86* | *87.80* |
| *চৰকাৰী কৰ্মচাৰীলৈ ঋণ* | *6.82* | *10.71* | *71.21* | *0.59* | *0.00* |

| সূচক সমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| 13. আকস্মিক পুজিলৈ বিনিয়োগ | 0 | 50 | 0 | 100.00 | 0.00 |
| 14. মুঠ (10+11+12+13) | 55,364.18 (96.44) | 63,477.85 (97.01) | 68,261.15 (95.00) | 80,551.39 (96.21) | 77,006.78 (97.29) |
| 15. ৰাজহুৱা ঋণ পৰিশোধ | 2,042.63 (3.56) | 1,958.60 (2.99) | 3,589.36 (5.00) | 3,169.26 (3.79) | 2,147.98 (2.71) |
| আভ্যন্তৰীণ ঋণ (অৰ্থোপায় অগ্ৰিম আৰু অধৰিকৰ্ষৰ বাহিৰে ) | 1,906.90 | 1,820.43 | 3,448.10 | 3,024.15 | 1,998.55 |
| অৰ্থোপায় অগ্ৰিম আৰু অধৰিকৰ্ষৰ অধীনত শুদ্ধ লেনদেন | নাই | নাই | নাই | নাই | নাই |
| ভাৰত চৰকাৰৰ পৰা পোৱা ঋণ আৰু অগ্ৰিম | 135.73 | 138.17 | 141.26 | 145.11 | 149.43 |
| 16. একত্ৰিত নিধিৰ পৰা মুঠ বিতৰণ (14+15) | 57,406.81 | 65,436.45 | 71,850.51 | 83,720.65 | 79,154.76 |
| 17. আকস্মিক নিধিৰ বিতৰণ | 0 | 0 | 0 | 0 | 0 |
| 18. ৰাজহুৱা হিচাপৰ বিতৰণ^ | 2,26,053.09 | 1,72,290.88 | 1,67,536.69 | 1,67,618.14 | 1,52,030.29 |
| 19. ৰাজ্যৰ দ্বাৰা মুঠ বিতৰণ (16+17+18) | 2,83,459.90 | 2,37,727.33 | 2,39,387.20 | 2,51,338.79 | 2,31,185.05 |
| অংশ C: ঘাটি | | | | | |
| 20. ৰাজহ ঘাটি (-) / ৰাহি (+) (1-10) | (-) 142.91 | (-) 1,350.00 | (+) 6,580.16 | (-) 2,171.60 | (+) 382.60 |
| 21. বিত্তীয় ঘাটি (-) / ৰাহি (+)(4-14) | (-) 6,125.77 | (-) 9,342.20 | (-) 4,779.06 | (-)14,915.80 | (-) 12,102.03 |
| 22. প্ৰাথমিক ঘাটি (-) / ৰাহি (+) (21+23) | (-)3,162.02 | (-)6,136.88 | (-)934.69 | (-) 10,476.93 | (-) 6,902.85 |
| অংশ D: অন্যান্য তথ্য | | | | | |
| 23. সুদ পৰিশোধ (ৰাজহ ব্যয়ত অন্তৰ্ভূক্ত) | 2,963.75 | 3,205.32 | 3,844.37 | 4,438.87 | 5,199.18 |
| 24. অৰ্থোপায় আৰু অগ্ৰিম/ অধৰিকৰ্ষৰ প্ৰাপ্তি (দিন) | | | | | |
| অৰ্থোপায় আৰু অগ্ৰিম/ অধৰিকৰ্ষৰ প্ৰাপ্তি (দিন) | নাই | নাই | নাই | নাই | নাই |
| অধৰিকৰ্ষ প্ৰাপ্ত (দিন) | নাই | নাই | নাই | নাই | নাই |
| 25. অৰ্থোপায় অগ্ৰিম/ অধৰিকৰ্ষৰ ওপৰত সুদ | নাই | নাই | নাই | নাই | নাই |
| 26. সৰ্বমুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জি এচ ডি পি) | 2,54,478.25 | 2,83,164.90 | 3,09,336.32 | 3,35,238.11 (P.E) | 3,48,277.17 (Q.E) |
| 27. বাকী থকা ঋণ | 43,980.56 | 49,274.88 | 59,425.61 | 72,256.52 | 87,407.79 |
| 28. বাকী থকা প্ৰত্যাভূতি সমূহ | 130.00 | 90.24 | 85.02 | 83.42 | 77.72 |
| 29. প্ৰত্যাভূতি সৰ্ব্বোচ্চ পৰিমান | 482.25 | 482.25 | 482.25 | 482.25 | 482.25 |

| সূচক সমূহ | 2016-17 | 2017-18 | 2018-19 | 2019-20 | 2020-21 |
|---|---|---|---|---|---|
| **30. অসমাপ্ত প্ৰকল্পৰ সংখ্যা** | **181** | **166** | **94** | **162** | **133** |
| **31. অসমাপ্ত প্ৰকল্পত মূলধনৰ আৱদ্ধ (কোটি টকাত)** | **402.08** | **360.70** | **586.37** | **1,072.21** | **1,060.53** |
| **অংশ E: বিত্তীয় অৱস্থাৰ সূচাংক সমূহ** | | | | | |
| **32. সম্পদ সঞ্চাৰন (শতাংশত)** | | | | | |
| নিজা কৰ ৰাজহ / জি এচ ডি পি | 4.75 | 4.67 | 5.15 | 4.93 | 4.92 |
| নিজা কৰ বৰ্হিভূত ৰাজহ / জি এচ ডি পি | 1.71 | 1.44 | 2.66 | 1.65 | 0.83 |
| কেন্দ্ৰীয় স্থানান্তৰ / জি এচ ডি পি | 12.88 | 13.01 | 12.72 | 12.66 | 12.88 |
| **33. ব্যয় ব্যৱস্থাপনা (শতাংশত)** | | | | | |
| মুঠ ব্যয় / জি এচ ডি পি | 21.76 | 22.42 | 22.07 | 24.03 | 22.11 |
| মুঠ ব্যয় / ৰাজহ প্ৰাপ্তি | 112.48 | 117.27 | 107.53 | 124.90 | 118.65 |
| ৰাজহ ব্যয় / মুঠ ব্যয় | 89.16 | 87.40 | 83.35 | 82.76 | 83.78 |
| সামাজিক সেৱা ব্যয় / মুঠ ব্যয় | 43.80 | 38.16 | 40.29 | 38.17 | 40.73 |
| অৰ্থনৈতিক সেৱা ব্যয়/ মুঠ ব্যয় | 23.72 | 26.25 | 27.68 | 32.87 | 28.37 |
| মূলধনী ব্যয় / মুঠ ব্যয় | 9.94 | 12.12 | 16.16 | 16.72 | 16.10 |
| সামাজিক আৰু অৰ্থনৈতিক সেৱাত মূলধনী ব্যয় / মুঠ ব্যয় | 9.58 | 11.57 | 15.48 | 16.09 | 15.43 |
| **34. বিত্তীয় অস্থিৰতাৰ পৰিচালনা (শতাংশ)** | | | | | |
| ৰাজহ ঘাটি (-) বা ৰাহি (+)/ জি এচ ডি পি | -0.06 | -0.48 | 2.13 | -0.65 | 0.11 |
| বিত্তীয় ঘাটি (-) বা ৰাহি (+)/ জি এচ ডি পি | -2.41 | -3.30 | -1.54 | -4.45 | -3.47 |
| প্ৰাথমিক ঘাটি (-) বা ৰাহি (+) / জি এচ ডি পি | -1.24 | -2.17 | -0.30 | -3.13 | -1.98 |
| ৰাজহ ঘাটি / বিত্তীয় ঘাটি | 2.33 | 14.45 | -137.69 | 14.56 | -3.16 |
| **35. বিত্তীয় দায়বদ্ধতাৰ পৰিচালনা / অপ্ৰাপ্ত ঋণ (শতাংশত)** | | | | | |
| বিত্তীয় দায়বদ্ধতা / জি এচ ডি পি | 17.28 | 17.40 | 19.21 | 21.55 | 25.10 |
| বিত্তীয় দায়বদ্ধতা / আৰ আৰ | 89.36 | 91.03 | 93.61 | 112.03 | 134.68 |

*টোকা : বন্ধনীৰ ভিতৰত ক্ৰমিক নং 1, 3, 5 আৰু 14 আৰু 15 ৰ ৰাশি সমূহে ৰাজ্যখনৰ একত্ৰিত পুঁজিৰ শতাংশক বুজায় আনহাতে বন্ধনীৰ ভিতৰত অন্য স্থানৰ ৰাশি সমূহে প্ৰত্যেকটো উপ-শিতানৰ যোগফলক শতাংশ বুজায়।*

*^ অমীমাংসীত আৰু বিবিধ হিচাপসহ নগদ উদ্বৃত্ত বিনিয়োগ হিচাপ (মুখ্য শিতান 8673) ৰ অধীনৰ লেনদেনৰ ক্ষেত্ৰত ৰাশি সমূহ বৃহৎ আছিল।*

✦ চলিত মূল্যত (ভিত্তি বৰ্ষ 2011-12) জি এচ ডি পি ৰ ৰাশি সমূহে অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ৰ পৰা লাভ কৰা হৈছিল।

## পৰিশিষ্ট 3.1: উপ-শিতান পৰ্যায়ত ব্যৱস্থা অবিহনে 15 লাখ টকাৰ অধিক ব্যয়

**(দ্ৰষ্টব্যঃ দফা 3.3.1)**

**(কোটি টকাত)**

| ক্ৰমিক নং | অনুদান | খণ্ড | মুখ্য শিতান | হিচাপৰ শিতান | উপশিতান | উপ উপ-শিতান | ব্যয় |
|---|---|---|---|---|---|---|---|
| 1 | 30 পানী যোগান আৰু অনাময় | গৃহীত ৰাজহ | 2215- পানী যোগান আৰু অনাময় | 2215-02-105-1977-- | {1977}- পানী যোগান আৰু অনাময় | -- | 0.48 |
| 2 | 58 উদ্দ্যোগ | মূলধনী গৃহীত | 4885 মূলধনী ব্যয় উদ্যৌগ আৰু খনিজ | 4885-60-800-2343-- | {2343}-চাহ সঞ্চালকয়ৰ পুনৰ্নিৰ্মাণ | -- | 0.19 |
| 3 | 76 কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ | গৃহীত ৰাজহ | 2402- ভুমি আৰু জল সংৰক্ষণ | 2402-00-103-1143-133 | {1143}-ভুমি উন্নয়ন | [133] ভুমি উদ্ধাৰ আৰু পানী বিতৰণ | 2.40 |
| 4 | 76 কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ | গৃহীত ৰাজহ | 2402- ভুমি আৰু জল সংৰক্ষন | 2402-00-102-0122-603 | {0122}-সাধাৰণ আৰু অন্যান্য আঁচনি | [603] ভৱন আৰু প্ৰবেশ পথ | 1.90 |
| 5 | 76 কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ | গৃহীত ৰাজহ | 2402- ভুমি আৰু জল সংৰক্ষন | 2402-00-102-1136-- | {1136}- বাহ খেতি আৰু পুন: উৎপাদন | -- | 0.55 |
| 6 | 76 কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ | গৃহীত ৰাজহ | 2402- ভুমি আৰু জল সংৰক্ষন | 2402-00-102-1144-- | {1144}-পানী বিতৰণৰ সৈতে/ শস্য চপোৱা | -- | 0.34 |
| 7 | 76 কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ | গৃহীত ৰাজহ | 2402- ভুমি আৰু জল সংৰক্ষণ | 2402-00-102-0122-602 | {0122}-সাধাৰণ আৰু অন্যান্য আঁচনি | [602] প্ৰাকৃতিক সুৰক্ষা | 0.32 |
| 8 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত মূলধনী | 4406- বনপালন বিদ্যা আৰু বন্য জীৱনৰ মূলধনীব্যয় | 4406-01-070-0121-- | {0121}- গৃহ | -- | 3.71 |
| 9 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত ৰাজহ | 2402- ভুমি আৰু জল সংৰক্ষণ | 2402-00-102-0122-601 | {0122}- সাধাৰণ আৰু অন্যান্য আঁচনি | [601] অৰ্থকাৰী শস্যৰ উন্নয়ন | 3.43 |

| ক্ৰমিক নং | অনুদান | খণ্ড | মুখ্য শিতান | হিচাপৰ শিতান | উপশিতান | উপ উপ-শিতান | ব্যয় |
|---|---|---|---|---|---|---|---|
| 10 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত মূলধনী | 4406- বনপালন বিদ্যা আৰু বন্য জীৱনৰ মূলধনীব্যয় | 4406-01-105-1256-- | {1256}-সোনকালে বৃদ্ধি হোৱা জাতৰ ৰোপণ | -- | 3.15 |
| 11 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত মূলধনী | 4406- বনপালন বিদ্যা আৰু বন্য জীৱনৰ মূলধনীব্যয় | 4406-01-101-1240-- | {1240}-বন কৰ্মচাৰী আৰু শ্ৰমিকলৈ সুবিধা | -- | 1.74 |
| 12 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত ৰাজহ | 2402- ভূমি আৰু জল সংৰক্ষণ | 2402-00-102-1144-- | {1144}-পানী বিতৰণ | -- | 1.05 |
| 13 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত ৰাজহ | 2402- ভূমি আৰু জল সংৰক্ষণ | 2402-00-102-0122-603 | {0122}- সাধাৰণ আৰু অন্যান্য আঁচনি | [603] ভৱন আৰু প্ৰবেশ পথ | 0.90 |
| 14 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত মূলধনী | 4406- বনপালন বিদ্যা আৰু বন্য জীৱনৰ মূলধনীব্যয় | 4406-01-105-1259-- | {1259}-বিলুপ্তপ্ৰায় বনৰ সংৰোপন | -- | 0.82 |
| 15 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত মূলধনী | 4406- বন আৰু বন্য জীৱনৰ ওপৰত মূলধন ব্যয় | 4406-01-105-1250-- | {1250}-প্লাইউদৰ খেতি | -- | 0.56 |
| 16 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত মূলধনী | 4406- বন আৰু বন্য জীৱনৰ ওপৰত মূলধন ব্যয় | 4406-02-112-1286-- | {1286}-উদ্ভিদ উদ্যান (চিৰিয়াখানা) | -- | 0.50 |
| 17 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত মূলধনী | 4406- বনপালন বিদ্যা আৰু বন্য জীৱনৰ মূলধনীব্যয় | 4406-02-110-1268-- | {1268}- অন্যান্য বন্য জীৱন অঞ্চলৰ উন্নয়ন | -- | 0.40 |
| 18 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত ৰাজহ | 2402- ভূমি আৰু জল সংৰক্ষণ | 2402-00-103-1143-- | {1143}- ভূমি উন্নয়ন | -- | 0.40 |
| 19 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | গৃহীত মূলধনী | 4406- বনপালন বিদ্যা আৰু বন্য জীৱনৰ মূলধনীব্যয় | 4406-01-101-1238-- | {1238}- বন সুৰক্ষা বাহিনী | -- | 0.16 |
| **মুঠ** | | | | | | | **23.00** |

## পৰিশিষ্ট 3.2: খণ্ড স্তৰত অতিৰিক্ত/অপৰ্যাপ্ত পৰিপূৰক ব্যৱস্থা
(দ্ৰষ্টব্য: দফা 3.3.3)

(কোটি টকাত)

| ক্ৰমিক নং | অনুদান | খণ্ড | বাজেট (মূলব্যৱস্থা) | ব্যয় | বাজেটৰ মূল ব্যৱস্থাৰ বিপৰীতে ব্যয় | আৱশ্যক প্ৰকৃত পৰিপূৰক | বাজেট (পৰিপূৰক) | অতিৰিক্ত পৰিপূৰক | অপৰ্যাপ্ত পৰিপূৰক |
|---|---|---|---|---|---|---|---|---|---|
| 1 | 04 নিৰ্বাচন | ৰাজহ গৃহীত | 253.43 | 347.59 | 94.16 | 94.16 | 110.28 | 16.12 | - |
| 2 | 23 পেন্সন | ৰাজহ গৃহীত | 9,283.22 | 10,323.35 | 1,040.13 | 1,040.13 | 369 | - | 671.13 |
| 3 | 29 চিকিৎসা আৰু জনস্বাস্থ্য | ৰাজহ গৃহীত | 5,391.54 | 5,536.10 | 144.56 | 144.56 | 1,822.29 | 1,677.73 | - |
| 4 | 32 আবাস আঁচনি | ৰাজহ গৃহীত | 4.24 | 4.91 | 0.67 | 0.67 | 2.27 | 1.6 | - |
| 5 | 43 সমবায় | মূলধনী গৃহীত | 23.95 | 37.64 | 13.69 | 13.69 | 43.64 | 29.95 | - |
| 6 | 48 কৃষি | ৰাজহ গৃহীত | 1,187.74 | 1,256.35 | 68.61 | 68.61 | 856.11 | 787.5 | - |
| 7 | 51 ভূমি আৰু জল সংৰক্ষণ | ৰাজহ গৃহীত | 95.57 | 210 | 114.43 | 114.43 | 130.71 | 16.28 | - |
| 8 | 54 মীন | ৰাজহ গৃহীত | 67.25 | 74.73 | 7.48 | 7.48 | 30.18 | 22.7 | - |
| 9 | 76 কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ | মূলধনী গৃহীত | 146.88 | 367.42 | 220.54 | 220.54 | 186.76 | - | 33.78 |
| 10 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | মূলধনী গৃহীত | 70.55 | 80.97 | 10.42 | 10.42 | 2.91 | - | 7.51 |
| 11 | 78 বড়োলেণ্ড প্ৰদেশিয় পৰিষদ | মূলধনী গৃহীত | 141.73 | 236.04 | 94.31 | 94.31 | 75.49 | - | 18.82 |
| 12 | পি ডি ৰাজহুৱা ঋণ আৰু ঋণৰ সেৱা | মূলধনী ধাৰ্য | 2,147.84 | 2,147.98 | 0.14 | 0.14 | 0.16 | 0.02 | - |
| | **মুঠ** | | **18,813.94** | **20,623.08** | **1,809.14** | **1,809.14** | **3,629.80** | **2,551.09** | **731.24** |

## পৰিশিষ্ট 3.3: খণ্ড পৰ্যায়ত অপ্ৰয়োজনীয় পৰিপূৰক ব্যৱস্থা

(দ্ৰষ্টব্য: দফা 3.3.3)

(কোটি টকাত)

| ক্ৰমিক নং | অনুদান | খণ্ড | বাজেট (মূলব্যৱস্থা) | ব্যয় | বাজেটৰ মূল ব্যৱস্থাৰ বিপৰীতে ৰাহি (-) | বাজেট (পৰিপূৰক) | প্ৰকৃত পৰিপূৰক ব্যৱস্থা | অনাবশ্যক পৰিপূৰক |
|---|---|---|---|---|---|---|---|---|
| 1 | 01 ৰাজ্যিক বিধান মণ্ডলী | ৰাজহ গৃহীত | 84.1 | 66.68 | -17.42 | 3.93 | - | 3.93 |
| 2 | 03 ন্যায় প্ৰশাসন | ৰাজহ গৃহীত | 371.56 | 294.81 | -76.75 | 14.79 | - | 14.79 |
| 3 | 04 নিৰ্বাচন | মূলধনী গৃহীত | 26.51 | 23.76 | -2.75 | 9.25 | - | 9.25 |
| 4 | 05 বিক্ৰি কৰ আৰু অন্যান্য কৰ | মূলধনী গৃহীত | 10.16 | 8.15 | -2.01 | 2 | - | 2 |
| 5 | 05 বিক্ৰি কৰ আৰু অন্যান্য কৰ | ৰাজহ গৃহীত | 454.43 | 326.99 | -127.44 | 2.64 | - | 2.64 |
| 6 | 06 ভুমি ৰাজহ | মূলধনী গৃহীত | 2.85 | 1.38 | -1.47 | 0.96 | - | 0.96 |
| 7 | 06 ভুমি ৰাজহ | ৰাজহ গৃহীত | 337.66 | 291.17 | -46.49 | 32.53 | - | 32.53 |
| 8 | 07 পঞ্জীয়ন আৰু মোহৰ | ৰাজহ গৃহীত | 187.97 | 51.26 | -136.71 | 0.78 | - | 0.78 |
| 9 | 08 আৱকাৰী আৰু নিষিদ্ধকৰণ | ৰাজহ গৃহীত | 72.42 | 62.24 | -10.18 | 12.38 | - | 12.38 |
| 10 | 09 পৰিবহণ সেৱা | ৰাজহ গৃহীত | 405.56 | 368.46 | -37.1 | 76.16 | - | 76.16 |
| 11 | 09 পৰিবহণ সেৱা | মূলধনী গৃহীত | 134.56 | 45.72 | -88.84 | 28.7 | - | 28.7 |
| 12 | 11 সচিবালয় আৰু সংলগ্ন কাৰ্য্যালয় | ৰাজহ গৃহীত | 1,051.63 | 981.2 | -70.43 | 152.84 | - | 152.84 |
| 13 | 12 জিলা প্ৰশাসন | ৰাজহ গৃহীত | 538.27 | 332.7 | -205.57 | 6.9 | - | 6.9 |
| 14 | 12 জিলা প্ৰশাসন | মূলধনী গৃহীত | 106.67 | 56.15 | -50.52 | 0.5 | - | 0.5 |

| ক্ৰমিক নং | অনুদান | খণ্ড | বাজেট (মূলব্যৱস্থা) | ব্যয় | বাজেটৰ মূল ব্যৱস্থাৰ বিপৰীতে ৰাহি (-) | বাজেট (পৰিপূৰক) | প্ৰকৃত পৰিপূৰক ব্যৱস্থা | অনাবশ্যক পৰিপূৰক |
|---|---|---|---|---|---|---|---|---|
| 15 | 13 কোষাগাৰ আৰু হিচাপ প্ৰশাসন | ৰাজহ গৃহীত | 118.16 | 87 | -31.16 | 0.04 | - | 0.04 |
| 16 | 14 আৰক্ষী | ৰাজহ গৃহীত | 4,564.17 | 4,102.25 | -461.92 | 406.95 | - | 406.95 |
| 17 | 14 আৰক্ষী | মূলধনী গৃহীত | 217.02 | 35.3 | -181.72 | 12.35 | - | 12.35 |
| 18 | 15 কাৰাগাৰ | ৰাজহ গৃহীত | 95.93 | 70.9 | -25.03 | 0.88 | - | 0.88 |
| 19 | 16 আচবাব আৰু ছপা | ৰাজহ গৃহীত | 32.57 | 29.43 | -3.14 | 11.47 | - | 11.47 |
| 20 | 16 আচবাব আৰু ছপা | মূলধনী গৃহীত | 2.77 | 0 | -2.77 | 0.11 | - | 0.11 |
| 21 | 17 প্ৰশাসনীয় আৰু কাৰ্য্যকৰী ভৱন | ৰাজহ গৃহীত | 233.14 | 165.39 | -67.75 | 13.77 | - | 13.77 |
| 22 | 17 প্ৰশাসনীয় আৰু কাৰ্য্যকৰী ভৱন | মূলধনী গৃহীত | 268.85 | 83.26 | -185.59 | 13.59 | - | 13.59 |
| 23 | 18 অগ্নিনিৰ্বাপক সেৱা | ৰাজহ গৃহীত | 156.28 | 139.17 | -17.11 | 5.71 | - | 5.71 |
| 24 | 18 অগ্নিনিৰ্বাপক সেৱা | মূলধনী গৃহীত | 56.48 | 32.88 | -23.6 | 17.89 | - | 17.89 |
| 25 | 19 অনুসন্ধান আয়োগ আৰু অন্যান্য | ৰাজহ গৃহীত | 492.22 | 317.19 | -175.03 | 223.18 | - | 223.18 |
| 26 | 20 অন্যান্য প্ৰশাসনীয় সেৱা | ৰাজহ গৃহীত | 281.18 | 256.46 | -24.72 | 6.37 | - | 6.37 |
| 27 | 21 অতিথিশালা আৰু চৰকাৰী হোষ্টেল | ৰাজহ গৃহীত | 74.21 | 20.05 | -54.16 | 0.02 | - | 0.02 |
| 28 | 22 প্ৰশাসনিক প্ৰশিক্ষণ | ৰাজহ গৃহীত | 15.7 | 10.97 | -4.73 | 0.23 | - | 0.23 |
| 29 | 22 প্ৰশাসনিক প্ৰশিক্ষণ | মূলধনী গৃহীত | 18.15 | 2.92 | -15.23 | 2.07 | - | 2.07 |
| 30 | 25 বিভিন্ন সাধাৰণ সেৱাসমূহ | মূলধনী গৃহীত | 347.5 | 210.39 | -137.11 | 30 | - | 30 |

| ক্ৰমিক নং | অনুদান | খণ্ড | বাজেট (মূলব্যৱস্থা) | ব্যয় | বাজেটৰ মূল ব্যৱস্থাৰ বিপৰীতে ৰাহি (-) | বাজেট (পৰিপূৰক) | প্ৰকৃত পৰিপূৰক ব্যৱস্থা | অনাৱশ্যক পৰিপূৰক |
|---|---|---|---|---|---|---|---|---|
| 31 | 25 বিভিন্ন সাধাৰণ সেৱাসমূহ | ৰাজহ গৃহীত | 6,791.66 | 2,255.71 | -4,535.95 | 116.27 | - | 116.27 |
| 32 | 26 শিক্ষা ( উচ্চ শিক্ষা) | ৰাজহ গৃহীত | 2,805.82 | 2,444.20 | -361.62 | 300.73 | - | 300.73 |
| 33 | 26 শিক্ষা ( উচ্চ শিক্ষা) | মূলধনী গৃহীত | 95.1 | 31.87 | -63.23 | 12 | - | 12 |
| 34 | 27 কলা আৰু সংস্কৃতি | ৰাজহ গৃহীত | 101.32 | 83.88 | -17.44 | 32.24 | - | 32.24 |
| 35 | 27 কলা আৰু সংস্কৃতি | মূলধনী গৃহীত | 59.07 | 5.94 | -53.13 | 0.6 | - | 0.6 |
| 36 | 29 চিকিৎসা আৰু জনস্বাস্থ্য | মূলধনী গৃহীত | 734.92 | 504.92 | -230 | 491.65 | - | 491.65 |
| 37 | 30 পানী যোগান আৰু অনাময় | মূলধনী গৃহীত | 2,034.18 | 1,545.62 | -488.56 | 233.53 | - | 233.53 |
| 38 | 30 পানী যোগান আৰু অনাময় | ৰাজহ গৃহীত | 646.91 | 474.93 | -171.98 | 15.95 | - | 15.95 |
| 39 | 31 নগৰ উন্নয়ন ( চহৰ আৰু গ্ৰাম্য পৰিকল্পনা) | ৰাজহ গৃহীত | 701.03 | 490.02 | -211.01 | 79.16 | - | 79.16 |
| 40 | 34 নগৰ উন্নয়ন (পৌৰ প্ৰশাসন) | ৰাজহ গৃহীত | 1,045.49 | 358.32 | -687.17 | 454.86 | - | 454.86 |
| 41 | 35 তথ্য আৰু সম্প্ৰচাৰ | ৰাজহ গৃহীত | 93.85 | 76.15 | -17.7 | 5.23 | - | 5.23 |
| 42 | 36 শ্ৰম আৰু নিয়োগ | মূলধনী গৃহীত | 28.51 | 11.97 | -16.54 | 1.76 | - | 1.76 |
| 43 | 36 শ্ৰম আৰু নিয়োগ | ৰাজহ গৃহীত | 225.87 | 145.31 | -80.56 | 21.23 | - | 21.23 |
| 44 | 37 খাদ্য সংগ্ৰহ আৰু পন্যাগাৰ | ৰাজহ গৃহীত | 1,198.07 | 638.03 | -560.04 | 158.18 | - | 158.18 |
| 45 | 37 খাদ্য সংগ্ৰহ আৰু পন্যাগাৰ | মূলধনী গৃহীত | 8.78 | 0.17 | -8.61 | 1.32 | - | 1.32 |
| 46 | 38 অনুসূচীত জাতি অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা | ৰাজহ গৃহীত | 1,623.20 | 398.18 | -1,225.02 | 297.45 | - | 297.45 |

| ক্ৰমিক নং | অনুদান | খণ্ড | বাজেট (মূলব্যৱস্থা) | ব্যয় | বাজেটৰ মূল ব্যৱস্থাৰ বিপৰীতে ৰাহি (-) | বাজেট (পৰিপূৰক) | প্ৰকৃত পৰিপূৰক ব্যৱস্থা | অনাবশ্যক পৰিপূৰক |
|---|---|---|---|---|---|---|---|---|
| | শ্ৰেণীৰ কল্যান | | | | | | | |
| 47 | 38 অনুসূচীত জাতি অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যান | মূলধনী গৃহীত | 85.01 | 31.21 | -53.8 | 0.23 | - | 0.23 |
| 48 | 39 সামাজিক সুৰক্ষা, কল্যান আৰু পৰিপুষ্টি | ৰাজহ গৃহীত | 2,147.18 | 2,133.80 | -13.38 | 960.45 | - | 960.45 |
| 49 | 41 প্ৰাকৃতিক মহাদুৰ্যোগ | ৰাজহ গৃহীত | 2,210.67 | 1,250.59 | -960.08 | 436 | - | 436 |
| 50 | 42 অন্যান্য সামাজিক সেৱাসমূহ | ৰাজহ গৃহীত | 209.44 | 162.44 | -47 | 46.93 | - | 46.93 |
| 51 | 43 সমবায় | ৰাজহ গৃহীত | 106.14 | 93.3 | -12.84 | 48.75 | - | 48.75 |
| 52 | 44 উত্তৰ পূব পৰিষদ আঁচনি | মূলধনী গৃহীত | 1,819.29 | 216.76 | -1,602.53 | 90.56 | - | 90.56 |
| 53 | 45 লোকপিয়ল জৰীপ আৰু পৰিসংখ্যা | ৰাজহ গৃহীত | 52.41 | 33.52 | -18.89 | 2.39 | - | 2.39 |
| 54 | 46 ওজন আৰু পৰিমাপ | ৰাজহ গৃহীত | 20.32 | 12.9 | -7.42 | 8.42 | - | 8.42 |
| 55 | 47 বাণিজ্য উপদেষ্টা | ৰাজহ গৃহীত | 0.8 | 0.68 | -0.12 | 0.54 | - | 0.54 |
| 56 | 48 কৃষি | মূলধনী গৃহীত | 218.52 | 180.68 | -37.84 | 145 | - | 145 |
| 57 | 49 জলসিঞ্চন | ৰাজহ গৃহীত | 535.31 | 467.6 | -67.71 | 40.86 | - | 40.86 |
| 58 | 49 জলসিঞ্চন | মূলধনী গৃহীত | 1,056.78 | 323.65 | -733.13 | 86.71 | - | 86.71 |
| 59 | 50 অন্যান্য বিশেষ এলেকা | ৰাজহ গৃহীত | 5.73 | 1.15 | -4.58 | 0.1 | - | 0.1 |

| ক্ৰমিক নং | অনুদান | খণ্ড | বাজেট (মূলব্যৱস্থা) | ব্যয় | বাজেটৰ মূল ব্যৱস্থাৰ বিপৰীতে ৰাহি (-) | বাজেট (পৰিপূৰক) | প্ৰকৃত পৰিপূৰক ব্যৱস্থা | অনাবশ্যক পৰিপূৰক |
|---|---|---|---|---|---|---|---|---|
| | কাৰ্য্যসূচী | | | | | | | |
| 60 | 51 ভূমি আৰু জল সংৰক্ষণ | মূলধনী গৃহীত | 90.15 | 51.58 | -38.57 | 15.7 | - | 15.7 |
| 61 | 52 পশুপালন | ৰাজহ গৃহীত | 325.71 | 262.56 | -63.15 | 54.34 | - | 54.34 |
| 62 | 52 পশুপালন | মূলধনী গৃহীত | 51.66 | 14.19 | -37.47 | 0.5 | - | 0.5 |
| 63 | 53 দুগ্ধ উন্নয়ন | ৰাজহ গৃহীত | 29.75 | 21.59 | -8.16 | 1.52 | - | 1.52 |
| 64 | 53 দুগ্ধ উন্নয়ন | মূলধনী গৃহীত | 1.21 | 0.6 | -0.61 | 1.33 | - | 1.33 |
| 65 | 54 মীন | মূলধনী গৃহীত | 29.83 | 9.09 | -20.74 | 26.19 | - | 26.19 |
| 66 | 55 বনায়ন আৰু বন্যপ্ৰাণী | মূলধনী গৃহীত | 24.81 | 6.64 | -18.17 | 2 | - | 2 |
| 67 | 55 বনায়ন আৰু বন্যপ্ৰাণী | ৰাজহ গৃহীত | 882.49 | 561.95 | -320.54 | 112.78 | - | 112.78 |
| 68 | 56 গ্ৰাম্য উন্নয়ন (পঞ্চায়ত) | ৰাজহ গৃহীত | 1,824.55 | 1,605.40 | -219.15 | 388.05 | - | 388.05 |
| 69 | 57 গ্ৰাম্য উন্নয়ন | ৰাজহ গৃহীত | 3,639.65 | 3,543.21 | -96.44 | 2,754.72 | - | 2,754.72 |
| 70 | 58 উদ্যোগ | ৰাজহ গৃহীত | 44.67 | 17.38 | -27.29 | 18.08 | - | 18.08 |
| 71 | 58 উদ্যোগ | মূলধনী গৃহীত | 114.76 | 62.03 | -52.73 | 4.06 | - | 4.06 |
| 72 | 59 গাঁও আৰু ক্ষুদ্ৰ উদ্যোগ, ৰেচম আৰু বয়ন শিল্পি | ৰাজহ গৃহীত | 278.22 | 186.05 | -92.17 | 20.36 | - | 20.36 |
| 73 | 60 কুটিৰ শিল্প | মূলধনী গৃহীত | 0.48 | 0.34 | -0.14 | 0.11 | - | 0.11 |
| 74 | 60 কুটিৰ শিল্প | ৰাজহ গৃহীত | 59.41 | 49.9 | -9.51 | 15.81 | - | 15.81 |

| ক্ৰমিক নং | অনুদান | খণ্ড | বাজেট (মূলব্যৱস্থা) | ব্যয় | বাজেটৰ মূল ব্যৱস্থাৰ বিপৰীতে ৰাহি (-) | বাজেট (পৰিপূৰক) | প্ৰকৃত পৰিপূৰক ব্যৱস্থা | অনাবশ্যক পৰিপূৰক |
|---|---|---|---|---|---|---|---|---|
| 75 | 61 খনি আৰু খনিজ | ৰাজহ গৃহীত | 20.99 | 12.62 | -8.37 | 0.31 | - | 0.31 |
| 76 | 61 খনি আৰু খনিজ | মূলধনী গৃহীত | 2.91 | 0.17 | -2.74 | 50 | - | 50 |
| 77 | 62 শক্তি (বিদ্যুৎ) | মূলধনী গৃহীত | 971.98 | 330.43 | -641.55 | 1,498.78 | - | 1,498.78 |
| 78 | 62 শক্তি (বিদ্যুৎ) | ৰাজহ গৃহীত | 1,526.09 | 1,354.84 | -171.25 | 433.96 | - | 433.96 |
| 79 | 63 জল সম্পদ | মূলধনী গৃহীত | 577.56 | 369.15 | -208.41 | 83.14 | - | 83.14 |
| 80 | 63 জল সম্পদ | ৰাজহ গৃহীত | 371.27 | 277.54 | -93.73 | 16.65 | - | 16.65 |
| 81 | 64 পথ আৰু দলং | মূলধনী গৃহীত | 7,932.10 | 7,323.00 | -609.1 | 1,892.17 | - | 1,892.17 |
| 82 | 64 পথ আৰু দলং | ৰাজহ গৃহীত | 1,309.91 | 1,031.15 | -278.76 | 290.66 | - | 290.66 |
| 83 | 65 পৰ্য্যটন | মূলধনী গৃহীত | 60.67 | 10.49 | -50.18 | 25.38 | - | 25.38 |
| 84 | 65 পৰ্য্যটন | ৰাজহ গৃহীত | 67.67 | 43.78 | -23.89 | 8.35 | - | 8.35 |
| 85 | 66 স্থানীয় নিকায় আৰু পঞ্চায়তীৰাজ প্ৰতিস্থানলৈ ক্ষতিপূৰণ আৰু আৱণ্টন | ৰাজহ গৃহীত | 539.55 | 376.95 | -162.6 | 54.85 | - | 54.85 |
| 86 | 67 উদ্যান শস্য | মূলধনী গৃহীত | 0.24 | 0 | -0.24 | 6 | - | 6 |
| 87 | 67 উদ্যান শস্য | ৰাজহ গৃহীত | 109.42 | 93.28 | -16.14 | 140.14 | - | 140.14 |
| 88 | 69 বৈজ্ঞানিক সেৱা আৰু গৱেষণা | ৰাজহ গৃহীত | 36.76 | 24.53 | -12.23 | 2.48 | - | 2.48 |
| 89 | 69 বৈজ্ঞানিক সেৱা আৰু গৱেষণা | মূলধনী গৃহীত | 29.12 | 9.2 | -19.92 | 7.76 | - | 7.76 |

| ক্রমিক নং | অনুদান | খণ্ড | বাজেট (মূলব্যৱস্থা) | ব্যয় | বাজেটৰ মূল ব্যৱস্থাৰ বিপৰীতে ৰাহি (-) | বাজেট (পৰিপূৰক) | প্ৰকৃত পৰিপূৰক ব্যৱস্থা | অনাবশ্যক পৰিপূৰক |
|---|---|---|---|---|---|---|---|---|
| 90 | 70 পাৰ্বত্য এলেকা | ৰাজহ গৃহীত | 16.68 | 1.71 | -14.97 | 7.86 | - | 7.86 |
| 91 | 71 শিক্ষা (প্ৰাথমিক, মাধ্যমিক) ইত্যাদি | ৰাজহ গৃহীত | 13,522.59 | 11,850.05 | -1,672.54 | 1,215.37 | - | 1,215.37 |
| 92 | 73 নগৰ উন্নয়ন (গুৱাহাটী) উন্নয়ন বিভাগ | মূলধনী গৃহীত | 456.57 | 117.58 | -338.99 | 231.53 | - | 231.53 |
| 93 | 73 নগৰ উন্নয়ন (গুৱাহাটী উন্নয়ন বিভাগ) | ৰাজহ গৃহীত | 326.72 | 50.46 | -276.26 | 115.33 | - | 115.33 |
| 94 | 74 ক্রিড়া আৰু যুৱ সেৱা | মূলধনী গৃহীত | 33.8 | 16.48 | -17.32 | 11 | - | 11 |
| 95 | 74 ক্রিড়া আৰু যুৱ সেৱা | ৰাজহ গৃহীত | 140.6 | 83.52 | -57.08 | 7.07 | - | 7.07 |
| 96 | 75 তথ্য আৰু প্ৰযুক্তি বিদ্যা | ৰাজহ গৃহীত | 49.4 | 44.36 | -5.04 | 34.52 | - | 34.52 |
| 97 | 76 কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ | ৰাজহ গৃহীত | 1,357.93 | 1,128.67 | -229.26 | 44.13 | - | 44.13 |
| 98 | 77 উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ব শাসিত পৰিষদ | ৰাজহ গৃহীত | 559.88 | 551.56 | -8.32 | 167.46 | - | 167.46 |
| 99 | 78 বড়োলেণ্ড প্ৰাদেশিয় পৰিষদ | ৰাজহ গৃহীত | 2,998.32 | 2,306.96 | -691.36 | 9.97 | - | 9.97 |
| 100 | C2 ৰাজ্যখনৰ শিতান | ৰাজহ ধাৰ্য্য | 10.68 | 7.38 | -3.3 | 1.14 | - | 1.14 |
| 101 | PD ৰাজহুৱা ঋণ আৰু ঋণৰ সেৱা | ৰাজহ ধাৰ্য্য | 6,162.41 | 5,299.18 | -863.23 | 0.57 | - | 0.57 |
| | মুঠ | | **84,009.23** | **61,955.28** | **-22,053.95** | **14,950.22** | **-** | **14,950.22** |

## পৰিশিষ্ট 3.4: পুঁজি সমূহৰ অত্যাধিক পুনৰ বিনিয়োজন

**(দ্ৰষ্টব্য: দফা 3.3.4)**

(কোটি টকা)

| ক্ৰমিক নং | অনুদান | হিচাপৰ শিতীন (মুখ্য শিতানৰ পৰা গৌণ শিতান) | জি এ আৰু এচ এচ এ | উপ শিতান | উপ-উপ শিতান | ৰাহি (-)/ অতিৰিক্ত (অ' এচ) | পুন: বিয়োজন | ৰাহি (-)/ অতিৰিক্ত (অ' এচ আৰ) |
|---|---|---|---|---|---|---|---|---|
| 1 | 03 ন্যায় প্ৰশাসন | 4059-01-051 | জি এ | {1483}-গৃহ নিৰ্মান ( ন্যায় প্ৰশাসন) | [584]-কাৰ্য্য | 2.52 | 3 | -0.48 |
| 2 | 12 জিলা প্ৰশাসন | 2235-60-200 | জি এ | {0930}-সৈনিক কল্যান সঞ্চালকালয়, অসম | --- | 0.03 | 0.17 | -0.14 |
| 3 | 25 বিভিন্ন সাধাৰণ সেৱাসমূহ | 2052-00-090 | জি এ | {0417}-পৰিচালক প্ৰতিষ্ঠানিক বৃত্তিও কোষ | [200]-চাহ বাগিছা আঁচনি | 6.85 | 11.14 | -4.29 |
| 4 | 25 বিভিন্ন সাধাৰণ সেৱাসমূহ | 2075-00-800 | জি এ | {2490}-চিকিৎসা পৰিশোধৰ পৰিশোধ | --- | 0.9 | 3 | -2.1 |
| 5 | 27 কলা আৰু সংস্কৃতি | 2205-00-102 | জি এ | {0689}-সংস্কৃতি কাৰ্য্যকলাপৰ বিকাশ | [872]-শিল্পি সম্বৰ্ধনা (এক কালীন) @ 50,000/- for 1000 কলা কোশলী | 3.56 | 4.13 | -0.57 |
| 6 | 41 প্ৰাকৃতিক মহাদুৰ্যোগ | 2245-02-101 | জি এ | {4703}-বিনামূলীয়া সাহাৰ্য্য (বানপানী) | --- | 132.71 | 170 | -37.29 |
| 7 | 49 জলসিঞ্চন | 4702-00-101 | জি এ | {0160}-প্ৰবাহ জলসিঞ্চন | [543]-বৰিচাকোনা এফ আই এছ ৰ খাল প্ৰণালীৰ নৱীকৰণ আৰু পুনৰ্নিৰ্মাণ, গুৱাহাটী বিভাগ | 0.23 | 0.39 | -0.16 |

| ক্ৰমিক নং | অনুদান | হিচাপৰ শিতীন (মুখ্য শিতানৰ পৰা গৌণ শিতান) | জি এ আৰু এচ এচ এ | উপ শিতান | উপ-উপ শিতান | ৰাহি (-)/ অতিৰিক্ত (অ' এচ) | পুন: বিয়োজন | ৰাহি (-)/ অতিৰিক্ত (অ' এচ আৰ) |
|---|---|---|---|---|---|---|---|---|
| 8 | 49 জলসিঞ্চন | 4702-00-101 | জি এ | {1522}- জলসিঞ্চন উত্তোলন | [121]-কুৰুৱা এল আই এছ, মঙ্গলদৈ বিভাগ | 0.06 | 0.78 | -0.72 |
| 9 | 49 জলসিঞ্চন | 4702-00-101 | জি এ | {0160}-প্ৰবাহ জলসিঞ্চন | --- | 1.6 | 3.07 | -1.47 |
| 10 | 49 জলসিঞ্চন | 4702-00-101 | জি এ | {0160}-প্ৰবাহ জলসিঞ্চন | [984]-পানবাৰী এফ আই এচ | 0.29 | 0.49 | -0.2 |
| 11 | 49 জলসিঞ্চন | 4702-00-101 | জি এ | {0160}-প্ৰবাহ জলসিঞ্চন | [547]-দশীলা এফ আই এছ পুনৰ নিৰ্মাণ আৰু উন্নতি কৰণ, দুধনৈ বিভাগ | 0.59 | 1.14 | -0.55 |
| 12 | 49 জলসিঞ্চন | 4702-00-102 | জি এ | {1523}-দমকল | [982]-সৌৰজগতৰ সৈতে ডি টি এইচ আঁচনি বেহালী এলেকা | 1.55 | 1.68 | -0.13 |
| 13 | 49 জলসিঞ্চন | 4702-00-102 | জি এ | {1523}-দমকল | [336]-পাখামাৰা ডি টি এইচ নিৰ্মাণ ( তিনি ঠাইত) | 0.05 | 0.45 | -0.4 |
| 14 | 58 উদ্যোগ | 4885-60-800 | জি এ | {2340}-অভ্যন্তৰিণ পথৰ উন্নতি, নলা আৰু কালভাৰ্ট আৰু শক্তি বিতৰণ ( এইচ এণ্ড এল টি) নেটৱৰ্ক এই জি চি চাংচাৰী, কামৰূপ। | --- | 0.48 | 0.95 | -0.47 |
